# সূত্ৰধাৰ

১৬-৩০ নবেম্বৰ, ১৯৯২ ▫ সাত টকা



## অসমত মাছ উৎপাদনৰ ভৱিষ্যৎ

# সূত্ৰধাৰ

চতুৰ্থ বছৰ, বিংশ সংখ্যা
১৬-৩০ নবেম্বৰ, ১৯৯২
Vol. IV, No. 20
16-30 November, 1992

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগ সজ্জা
মোহন নাথ

**Delhi Office :**
PURAVI PRAKASHON Pvt. Ltd.,
1/26 A LALITA PARK, LAXMINAGAR
Vikas Marg New Delhi-110092
Telephone : 225767

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী -১-ৰ পৰা প্ৰকাশিত ঃ ▫ ফোন ঃ ৪৪৮৫৪, ৩৩৬১৮, ৪৬৫৯৮

## বিষয়-সূচী

প্ৰচ্ছদ নিবন্ধ
অসমৰ মীন ক্ষেত্ৰ ▫ হৰিচৰণ দাস ৬
মাছে গৰকা আঞ্জা ▫ নিজৰা ভৰালী ১৩

সাহিত্য
কলংকিত পুৰস্কাৰ ঃ কলুষিত অকাডেমী ▫ ভুবন বৰুৱা ১৫
তিতা-কেঁহা ▫ বক্ৰগামী বৰুৱা ১৭

টোকা
আমেৰিকাৰ নতুন ৰাষ্ট্ৰপতি, মিঃ বিল ক্লিণ্টন ▫ ডা ঃ ৰণেন পাঠক ১৮

বিচিত্ৰা
জাপান অধিকৃত ব্ৰহ্মদেশত মোৰ শৈশৱ ▫ (শ্ৰীমতী) কমল দাস ২০

প্ৰতিবেদন
বিতৰ্কিত সংখ্যালঘু সংগঠন কৌমি তানজীমৰ ভিতৰ চ'ৰাত এভুমুকি ▫ স্বপ্না বেজবৰুৱা ২

সাক্ষাতকাৰ
অসমৰ শেহতীয়া পৰিস্থিতিৰ ওপৰত মুখ্যমন্ত্ৰী শইকীয়াৰ প্ৰতিক্ৰিয়া আৰু তাৰ বিশ্লেষণ ▫ দেৱব্ৰত বৰগোহাঞি ৩০

ৰাজনীতি
ভোটাৰ তালিকা সংশোধন ▫ হিতেন মহন্ত ৩২

দৃষ্টিকোণ
অসমক লেবাননকৰণৰ দৰ্শন আৰু পৰিণতি ▫ হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য ৩৩

স্মৃতিচাৰণ
অসমত কুৰিটা বছৰ ▫ নিৰ্মলা থৰ্কৱাল ৩৯

বিশ্ব-সহিত্য
'আনন্দ আৰু বেদনাৰ সন্ধানত' কাফ্কা ▫ সত্যজিৎ ভূঞা ৪০

দৃষ্টিপাত
বাক্-যন্ত্ৰ ▫ ৰসানন্দ অভাজন ৫২

গ্ৰন্থ জগত
কবিতাৰ নতুন ঋতু ▫ নলিনীধৰ ভট্টাচাৰ্য ৫৩

সাক্ষাত-নিবন্ধ
অসম পেট্ৰ'কেমিকেলচ্ লিমিটেড্ ▫ প্ৰণৱ কুমাৰ হাজৰিকা ৫৬

সঙ্গীত
অসমীয়া আধুনিক গীত ▫ সত্যেন শৰ্মা ৬২

সম্পাদকৰ টোকা বহী
কবিতা ▫ ৪
ধাৰাবাহিক উপন্যাস ▫ ৪৪
শিল্প-সংস্কৃতি ▫ ৫৫

*বেটুপাতৰ ফটো ▫ প্ৰসেনজিৎ দুৱৰা*

## বিশেষ ঘোষণা

অহা ১ ডিচেম্বৰৰ পৰা 'সূত্ৰধাৰ'ৰ প্ৰতি সংখ্যাত দূৰদৰ্শনৰ গুৱাহাটী কেন্দ্ৰৰ বিভিন্ন কাৰ্যসূচীৰ সমালোচনা আগবঢ়োৱা হ'ব।

সম্পাদক
সূত্ৰধাৰ

OKDISCD

# মাছৰ কথা

চল্লিশৰ দশকত, অৰ্থাৎ আমাৰ বয়সৰ মানুহবোৰৰ বাল্যকালত, অসমৰ বহুতো অঞ্চলত মাছ ইমান উভৈনদী আছিল যে মানুহে মাছ খাই শেষ কৰিব নোৱাৰিছিল। তেতিয়া মানুহৰ মুখে মুখে এনে কথা প্ৰচলিত আছিল ঃ 'নাৰ'-বাট' কোনে খায়, চেনি-কুঢ়ি গেলি যায়।' তেতিয়া বেছিভাগ মানুহেই মাছ নোহোৱাকৈ ভাত খোৱাৰ কথা কল্পনাও কৰিব নোৱাৰিছিল। মাছৰ তেনে প্ৰাচুৰ্যৰ দিনতে ডিব্ৰুগড়ৰ স্বৰ্গীয় দাসীৰাম বৰা নামৰ এজন চিন্তাশীল মানুহে বিহগী-কবি ৰঘুনাথ চৌধুৰীৰ দ্বাৰা সম্পাদিত 'সুৰভিত' এটা প্ৰবন্ধ লিখি ভৱিষ্যদ্বাণী কৰিছিল যে অসমীয়া মানুহে ভৱিষ্যতৰ কথা চিন্তা নকৰি যিভাবে মাছৰ পো-পোৱালি পৰ্যন্ত খাই শেষ কৰিছে আৰু মাছৰ বংশ-ৰক্ষাৰ কথা চিন্তা কৰিবলৈ পাহৰিছে, তাৰ ফলত অসমত এদিন মাছৰ বংশ বিলুপ্ত হ'ব আৰু মানুহে মাছৰ কাৰণে হাহাকাৰ কৰি মৰিব।

আধা শতিকা পাৰ নৌ হওঁতেই দাসীৰাম বৰাৰ সেই ভৱিষ্যদ্বাণী সঁচা বুলি প্ৰমাণিত হৈছে। অসমৰ বাহিৰৰ পৰা, বিশেষকৈ অন্ধ্ৰপ্ৰদেশৰ পৰা, প্ৰতিদিনে কোটি কোটি টকাৰ মাছ অসমলৈ আমদানি নোহোৱা হলে অসমৰ বেছিভাগ মানুহে মাছ কি বস্তু সেই কথা বোধহয় পাহৰিয়েই গ'লহেঁতেন। অসমত স্থানীয় মাছ এনে এটা আপুৰুগীয়া বস্তুত পৰিণত হৈছে যে মাছৰ বজাৰত তাৰ নতুনকৈ নামকৰণ কৰিব লগা হৈছে 'লোকেল মাছ' বুলি। ৰৌ-বৰালী, পুঠি-খলিহনা আদি সকলো স্থানীয় মাছৰে এটা উমৈহতীয়া নাম হ'ল 'লোকেল মাছ'। দুৰ্মূল্য আৰু দুষ্প্ৰাপ্য এইবিধ নতুন মাছৰ জুতি ল'ব পৰাৰ ক্ষমতা সৰ্বসাধাৰণ মানুহৰ নাই। ইতিমধ্যেই সি কেৱল বিলাসী ধনীৰ ভোগৰ সামগ্ৰীত পৰিণত হৈছে।

কিন্তু দাসীৰাম বৰাৰ ভৱিষ্যদ্বাণী সঁচা হোৱাটোৱেই আলোচ্য প্ৰসঙ্গত একমাত্ৰ গুৰুত্বপূৰ্ণ কথা নহয়। তাতোকৈ বেছি গুৰুত্বপূৰ্ণ কথাটো হ'ল এইটোহে যে যেতিয়া অসমত মাছৰ খাই শেষ কৰিব নোৱৰা অৱস্থা আছিল, তেতিয়াই দাসীৰাম বৰাৰ নিচিনা মানুহে মাছৰ উৎপাদন কেনেকৈ বঢ়াব পাৰি, মাছৰ বংশ-ৰক্ষা কেনেকৈ কৰিব পাৰি – এইবোৰ কথা মানুহক সকীয়াই দিছিল; কিন্তু আজি অসমত মাছ লুপ্তপ্ৰায় হবলৈ উপক্ৰম হোৱাৰ সময়তো মাছৰ বিষয়ে চিন্তা-চৰ্চাৰ প্ৰয়োজন অনুভৱ কৰা মানুহ এজনো নাই। অসমীয়া মানুহৰ কাৰণে মাছ কেৱল ভোগৰ বা বিলাসৰ সামগ্ৰী নহয়। ই তেওঁলোকৰ কাৰণে প্ৰোটিনৰ প্ৰধান উৎস। প্ৰোটিনৰ অভাৱত মানুহৰ দেহ-মনৰ বিকাশ কিভাবে বাধা-প্ৰাপ্ত হয় সেইবোৰ কথা আজিকালি পঢ়াশলীয়া ছাত্ৰয়ো জানে। উপযুক্ত খাদ্য আৰু ঘাইকৈ প্ৰোটিনৰ অভাৱত বেছিভাগ অসমীয়া মানুহ দিনে দিনে চেৰেলা আৰু নিশকতীয়া হৈ যাব ধৰিছে। গুনাৰ মীৰ্ডালে তেওঁৰ একাধিক কিতাপত স্বাস্থ্যহীনতাক তৃতীয় বিশ্বৰ অনুন্নত দেশবোৰৰ এটা প্ৰধান সমস্যা বুলি চিহ্নিত কৰিছে। দুৰ্বল স্বাস্থ্যৰ কাৰণেই তৃতীয় বিশ্বৰ দুখীয়া মানুহবোৰে বেছি পৰিশ্ৰম কৰিব নোৱাৰে আৰু ফলত উৎপাদন বৃদ্ধি কৰিব নোৱাৰে। আনহাতে উৎপাদন বৃদ্ধি বা সম্পদ সৃষ্টি কৰিব নোৱৰাৰ কাৰণেই তেওঁলোক সদায় দুখীয়া হৈ থাকে। অৰ্থাৎ ই এটা দুষ্ট-চক্ৰত পৰিণত হয়। অসমীয়া জাতি আজি এই দুষ্ট-চক্ৰৰ কবলত পৰিছে। অসমৰ কিছুমান বছা বছা গাঁৱলীয়া অঞ্চলত কোনোবাই যদি প্ৰণালীবদ্ধ ভাবে সমীক্ষা চলায়, তেন্তে তেওঁ দেখিব যে সেইবোৰ অঞ্চলৰ বেছিভাগ অসমীয়া মানুহেই বুকুৰ মাজত জীউটো লৈ কোনোমতে জীয়াই আছে; তেওঁলোকৰ স্বাস্থ্য বা কৰ্মশক্তি বুলিবলৈ একোটোৱেই নাই। তাৰ একমাত্ৰ কাৰণ হ'ল পৰ্যাপ্ত পৰিমাণৰ পুষ্টিকৰ খাদ্যৰ অভাৱ। অসমীয়া মানুহৰ ভৱিষ্যত একেবাৰেই আশাপ্ৰদ নহয় – তাৰ বহুতো কাৰণৰ ভিতৰত এটা প্ৰধান কাৰণ হ'ল তেওঁলোকৰ অপুষ্টি-জনিত স্বাস্থ্যহীনতা।

আমি যদি অসমীয়া সকলৰ স্বাস্থ্যৰ উন্নতি কৰি তেওঁলোকক এটা পৰিশ্ৰমী জাতিত পৰিণত কৰিব খোজো, তেন্তে সৰ্বপ্ৰথমে আমি তেওঁলোকৰ খাদ্যৰ মান উন্নত কৰাৰ উপায় উদ্ভাৱন কৰিব লাগিব। মাছে এই ক্ষেত্ৰত এটা ডাঙৰ ভূমিকা ল'ব পাৰে। পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি মাছ খোৱা জাতি হ'ল জাপানীসকল। বেছি মাছ খোৱাৰ কাৰণেই জাপানীসকল পৃথিৱীৰ আটাইতকৈ পৰিশ্ৰমী আৰু উন্নত জাতি হৈছে নেকি – সেই কথা ঠিৰাংকৈ কোৱা টান। কিন্তু এটা কথা ঠিক যে তেওঁলোকৰ খাদ্যত মাছৰ প্ৰাধান্যই তেওঁলোকৰ শ্ৰম-সহিষ্ণুতা বৃদ্ধি কৰাত যথেষ্ট সহায় কৰিছে। অসমখন নৈ-বিল আৰু জান-জুৰিৰে ভৰ্তি হৈ থকা সত্ত্বেও কিয় ইয়াত স্থানীয় মানুহৰ চাহিদা পূৰণ কৰিব পৰাকৈ মাছৰ উৎপাদন বৃদ্ধি কৰিব নোৱাৰি, কিয় অসমলৈ বছৰি কোটি কোটি টকাৰ মাছ বাহিৰৰ পৰা আমদানি কৰিব লগা হয় – এইবোৰ কথা আজি গুৰুত্ব-সহকাৰে আলোচনা কৰাৰ প্ৰয়োজন হৈছে।

প্ৰতিটো কথাৰ কাৰণে চৰকাৰৰ মুখাপেক্ষী হোৱাৰ বা চৰকাৰক দোষাৰোপ কৰাৰ মানসিকতাক আমি ভাল চকুৰে নাচাওঁ বা তেনে মানসিকতাক উৎসাহ দিবও নোখোজো। অসমত মাছৰ প্ৰয়োজন বৃদ্ধি নোহোৱাৰ কাৰণে কেৱল চৰকাৰেই দায়ী নহয়। অসমৰ সকলো শিক্ষিত ডেকা-গাভৰুকে হয় চৰকাৰী চাকৰিয়াল নহয় উদ্যোগপতি হবলৈ লাগে। মাছৰ ব্যৱসায় কৰিও যে হাজাৰ হাজাৰ ডেকা-গাভৰুৱে আত্ম-সংস্থাপনৰ উপায় উলিয়াব পাৰে সেই কথা তেওঁলোকে কেতিয়াও চিন্তা কৰি নাচায়। কিন্তু লগতে এই কথাও ঠিক যে অসমত যিহেতু এটা চৰকাৰী মীন বিভাগ আছে, সেই কাৰণে তেওঁলোকে নিজৰ দায়িত্ব ঠিক মতে পালন কৰিছেনে নাই তাৰ ওপৰতো বিশেষভাবে চকু ৰখা দৰকাৰ। মাছ অসমীয়া মানুহৰ প্ৰতিদিনৰ সমস্যা। অথচ আচৰিত কথা যে মীন বিভাগৰ কাম-কাজৰ বিষয়ে আলোচনা-সমালোচনা অসমৰ প্ৰচাৰ-মাধ্যমবোৰত একেবাৰে নহয় বুলিয়েই ক'ব পাৰি। আনহাতে আমাৰ চুবুৰীয়া পশ্চিম বঙ্গৰ বাতৰি কাকতত প্ৰায় প্ৰতিদিনেই সেই ৰাজ্যৰ মীন বিভাগ আৰু বিভাগীয় মন্ত্ৰী কিৰণময় নন্দৰ উল্লেখ পোৱা যায়। অসমীয়া সকলে অগ্ৰাধিকাৰ-নিৰূপণত কিমান ডাঙৰ ভুল কৰে – ইয়েই তাৰ এটা ডাঙৰ প্ৰমাণ। ব্যক্তিৰ দৰেই এটা জাতি বা এখন সমাজেও স্বাস্থ্য গঠনৰ ওপৰতেই আটাইতকৈ বেছি গুৰুত্ব দিয়া উচিত। স্বাস্থ্যহীন দুৰ্বল মানুহে পৰিশ্ৰম কৰিব নোৱাৰে আৰু পৰিশ্ৰম কৰিব নোৱাৰিলে উন্নতি নহয়। অসমৰ মানুহৰ স্বাস্থ্য গঠনত এটা প্ৰধান ভূমিকা ল'ব লাগিব মাছে। অসমত মাছৰ উৎপাদন কেনেকৈ বৃদ্ধি কৰিব পাৰি সেই বিষয়ে ৰাজহুৱা সচেতনতা আৰু চিন্তা-চৰ্চা সমূলি নোহোৱাৰ কাৰণেই মীন বিভাগৰ নিচিনা এটা দায়িত্বপূৰ্ণ বিভাগেও নিজৰ অস্তিত্বৰ সাৰ্থকতা প্ৰমাণ কৰাৰ জোখেৰে একো কাম নকৰিও একো শাস্তি নোপোৱাকৈ আজিলৈকে সাৰি আছে। সামৰণিত ইয়াকে ক'ব খোজো যে মাছৰ বিষয়ে সচেতন নহলে অসমীয়া মানুহৰ ভৱিষ্যত অন্ধকাৰ। কেৱল প্ৰোটিনৰ অভাৱতে তেওঁলোকৰ দেহ-মনৰ বিকাশ বাধা-প্ৰাপ্ত হ'ব আৰু ফলত আধুনিক জগতৰ তীব্ৰ প্ৰতিযোগিতাৰ পৰা তেওঁলোক এদিন ছিটিকি ওফৰি পৰিব।

## বিশেষ দ্ৰষ্টব্য

নতুন বছৰৰ প্ৰথম সংখ্যা 'সূত্ৰধাৰ' (১ জানুৱাৰী, ১৯৯৩) বিশেষ সংখ্যা ৰূপে প্ৰকাশ পাব। সমসাময়িক অসমীয়া সাহিত্য, সঙ্গীত, চিত্ৰকলা, চিনেমা, সাংবাদিকতা আৰু ৰঙ্গমঞ্চ সম্পৰ্কে অসমৰ বিশিষ্ট পণ্ডিত আৰু সমালোচকসকলে লেখা সমীক্ষাত্মক প্ৰবন্ধৰে ঠাঁহ খাই থকা এই বিশেষ সংখ্যাটোৰ পৃষ্ঠা-সংখ্যা প্ৰায় এশ। দাম কিন্তু মাত্ৰ দহ টকা। পিছত নিৰাশ নহ'বলৈ আপোনাৰ কপিটোৰ কাৰণে আগতীয়াকৈ স্থানীয় এজেন্টক কৈ ৰাখক।

*কাৰ্যাধ্যক্ষ*
**সূত্ৰধাৰ**

প্ৰচ্ছদ নিবন্ধ

# অসমৰ মীন ক্ষেত্ৰ

## সমস্যা আৰু সম্ভাৱনা

হৰিচৰণ দাস

অসমৰ জনসাধাৰণ অতীজৰে পৰা মৎস্যপ্ৰেমী। অসমৰ থলুৱা জনসাধাৰণৰ শতকৰা ৯৯ ভাগেই মাছ খায় বুলি ক'ব পাৰি। উল্লেখযোগ্য যে ইয়াৰ ব্ৰাহ্মণ জনগোষ্ঠীৰ লোকেও মাছ খায়। (গুজৰাট, উত্তৰ প্ৰদেশৰ ব্ৰাহ্মণ সকলে মাছ খোৱাটো এক প্ৰকাৰ আশ্চৰ্যজনক কথা!) মহাপুৰুষ গুৰু জনাইও শস্যে-মৎস্যে অনুপম ঠাইতহে সত্ৰ-নামঘৰ স্থাপন কৰিছিল। অৰ্থাৎ অসমৰ জনজাতীয় জনগোষ্ঠী সমূহৰ কথাটো বাদেই, তথাকথিত উচ্চ বৰ্ণৰ লোকসকলৰ মাজতো মাছ আছিল জনপ্ৰিয়।

বিয়া সবাহ, উৎসৱ-পাৰ্বণ আদিত, অসমীয়াৰ বাবে মাছ অপৰিহাৰ্য। তেলৰ ভাৰত দিয়া মাছটোৰ আকৃতিৰ ওপৰতে অসমীয়া দৰা ঘৰীয়াৰ মৰ্যাদা নিৰ্ভৰ কৰে! এনেবোৰ কাৰণতে অসমীয়া লোককৃষ্টিত মাছে এক উল্লেখযোগ্য স্থান দখল কৰিছে। বিয়াগীত, বিহুগীত, ফকৰা যোজনা আদিত মাছৰ উপমা প্ৰচুৰ। বিয়াগীতত মাছৰ উল্লেখ আছে এনেদৰে–

"চৰিয়াত জীয়াবা মাগুৰ মাছ এহালি
কইনাৰ আগতে থবা।
সেই মাছ হালিকে নৈত মেলি দিবা
দীৰ্ঘজীৱী পুত্ৰ পাবা॥"

বিহুৱা সকলে ৰগৰ কৰি গায়–

"মাছ মাৰিবৌলৈ গৈছিলো
মাছত পালো কাঁৰৈ ঐ
শহুৰৰ ঘৰক গৈছিলো
শাহুৱে বুলিলে তাঁৰৈ ঐ।"

ফকৰা যোজনাত আছে–

"শাহুৱে গৰকা বোৱাৰী বাবা
মাছে গৰকা পাচলি খাবা।"
"যোৰো যোৰ পাভ যোৰ।"

মাছক লৈ বহুতো লোক কথা, সাধু আদিৰো সৃষ্টি হৈছে।


আজি প্ৰায় চল্লিশ বছৰমান আগলৈকে অসমত মাছ উভৈনদী আছিল। বৰাক আৰু ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈ, শাখানৈ আদি, বিল, খাল, ডোঙা, পিতনি, জলাশয় আদিৰ পৰা প্ৰচুৰ পৰিমাণে মাছ উৎপাদন হৈছিল। বৰ্তমান অসমৰ মীন উৎসসমূহ তলত দিয়া ধৰণৰ–

| | উৎস | সংখ্যা | এলেকা (হেক্টৰ) | ভাল অৱস্থাৰ এলেকা (হে) | অৰ্দ্ধ পৰিত্যক্ত এলেকা (হে) | পৰিত্যক্ত এলেকা (হেক্টৰ) |
|---|---|---|---|---|---|---|
| ১ | বিল | | | | | |
| | (ক) পঞ্জীয়ন ভুক্ত | ৪৩০ | ৬৬১০০ | ১০৯০০ | ১৬৩০০ | ৩৮৯০০ |
| | (খ) অ-পঞ্জীয়ন ভুক্ত | ৪৭৬ | ৩৩৯০০ | ৭৪০ | ৯২০০ | ২৩৯৬০ |
| ২। | ডোঙা, জলাশয় | ১৭৬৯ | ৬৫০৪ | ১৪১০ | ৩৬৯০ | ১৪০৪ |
| ৩। | বন্যাঞ্চলৰ জলাশয় | ১১৩ | ৫৫১৭ | – | ১৫০০ | ৪০১৭ |
| ৪। | খাল, পুখুৰী | ১৫১৯৫৬ | ২১৬০০ | ১৩১০০ | ৫২০০ | ৩৩০০ |
| | মুঠ | ১,৫৪,৭৪৪ | ১৩৩৬২১ | ২৬,১৫০ | ৩৫,৪৯০ | ৭,৫৮১ |

৫। নদী এলেকা ২,৪০০ লাখ হেক্টৰ। মুঠ দৈৰ্ঘ্য ৪,৮২০ কিঃ মিঃ। (১৯৯১ চনৰ জৰীপ মতে)

কিন্তু দুৰ্ভাগ্যজনক কথা এই যে, ইমানবোৰ উৎস থকা সত্ত্বেও অসমত মাছৰ উৎপাদন অভাৱনীয় ভাবে কমি আহিছে। আনফালে জনসংখ্যা বৃদ্ধিৰ লগে লগে মাছৰ চাহিদা দিনক দিনে বাঢ়ি গৈছে।

বিশ্বৰ জনমূৰি মাছ ভক্ষণৰ পৰিমাণ প্ৰতিবছৰে ১২ কিঃ গ্ৰাঃ। সেই হিচাপত অসমৰ জনসাধাৰণক প্ৰায় চাৰি লক্ষ টন মাছৰ প্ৰয়োজন। (বছৰি হিচাপত) কিন্তু ইয়াৰ বিপৰীতে অসমৰ মুঠ মৎস্য উৎপাদনৰ পৰিমাণ ৬১.৬৪ হেজাৰ টন (৮৯-৯০)। ৯০-৯১ চনৰ উৎপাদন ৭৬ হেজাৰ টন! (অনুগ্ৰহ কৰি তালিকাখন চাওক)



এখন মীন গাম

### অসমত মাছৰ পোনা আৰু মাছ উৎপাদনৰ তালিকা


| | লক্ষ্য | উৎপাদন |
|---|---|---|
| ১। মাছৰ পোনা ফ্ৰাই আৰু ফিঙ্গাৰলিং | ৮৪ মিলিয়ন | ৬৬০ মিলিয়ন (১৯৮৯-৯০) |
| | ১৩৫ মিলিয়ন | ১১৮৮.৯০ মিলিয়ন (১৯৯০-৯১) |
| ২। মাছ | ৭০ হাজাৰ টন | ৬১.৬৪ হাজাৰ টন (৮৯-৯০) |
| | ৭২ হাজাৰ টন | ৭৬ হাজাৰ টন (৯০-৯১) |

মাছৰ খকুৱা অসমীয়া লোকৰ জনমূৰি মাছভোগৰ পৰিমাণ পিছে অতি দুখলগা! মাত্ৰ ২.১১ কিঃগ্ৰাঃ (বছৰি)। আনহাতে সৰ্বভাৰতীয় ভিত্তিত জনমূৰি মাছভোগৰ পৰিমাণ পাঁচ কিঃগ্ৰাঃ। কিন্তু ইয়াৰ লগত জড়িত থকা উল্লেখযোগ্য কথা হ'ল – সৰ্বভাৰতীয় ভিত্তিত মৎস্যভোজী লোকৰ শতকৰা হাৰ বহুত কম। তেনেক্ষেত্ৰত মৎসভোজী লোকসকলৰ সৰ্বভাৰতীয় ভিত্তিত মাছ ভক্ষণৰ পৰিমাণ পাঁচ কিঃগ্ৰাঃতকৈও বেছি হ'ব। উল্লেখযোগ্য যে জাপানৰ জনমূৰি মাছ ভক্ষণৰ পৰিমাণ বছৰি ৮৬ কিঃগ্ৰাঃ! গতিকে অসমীয়া মানুহ কেটেঙা নালাগি লাগিব কোন!

বৰ্তমান অসমৰ জনসংখ্যা দুইকোটি বাইশ লাখ। ইয়াৰ ভিতৰত দুইকোটি লোকেই মৎস্যভোজী বুলি ধৰি ল'ব পাৰি। এই জনসংখ্যাক জনমূৰি বছৰি পৰিমিত ভাবে (অন্ততঃ ১০ কিঃগ্ৰাঃকৈ) খুৱাবলৈ হ'লে অসমৰ মুঠ মাছৰ চাহিদা হ'ব চাৰি লাখ টন। কিন্তু দুৰ্ভাগ্যজনক কথা হ'ল – ইয়াৰ এক চতুৰ্থাংশ মাছো অসমত উৎপাদন নহয়।

কিন্তু অসমততো উৎসৰ অভাৱ নাই! ইয়াৰ মুঠ নদী এলেকা ২,৪০০ লাখ হেক্টৰ। নদীক বাদ দি বাকী জলসম্পদৰ এলেকা ১,১৮৫ লাখ হেক্টৰ। ইয়াৰ ভিতৰত প্ৰায় এক লাখ হেক্টৰ হ'ল বিল এলেকা। কিন্তু ইমানবোৰ মীন উৎস থকা সত্ত্বেও সপ্তাহে প্ৰায় ৬০ মেট্ৰিকটন মাছ বাহিৰৰ ৰাজ্যৰ পৰা আহে। বছৰি বাহিৰৰ পৰা আমদানি হোৱা মাছ (বৰফদি আমদানি কৰা বা 'ৰেফ্ৰিজাৰেটেড ভেনত' অনা)ৰ পৰিমাণ প্ৰায় ৩০ হাজাৰ মেট্ৰিকটন। টনে প্ৰতি ন্যূনতম ৩৫০০০ টকা দাম হলেও ৰাজ্যখনৰ পৰা বছৰি ওলাই যায় ১০৫ কোটি টকা।

কেঁচা মাছৰ উপৰিও অসমলৈ শুকান মাছো আমদানি কৰা হয়। উল্লেখযোগ্য যে, এচিয়াৰ ভিতৰতেই সৰ্ববৃহৎ শুকানমাছৰ বজাৰখন আছে অসমৰ জাগীৰোডত। বজাৰখনলৈ বছৰে ৫-১০ হাজাৰ টন শুকান মাছ আমদানি হয় আৰু ইয়াৰ পৰাই উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰীয়া ৰাজ্য যেনে মেঘালয়, অৰুণাচল প্ৰদেশ, নগালেণ্ড, মণিপুৰ, মিজোৰাম আদিলৈ ৰপ্তানি হয়। এই বজাৰখনলৈ কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, গুজৰাট আৰু মহাৰাষ্ট্ৰৰ বিভিন্ন ঠাইৰ পৰা শুকান মাছ আমদানি কৰা হয়। এই শুকান মাছবোৰ পাহাৰীয়া জনজাতীয় লোকৰ মাজত অতি জনপ্ৰিয়। পাহাৰীয়া লোক সকলে, শুকান মাছে মেলেৰিয়া ৰোগৰ প্ৰতিষেধক হিচাপে কাম কৰে বুলি বিশ্বাস কৰে। উল্লেখযোগ্য যে প্ৰায়বোৰ পাহাৰীয়া ঠাইতেই মেলেৰীয়া ৰোগৰ প্ৰৱণতা বেছি।



আধুনিক মীন প্ৰজনন পুখুৰী

আপেক্ষিক ভাবে শুকান মাছৰ দামো কম। ভ্ৰুচ, গোৰী, বাজাৰী, ধাত্ৰী, নাগটাকি, পতান, চুৰি, বথৰিল, চাকিয়া, খিদলি, গান্দি আদি মাছৰ পাইকাৰী ক্ৰয়মূল্য পাঁচ টকাৰ পৰা ১৫ টকা (প্ৰতি কিঃগ্ৰাঃ) মানহে। অৱশ্যে আমদানি কৰা শুকান মাছতকৈ থলুৱা শুকান মাছ যেনে পুঠি, মাগুৰ, শিঙি, খলিহনা, চিতল আদিৰ মূল্য প্ৰতি কিঃগ্ৰাঃত ৩০ টকাৰ পৰা ৮০ টকা। অৰ্থাৎ মৎস্য আমদানিৰ ফলত অসমৰ পৰা এক শকত পৰিমাণৰ ধন বাহিৰলৈ গৈ আছে, ইমানবোৰ উৎস থকা সত্ত্বেও।

অসমৰ মীন উৎস সমূহৰ পৰা মাছৰ উৎপাদন কিয় কমি গৈছে? ইয়াৰ কাৰণ কেইবাটাও। ইয়াৰ ভিতৰত আটাইতকৈ ডাঙৰ কাৰণটো হ'ল মাছৰ প্ৰাকৃতিক প্ৰজনন ক্ষেত্ৰ সমূহ ধ্বংস হোৱাটো। বিভিন্ন কাৰণত মীন উৎস সমূহ মানুহে জধেমধে ধ্বংস কৰি পেলাবলৈ লৈছে। প্ৰাকৃতিক পৰিবেশৰ সুৰক্ষাৰ কথা নাভাবি জধে-মধে বান নিয়ন্ত্ৰণৰ বাবে বন্ধা মথাউৰি, যাতায়াতৰ বাবে সজা দলং, বিলমাটি পুতি ঘৰ আদি সজাৰ ফলত মাছৰ প্ৰাকৃতিক প্ৰজনন ক্ষেত্ৰ আৰু আবাস স্থল সমূহ ক্ষতিগ্ৰস্ত হৈছে। প্ৰদূষণৰ ফলতো বহুতো নদী আৰু বিলত মাছৰ সংখ্যা আশাতীত ভাবে কমি গৈছে। তদুপৰি বাৰিষা কালৰ প্ৰজনন ঋতুত গৰ্ভৱতী মাছ ধৰাটো বন্ধ কৰিব নোৱৰাৰ ফলত মাছৰ সংখ্যা বৃদ্ধি ব্যাপক হাৰত ক্ষতিগ্ৰস্ত হৈছে। এনেদৰে মাছৰ পোনা উৎপাদন হ্ৰাস আৰু স্বাভাৱিক বাসস্থল সমূহ মানুহৰ দৌৰাত্ম্য আৰু পৰিবেশ প্ৰদূষণৰ ফলত ক্ষতিগ্ৰস্ত হোৱাৰ ফলস্বৰূপে অসমত মাছৰ উৎপাদন ব্যাপক হাৰত কমি আহিছে।

কিন্তু এই কথা ঠিক যি বৈজ্ঞানিক কলাকৌশল খতুৱাই এতিয়াও অসমৰ মৎস্য উৎপাদন বহু পৰিমাণে বৃদ্ধি কৰিব পাৰি। বিজ্ঞান, শ্ৰম আৰু সম্পদৰ সৎব্যৱহাৰ হ'লে প্ৰগতি নহৈ থাকিব নোৱাৰে। দুটামান দশক আগতে আমাৰ দেশৰেই পাঞ্জাব, হাৰিয়ানা আদি ঠাইত সেউজ বিপ্লৱৰ সূচনা হৈছিল – এই বিজ্ঞান, শ্ৰম আৰু সম্পদৰ সদ্ব্যৱহাৰৰ দ্বাৰা। বৰ্তমানৰ দশকটোত অন্ধ্ৰপ্ৰদেশত গঢ়ি উঠিছে সুনীল বিপ্লৱ। মৎস্য উৎপাদনৰ ক্ষেত্ৰত অহা আমূল পৰিবৰ্তনকে আখ্যা দিয়া হৈছে সুনীল বিপ্লৱ হিচাপে। (Blue revolution)। এই সুনীল বিপ্লৱে অন্ধ্ৰপ্ৰদেশৰ অৰ্থনৈতিক গাঁথনিত প্ৰচুৰ প্ৰভাৱ বিস্তাৰ কৰিছে। উল্লেখযোগ্য যে ধানৰ খেতিতকৈ মাছৰ খেতিৰ লাভ চাৰি গুণমানে বেছি হোৱাৰ বাবে অন্ধ্ৰপ্ৰদেশৰ প্ৰায়বোৰ খেতিয়কেই ধান খেতিৰ বাবে ব্যৱহৃত মাটিবোৰত পুখুৰী খান্দি মাছৰ খেতি কৰিবলৈ লৈছে। আনকি চিকিৎসক বৃত্তিধাৰী লোকেও চিকিৎসা বাদ দি মাছৰ খেতিত নামি পৰাৰ উদাহৰণ আছে। তাত

সৰ্বসাধাৰণৰ মনত এনে এটা ধাৰণাৰ সৃষ্টি হৈছে যে – "with rice we cannot rise." এচিয়াৰ ভিতৰত সৰ্ববৃহৎ মীন পামখন স্থাপিত হৈছে অন্ধ্ৰপ্ৰদেশত। এই মীন পামখনৰ নাম "The Waterbase Ltd." ইয়াৰ মুঠ পানী কালি ২২০ হেক্টৰ। বাৰ্ষিক আয় ৪.২৫ কোটি টকা। মীন কৃষি কৰি কেনেদৰে প্ৰচুৰ অৰ্থ উপাৰ্জন কৰিব পাৰি তাৰ এক আদৰ্শ দৃষ্টান্ত আজি অন্ধ্ৰপ্ৰদেশ।

কিন্তু অন্ধ্ৰপ্ৰদেশতকৈও অসমৰ মীন উৎস বেছিহে। বিশেষকৈ অসমত যিমান সংখ্যক নদী আছে, তাৰ তুলনাত অন্ধ্ৰপ্ৰদেশৰ নদীৰ সংখ্যা যথেষ্ট কম। আনহাতে অসমৰ প্ৰচুৰ উৎপাদনক্ষম জলসম্পদ বিলসমূহ আছে। ১৯৮৮-৮৯ চনত ভাৰতৰ "কৃষি গৱেষণা পৰিষদৰ" অন্তৰ্গত "কেন্দ্ৰীয় অন্তৰ্দেশীয় মীন গৱেষণা সংস্থা"ই অসম তথা ইয়াৰ দাঁতি কাষৰীয়া ৰাজ্যসমূহৰ বিল সমূহৰ বিষয়ে গৱেষণা কৰাৰ পিছত প্ৰকাশ কৰিছিল যে এই জলসম্পদবিধক যদি বৈজ্ঞানিক প্ৰণালীৰে ব্যৱহাৰ কৰা হয় তেনেহলে প্ৰতিহেক্টৰ বিলৰ পৰা প্ৰতিবছৰে এহেজাৰ কিঃগ্ৰাঃ কৈ মৎস্য উৎপাদন কৰিব পৰা যায়। দুৰ্ভাগ্যজনক কথা, অসমৰ বিলসমূহ এতিয়ালৈকে বৈজ্ঞানিক প্ৰণালীৰে ব্যৱহাৰ কৰা হোৱা নাই। (অৱশ্যে অলপতে অসম চৰকাৰে বৰপেটাৰ ওচৰত এটা বিল গৱেষণা কেন্দ্ৰ স্থাপনৰ যো-জা কৰিছে।) এতিয়া প্ৰতি হেক্টৰ বিলৰ পৰা অসমে পোৱা উৎপাদন মাত্ৰ এশ কিঃগ্ৰাঃ (বছৰে)। তৎসত্ত্বেও বিল সমূহে অসমৰ মুঠ মৎস উৎপাদনৰ শতকৰা চল্লিশভাগ বৰঙণি যোগায়।

ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ কাষৰীয়া অংশ সমূহতেই অসমৰ বিলসমূহ অৱস্থিত। বিল সমূহৰ উৎপত্তি মূলতঃ নদীৰ পৰাই। নদীয়ে সময়ে সময়ে গতি সলাওঁতে ইয়াৰ কেতবোৰ পৰিত্যক্ত জলভাগ একাষে ৰৈ যায়। এনেদৰেই বিলৰ সৃষ্টি হয়। ইয়াত প্ৰচুৰ পৰিমাণে জৈৱ-পদাৰ্থ থাকে আৰু বিভিন্ন জলজ প্ৰাণী আৰু উদ্ভিদৰ স্বচ্ছন্দ পৰিবেশৰ সৃষ্টি হয়।

বিলবোৰ সাধাৰণতে যথেষ্ট বহল, কিন্তু গভীৰতা কম। ইয়াৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ই নদীৰ সৈতে এক সৰু সুঁতিৰ দ্বাৰা সংলগ্ন হৈ থাকে। (যিবোৰ বিল এনেদৰে নদীৰ সৈতে সংলগ্ন নহয়, তেনে বিলক মৃত বিল বোলে। বান নিয়ন্ত্ৰণৰ বাবে অপৰিকল্পিত ভাবে কেতবোৰ মথাউৰি নিৰ্মাণ কৰাৰ ফলত বহুতো বিলৰ অকালতে মৃত্যু হৈছে।) এই সুঁতিৰেই বাৰিষাকালত প্ৰজননৰ বাবে নদীৰ মাছবোৰে বিললৈ প্ৰব্ৰজন কৰে। অৰ্থাৎ বিলসমূহ হ'ল নদীৰ মাছবোৰৰ বাবে প্ৰাকৃতিক প্ৰজনন ক্ষেত্ৰ। বিলত মাছৰ বাবে প্ৰচুৰ প্ৰাকৃতিক আহাৰ থাকে বাবে মাছৰ পোনাবোৰ ইয়াত ক্ষিপ্ৰ গতিত বৃদ্ধি পায়। বিল সমূহৰ প্ৰচুৰ উৎপাদিকা শক্তিৰ ইও অন্যতম কাৰণ।

অসমৰ অন্য জলসম্পদৰ কথা বাদেই, যদি কেৱল বিল সমূহৰ অন্ততঃ বিশ শতাংশও বৈজ্ঞানিক প্ৰণালীৰে সঁচা অৰ্থত ব্যৱহাৰ হয়, তেতিয়াহলে সেইখিনি উৎপাদনেই অসমক মীন ক্ষেত্ৰত স্বাৱলম্বী কৰি তুলিব পাৰিব। বৰ্তমান অসম চৰকাৰে মীন উৎস সমূহৰ ভিতৰত বিলৰ পৰাই বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰে। বিলবোৰ সাধাৰণতে 'লিজ'ত দিয়া হয়। কিন্তু 'লিজ'ৰ সময় যথেষ্ট কম। এখন বিলৰ উন্নয়নৰ বাবে সময়ৰ প্ৰয়োজন। কিন্তু চৰকাৰে বিলবোৰ দীঘলীয়া সময়ৰ বাবে লিজত নিদিয়ে। (অৱশ্যে কোনো প্ৰভাৱশালী ঠিকাদাৰৰ কথা সুকীয়া) ইয়াৰ কাৰণ হ'ল – এনে কৰিলে ডা-ডাঙৰীয়া বা বিষয়াৰ সান্দহ খোৱাৰ সুবিধাটো বহুদিনলৈ বন্ধ থাকে। যিমানেই ঘনাই বিলৰ 'লিজ' হয় – সিমানেই তেওঁলোকৰ মোনা গধুৰ হোৱাৰ সুবিধা! এতেকে দীঘলীয়া সময়ৰ বাবে বিল 'লিজ'ত দি তেওঁলোকে নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰিব নোখোজে।


মাটোৱানী নামৰ বৈজ্ঞানিক এগৰাকীয়ে ১৯৬৩ চনত কৰা গৱেষণা অনুসৰি ব্ৰহ্মপুত্ৰ নদীত পোৱা মুঠ মৎস্য প্ৰজাতিৰ সংখ্যা ১২৬টা। ইয়াৰ ভিতৰত ৪১টা পৰিয়ালৰ অৰ্থনৈতিক গুৰুত্ব আছে। উল্লেখযোগ্য যে ১৯৭৩ চনৰ পৰা ব্ৰহ্মপুত্ৰত মাছৰ উৎপাদন ব্যাপক হাৰত কমি আহিছে। অতি ক্ষুদ্ৰ ছিদ্ৰযুক্ত জালেৰে মাছধৰা, গৰ্ভৱতী মাছ মৰা, মথাউৰি আদি সজাৰ ফলত প্ৰাকৃতিক প্ৰজনন ক্ষেত্ৰ সমূহ বিনষ্ট হোৱা আদিয়েই হ'ল মাছৰ উৎপাদন হ্ৰাস কৰাৰ প্ৰধান কাৰক। অসমৰ জলাশয়ৰ সংখ্যা ১০০৩ টা। ই ০.১ লাখ হেক্টৰ এলেকা আগুৰি আছে। এই জলাশয়সমূহ অসমৰ থলুৱা মাছ যেনে – মাগুৰ, শিঙি, কাৱৈ, গৰৈ, ছেং, শ'ল, পুঠি, খলিহনা, বতিয়া আদি মাছৰ নিৰ্ভৰযোগ্য বাসস্থান। এনে জলাশয়সমূহ মাগুৰ, শিঙি আৰু কাৱৈ মাছৰ খেতিৰ বাবে সুন্দৰকৈ ব্যৱহাৰ কৰিব পাৰি।

অসমৰ ব্যক্তিগত পুখুৰীৰ সংখ্যা চৰকাৰী হিচাপমতে ২৫০০। ই প্ৰায় ০.৯ লাখ হেক্টৰ এলেকা আগুৰি আছে। কিন্তু এই পুখুৰীবোৰ বৈজ্ঞানিক কলাকৌশলেৰে ব্যৱহাৰ নোহোৱা বাবে উৎপাদনৰ পৰিমাণ আশাব্যঞ্জক নহয়।

অসমত ৩৫০০০ মান হেক্টৰ তৰাং জলভাগ আছে। এইখিনি জলভাগ প্ৰকৃতাৰ্থত কৃষিৰ বাবেও ব্যৱহাৰ নহয়। এনে এলেকাবোৰ মন কৰিলে অতি কম খৰচতে মীন পালনৰ উপযোগী কৰি গঢ়ি তুলিব পাৰি। কিন্তু এনেবোৰ কামৰ প্ৰতি চৰকাৰে কোনো ধৰণৰ পদক্ষেপ লোৱা আমাৰ দৃষ্টিগোচৰ হোৱা নাই।

উল্লেখযোগ্য যে অসমত মীন বিভাগৰ চাৰিটা অনুষ্ঠান আছে। সেইকেইটা হ'ল যথাক্ৰমে 'মীন সঞ্চালকালয়', 'অসম মীন উদ্যোগ উন্নয়ন নিগম', 'ফিছফেড' আৰু 'মীন পালক উন্নয়ন সংস্থা'। ইয়াৰ ভিতৰত প্ৰথম তিনিটা ৰাজ্য চৰকাৰৰ অন্তৰ্গত। 'মীন পালক উন্নয়ন সংস্থা' নামৰ বিভাগটো কেন্দ্ৰ আৰু ৰাজ্যৰ যুটীয়াখণ্ডৰ চৰকাৰী বিভাগ।

কিন্তু ইমানবোৰ চৰকাৰী বিভাগ থকা সত্ত্বেও অসমৰ মীন উৎসসমূহৰ সদ্ব্যৱহাৰ হোৱা নাই। মাছৰ উৎপাদন যি হাৰত বাঢ়িব লাগিছিল, বঢ়া নাই। অলপতে হৈ যোৱা ট্ৰাক ধৰ্মঘটৰ সময়ত অসমত মাছৰ মূল্য হুৰাহুৰে বঢ়াটোৱে জল্‌জল্ পট্‌পট্‌কৈ এই কথা প্ৰমাণ কৰি দিলে যে অসমৰ মীন বিভাগৰ অৱস্থা সঁচাকৈয়ে তথৈবচ।



পোণা ফুঁকুৰাৰ আগে আগে মাছৰ কণী



অসমৰ মীন বিভাগ কেইটাই ৰাজ্যখনৰ মীন উৎপাদনত অৰিহণা যোগাব নোৱৰাৰ প্ৰধান কাৰণটো হ'ল বিভাগটোত চলা ভয়াবহ দুৰ্নীতি। কেতবোৰ লোকৰ মতে মীন বিভাগত দুৰ্নীতি কৰা খুবেই সহজ, কাৰণ পানীৰ কথা কোনেও ক'ব নোৱাৰে। মীন বিষয়া সকলৰ মাজতেই হেনো এই দুৰ্নীতিৰ বিষয়ক এক সুন্দৰ সাধু প্ৰচলিত আছে। সাধুটো এনেধৰণৰঃ এজন মীন বিষয়াক এটা বিল উন্নয়নৰ দায়িত্ব দিয়া হ'ল। কিন্তু এমাহমান পাছতে বানপানী আহিল। বিষয়া গৰাকীয়ে লিখিলে যে তেওঁ সকলো কাম কৰালে, বানপানীয়েহে ক্ষতি কৰিলে। আচলতে তেওঁ একো কাম কৰোৱাই নাছিল। পইছাকেইটা তেওঁৰ উদৰস্থ হ'ল।

এইবাৰ তেওঁ স্থানান্তৰিত হোৱাৰ পাছত আন এগৰাকী বিষয়া আহিল। তেঁৱো ওপৰ মহললৈ লিখিলে – বিলটো চাফা কৰিব লাগে। এইবাৰো বানপানী আহিল। গতিকে এঁৱো আগৰজনৰ দৰেই চৰকাৰী টকাখিনি আত্মসাৎ কৰাৰ সুযোগ পালে। ইয়াৰ পিছৰ বিষয়াজন যেতিয়া আহিল – তেতিয়া তেওঁক নিৰ্দেশ দিয়া হ'ল যে – বিলটো পুতি পেলোৱাই ভাল – কাৰণ বানপানীয়ে প্ৰতিবাৰেই ইয়াৰ ক্ষতি কৰে। বিষয়াগৰাকীয়ে কাগজে-কলমে পুতি পেলোৱা বুলি প্ৰমাণ কৰিলে। এইবাৰ তেওঁক সেই ঠাইত বৃক্ষৰোপণৰ দায়িত্ব দিয়া হ'ল। বৃক্ষৰোপণো কাগজে কলমে হৈ থাকিল। তাৰপিছত উচ্চ পদস্থ বিষয়া এজনে কামৰ বুজ লবলৈ আহিল। মীন বিষয়া গৰাকীয়ে কাষৰ হাবিডৰালৈ নি দেখুৱাই দিলেগৈ – বৃক্ষৰোপণৰ কাম কেনে প্ৰাকৃতিক ভাবে সম্পন্ন কৰা হৈছে! উচ্চ-পদস্থ বিষয়াই মীন বিষয়া গৰাকীৰ এই পাৰদৰ্শিতাৰ বাবে ভূয়সী প্ৰশংসা কৰিলে!

এনেদৰেই হেনো চলিছে মীন বিভাগ। উপৰোক্ত সাধুটো অতিৰঞ্জিত যেন লাগিলেও তাৎপৰ্য এয়েই যে মীন বিভাগক দুৰ্নীতিয়েই কোঙা কৰি পেলাইছে।

মীন বিভাগ আগবাঢ়িব নোৱৰাৰ দ্বিতীয়টো কাৰণ হ'ল – কাৰিকৰী লোকৰ অভাৱ। কিন্তু চৰকাৰে কাৰিকৰী লোকক নিযুক্তি দিয়াৰ ব্যৱস্থা সুপৰিকল্পিত ভাবে আজিলৈকে নকৰিলে। অসমৰ একমাত্ৰ মীন মহাবিদ্যালয়খনৰ পৰা নিৰ্গত মীন স্নাতক সকল আজি বহি থাকিবলগীয়া হৈছে।

মীনক্ষেত্ৰৰ চাৰিওটা বিভাগৰ মাজত সহযোগ আৰু সম্ভাৱ নথকাত ৰাজ্যখনৰ মীন উৎস সমূহৰ উন্নয়নৰ বাবে সু-পৰিকল্পিত আঁচনি ৰচনা কৰাত ব্যৰ্থ হৈছে আৰু যিকেইখন চলি আছে – সেই কেইখনো সঠিক ভাবে পৰিচালিত হোৱা নাই। আনহাতে ৰাজনৈতিক হেঁচা, দালালৰ দাদাগিৰি আদিয়েও মাছৰ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে। এদিন এগৰাকী মীন সম্প্ৰসাৰণ কৰ্মীয়ে ক্ষোভ প্ৰকাশ কৰি কৈছিল – "আমি প্ৰয়োজনীয় পৰিমাণৰ সামগ্ৰী নাপাওঁ। যিখিনি পাওঁ – সেইখিনিও সময়ত নাহে। আহে দুমাহ-তিনিমাহ পাছত – তেতিয়ালৈকে বস্তুবোৰৰ প্ৰয়োজন শেষ হৈ যায়। বস্তু মানে চূণ, সাৰ, খাদ্য আদিৰ কথা কৈছো। তাৰ উপৰি পুলিচৰ পৰা আয়ুক্তলৈকে সকলোৰে আমাৰ ওপৰত দাদাগিৰি। ৰাজনৈতিক নেতাবোৰতো আছেই। সময় নাই – অসময় নাই – তেওঁলোকক মাছেই লাগে। ........ কি ক'ব, কৈ পিছত পেটত গাঁঠি দিলেহে হ'ব।" এনেবোৰ কাৰণতে এচাম সৎ আৰু কৰ্মপটু কৰ্মচাৰীয়েও পৰিস্থিতিৰ দাসত্ব স্বীকাৰ কৰি লবলৈ বাধ্য হৈ পৰিছে।

অসমত মাছৰ বজাৰবোৰো দুৰ্নীতিগ্ৰস্ত। প্ৰকৃতাৰ্থত যিসকল লোকে মাছ উৎপাদন কৰে বা ধৰে, তেওঁলোকে মাছৰ উচিত মূল্য নাপায়। কাৰণ এচাম মধ্যভোগী দালালে বজাৰৰ দুৱাৰ মুখতে মাছৰ টুকুৰীবোৰ হাত কৰি লয়। ফলত মাছৰ দাম বাঢ়ে আৰু গ্ৰাহকৰ মূৰত ৰাম টাঙোন ডাল পৰে। দুখৰ বিষয় যে এইক্ষেত্ৰত চৰকাৰ কিম্বা গ্ৰাহক সুৰক্ষা পৰিষদ আদিয়েও বিশেষ নজৰ দিয়া নাই। ফলস্বৰূপে মাছৰ বজাৰবোৰ দালালৰ ৰম্যপুৰী হৈ পৰিছে।

অসমত মাছৰ মূল্য বৃদ্ধিয়ে সময়ে সময়ে মানুহক চক খুৱাই দিয়ে যদিও, উৎসৰ সৎব্যৱহাৰৰ দ্বাৰা মাছৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত আগবাঢ়ি অহা উৎসাহী লোকৰ নিতান্তই অভাৱ। আচলতে দুৰ্নীতিৰ দ্বাৰা অৰ্জিত ক'লা টকাৰে এচাম মানুহে অত্যধিক দামত মাছ কিনি খাবলৈ মুঠেও কুণ্ঠাবোধ নকৰে। মাছৰ মূল্য বৃদ্ধিৰ নেপথ্যৰ গুৰুত্বপূৰ্ণ কাৰণ কিন্তু এইটোহে। যাৰ ক'লা টকা আছে, সিহে আজি চিতল মাছৰ কলঠিৰে ওটেঙাৰ জোল খাবলৈ সক্ষম! (অৱশ্যে ঘৰতে পুখুৰী থকা বা কাষত বিল থকা সকলৰ কথা সুকীয়া।)

অলপতে বিশ্ববেংকে কেইৰাহাজাৰ ডলাৰৰ ঋণ এটা অসমৰ মীন উৎস সমূহৰ উন্নয়নৰ বাবে প্ৰদান কৰিছে বুলি জানিব পৰা গৈছে। অৱশ্যে এই ঋণৰ ব্যৱহাৰ কি ধৰণে হ'ব সেই বিষয়ে বিশদভাবে জানিব পৰা হোৱা নাই। ধনখিনিৰ সৎ ব্যৱহাৰ হ'লে অসমত যে মীন বিপ্লৱৰ সূচনা হ'ব – তাত সন্দেহ নাই। কিন্তু ডা-ডাঙৰীয়া, আমোলা-বিষয়া, ঠিকাদাৰ-চকীদাৰৰ চেপা, মোহা আদি পাৰ হৈ ধনখিনি অসমৰ নৈ, বিল, খালত পৰিবহি নে নাই সেইটোহে বিচাৰ্যৰ বিষয়। যদি সঁচা অৰ্থত ধনখিনিৰ ব্যৱহাৰ নহয়, তেনেহলে – ঋণৰ টকাৰে এচামে টকালি পাৰি ঘৃত-মধু উপভোগ কৰিব সঁচা, কিন্তু ঋণৰ সুদ দিওঁতে দিওঁতে ছাল-টুকুৰাও বন্ধকত থ'ব লগা অৱস্থাটো হ'ব অসমৰ সাধাৰণ ৰাইজৰহে! গতিকে এনে ধনৰ যাতে সৎব্যৱহাৰ হয়, চৰকাৰী আঁচনি কাৰ্যকৰী হোৱাৰ আগতে যাতে আনে মুনাফা লুটিব নোৱাৰে, তাৰ বাবে ৰাইজ, বুদ্ধিজীৱী আৰু চৰকাৰো সচেতন হ'ব লাগিব। ৰাইজৰ শেন-চকুৱেই এইক্ষেত্ৰত সবাতোকৈ প্ৰয়োজনীয় কথা।

সুখৰ বিষয় যে অসমৰ দুখনমান ঠাইৰ কৃষকসকল মীন খেতিৰ বাবে আগ্ৰহী হৈ উঠা দেখা গৈছে। প্ৰচুৰ লাভজনক মীন খেতিৰ সম্ভাৱনাই তেওঁলোকক আশাৰ নতুন বতৰা আনি দিয়া যেন লাগিছে। বিশেষকৈ হোজাই-নীলবাগান আৰু হাজো অঞ্চলৰ খেতিয়ক সকলে মীন-কৃষিৰ আধুনিক বৈজ্ঞানিক কলাকৌশলো আয়ত্ত কৰিবলৈ ধৰা দেখা গৈছে। হোজাই আৰু নীল বাগানত ব্যক্তিগত খণ্ডতেই স্থাপন হোৱা আধুনিক মীন প্ৰজনন কেন্দ্ৰ সমূহৰ পৰা অৰুণাচল, মেঘালয় আদিলৈও মাছৰ পোনা ৰপ্তানি হ'বলৈ ধৰিছে। হোজাইৰ পৰিত্যক্ত জলভাগবোৰ খেতিয়ক সকলে পুখুৰীলৈ ৰূপান্তৰিত কৰিছে। হাজো অঞ্চলত দুজনমান মীন কৃষকৰ অভূতপূৰ্ব সাফল্যই এক প্ৰকাৰ আলোড়নৰেই সৃষ্টি কৰি দিছে। অৰ্থাৎ অসমতো সুনীল বিপ্লৱ (Blue-revolution)ৰ পুলি নগজাকৈ থকা নাই। খেতিয়ক ৰাইজক আন আন সা-সুবিধা, কাৰিকৰী কলাকৌশল আদি দেখুৱাই দিয়াৰ দায়িত্ব যদি চৰকাৰে গ্ৰহণ কৰে তেনেহলে অসমতো সুনীল বিপ্লৱ গঢ়ি উঠিব বুলি আশা কৰিব পাৰি।

অসমত সুনীল বিপ্লৱ এটা গঢ়ি উঠাৰ লগে লগে, কেৱল যে মাছৰ উৎপাদনহে বাঢ়িব এনে নহয়। ইয়াৰ ফলত (১) ৰাজ্যখনৰ আৰ্থিক স্বচ্ছলতা বাঢ়িব (২) নিবনুৱা সমস্যাৰ সমাধানতো ই অৰিহণা যোগাব পাৰিব (৩) জাল বোৱা, বাঁহেৰে তৈয়াৰী মাছ ধৰা সামগ্ৰী আদি বনোৱা কুটীৰ শিল্পই ঠন ধৰি উঠিব (৪) অসমৰ জনসাধাৰণৰ জনমূৰি মাছ ভক্ষণৰ পৰিমাণ বঢ়াৰ লগে লগে পুষ্টিহীনতা দূৰ হ'ব (৫) নতুন নতুন ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি উঠিব ইত্যাদি।

নিবনুৱা সমস্যাৰ সমাধান আৰু ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সুনীল বিপ্লৱৰ সূচনা কৰিবলৈ তলত দিয়া ব্যৱস্থা সমূহ গ্ৰহণ কৰিব বুলি আমি আশা কৰো–

(ক) বিভাগটোত চলি থকা দুৰ্নীতি দূৰ কৰিবলৈ কটকটীয়া ব্যৱস্থা লওক। প্ৰয়োজন সাপেক্ষে তদন্ত সমিতি আদি গঠন কৰক।

(খ) বিভাগটোত কাৰিকৰী লোকৰ সংখ্যা নিচেই তাকৰ। সুখৰ বিষয় যে ৰাজ্যখনৰ মীন মহাবিদ্যালয়খনৰ পৰা কাৰিকৰী মীন স্নাতকসকল ওলাইছে। তেওঁলোকক আজিকোপতি চৰকাৰে নিয়োগ কৰা নাই।

মীন বিভাগটোৰ উন্নতি কৰিবলৈ হ'লে এনে কাৰিকৰী লোকৰ নিযুক্তি প্ৰয়োজনীয় কথা।

(গ) অসমত মাছৰ পোনাৰ অভাৱ। অৱশ্যে যোৱা দুটা বছৰত মীন বিভাগে মাছৰ পোনাৰ উৎপাদন কিছু বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। চৰকাৰে মাছৰ পোনা উৎপাদন পাম খোলাৰ ওপৰত গুৰুত্ব দিয়ক। এইক্ষেত্ৰত চৰকাৰে নিবনুৱা যুৱক-যুৱতী সকললৈ আৰ্থিক অনুদান আগবঢ়াই উৎসাহিত কৰাৰ ব্যৱস্থা লওক।

(ঘ) অসমৰ বিল সমূহক বৈজ্ঞানিক ভিত্তিত ব্যৱহাৰ কৰাৰ বাবে প্ৰয়োজনীয় অৰ্থ আৰু কাৰিকৰী লোক নিয়োগ কৰক। উপযুক্ত বিল সমূহ মীন পামলৈ ৰূপান্তৰিত কৰক।

(ঙ) বান নিয়ন্ত্ৰণৰ বাবে মথাউৰি নিৰ্মাণ কৰোতে মাছৰ প্ৰাকৃতিক প্ৰজনন ক্ষেত্ৰসমূহ যাতে ধ্বংস নহয় তাৰ প্ৰতি চকু ৰাখক।

(চ) কেতবোৰ নৈত ঋতুগতভাৱে সুন্দৰকৈ মীন কৃষি কৰিব পাৰি। এনে ঠাই সমূহ চিনাক্ত কৰি ৰাইজক মাছৰ খেতি কৰিবলৈ উৎসাহিত কৰক।

(ছ) ধানৰ পথাৰত মাছৰ খেতি, হাঁহ-কুকুৰাৰ সৈতে মাছৰ খেতি, গো-পালনৰ লগত মাছ পালন, গাহৰি পালনৰ লগত মাছ পালন আদি অতি লাভজনক। এনে পদ্ধতিবোৰ ৰাইজক অৱগত কৰিবলৈ হ'লে প্ৰথমতে চৰকাৰে এনে প্ৰণালীৰ মীন পাম স্থাপন কৰিব লাগিব আৰু ৰাইজক স্ব-চক্ষুৰে প্ৰত্যক্ষ কৰিবলৈ দিব লাগিব। বাতৰি কাকত বা ৰেডিঅ'ৰ গতানুগতিক বিজ্ঞাপনে আজিকালি মানুহক আকৃষ্ট নকৰে।

(জ) অসমৰ থলুৱা মাছ যেনে – মাগুৰ, শিঙি, গৰৈ আদিৰ পালনৰ বাবে ন-ন বৈজ্ঞানিক কলাকৌশল আৱিষ্কাৰ কৰিবলৈ গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰক। উল্লেখযোগ্য যে এনে প্ৰজাতিৰ মাছবোৰ অসমৰ জলভাগৰ পৰা দ্ৰুত হাৰত কমি যাবলৈ ধৰিছে।

(ঝ) উৎপাদন বৃদ্ধিত উল্লেখনীয় অৱদান আগবঢ়োৱা খেতিয়ক, প্ৰতিষ্ঠান বা চৰকাৰী কৰ্মচাৰীক পুৰস্কাৰ প্ৰদানেৰে ৰাজহুৱা স্বীকৃতি দানৰ ব্যৱস্থা কৰক।

ওপৰৰ ব্যৱস্থাবোৰ কাৰ্যকৰী হ'লে – আমি আনন্দৰাম ঢেকিয়াল ফুকনৰ ভাষাৰে আশা কৰিব নোৱাৰোনে যে – অসমৰ গঞ্জা ৰাইজৰ বাৰীৰ মাজৰ খালবোৰ এদিন পুখুৰীলৈ ৰূপান্তৰিত হ'ব; ডোং, পিতনি, ডোবা, জলাশয় আদিত কাৰৈ, গৰৈ, মাগুৰ মাছৰ খেতি হ'ব, বিলবোৰ মীন পামলৈ ৰূপান্তৰিত হ'ব, একেডৰা মাটিয়েই মাছবো পুখুৰী, ধানবো পথাৰ হ'ব; নৈবোৰ মীন পালন আৰু পোনা উৎপাদনৰ বাবে ব্যৱহৃত হ'ব, অসমীয়া মানুহে আগৰ দৰেই ৰৌ মাছৰ মুৰি ঘণ্টা, ঔটেঙাৰে ৰন্ধা পাভ মাছৰ জোল, ভৰিৰ পতা হেন ডাঙৰ কাৰৈ মাছ ভৰা আদিৰে উদাৰ পূৰাই দু-সাজ পৰম তৃপ্তিৰে খাব। ……… হে পৰমেশ্বৰ সেই দিন আহিবনে……… !! ●



## অসমৰ বিলসমূহ

অসমৰ মুঠ জলসম্পদৰ এক বিৰাট অংশ আগুৰি আছে বিলসমূহে। পৰিবেশ বিজ্ঞানৰ দৃষ্টিভঙ্গীৰ পৰা এই বিল সমূহ যথেষ্ট গুৰুত্বপূৰ্ণ। ইয়াৰ প্ৰাকৃতিক পৰিবেশ কেৱল মাছৰ বাবেই নহয়, কেতবোৰ চৰাই চিৰিকতি আদিৰ বাবেও উপযোগী। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত বিল সমূহৰ অৱদান অপৰিসীম।

১৯৮৮-৮৯ চনত ভাৰতৰ 'কৃষি গৱেষণা পৰিষদ'ৰ অন্তৰ্গত 'কেন্দ্ৰীয় অন্তৰ্দেশীয় মীন গৱেষণা সংস্থাই' অসম তথা ইয়াৰ দাঁতি কাষৰীয়া ৰাজ্য সমূহত পোৱা বিল সমূহৰ বিষয়ে গৱেষণা চলাইছিল। গৱেষক সকলে তেওঁলোকৰ গৱেষণাৰ ফলাফল সমূহত প্ৰকাশ কৰে যে এই বিলসমূহৰ উৎপাদিকা শক্তি প্ৰচুৰ। এই জলসম্পদখিনি যদি বৈজ্ঞানিক প্ৰণালীৰে সু-সংবদ্ধ ভাবে ব্যৱহাৰ কৰা হয় তেনেহলে প্ৰতি হেক্টৰ বিলৰ পৰা প্ৰতি বছৰে এহেজাৰ কিঃগ্ৰাঃ কৈ মৎস্য উৎপাদন কৰিব পৰা যায়। দুৰ্ভাগ্যজনক কথা, অসমৰ বিলসমূহ এতিয়ালৈকে বৈজ্ঞানিক পদ্ধতিৰে চোৱাচিতা কৰাৰ দিহা কৰা হোৱা নাই। এতিয়া অসমৰ প্ৰতি হেক্টৰ বিলৰ পৰা উৎপন্ন হয় মাত্ৰ এশ কেজি (বছৰে)। তৎসত্ত্বেও ই অসমৰ মুঠ মৎস্য উৎপাদনৰ চল্লিশভাগ যোগান ধৰে।

ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ কাষৰীয়া অংশসমূহতেই অসমৰ বিল সমূহ অৱস্থিত। বিল সমূহৰ উৎপত্তি মূলতঃ নদীৰ পৰাই। নদীৰ গতিয়ে সময়ে সময়ে দিশ সলাওঁতে, ইয়াৰ কেতবোৰ পৰিত্যক্ত জলভাগ একাষে বৈ যায়। ইয়াত প্ৰচুৰ পৰিমাণে জৈৱ পদাৰ্থ থাকে আৰু ই বিভিন্ন জলজ প্ৰাণী আৰু উদ্ভিদৰ স্বচ্ছন্দ পৰিবেশৰ সৃষ্টি হয়। বিজ্ঞানী সকলে বিল সমূহক 'অশ্বখুৰা হ্ৰদ' বুলিও অভিহিত কৰিছে।

অসমৰ মুঠ বিল এলেকা প্ৰায় এক লাখ হেক্টৰ। ইয়াৰ মুঠ সংখ্যা ১৩৯২টা। তাৰ ভিতৰত ৮৮৭টা চৰকাৰী পঞ্জীয়নভুক্ত।

বিল সমূহৰ আকৃতি বিভিন্ন ধৰণৰ হয়। বিল সমূহ সাধাৰণতে আহলবহল, কিন্তু তৰাং। ইয়াৰ বিস্তৰ অংশ আগুৰি থাকে জলজ বা অৰ্দ্ধ জলজ উদ্ভিদে। কেতবোৰ বিল নদীৰ সৈতে সৰু সুঁতিৰে সংলগ্ন হৈ থাকে। এইবোৰক জীয়া বিল বোলে। জাৰকালি কেতিয়াবা এই সুঁতিটো শুকাই গ'লেও বাৰিষা ই জীৱন্ত ৰূপ লয়। নদীৰ সৈতে অ-সংলগ্ন বিলসমূহ মৃত বিল।

নদীৰ সৈতে সংলগ্ন সুঁতিবোৰেৰে বাৰিষা কালত প্ৰাপ্তবয়স্ক মাছবোৰ উজাই আহি বিলত প্ৰৱেশ কৰে। বিলসমূহৰ প্ৰাকৃতিক পৰিবেশ সিহঁতৰ প্ৰজনন কাৰ্য সম্পন্ন কৰিবলৈ অতি উপযোগী। সেয়েহে ইয়াতেই সিহঁতে কণী পাৰে। বিলত মাছৰ বাবে প্ৰচুৰ প্ৰাকৃতিক আহাৰ থকা বাবে মাছৰ পোনাবোৰ ইয়াত ক্ষিপ্ৰ গতিত বৃদ্ধি পায়। বিলসমূহৰ প্ৰচুৰ উৎপাদিকা শক্তিৰ মূল কাৰণ এইটোৱেই।

অসমৰ উত্তৰ লক্ষীমপুৰ জিলা আৰু নগাওঁ জিলাতেই সৰ্বাধিক সংখ্যক বিল আছে। কিন্তু প্ৰচুৰ মৎস্য উৎপাদন হোৱা বৃহদাকাৰ বিল সমূহ পোৱা যায় গোৱালপাৰা, ধুবুৰী আৰু কোকৰাঝাৰ জিলাতহে।

কিন্তু এই বিল সমূহৰ শতকৰা দহভাগহে সুস্থ অৱস্থাত আছে। বাকীখিনি অৰ্দ্ধ পৰিত্যক্ত বা পৰিত্যক্ত অৱস্থাত আছে। তথাপিও, যিখিনি অংশ সুস্থ অৱস্থাত আছে, সেইখিনিকেই যদি বৈজ্ঞানিক ভাবে ব্যৱহাৰ কৰি তাত মাছৰ খেতি কৰাৰ ওপৰত গুৰুত্ব দিয়া হয় তেনেহলে ইয়েই অসমৰ বাবে প্ৰয়োজনীয় মুঠ মাছৰ আধাখিনি পূৰণ কৰিবলৈ সক্ষম হ'ব। বিলসমূহৰ দৰে প্ৰচুৰ উৎপাদনক্ষম জলসম্পদ থাকোতেও অসমে মীন উৎপাদনত স্বাৱলম্বী হ'ব নোৱৰাটো দুৰ্ভাগ্যজনক কথা।

উল্লেখযোগ্য যে অসমৰ বিলসমূহ এতিয়ালৈকে কেৱল মাছ ধৰাৰ বাবেহে ব্যৱহাৰ হৈ আছে (Capture fisheries)। কিন্তু কৃষি কৰাৰ বাবে ব্যৱহাৰ কৰা হোৱা নাই। বিলত মাছৰ খেতি সুন্দৰ ভাবে কৰিব পৰা যায়। বিলসমূহত যিহেতু প্ৰাকৃতিক খাদ্য স্বাভাৱিকভাবেই প্ৰচুৰ পৰিমাণে উৎপন্ন হয় আৰু ইয়াত যিহেতু স্বাভাৱিকভাবেই মাছে কণী দিব পাৰে, সেয়েহে কৃত্ৰিম পদ্ধতি প্ৰয়োগৰ বিশেষ প্ৰয়োজন ইয়াত নাই। সু-পৰিচালনাহে ইয়াৰ মূল কথা।

অৱশ্যে বিল এটাৰ গোটেই অংশটো মীন খেতি কৰিবৰ উপযোগী নহয়। কাষৰীয়া অংশ সমূহহে এই ক্ষেত্ৰত উপযোগী। অৱশ্যে কেতবোৰ বৈজ্ঞানিক কৌশল ব্যৱহাৰ কৰি বিলৰ মাজৰ অংশ সমূহতো অধিক মাছ উৎপাদনৰ ব্যৱস্থা কৰিব পাৰি।

বিলৰ মাজে মাজে এনে কেতবোৰ অংশ থাকে যিবোৰ অলপ বেছি দ আৰু যিবোৰত বছৰটোৰ বাৰমাহে পানী থাকে। এনে ঠাইবোৰত পানী-দুৱাৰৰ ব্যৱস্থা কৰি দি কাৰ্পজাতীয় মাছ যেনে ৰৌ, ভকুৱা, মিৰিকা আদি পোহাৰ ব্যৱস্থা কৰিব পাৰি।

বিল উন্নয়নৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা সমূহৰ ভিতৰত ডাঙৰ সমস্যা হ'ল জলজ উদ্ভিদ নিয়ন্ত্ৰণৰ সমস্যা। এই উদ্ভিদবোৰে বিলৰ বিস্তৰ এলেকা আগুৰি মাছৰ বাসস্থান সমূহ অনুপযোগী কৰি তোলে আৰু মাছৰ বাবে উৎপন্ন হোৱা প্ৰাকৃতিক খাদ্য উদ্ভিদ কণাৰ উৎপাদনত বাধাৰ সৃষ্টি কৰে।

অৱশ্যে জলজ উদ্ভিদ মাৰিবলৈ আজিকালি বিভিন্ন প্ৰকাৰৰ ৰাসায়নিক ঔষধ আৱিষ্কৃত হৈছে। ইয়াৰ উপৰি কেতবোৰ আধুনিক জীৱ-বৈজ্ঞানিক উপায়েৰেও এই অলাগতিয়াল জলজ উদ্ভিদ সমূহ নিয়ন্ত্ৰণ কৰিব পাৰি।

এনেদৰে বিলসমূহৰ প্ৰচুৰ পৰিমাণে উৎপন্ন হোৱা জলজ উদ্ভিদ আৰু জীৱবোৰ যেতিয়া মৰে, তেতিয়া ই পচি গৈ বিলৰ তলিভাগত জমা হয়। এই পচা জৈৱপদাৰ্থবোৰ কেতবোৰ মাছ যেনে মিৰিকা, ৰৌ আদি জাতীয় মাছৰ বাবে প্ৰিয় আহাৰ। গতিকে বিলসমূহত এনেধৰণৰ মাছ পালনত অধিক গুৰুত্ব প্ৰদান কৰা উচিত।

বিল সমূহ যিহেতু, মাছৰ প্ৰজননৰ উপযোগী প্ৰাকৃতিক বাসস্থান সেয়েহে ইয়াক পোনা উৎপাদনৰ কেন্দ্ৰ হিচাপেও গঢ়ি তুলিব পাৰি।

বিলৰ কাষৰীয়া ঠাই সমূহৰ জলভাগত 'গৰাঁল আৰু সজা' সাজি মাছ পালন কৰিব পাৰি। এনে মাছৰ খেতি অতি লাভজনক। পৰীক্ষামূলকভাৱে বৈজ্ঞানিকসকলে কৰা এনে মাছৰ খেতিৰ পৰা প্ৰতি ঘন মিটাৰ জলভাগৰ পৰা দহকেজি কৈ মাছ উৎপন্ন কৰিবলৈ সক্ষম হৈছে।

বিল সমূহৰ কেতবোৰ চৰকাৰী পঞ্জীয়নভুক্ত আৰু কেতবোৰ এতিয়ালৈকে পঞ্জীয়নভুক্ত হোৱা নাই। ৰাজ্যখনৰ সামূহিক স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ সকলোবোৰ বিলেই পঞ্জীয়নভুক্ত হোৱা দৰকাৰ। অসমৰ গঞ্জা ৰাইজৰ অৰ্থনৈতিক দুৰৱস্থা আঁতৰোৱাৰ বাবে এনে পঞ্জীয়নভুক্ত বিলসমূহ গাওঁৰ সমবায় সমিতিসমূহক 'লিজ'ত দিব লাগে। 'লিজ'ৰ সময়সীমা দীঘলীয়া হোৱা প্ৰয়োজন, কাৰণ তেতিয়াহে সমবায় সমিতি সমূহে বিলৰ উন্নয়নৰ বাবে দীৰ্ঘম্যাদী আঁচনি ল'বলৈ সুবিধা পাব। কম দিনৰ বাবে 'লিজ'ত দিলে লিজ লওঁতা সকলে বিলৰ উন্নয়নৰ কথা নাভাবি কেৱল মাছ ধৰি লাভৱান হোৱাতহে গুৰুত্ব দিব। দুখৰ বিষয় যে, বৰ্তমান এইটোৱেই হৈ আছে। ইয়াৰ কাৰণ ৰাজনৈতিক। ৰাজনৈতিক নেতা কেতবোৰে ঘনাই বিলৰ ঘাট-বাট লিজত দি দুই নম্বৰী পইছা পোৱাৰ পথটো সুগম কৰি ৰাখিব বিচাৰে। পূৰ্বৰে পৰা চলি অহা পদ্ধতিবোৰক তেওঁলোকে সেয়েহে সংস্কাৰ কৰাৰ কোনো কাৰ্যপন্থা হাতত নলয়। বিল একোখনৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি, এখন সমিতিক অতি কমেও পাঁচ বছৰৰ বাবে লিজত দিব লাগে যাতে – সমিতিখনে ইয়াৰ উন্নয়নৰ বাবে তেওঁলোকে কৰা অৰ্থ আৰু শ্ৰমৰ ফলখিনি লাভ কৰাৰ সুবিধা পায়।

বিল উন্নয়নৰ বাবে প্ৰয়োজনীয় ধন চৰকাৰে সমিতিসমূহক ঋণ হিচাপে আগবঢ়াব লাগে। অৱশ্যে এই ঋণ একেলগে দিয়াৰ ব্যৱস্থা নকৰি উন্নয়নৰ গতিৰ ওপৰত নিৰ্ভৰ কৰি ভাগ ভাগকৈ দিব লাগে।

অসমৰ এনে কেতবোৰ বিল আছে যিবোৰৰ সুন্দৰ প্ৰাকৃতিক সৌন্দৰ্যই ভ্ৰমণকাৰীসকলকো আকৰ্ষণ কৰে। উদাহৰণ স্বৰূপে 'চানডুবি' বিলৰ কথা আঙুলিয়াব পাৰি। এনেধৰণৰ বিলসমূহক কৃত্ৰিমভাবে সজাই পৰাই পৰ্যটক সকলৰ বাবে আকৰ্ষণীয় কৰি তুলিব পাৰি।

বিলসমূহৰ প্ৰণালীবদ্ধ বৈজ্ঞানিক ব্যৱহাৰে অসমৰ অৰ্থনীতিত যে গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰিব, তাত সন্দেহ নাই। অসমৰ গ্ৰাম্য উন্নয়ন আৰু নিবনুৱা সমস্যাৰ সমাধানতো ই প্ৰত্যক্ষ আৰু পৰোক্ষভাবে বৰঙণি যোগাব।

কিন্তু দুৰ্ভাগ্যজনক কথা যে, চহৰীয়া অঞ্চলৰ কাষৰ কেতবোৰ বিল আবৰ্জনা পেলোৱা দান্তবিনতহে পৰিণত হৈছে। উদাহৰণ স্বৰূপে গুৱাহাটীৰ দীপৰ বিলৰ কথা আঙুলিয়াব পাৰি। দীপৰ বিলক গুৱাহাটীৰ ঔদ্যোগিক সভ্যতাই ধ্বংসৰ মুখলৈ ঠেলি দিব ধৰিছে। সময় থাকোতেই ব্যৱস্থা নললে ইয়াৰ পৰিণাম যে ভয়াবহ হ'ব – তাত সন্দেহ নাই। বিলসমূহে বাৰিষাকালত বিপুল পৰিমাণৰ পানী ধাৰণ কৰি বানপানীৰ ভয়াবহতাকো কিছু পৰিমাণে হ্ৰাস কৰে। এনেবোৰ দিশলৈ লক্ষ্য ৰাখি আমি আশাকৰো চৰকাৰে এই আপুৰুগীয়া জলসম্পদ সমূহৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি অসমৰ মাছৰ চাহিদা পূৰণ কৰাৰ লগতে ৰাজ্যখনৰ প্ৰাকৃতিক পৰিবেশৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰতো মনোনিবেশ কৰিব। ●

# মীন মহাবিদ্যালয়খন বন্ধ হৈ যাব নেকি ?

অসমত মীন কাৰিকৰী লোকৰ প্ৰয়োজন পূৰাবলৈ, ১৯৮২ চনত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ যোৰহাটত অনুষ্ঠিত হোৱা 'দুই নং আঞ্চলিক সমিতি'ৰ সভাত অসমত এখন মীন মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। মীন মহাবিদ্যালয়খনৰ বাবে প্ৰয়োজনীয় ধনৰ শতকৰা ত্ৰিশভাগ কৃষি গৱেষণা পৰিষদে আৰু বাকী সত্তৰ ভাগ ধন ৰাজ্য চৰকাৰে বহণ কৰিব বুলিও চুক্তি কৰা হয়।

১৯৮৮ চনৰ ৭ মাৰ্চত মহাবিদ্যালয়খন আনুষ্ঠানিক ভাবে উন্মোচন কৰা হয়। এই মহাবিদ্যালয়খন অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত। আসন মাত্ৰ বিশখন। ইয়াত নাম ভৰ্তিৰ বাবে লগা অৰ্হতা আন্ আন কাৰিকৰী মহাবিদ্যালয় সমূহৰ বাবে প্ৰয়োজনীয় শিক্ষাগত অৰ্হতাৰ সৈতে একে। ইয়াৰ পাঠ্যক্ৰম অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় আৰু কৃষি মহাবিদ্যালয়ৰ সমকক্ষ। শিক্ষা পদ্ধতিও কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন আন মহাবিদ্যালয়ৰ সৈতে একে অৰ্থাৎ ষাণ্মাষিক (Semister) শিক্ষা পদ্ধতি। আসনৰ সংখ্যা মাত্ৰ বিশখন হোৱা বাবে মহাবিদ্যালয়খনত নাম ভৰ্তিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে উচ্চতৰ মাধ্যমিক (বিজ্ঞান)ৰ নম্বৰৰ ভেটিত তুমুল প্ৰতিযোগিতা কৰিব লগা হয়।

মহাবিদ্যালয়খনৰ পৰা এটা ছাত্ৰদল ইতিমধ্যে ওলাই আহিছে আৰু অহা ডিচেম্বৰ-জানুৱাৰী মাহত আন এটা ছাত্ৰদল ওলাই আহিব। কিন্তু দুৰ্ভাগ্যজনক কথা এইটোৱেই যে মীন স্নাতক সকলৰ এজনকো মীন বিভাগত আজিকোপতি নিযুক্তি দিয়া নাই। অথচ মীন বিভাগটোত কাৰিকৰী লোকৰ নিতান্তই অভাৱ। এই মহাবিদ্যালয়খন পতাৰ উদ্দেশ্যই আছিল হেনো মীন ক্ষেত্ৰত কাৰিকৰী লোকৰ অভাৱ পূৰণ কৰা। তেনেক্ষেত্ৰত এমুঠিমান মীন স্নাতককো চৰকাৰে মকৰল নকৰাটো ভাবি চাবলগীয়া কথা।

মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাই এইক্ষেত্ৰত চৰকাৰক আগৰে পৰাই আবেদন নিবেদন জনাই আহিছিল। সেই মৰ্মে ২৯-১-৯১ তাৰিখে দিছপুৰৰ সচিবালয়ত মীন বিভাগৰ সচিব, মীন বিভাগৰ সঞ্চালক, যুটীয়া সঞ্চালক, মহাবিদ্যালয়খনৰ বিশেষ কাৰ্যকৰী বিষয়া তথা আন আন উচ্চ পদস্থ বিষয়াৰ এখন সভাও অনুষ্ঠিত হৈছিল। উক্ত সভাৰ ৪নং প্ৰস্তাৱত কোৱা হৈছিল যে–

(ক) যিহেতু মীন মহাবিদ্যালয়খনৰ পৰা এই বছৰতে প্ৰথম স্নাতক দলটো ওলাব, সেয়েহে এই সিদ্ধান্ত গ্ৰহণ কৰা হয় যে মীন বিভাগত ভৱিষ্যত বিষয়া নিযুক্তিৰ ক্ষেত্ৰত নিম্নতম শিক্ষাগত অৰ্হতা মীন-স্নাতক (B. F. Sc.) ডিগ্ৰীধাৰী হ'ব লাগিব। এইক্ষেত্ৰত মীন বিভাগৰ সচিব আৰু সঞ্চালকে উপযুক্ত ব্যৱস্থা ল'ব আৰু লক্ষ্য কৰিব যাতে মীন স্নাতক সকলে নিযুক্তি লাভ কৰে।

(খ) মীন স্নাতকৰ নিযুক্তিৰ ক্ষেত্ৰত এইটোও সিদ্ধান্ত গ্ৰহণ কৰা হয় যে বিভাগৰ সচিবে গ্ৰাম্য উন্নয়ন আৰু কৃষি বিভাগলৈ মীন স্নাতকক প্ৰয়োজনীয় ঠাইত মকৰল কৰাৰ বাবে লিখিব।

ইয়াৰ উপৰিও আৰু কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সভাখনত লোৱা হৈছিল। কিন্তু দুৰ্ভাগ্যজনক কথা যে এই প্ৰস্তাৱসমূহ কাগজ আৰু কলমতে থাকিল – প্ৰকৃতাৰ্থত প্ৰয়োগ নহ'ল। মাজতে মীনমন্ত্ৰীয়েও আহি মহাবিদ্যালয়খন কেইবাবাৰো প্ৰদৰ্শন কৰিলে আৰু ছাত্ৰসকলক আশ্বাস বাণী শুনাই গ'ল যে তেওঁলোক হতাশাত ভুগিব নালাগে। নিযুক্তি হ'বই।

কিন্তু সময়ৰ মূৰত মীন স্নাতক ওলাল, আশ্বাস, সিদ্ধান্ত একোৱেই কাৰ্যকৰী নহ'ল। উপায়হীন হৈ ছাত্ৰ একতা সভাই আন্দোলনৰ পথ লবলৈ বাধ্য হ'ল। যোৱা ২০ জুলাইৰ পৰা আন্দোলন চলিল। অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে মহাবিদ্যালয়লৈ আহি ছাত্ৰসকলক প্ৰতিশ্ৰুতি দিলে যে চৰকাৰৰ লগত তেওঁলোকে কথা পাতিব। বিষয়টো তেওঁলোকে গা-পাতি লৈছে। "মীন মহাবিদ্যালয় শিক্ষক সংস্থা" আৰু "অসম কৃষি বিশ্ববিদ্যালয় ছাত্ৰ সংস্থাৰ" অনুৰোধ মৰ্মে আন্দোলন ১ আগষ্টৰ পৰা স্থগিত কৰি দিয়া হ'ল।

কিন্তু অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰতিশ্ৰুতিও প্ৰতিশ্ৰুতি হৈয়েই থাকিল। আজিলৈকে বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা চৰকাৰৰ সৈতে আলোচনা কৰাৰ উমান পোৱা নগ'ল। অৱশ্যে অসমৰ মুখ্যমন্ত্ৰী গৰাকীয়ে নিজে মহাবিদ্যালয়লৈ আহি সমস্যাৰ বুজ ল'ব বুলি ছাত্ৰ একতা সভাক জনোৱাৰ পিছত, ছাত্ৰ একতা সভাই আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচী এতিয়ালৈকে গ্ৰহণ কৰা নাই।

বৰ্তমান মীন স্নাতক সকল এক অনিশ্চয়তাৰ দোমোজাত ওলমি আছে। মীন স্নাতকসকল পশু চিকিৎসা বিজ্ঞান বা কৃষি বিজ্ঞানৰ সমকক্ষ হিচাপে যি 'সেৱা আইন' (Service rule) চৰকাৰে গ্ৰহণ কৰিব লাগিছিল – যি এতিয়াও কৰা হোৱা নাই। মীন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই দাবী কৰিছে যে (১) তেওঁলোকক মীন বিভাগত কৃষি স্নাতক বা পশু চিকিৎসা বিজ্ঞানৰ সমমৰ্যাদাৰে নিযুক্তি দিব লাগে আৰু এতিয়া যিহেতু ৰাজ্যখনত মীন মহাবিদ্যালয় এখন স্থাপিত হৈছে, গতিকে মীন স্নাতকক একমাত্ৰ ন্যূনতম ভিত্তি ডিগ্ৰী হিচাপে লৈ বিভাগটোৰ বিষয়া পৰ্য্যায়ৰ ভৱিষ্যতৰ মকৰলবোৰ হ'ব লাগে। (এই দাবীটো কাগজে কলমে গৃহীত হৈছে যদিও কাৰ্যকৰী হোৱা নাই।)

(২) মহাবিদ্যালয়খনৰ পৰা প্ৰতি বছৰে মাত্ৰ বিশজনকৈ ওলোৱা মীন স্নাতকক চৰকাৰে নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে।

কিন্তু যুক্তিতকৈ ন্যস্ত স্বাৰ্থইহে সৰ্বাধিক গুৰুত্ব পোৱা বাবে মীন স্নাতক সকলৰ অৱস্থা মহৰ যুঁজত ইকৰাৰ মৰণৰ দৰে হৈছে। অৱশ্যে শিক্ষা বিভাগে উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত খোলা মীন আভিযান্ত্ৰিক বৃত্তিমূলক শিক্ষাৰ বিষয় শিক্ষক হিচাপে উপযুক্ত বেতন আৰু কৃষি বা আন কাৰিকৰী স্নাতকৰ সম মৰ্যাদাৰে তেওঁলোকক নিযুক্তি দিয়াৰ দিহা কৰিছে। জানিব পৰা মতে অসমৰ পাঁচখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পাঁচজন মীন স্নাতকে এনেদৰে নিযুক্তি লাভ কৰিছে।

মহাবিদ্যালয়খনে ব্যাপক আৰ্থিক সংকটতো ভুগিছে। অসম কৃষি বিশ্ববিদ্যালয়ে একে সময়তে স্থাপিত বিশ্বনাথ কৃষি মহাবিদ্যালয় আৰু লক্ষীমপুৰ আজাদ পশু চিকিৎসা মহাবিদ্যালয়ক যি হাৰত আৰ্থিক অনুদান আগবঢ়াইছে, মীন মহাবিদ্যালয়ক তাৰ দহ শতাংশও দিয়া নাই। মহাবিদ্যালয়খনৰ স্থায়ী গৃহ নিৰ্মাণৰ কাম আজিলৈকে আৰম্ভ নহ'ল। বানপানীৰ ফলতো মাজে মাজে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে। মহাবিদ্যালয়খনৰ বাবে প্ৰয়োজনীয় মীন-পাম নিৰ্মাণৰ কামো আৰম্ভ হোৱা নাই।

আনহাতে ৰাজ্যচৰকাৰে মহাবিদ্যালয়খনলৈ চুক্তি অনুসৰি দিব লগা ধন উলিয়াই নিদিয়াত, "ভাৰতীয় কৃষি গৱেষণা পৰিষদে"ও আৰ্থিক অনুদান দিয়াটো বন্ধ কৰি দিছে। মীন বিভাগত বছৰে ২৫ গৰাকী মীন কাৰিকৰী লোকৰ প্ৰয়োজন থকা বুলি ৰাজ্য চৰকাৰে জনোৱা বাবেহে কৃষি গৱেষণা পৰিষদে মহাবিদ্যালয়খন স্থাপন কৰাত অনুমোদন জনাইছিল। কিন্তু চৰকাৰে যিহেতু আজিলৈকে এজনো মীন স্নাতকক মীন বিভাগত নিযুক্তি দিয়া নাই, সেয়েহে মহাবিদ্যালয় বন্ধ কৰি দিবৰ বাবেও "ভাৰতীয় কৃষি গৱেষণা পৰিষদ'ৰ পৰা অসম কৃষি বিশ্ববিদ্যালয়লৈ নিৰ্দেশ আহিব পাৰে বুলি জানিব পৰা গৈছে।

যি সময়ত অসমৰ মীন ক্ষেত্ৰৰ বিকাশৰ প্ৰয়োজনীতা উপলব্ধি কৰা হৈছে, ঠিক তেনে এক সময়ত মহাবিদ্যালয়খন বন্ধ হোৱাৰ উপক্ৰমে সচেতন ৰাইজক উদ্বিগ্ন কৰি তুলিছে।

আনহাতে অসমৰ মীন-অধ্যয়নৰ সৈতে জড়িত থকা উৎসাহী লোকসকলে মহাবিদ্যালয়খন "উত্তৰ-পূৰ্বাঞ্চলীয় পৰিষদ"ৰ আৰ্থিক অনুদানেৰে গঢ়ি তোলাৰ সপোনো দেখিছে। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অসমেই যিহেতু জলসম্পদত চহকী, সেয়েহে অসম চৰকাৰৰ আগ্ৰহ আৰু সদিচ্ছা থাকিলে এই আশা পূৰ্ণ কৰা অসম্ভৱ নহয়। ●●






# মাছে গৰকা আঞ্জা

নিজৰা ভৰালী

আমাৰ দেশৰ বহুতো অঞ্চলত বিশেষকৈ পূব ভাৰতত মাছ বৰ জনপ্ৰিয় খাদ্য। এনেকুৱা বহুতো অসমীয়া, বঙালী মানুহ আছে, যাৰ মাছ অকণ নহলে পেটলৈ ভাত মুঠি যোৱা টান। আমাৰ গাঁৱৰ মানুহবোৰ সুদা ভাত মুঠিৰ লগত একো নহলে সৰু মাছ পুৰি নিমখ তেল সানি খোৱাৰ অভ্যাস আছে। বাছ বা ট্ৰেনেৰে গলেও তিৰোতা মানুহে জাকৈ মাৰি মাছ ধৰি থকা আৰু সৰু ল'ৰা-ছোৱালীবোৰেও পানী সিঁচি মাছ ধৰা দৃশ্য চকুত পৰে। বৰশী বাই মাছ ধৰাটো বহুতৰে বাবে খোৱাতকৈ এটা ডাঙৰ স্ফূৰ্তি বা 'হবি'। বহুতো ঠাইত বৰশীৰে মাছ ধৰা প্ৰতিযোগিতাও হয়। বিদেশত বহুতেই আকৌ বৰশীৰে মাছ ধৰি আমাৰ দৰে নাখায়, আকৌ পানীত এৰি দিয়ে। মাছে কণী পৰা সময়ত মাছ ধৰাটোও নিষেধ। আমাৰ দেশতহে সেইবোৰ নিয়ম নাখাটে। যাৰ যেতিয়াই মন যায় তেতিয়াই মাছ ধৰে। সেই নিয়মটো বাধ্যতামূলক কৰিব পৰা হলে আমাৰ দেশত মাছৰ ইমান অভাব নহ'লহেঁতেন বোধকৰো আৰু মাছৰো ইমান জুইছাই দাম কেতিয়াও নহল হয়।

মাছ খালে অকল মুখতে সোৱাদ লাগে এনে নহয়, ইয়াত যথেষ্ট পুষ্টিগুণো থাকে। মাছতো মাংস কণীৰ দৰে প্ৰটিন থাকে। কিন্তু মাছ অতি সহজে হজম হয়। মাছেই একমাত্ৰ উৎকৃষ্ট প্ৰটিন, যাক সৰু ল'ৰা-ছোৱালীৰ পৰা বুঢ়ালৈকে সকলোৱে সহজে হজম কৰিব পাৰে। সদায় মাছ খালেও অপকাৰ নকৰে। মাছত প্ৰটিনৰ উপৰিও ভিটামিন, খনিজ লোণ যেনে কেলচিয়াম পটাচিয়াম আদিও যথেষ্ট থাকে। আমি খাদ্য শস্য আৰু মাংসৰ পৰা যি তেল বা চৰ্বি পাওঁ মাছৰ তেলৰ পৰাও সমপৰ্যায়ৰ চৰ্বি পাওঁ। মাছৰ তেলত যথেষ্ট পৰিমাণে ভিটামিন এ আৰু ডি থাকে। ফলত চকুও ভালে থাকে আৰু ল'ৰা-ছোৱালীৰ পয়ালগা ৰোগ হোৱাৰ ভয় নাথাকে।

বাহিৰৰ পৰা কেইবাদিন ধৰি ট্ৰাক বা ৰেলত আহি থকা চালানী মাছতকৈ নৈ-বিল আদিৰ মাছত বেছি খাদ্য গুণ থাকে। আমাৰ ৰৌ, বাহু, চিতল আদি ডাঙৰ মাছৰ প্ৰতি দুৰ্বলতা বেছি। কিন্তু ঘৰৰ ওচৰতে পোৱা শিঙৰা, পুঠি দৰিকণাতো খাদ্য গুণ কম নাই। দেখাক দেখি আমাৰ অসমীয়া মানুহেও সকলে মাজতে তেল মছলা দিয়া বঙলুৱা ৰন্ধন প্ৰণালীৰ প্ৰতি বৰ আকৰ্ষিত হৈছিল। কিন্তু আজিকালি সকলো মানুহ স্বাস্থ্যৰ প্ৰতি সচেতন হৈছে। বেছিকৈ তেল মছলা ভজা আদি খালে যে শৰীৰৰ অপকাৰ হয়, সেইটো সকলোৱে বুজা হৈছে। আমাৰ অসমীয়া ৰন্ধন প্ৰণালী সমূহত তেল মছলা একেবাৰে কম ব্যৱহাৰ কৰা হয় বাবে খাদ্য গুণ একেবাৰে নষ্ট নহয়। এতিয়া পুষ্টিৰ কথা ভাবি বহুতেই অসমীয়া ৰন্ধন প্ৰণালীৰ মোল বুজা হৈছে। কিন্তু আজিকালি বেছি ভাগ ল'ৰা ছোৱালীয়ে সেইবোৰ কেনেকৈ ৰান্ধিব লাগে নাজানে। আইতাকহঁতে কেতিয়াবা ৰান্ধি খুৱালে পৰম তৃপ্তিৰে সকলোৱে খায়। যেনে মাছ পাতত, দিয়া, মাছ খৰিকাত দিয়া, বনৰীয়া শাকেৰে কাঠ মাছৰ আঞ্জা, কচু শাকৰ আঞ্জা ইত্যাদি তাৰে কেইবিধমান তলত উল্লেখ কৰিলো।



মাছ পাতত দিবলৈ হলে সৰু মাছ যেনে পুঠি, মোৱা, খলিহনা আদি হলে ভাল। ডাঙৰ মাছো পাতত দিব পাৰি। মাছখিনি ভালদৰে ধুই ৰুচি অনুযায়ী সৰিয়হ বটা বা নাৰিকল ৰোকা, কেঁচা জলকীয়া, পিয়াজ কুটা, নিমখ তেল সানি কৰিব পাৰি। নাইবা অকল নিমখ তেল, কেঁচা ধনীয়া পাত, কেঁচা জলকীয়া, সামান্য নেমুৰ ৰস বা নেমুৰ কুমলীয়া পাত কুটি ললেও হয়। কলপাত এখিলা কাটি জুইৰ তাপত দি অলপ লেৰেলাই লব লাগে। তাৰ পিছত মাছখিনি কলপাতেৰে ভালদৰে মেৰিয়াই কলচোঁচেৰে বান্ধি লব লাগে। খৰিৰ জুই থাকিলে আঙঠাৰ ওপৰত কলপাতখন বহাই দিব লাগে। কিন্তু আজিকালি কেৰাচিন বা গেছৰ প্ৰচলন বেছি। লোহাৰ তাৱা এখন গেছ বা ষ্টোভৰ ওপৰত বহাই মাছ মেৰোৱা কলপাত খিলা তাৰ ওপৰত দি দিব। কলপাত খিলা দেই যোৱা যেন দেখিলে লুটিয়াই দিব। আন্দাজ কৰি সিজিলে নমাই থব।

পেটৰ অসুখ আদি হলে মানিমুনি, ভেদাইলতা শুকলতি নৰসিংহ পাত আদিৰ আঞ্জা কৰি খুওৱা হয়। এইবোৰ শাকৰ লগত মাগুৰ, কাৱৈ, শিঙি আদি মাছ বেছিকৈ মিলে। শাকবোৰ পটা বা মিক্সিত মিহিকৈ বটি তাৰ ৰসটো উলিয়াই চাকি লব লাগে। মাছখিনি অলপ ভাজি আঁতৰাই থৈ সেই তেলতে আদা, নহৰু বটা অলপ দি ভাজি লব। নিমখ হালধি জিৰা গুড়িও দিব। দুডোখৰ মান পুৰাকল কাটি তাতে ভাজি লব পাৰে। তাৰ পিছত শাকৰ ৰসখিনি দি ঢাক মাৰি উতলিবলৈ দিব। ভালদৰে উতলাৰ পিছত মাছখিনি দি এটামান উতল অহাৰ পিছত জালুকৰ গুড়ি অলপমান দি নমাই থব।

খৰিছাৰ লগত মাগুৰ মাছ, শিঙৰা মাছ আদি ভাজি খাবলৈ ভাল। নাইবা ডাঙৰ মাছৰ যিবোৰ কাইটীয়া টুকুৰাৰে আঞ্জা খাব নোৱাৰি, সেইবোৰো খৰিছা দি টানকৈ ভাজি খাবলৈ বেয়া নহয়। কেৰাহিত তেল দি মাছখিনি নিমখ হালধি সানি বহাই দিয়ক। মাছখিনি সিজিলে হেতাৰে অলপ ভাঙি দিব। তাৰ পিছত কুটা পিয়াজ, শুকান খৰিছা বা বটলত ভৰাই থোৱা বাঁহ গাজৰে সৈতে ভাজিব। ৰুচি অনুযায়ী শুকান জলকীয়া বা কেঁচা জলকীয়াও দিব পাৰে। আমাৰ আইসকল ওলালে শুকাবৰ বাবে শুকান খৰিছাৰে মাগুৰ মাছ ভাজি খুৱাব লাগে বুলি কথা এটা আছে।

আমাৰ অসমীয়াত কিহৰ লগত কি খাব তাৰ কিছুমান ফকৰাও চলি আহিছে। যেনে শলে-মূলে, পালেং শাকে পাভ মাছে, চিতল মাছৰ কলঠিৰ টেঙা আঞ্জা।

গঁৰৈ মাছ, পুঠি মাছ আদি জুইৰ সুবিধা থাকিলে খৰিকা এডালত দি পুৰি নিমখ, তেল,

ধনীয়া পাত কেঁচা জলকীয়া আদি দি সানি খাবলৈ বৰ জুতি লগা হয়।

ৰৌ বাহু আদি গোটা মাছ এটা কিনি আনিলে সাধাৰণতে মূৰটোৰে মুৰি ঘণ্ট কৰি খোৱা হয়। সাধাৰণতে মূৰটোৰে মুৰি ঘণ্ট ভজা মগু দাইল নাইবা চিৰা বা চাউল ভজা নাইবা নাৰিকল ৰোকা দি কৰা হয়। মুৰিঘণ্ট কৰিবলৈ হলে মাছৰ মূৰটো কাটি ভালদৰে ধুই তেলত অলপ ভাজি লব লাগে। মগু দাইলৰ মুৰিঘণ্ট কৰিলে মগুদাইলখিনি ভাজি নিমখ হালধি দি সিজাই লব লাগে। দাইলত ফোড়ন দিবৰ সময়ত তেলত আদা নহৰু বটা, পিয়াজ শুকান জলকীয়া দিব, তাৰ পিছত ভজা মাছৰ মূৰটো দি দাইলখিনি ঢালি উতলাব লাগে। নমোৱাৰ আগে আগে ঘিউ আৰু গৰম মছলাৰ গুড়ি দিব লাগে। চিৰা বা চাউল দি কৰিলে আগতে ভাজি থব লাগে। তেলত আদা, নহৰু পিয়াজ বটা জিৰা ধনীয়া গুড়ি দি ভালদৰে ভাজি লব লাগে। বিলাহী বা টমেটো চচো দিব পাৰি। আলু দিলে আগতে আলুবোৰ দুডোখৰ কৰি কাটি নিমখ হালধি দি ভাজি লব লাগে। মাছৰ মূৰটো মছলাত দি নিমখ হালধি অলপ চেনি দিব লাগে। ভালদৰে ভাজখোৱাৰ পিছত পানী দি উতলিলে ভজা চিৰা, চাউল বা নাৰিকল ৰোকা দিয়ক। ঘিউ গৰম মছলাৰ গুড়ি দি সময়মতে নমাই থওক।

মজলীয়া মাছৰ মূৰ ভাজি থৈ অমিতা বা আন কিহবাৰ খাৰ ৰান্ধি তাত দি দিলে খাৰখন বৰ সোৱাদ হয়। জাতিলাও ভাজি, বন্ধাকবি ভাজি আদিতো মজলীয়া মাছৰ মূৰ দি খাই ভাল লাগে।

অসমীয়া মানুহৰ আটাইতকৈ জুতিলগা আঞ্জা হ'ল মাছৰ টেঙা আঞ্জা। ভোজতো টেঙা আঞ্জাখন নহলে আমাৰ খোৱাতো সম্পূৰ্ণ নহল যেন লাগে। কিন্তু আজিকালি বহুতো বিয়া ভোজ আদিত টেঙা আঞ্জাৰ ঠাইত মাছৰ কালিয়াহে দেখা যায়। টেঙা আঞ্জাখন সকলো অসমীয়া মানুহে ৰান্ধিব জানেই বোধকৰো। তথাপিও দুই চাৰিখন ঠাইত মাছৰ টেঙা খাই জুতি নোপোৱাৰ কাৰণে আৰু নতুন ৰান্ধনীৰ কামত লাগিব পাৰে বুলি ভাবি ৰন্ধন প্ৰণালীটো উল্লেখ কৰিলো। টেঙা আঞ্জাখন সুদা বিলাহী নাইবা জাতিলাও, কোমোৰা বা আলু অলপ মিহিকৈ কুটি তাৰ লগত বিলাহী নাইবা অইন টেঙা যেনে নেমুচিপি, তেতেলী, নাইবা খৰিছা দিও কৰা হয়। গৰমৰ দিনত জিকাৰ আঞ্জাত নেমু চেপি কৰা মাছৰ আঞ্জাখন বৰ ভাল লাগে। তাৰ লগত ঢেঁকীয়াৰ পাত কেইটামান পৰিলেতো কথাই নাই। পালেং চুকা আদিৰো টেঙা আঞ্জা কৰা হয়। কচু শাকৰ লগত বিলাহী দি কৰা মাছৰ টেঙাখন আগৰ দিনত অসমীয়া মানুহৰ বৰ প্ৰিয় আছিল। যেই কোনো মাছৰে টেঙা খাব পাৰি।

স্বাস্থ্যৰ কথা ভাবি মাছ বিভিন্ন ধৰণে ৰান্ধি খাব নালাগে বুলি আমি কব যোৱা নাই। আজিকালি কাগজ আলোচনীত ভিন ভিন ধৰণৰ ৰন্ধন প্ৰণালী ওলাই থাকে। সেইদৰে বেলেগ বেলেগ ধৰণৰ অভেন আদিও ওলাইছে।

ভজা মাছৰ জুতি লবলৈ কোনেনো ভাল নাপায়। সাধাৰণতে তেলত কৰকৰীয়া কৰি মাছ ভাজি খোৱা হয়। কিন্তু ইয়াত খাদ্যৰ গুণ একেবাৰে কমি যায়, সৰু মাছ ভাজোতে তাত অলপ খাৰণি পানী চটিয়াই দিলে কম তেলত ভাজিলেও মাছখিনি মচমচীয়া হয়। জুতি সলনি কৰিবলৈ মাছখিনি চিধাকৈ নাভাজি পাতলকৈ কাটি তাত আদা, নহৰু পিয়াজৰ ৰস, নিমখ নেমুৰ ৰস সানি আধা ঘন্টামান তিয়াই থৈ দিব লাগে। তাৰ পিছত কণীত ডুবাই বিস্কুটৰ গুড়ি সানি ভাজিব লাগে। নাইবা একেলগে, কণী, ময়দা, আদা পিয়াজৰ ৰস নিমখ জালুকৰ গুড়ি সানি ভাজিব পাৰি। অইন এবিধ হল মাছৰ টুকুৰাবোৰ আদা নহৰু পিয়াজৰ ৰস, নিমখ আৰু চয়াবিন চচ সানি কেবাঘণ্টাও থৈ দিব লাগে তাৰ পিছত তেলত ভাজিব। অইন এটা পাত্ৰত আধা কেজি মাছৰ বাবে ৩ টেবুলচামুচ চয়াবিন চচ আৰু ২ টেবুলচামুচ চেনি মিহলাই গৰম কৰি ঘন কৰিব। পৰিবেশনৰ সময়ত মাছবোৰ তাত ডুবাই টেবুলত সজাই দিয়ক।

মাছৰ মুখৰোচক আনকেইবিধমান পদ হ'ল মাছৰ কালিয়া, মাছৰ কোৰ্মা, দৈ মাছ নাৰিকল দিয়া মাছ আদি অতি সহজে ৰান্ধিব পৰা তাৰে দুবিধমান তলত উল্লেখ কৰিলো। ইলিছ মাছ আৰু পাভ মাছ সাধাৰণতে সৰিয়হ দি ৰন্ধা হয়। কিন্তু যিসকলে সৰিয়হ পছন্দ নকৰে বা হজম নহয় অইন এবিধ সহজ নিয়মত ৰান্ধি খাব পাৰে। কেৰাহিত তেল বহাই কলাজিৰা সৰুচামুচৰ এচামুচ, কেঁচা জলকীয়া ২/৩টা, ফোড়ন দি তাত নিমখ হালধি সনা মাছ ঢালি দিব লাগে তাৰ পিছত আধা কেজি মাছৰ বাবে এককাপ গাখীৰ আৰু অলপ কেঁচা মিঠাতেল খুব ভালদৰে মিহলাই তাত ঢালি দিব। এই জোল ভালদৰে উতলি মাছ সিজিলেই হৈ যায়। ৰৌ বা আন কোনো ডাঙৰ মাছ তেলত ভাজি এইধৰণে খাব পাৰি।

সৰিয়হ দি মাছ ৰান্ধিব হলে সৰিয়হ আৰু কেঁচা জলকীয়া প্ৰথমে একেলগে বটি লওক। নিমখ হালধি সৰিয়হ বটাদি মাছখিনি সানি তাত অলপ কেঁচা তেল আৰু কেঁচা জলকীয়া ২/৩টা দিয়ক, অলপ চেনিও দিব। যিটো পাত্ৰত মাছ ৰান্ধিব সেইটোত মাছ ভৰাই প্ৰেচাৰ কুকাৰত বহাই দিব পাৰে নাইবা এটা ডাঙৰ পাত্ৰত পানী উতলাই মাছৰ পাত্ৰতো ভালদৰে বন্ধ কৰি তাত বহাই দিব লাগে। চাব লাগে পানী যাতে নোসোমায়। ১৫ মিনিট মানতে মাছ সিজি যায়। সৰিয়হ দিয়া মাছ অভেনতো কৰিব পাৰি। মাছৰ কোৰ্মা কৰিলেও পিয়াজ কেঁচা জলকীয়া পিহি দৈৰ লগত মিহলাই লব লাগে। আধা কেজি মাছত এককাপ দৈ এক টেবুল চামুচ চেনি দিব লাগে। তাৰ পিছত সেই মিশ্ৰণটো মাছত ২০/২৫ মিনিটমান মিহলাই থব লাগে। কেৰাহিত তেল গৰম কৰি তেজপাত, শুকান জলকীয়া ফোড়ন দি তেলখিনি জুইৰ পৰা নমাই একাপ পানী দৈ সনা মাছত মিহলাই তেলত ঢালি দিব লাগে। কম জুইত ৰান্ধি মাছখিনি সিজিলে নমাই থব।

নাৰিকলৰ গাখীৰ দি মাছ ৰান্ধিলে নাৰিকল ৰুকি ঘন গাখীৰ খিনি চেপি উলিয়াই লব লাগে। পিয়াজ আদা নহৰু বটি লব লাগে। তাৰ পিছত কেৰাহিত তেল গৰম কৰি গোটা গৰম মছলা ফোড়ন দি মছলাখিনি ঢালি নিমখ হালধি দিয়ক, ভালকৈ ভাজখালে নাৰিকলৰ গাখীৰ দি কেঁচা মাছ দি সিজিলে নমাই থব। এনে আঞ্জাত মাছ দিলেও ভাল লাগে।

শৰীৰত অপকাৰ নকৰা অথচ খাবলৈয়ো জুতি লগা এবিধ ৰন্ধন পদ্ধতি হৈছে বে'ক কৰা। বে'ক কৰিবলৈ অভেন নাথাকিলেও প্ৰেচাৰ কুকাৰত বাটিত বস্তু ভৰাই বহুত ধৰণৰ খাদ্য ৰান্ধিব পাৰি। বাহিৰৰ কাম কাজত ব্যস্ত থকি ৰান্ধিবলৈ সময় নোপোৱা লোকসকলে অতি সহজে কৰিব পৰা দুবিধ মাছৰ বে'ক উল্লেখ কৰিলো।

যেইকোনো ডাঙৰ মাছৰ কেইডোখৰমান লৈ ভালদৰে ধুই লব। কেৰাহিত তেল গৰম কৰি আধা কেজি মাছ হলে এটা ডাঙৰ পিয়াজ অলপ আদা নহৰু বটি ভাজি লব। মাছখিনিত ভজা মছলা নিমখ আৰু অলপ তেল সানি লব। তাৰ পিছত মাছখিনি বে'ক কৰা পাত্ৰটোত দি তাৰ ওপৰত এটা সৰু কেপ'চিকাম এটা বিলাহী আৰু ১টা মজলীয়া পিয়াজ চকলচকলকৈ কাটি সজাই দিব। ধনীয়া পাত থাকিলে ওপৰত দিব। বিলাহীৰ ঠাইত টমেটো চচো দিব পাৰি। সিজা আন্দাজ কৰি নমাই থব। একো নাথাকিলে আদা নহৰু পিয়াজ নিমখ সানি কৰিও খাব পাৰি।

দৈ সানিও মাছ সহজে বেক কৰিব পাৰি। আধা কেজি ৰৌ বা যেইকোনো ডাঙৰ মাছত এপিয়লা দৈ, অলপ আদা বটা তেজপাত কেঁচা জলকীয়া, গৰম মছলা নিমখ আৰু ঘিউ ১ টেবুল চামুচ চেনি সামাণ্য সানি বে'ক কৰিব। মাছ সিদ্ধ হৈ বাদামী ৰং হলে নমাই থব।

ভিজিটেবল চুপ বা চিকেন চুপৰ দৰে মাছৰো চুপ কৰিব পাৰি। বিশেষকৈ সৰু মাছৰ চুপ অতি উপকাৰী। বেমাৰীয়ে অইন বস্তু সহজে হজম কৰিব নোৱাৰিলেও চুপ হজম কৰিব পাৰে। শিঙৰা মাছ মোৱা মাছ আদি কেইটামান লৈ তাৰ লগত এমুঠি মগু দাইল অলপ আদা বটা তেজপাত গোটা গৰম মছলা নিমখ দি সিজাব লাগে। ভালদৰে সিজিলে চাকি বেমাৰীক খাব দিব লাগে। নিৰোগী মানুহে খাবলৈ মচুৰ দাইল দি কৰিব পাৰি তেতিয়া বেছি সোৱাদ হয়। তাতে অকমান মাখন আৰু জালুকৰ গুড়ি দিব লাগে। ■



# কলংকিত পুৰস্কাৰঃ কলুষিত অকাডেমী

ভুবন বৰুৱা

১৯৯১ চনৰ বাবে প্ৰদান কৰা সাহিত্য অকাডেমী বাৰ্ষিক বঁটাক কেন্দ্ৰ কৰি, দেশৰ ভাষা সাহিত্যৰ বিকাশ আৰু আঞ্চলিক ভাষা সমূহৰ মাজত পাৰস্পৰিক আদান প্ৰদানৰ মহতী উদ্দেশ্যৰে গঠিত আঠত্ৰিছ বছৰীয়া শীৰ্ষ অনুষ্ঠান সাহিত্য অকাডেমী পুনৰ সংবাদ শিৰোনামলৈ অহাটো পৰম দুৰ্ভাগ্যজনক আৰু এনে এটা বিবাদমূলক ঘটনাই অকাডেমীৰ ঘাই উদ্দেশ্যকে বহু পৰিমাণে ম্লান কৰিছে। অকাডেমীৰ ঘোষিত উদ্দেশ্য আৰু কাৰ্যক্ৰম অনুসৰি বছৰি দেশৰ বাইছটা সংবিধান স্বীকৃত আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠতম ৰচনা সম্ভাৰৰ বাবে উচ্চ স্তৰীয় কমিটিৰ দ্বাৰা বিবেচিত সৰ্বোকৃষ্ট লেখক জনলৈ অকাডেমী বঁটা প্ৰদান কৰা হয়। এই বঁটাৰ বাবে, ঘোষিত পুৰস্কাৰৰ মূল্য পঁচিছ হেজাৰ টকা যদিও জ্ঞানপীঠ বা সৰস্বতী সন্মানৰ সমতুল্য নহয়, তথাপি অকাডেমী বঁটা হিচাপে ইয়াৰ মৰ্যাদা যথেষ্ট উচ্চ, কাৰ্যতঃ অকাডেমী বঁটা বিজেতা সকলেই আমাৰ দেশৰ বিভিন্ন আঞ্চলিক ভাষাত শিৰোমণি সাহিত্যিক হিচাপে পৰিগণিত হয়। আচলতে কেন্দ্ৰীয়ভাবে প্ৰতিষ্ঠিত আৰু স্বশাসিত ভাবে পৰিচালিত সাহিত্য অকাডেমী শীৰ্ষ মৰ্যাদাই ইয়াৰ দ্বাৰা ঘোষিত পুৰস্কাৰ সমূহৰ মৰ্যাদাও বহুগুণে বঢ়াইছে। যোৱা আঠত্ৰিছ বছৰ কালত সাহিত্য অকাডেমীৰ দ্বাৰা সৰ্বমুঠ ৫৯২ খন বিভিন্ন ভাৰতীয় ভাষাত ৰচিত গ্ৰন্থ পুৰস্কৃত হৈছে, এনেদৰে পুৰস্কৃত অসমীয়া ভাষাৰ গ্ৰন্থ সংখ্যা হ'ল প্ৰায় ডেৰকুৰিখন।

সাহিত্য অকাডেমীৰ দ্বাৰা পুৰস্কৃত সাহিত্য কৰ্মৰ বাছনি আদিৰ ক্ষেত্ৰত নানা ধৰণৰ কেলেংকাৰি, দুৰ্নীতি চলি থকাৰ অভিযোগ প্ৰায়েই শুনা যায়। আজি কেইমাহমানৰ আগেয়ে গুৱাহাটীলৈ অসম উপত্যকা সাহিত্য বঁটা প্ৰদান কৰিবলৈ অহা প্ৰখ্যাত সাহিত্যিক খুছৱন্ত সিঙে তেওঁৰ ৰাজহুৱা ভাষণ প্ৰসংগত এনে এটি গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল যে, পঞ্জাৱী ভাষাৰ বাবে অকাডেমী পুৰস্কাৰ নিৰ্বাচন কমিটিখনৰ সদস্য কেইজনে নিজেই নিজৰ নাম অনুমোদন কৰিছিল আৰু আন বাকী সদস্যই এঢাপ আগুৱাই গৈ আনকি নিজৰ পত্নীকে এনে এটি মৰ্যাদাপূৰ্ণ পুৰস্কাৰৰ বাবে মনোনীত কৰিছিল। এনে এটা মন্তব্য পুৰস্কাৰ সম্পৰ্কে পৰ্যালোচনা কৰা খোছলা কমিটিৰ প্ৰতিবেদনৰ দ্বাৰাই সমৰ্থিত। খুছৱন্ত সিঙে এক সাক্ষাৎ প্ৰসংগত এইদৰেও মন্তব্য দিছিল যে সাহিত্য অকাডেমী পুৰস্কাৰ লাভৰ বাবে একোজন লেখক ইমান উন্মাদ প্ৰায় যে তেনে লেখকে পুৰস্কাৰ নিৰ্ণয়ৰ দায়িত্বত থকা সকলক উপঢৌকন দিবলৈও কুণ্ঠাবোধ নকৰে, এনে একোগৰাকী লেখকে অকাডেমীৰ পুৰস্কাৰকে জীৱনৰ সৰ্বস্ব জ্ঞান কৰে আৰু তাক পাবলৈ বিবেক শূন্য ভাবে কাম কৰাহে দেখা যায়। এইটো সঁচাকৈয়ে এটা মনত বিষাদৰ ভাব জগোৱা মন্তব্য আৰু এনে ধৰণৰ কাৰ্যই সামগ্ৰিক বিচাৰত অকাডেমী দৰে উচ্চস্তৰীয় অনুষ্ঠানকে গভীৰভাবে কলুষিত কৰিছে।

## কলংকিত পুৰস্কাৰ

বৰ্তমান পঞ্জাৱী ভাষাত ৰচিত কবিতা পুথি এখনক কেন্দ্ৰ কৰি অকাডেমী পুৰস্কাৰ সম্পৰ্কে কেলেংকাৰি এটাৰ কথা পোহৰলৈ অহাত অকাডেমী পুৰস্কাৰ সম্পৰ্কে নানা দিশৰ পৰা তিৰস্কৃত মন্তব্য প্ৰকাশ পাইছে। পঞ্জাৱী কবি হৰীন্দ্ৰ সিং মেহবুবৰ কবিতা সংকলন এখনক কেন্দ্ৰ কৰি, এই অভিযোগ উঠিছে যে এই ৮২৮ পৃষ্ঠাৰ বৃহৎ গ্ৰন্থখনত অন্তৰ্ভুক্ত কবিতা এটাত প্ৰয়াত প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ প্ৰতি অৱমাননা সূচক মন্তব্য দিয়াৰ উপৰিও গান্ধী হত্যাৰ লগত জড়িত হত্যাকাৰী দুজনৰ প্ৰশস্তি বাক্য প্ৰকাশ পাইছে। পুৰস্কাৰ প্ৰাপ্ত কবি গৰাকীয়ে অৱশ্যে এনে এটা অভিযোগ অস্বীকাৰ কৰি এইদৰে মন্তব্য দিছে যে তেওঁৰ কবিতাটো ছহিদৰ প্ৰতি শ্ৰদ্ধাঞ্জলিৰ বাহিৰে আন একো নহয়, অৱশ্যে দেশৰ কেবাগৰাকী প্ৰখ্যাত সাহিত্যিকৰ মতে পুৰস্কৃত সংকলনত অন্তৰ্ভুক্ত কবিতা কিছুমান যথেষ্ট নিম্নস্তৰৰ। কিন্তু প্ৰশ্ন হ'ল, এনে এটা নিম্ন মানদণ্ডৰ কবিতাৰে ভৰা সংকলন কিহৰ ভিত্তিত অকাডেমী পুৰস্কাৰৰ বাবে বিবেচিত হ'ল ? অথচ অকাডেমীয়ে দিয়া স্মাৰক ফলিত এনে এখন কবিতা সংকলনক পঞ্জাবৰ মানৱতাবাদী চিন্তাৰ প্ৰতিফলন হিচাপেই আখ্যা দিয়া হ'ল। কিহৰ ভিত্তিত এখনি নিম্নস্তৰীয় গ্ৰন্থক এনে প্ৰশস্তি পত্ৰ দিয়া হ'ল সেইটোও চিন্তাৰ কথা। সাম্প্ৰতিক বিতৰ্কই অকাডেমীৰ মৰ্যাদা সম্পন্ন পুৰস্কাৰটোকে কৰিলে কলংকিত। অকাডেমীৰ কামকাজ, পুৰস্কাৰ প্ৰদান আদিৰ বিষয়ে সম্প্ৰতি বিভিন্ন অভিযোগমূলক মন্তব্য প্ৰকাশ পাবলৈ আৰম্ভ কৰাটো অতিশয় দুৰ্ভাগ্যজনক।

অকাডেমী পুৰস্কাৰ কেলেংকাৰি সম্পৰ্কে সম্প্ৰতি যিখিনি খবৰ প্ৰকাশ পাইছে তাৰ পৰা জনা গৈছে যে পঞ্জাৱী ভাষাত পুৰস্কাৰৰ বাবে গ্ৰন্থ নিৰ্বাচন কৰিবলৈ গঠিত কমিটিত আছিল জ্ঞানপীঠ বঁটা বিজেতা প্ৰখ্যাত লেখিকা অমৃতা প্ৰীতম, বিখ্যাত শিক্ষাবিদ ড° অমৃত সিং আৰু লেখক প্ৰশাসক ড° আহলুৱালিয়া। এই কথাও জনা গৈছে যে অমৃতা প্ৰীতমৰ বাহিৰে আন দুগৰাকী সমীক্ষকে কবি মেহবুবৰ সংকলন 'হিনান কি ৰাত' কবিতাবোৰ উচ্চ পৰ্যায়ৰ বুলি বিবেচনা কৰা নাছিল, অমৃতা প্ৰীতমে ইয়াকে সূক্ষ্মভাবে বিবেচনা নকৰি, উপৰুৱাকৈয়ে পুৰস্কাৰৰ বাবে মনোনীত কৰাৰ অভিযোগ এতিয়া অস্বীকাৰ কৰা টান হৈ পৰিছে। এই কথা এতিয়া দিনৰ পোহৰ দৰেই স্পষ্ট যে, সংকলনটোৰ সমীক্ষাৰ দায়িত্বত থকা কোনো এগৰাকী সমীক্ষকেই ইয়াক সূক্ষ্মভাবে বিবেচনা কৰা নাছিল আৰু সেইবাবেই প্ৰয়াত প্ৰধানমন্ত্ৰীৰ হত্যাকাৰী হিচাপে চিহ্নিত জনৰ প্ৰশস্তিমূলক কবিতা থকা সংকলন এটাক অকাডেমী পুৰস্কাৰৰ বাবে মনোনীত কৰা হ'ল। এই কথাই ইয়াকেই প্ৰমাণ কৰিছে যে অকাডেমী পুৰস্কাৰৰ বাবে বাছনি কাৰ্য নানা কলংক জড়িত, তাৰ দায়িত্ব লোৱা সকলে সাহিত্যকৰ্মৰ গুণগত মানৰ সলনি আনকথাৰ ওপৰতহে প্ৰাধান্য দিয়াত সামগ্ৰিকভাবে পুৰস্কাৰ কলংকিত হৈছে।

OKDISCD

সাহিত্য অকাডেমীৰ ঘোষিত উদ্দেশ্য অনুসৰি প্ৰতিটো স্বীকৃত ভাৰতীয় ভাষাৰ শ্ৰেষ্ঠতম সাহিত্যকৰ্মৰ বাবে পুৰস্কাৰ প্ৰদান যদিও সমগ্ৰ ব্যৱস্থাটোৰ বিৰুদ্ধে সময়ে সময়ে নানা অভিযোগ উত্থাপিত হৈ অহা দেখা গৈছে। আজি কেই বছৰমানৰ আগেয়ে তেলেগু ভাষাৰ বাবে বঁটা প্ৰদান কৰা পুথি এখন সম্পৰ্কে অকাডেমীৰ নিজৰ সমীক্ষামূলক আলোচনাতে বিৰূপ মন্তব্য ওলোৱাত এই পুৰস্কাৰ ওভোতাই দিবলগীয়া হৈছিল। ১৯৯১ চনত উৰ্দু ভাষাত প্ৰকাশিত গ্ৰন্থৰ বাবে দিয়া পুৰস্কাৰ সম্পৰ্কে কটু সমালোচনা শুনা গৈছিল। একেদৰে ১৯৮৬ চনত কাশ্মীৰী ভাষাত প্ৰয়াত মুখ্যমন্ত্ৰী শ্বেখ মহম্মদ আব্দুলাৰ আত্মজীৱনী মূলক আটিছ, ই চিনাৰক অকাডেমী পুৰস্কাৰৰ বাবে নিৰ্বাচন কৰাত গুঞ্জন ওলাইছিল। এইবোৰ একোটা উদাহৰণহে। অকাডেমীয়ে পুৰস্কাৰৰ বাবে নিৰ্বাচন কৰা পাঁচশৰো অধিক গ্ৰন্থৰ ভিতৰত গুণগতভাবে শ্ৰেষ্ঠতম বিবেচিত সকলো বোৰ গ্ৰন্থক আখ্যা দিব নোৱাৰি। সেয়ে ই অকাডেমীৰ উদ্দেশ্য ব্যৰ্থ কৰিছে, কলংকিত কৰিছে পুৰস্কাৰ তথা মহৎ উদ্দেশ্য সম্বলিত অকাডেমীক।

## উদ্দেশ্যৰ ব্যৰ্থতা

সাহিত্য অকাডেমী জন্মলগ্নত পৰম প্ৰত্যাশাৰে দিয়া ভাষণ প্ৰসংগত ড° ৰাধাকৃষ্ণণে এই মন্তব্য দিছিল যে 'It is the purpose of this Akademi to recognise men of achievements in letters, to encourage men of promise in letters, to educate public taste and to improve standard of literature and literary criticism, এনে এক ভাষণৰ অন্তৰালত নিহিত হৈ আছিল উচ্চ প্ৰত্যাশা, মহৎ উদ্দেশ্য। জন্মলগ্নৰ প্ৰাকমুহূৰ্তত অকাডেমীৰ যিবোৰ উদ্দেশ্য ঘোষণা কৰা হৈছিল সেইবোৰ আছিল প্ৰেৰণা সঞ্চাৰী বহল, বিশাল ভাৰতৰ আঞ্চলিক ভাষাসমূহৰ মাজত আদান প্ৰদান বৃদ্ধি কৰি বিভিন্ন ভাষাভাষী সাহিত্যিকৰ সাহিত্য কৰ্মৰ জৰিয়তে জাতীয় চেতনা আৰু সংহতি স্থাপনৰ লক্ষ্যও নিৰূপিত হৈছিল। চাবলৈ গলে স্বীকৃত ভাষা সমূহৰ শ্ৰেষ্ঠতম সাহিত্যকৰ্মৰ বাবে পুৰস্কাৰ প্ৰদান আছিল আন বহুত লক্ষ্যৰ ভিতৰত এটাহে। কিন্তু অকাডেমীৰ অস্তিত্ব এতিয়া যাইকৈ বৰ্তি আছে এনে এটা উদ্দেশ্যৰ বলতহে। ইয়াৰ অস্তিত্ব দেশৰ জনসাধাৰণে অনুভব কৰিব পাৰে প্ৰতিবছৰে পুৰস্কাৰ ঘোষণা কৰা সময়তহে, আন সময়ত জনমানসত অকাডেমীৰ দৰে বিশাল উদ্দেশ্যধৰ্মী সংগঠন অস্তিত্ববিহীন। বছৰি ঘোষণা কৰা পুৰস্কাৰ সমূহো নানা কেলেংকাৰিৰে কলুষিত হোৱাত অকাডেমীৰ যাই উদ্দেশ্যই ব্যৰ্থ হৈছে বুলি কব পাৰি।

সাহিত্য অকাডেমীৰ দ্বাৰা প্ৰদত্ত পুৰস্কাৰ সম্পৰ্কে অতি যুক্তিযুক্ত কাৰণত নানা সমালোচনাৰ উদ্ভৱ হৈছে যদিও এনে 'পুৰস্কাৰৰ বাবে শ্ৰেষ্ঠতম গ্ৰন্থ নিৰ্বাচনৰ প্ৰক্ৰিয়াটো যথেষ্ট কঠোৰ বুলি জনা যায়। আচলতে প্ৰতিটো ভাষাৰ সাহিত্যিক সমালোচকেৰে গঠিত একোখন উচ্চক্ষমতা সম্পন্ন বাছনি কমিটিৰ দ্বাৰা নিৰ্বাচিত শ্ৰেষ্ঠ সাহিত্য কৰ্মকহে অকাডেমী পুৰস্কাৰৰ বাবে নিৰ্বাচন কৰাই হ'ল বিধিবদ্ধ নিয়ম। এনেদৰে গ্ৰন্থ বা সাহিত্যকৰ্ম নিৰ্বাচনত উচ্চ মানদণ্ড প্ৰয়োগ কৰাৰ উপৰিও গোপনীয়তা ৰক্ষা কৰাটো বাঞ্চনীয় যদিও মাজে মাজে সুৰুঙা, স্বজনপ্ৰীতি, উপঢৌকন প্ৰদান আদিৰ দৰে গুৰুতৰ অভিযোগ শুনা গৈছে। বৰ্তমান এনে সমালোচনাও হৈছে যে সাহিত্য অকাডেমীৰ পুৰস্কাৰ লাভ কৰিবলৈ নিৰ্বাচকসকলৰ ব্যক্তি কেন্দ্ৰিক চুপাৰিছ, তদ্বিৰহে প্ৰাপ্তি যোগৰ উপায়, সাহিত্যিক গুণ তাৰ বাবে প্ৰধান মাপকাঠি নহয়। ফলত প্ৰতিটো আঞ্চলিক ভাষাৰে বহুতো গুণী আৰু যোগ্য সাহিত্যিক উপেক্ষিত হৈ থকাৰ অভিযোগ উঠিছে।

শ্ৰেষ্ঠতম সাহিত্যকৰ্মৰ বাবে প্ৰতিটো আঞ্চলিক ভাষাৰ গ্ৰন্থ নিৰ্বাচনৰ যি সুনিৰ্দিষ্ট নিয়ম নীতি সাহিত্য অকাডেমীয়ে বান্ধি দিছে তাক অনুসৰণ কৰি কৰ্তব্য সম্পাদন কৰাৰ দায়িত্ব হ'ল প্ৰতিটো ভাষাৰ বাবে নিয়োজিত কমিটি সমূহৰ। আঞ্চলিক ভাষাৰ এনে কমিটিবোৰে নিজৰ নিজৰ দায়িত্ব কিমান সুচাৰুৰূপে পালন কৰিছে সেই সম্পৰ্কে প্ৰশ্ন কৰাৰ অৱকাশ আছে। এই বছৰৰ পঞ্জাৱী ভাষাৰ গ্ৰন্থক কেন্দ্ৰ কৰি যি কেলেংকাৰি সৃষ্টি হ'ল তাৰ পৰা এই অনুমান সহজেই কৰিব পাৰি যে আনকি মূধাফুটা সাহিত্যিক সকলেও এক প্ৰকাৰ দায়সৰা মনোভাবেৰে নিজৰ নিজৰ দায়িত্ব সামৰিছে। ফলত উপযুক্ত গুণসম্পন্ন সাহিত্য সৃষ্টি নকৰাকৈয়ে অকাডেমী পুৰস্কাৰৰ বাবে দুই চাৰিজন লেখক বিবেচিত হোৱাৰ কথাই কেৱল মাথোন পুৰস্কাৰ পদ্ধতিকে কলুষিত কৰা নাই অকাডেমীৰ যাই উদ্দেশ্য To improve standard of literature কে ব্যৰ্থ কৰিছে। অকাডেমী পুৰস্কাৰৰ বাবে গ্ৰন্থ নিৰ্বাচন কৰিবলৈ প্ৰতিটো ভাষাৰ আঞ্চলিক কমিটিত যি সকল শ্ৰদ্ধেয় সাহিত্যিক জড়িত হৈ আছে তেওঁলোকে গুণসম্পন্ন সাহিত্য সৃষ্টিত কিমান সহায় কৰিছে সেই সম্পৰ্কে প্ৰশ্ন কৰাৰ অৱকাশ আছে। পৰম ক্ষোভ আৰু হতাশাৰে আমি এই কথাও লক্ষ্য কৰিছো যে আমাৰ অসমীয়া ভাষাত কেইবাগৰাকী সৃষ্টিশীল সাহিত্যিক অকাডেমীৰ মৰ্যাদাপূৰ্ণ পুৰস্কাৰৰ পৰা বঞ্চিত হৈ আছে। তাৰ কাৰণ তেওঁলোকৰ আত্মপ্ৰচাৰ বিমুখিতা নে আঞ্চলিক ভাষাৰ নিৰ্বাচন কমিটিখনৰ দৃষ্টি আকৰ্ষণৰ অপাৰগতা সেইকথা অস্পষ্ট। অৱশ্যে এই কথাও ঠিক যে বহুতো লেখক সাহিত্যিক যশ মান পুৰস্কাৰৰ প্ৰতি নিস্পৃহ হৈয়েই নিজৰ সাহিত্যকৰ্মত নিবিড়ভাবে ব্ৰতী হৈ থাকে, পুৰস্কাৰৰ বাবে লালায়িত নোহোৱা এনে সাহিত্যিক আৰু সাহিত্যকৰ্মক চিহ্নিত কৰাৰ দায়িত্ব আঞ্চলিক ভাষাৰ কমিটিবোৰৰহে বুলি দ্বিধাহীন ভাবেই কব পাৰি। তাকে নকৰাত সামগ্ৰিকভাবে অকাডেমী পুৰস্কাৰৰ অবমূল্যায়ন হোৱা বুলি ধাৰণাহে হয়।

এইখিনিতে আন এটি প্ৰাসংগিক প্ৰশ্ন উত্থাপন কৰিব খুজিছো–অকাডেমীৰ দ্বাৰা প্ৰকাশিত বিবিধ গ্ৰন্থ জনসাধাৰণৰ মাজত সুলভ আৰু সহজলভ্য নে? বাস্তৱ অভিজ্ঞতাৰ পৰা এনে এটি প্ৰশ্নৰ নেতিবাচক উত্তৰহে মনলৈ আহে। বিভিন্ন ভাৰতীয় ভাষাত প্ৰকাশিত শ্ৰেষ্ঠগ্ৰন্থ সমূহ অনুবাদৰ জৰিয়তে আগ্ৰহী পাঠকৰ মাজত প্ৰচাৰ কৰি সাহিত্যৰ প্ৰতি অনুৰাগ সৃষ্টি কৰাত অকাডেমীৰ যি ঘোষিত উদ্দেশ্য আছিল সেইটো সফল হোৱা বুলি কোৱা অনুচিত। অকাডেমীৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থসমূহ একোটা সময়ৰ অন্তৰে অন্তৰে, বিভিন্ন অঞ্চলত সাহিত্য প্ৰদৰ্শনী আদি পাতি প্ৰচাৰ কৰাৰ যি সুবিধা আছিল তাকো কৰাত অকাডেমী ব্যৰ্থ হৈছে। যোৱা আঠত্ৰিছ বছৰ কালত অকাডেমীয়ে অসমত কিমানখন তেনে কিতাপ প্ৰদৰ্শনী পতাৰ ব্যৱস্থা কৰিলে? ভাৰতৰ আঞ্চলিক ভাষা সমূহৰ মাজত যোগাযোগ, আদান প্ৰদান ঘনিষ্ঠ কৰি তোলাৰ উদ্দেশ্যও আছিল ইয়াৰ অন্যতম লক্ষ্য। অকাডেমীয়ে আঞ্চলিক ভাষা সাহিত্যৰ অনুষ্ঠানবোৰৰ লগত কিমান ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিছে সেই সম্পৰ্কে প্ৰশ্নোদয় হয়। অকাডেমীৰ পৃষ্ঠপোষকতাত অসমীয়াৰ দৰে ভাষাত অভিধান, গ্ৰন্থপঞ্জী, কোষগ্ৰন্থ আদি কিমান প্ৰস্তুত, প্ৰকাশ হ'ল তাৰেইনো খতিয়ান দিব কোনে?

মুঠতে যোৱা কেইবছৰমানত সাহিত্য অকাডেমীৰ কামকাজ সম্পৰ্কে নানা সমালোচনাৰ উদ্ভৱ হৈছে, পুৰস্কাৰ আদিৰ বিষয়ে কেলেংকাৰিৰ চাঞ্চল্যকৰ তথ্য আৱিষ্কৃত হৈছে। অকাডেমীয়ে ইয়াৰ ঘোষিত উদ্দেশ্যৰ প্ৰতি আওকাণ কৰি কামকাজ কৰাৰ যুক্তি যুক্ত অভিযোগ উত্থাপিত হৈছে। আচলতে অকাডেমীৰ অস্তিত্ব বৰ্তি আছে ইয়াৰ দ্বাৰা ঘোষিত পুৰস্কাৰ প্ৰদানৰ কথাতহে। পুৰস্কাৰ ঘোষণাৰ সময়তহে অকাডেমীৰ সুন্দৰভাবে ঘোষিত দেবনাগৰী হৰফৰ প্ৰতীক চিহ্নটো আলোকিত হৈ উঠে, আন সময়ত ইয়াৰ অস্তিত্ব বিলীন। এই কথাও সঁচা যে অকাডেমী সম্পৰ্কীয় সকলো সমালোচনা, আলোচনাৰ যাই লক্ষ্য একেটাই, দেশৰ সাহিত্য বিকাশৰ বাবে পৰম আশা আৰু প্ৰত্যয়ৰে গঠিত ব্যয় বহুল অনুষ্ঠানটো বহুদিশৰ পৰাই বিফল হৈছে, ইয়াৰ দ্বাৰা প্ৰবৰ্তিত পুৰস্কাৰ ব্যৱস্থাকো ঢাকি ধৰিছে নানা কলংক কালিমা, কদৰ্যতাই। এনে এটা অৱস্থা চলি থাকিলে সাহিত্য অকাডেমীৰ দৰে মৰ্যাদাসম্পন্ন অনুষ্ঠান এটাৰ ভৱিষ্যত বিপন্ন হৈ পৰাৰ আশংকা।



# তিতা-কেঁহা

কাশ্মীৰ সীমান্তইদি ভাৰতত প্ৰৱেশ কৰিবলৈ পাক-অধিকৃত অঞ্চলৰ পৰা কৰা প্ৰচেষ্টা এল, অ', চি অৰ্থাৎ লাইন অৱ, কন্ট্ৰলত বাধা দি ব্যাহত কৰা হ'ল।

ঃ আমাৰ অসমতেই ভাল। দুয়োবিধ এল, অ', চিৰে জঞ্জাল নাই। লাইন অৱ, কন্ট্ৰল আৰু লেটাৰ অৱ্ ক্ৰেডিট। এটা সীমান্তৰ আৰু আনটো ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ।

* * *

টাইমচ্ অৱ্ ইণ্ডিয়াৰ ঢাকাৰ প্ৰতিনিধিয়ে পঠোৱা বাতৰি অনুসৰি বাংলাদেশৰ বিৰোধী পক্ষৰ নেত্ৰী শ্বেখ হাচিনাই ভাৰতত বাংলাদেশী লোক থকাৰ অভিযোগ দৃঢ়তাৰে অস্বীকাৰ কৰি কৈছে যে ভাৰত চৰকাৰে কোনো লোকক যাতে বাংলাদেশলৈ বলেৰে ঠেলি পঠাব নোৱাৰে তাৰ বাবে জিয়া-চৰকাৰে চোকা নজৰ ৰাখিব লাগিব।

ঃ হাচিনাই নিশ্চয় অসমক উদ্দেশ্য কৰি কোৱা নাই। কাৰণ আমাৰ জনে কেতিয়াবাই কৈ থৈছে যে অসমত বাংলাদেশী নাই। আদ্যাক্ষৰ হ থকা নামৰ মানুহবোৰ যে সজাগ আৰু জ্ঞানী হয় সেই কথা আকৌ এবাৰ প্ৰমাণ হ'ল।

* * *

মণিপুৰৰ অধ্যক্ষ শ্ৰীবৰবাবু সিঙক উচ্চতম ন্যায়ালয়ে নিগ্ৰহ কৰি থকা কাৰ্য শোভনীয় আৰু যুক্তিসংগত হোৱা নাই বুলি অসম বিধান সভাৰ অধ্যক্ষ শ্ৰীজীৱকান্ত গগৈয়ে হেনো এখন প্ৰেছ মেলত তেওঁৰ খেদ্ প্ৰকাশ কৰিছে।

ঃ ঠিকেই কৰিছে। আগলৈ কেতিয়াবা আন এজন বৰকেৰাণীৰো যে তেনে দশা নহব কোনোবাই ডাঠি কব পাৰিবনে? ইতিমধ্যে শ্ৰীগগৈ যে যথেষ্ট পৰিণত আৰু দূৰদৰ্শী হৈছে এইটোৱেই ভাল প্ৰমাণ।

* * *

স্থানীয় দৈনিক ইংৰাজী বাতৰি কাকত এখনৰ এটা বাতৰি অনুসৰি অলপতে গুৱাহাটীত ভাৰতীয় যুৱ কংগ্ৰেছ (আই)ৰ অসম গোটৰ দায়িত্ব বহণ কৰা সৰ্বভাৰতীয় নেতা শ্ৰীজালৱিন্দৰ সিং মাৰাৱাহে এখন প্ৰেছ মেলত দুৰ্নীতিৰ বিষয়ে উল্লেখ কৰি কৈছে যে দুৰ্নীতিক ৰোধ কৰাটো সম্ভৱপৰ নহয়, কিছু কমাব পৰাহে যাব। শ্ৰীমাৰাৱাহে প্ৰশ্ন কৰে– 'ভাৰতত কোনজন দুৰ্নীতি নকৰা লোক আছে?'

ঃ উস্ এতিয়াহে বহুতৰ জ্বৰ-ঘাম ওলাই যোৱাত দেহালৈ প্ৰাণ ঘূৰি আহিছে। কাৰণ আগে পাছে দলীয় উচ্চ পৰ্যায়ৰ নেতাই কেতিয়াও ইমান তীব্ৰ সেউজীয়া সংকেতৰ পোহৰ পেলোৱা নাছিল।

* * *



এখন দৈনিক অসমীয়া কাকতৰ 'সম্পাদকলৈ চিঠি' শিতানত এজনে লিখিছে – ঘৰৰ মুৰ্গীটো কাটিয়ে মাৰক বা ডিঙি মুচৰিয়ে মাৰক, সেইটো গৃহস্থৰ নিজা কথা। কাৰো মাত মতাৰ অধিকাৰ নাই। তেনেকৈ কোনোবাই নিজৰ নৱজাত শিশু পুত্ৰ বা নাতিৰ নাম ৰাজীৱ ৰাখক, তাতো কোনেও আপত্তি কৰিব নোৱাৰে। কিন্তু বহু বছৰ ধৰি ওৰাং নামেৰে জনাজাত হৈ থকা অভয়াৰণ্যখনৰ নাম চৰকাৰে ৰাজীৱ অভয়াৰণ্য ৰখাৰ অধিকাৰ ক'ত পালে বুলি তেওঁ প্ৰশ্ন কৰিছে।

ঃ উস্, ইয়াতো সেই একে নিপীড়ন। দুঠেঙীয়াবোৰে যদি সদায় এইদৰে বাতৰি কাকতত চিঞৰ বাখৰ কৰি অৱলা, নিৰীহ, অবোধ চাৰিঠেঙীয়াবোৰৰ নিৰলা শান্তি হৰণ কৰিবলৈ প্ৰচেষ্টা চলাই থাকে, তেন্তে স্কাউণ্ড্ৰেলবোৰে শেষ আশ্ৰয় লব ক'ত? পলিটিক্সত?

* * *

অলপতে সাপ্তাহিক কাকত এখনে অসমৰ গ্ৰাম্য আৰু পঞ্চায়ত বিভাগৰ মন্ত্ৰীজনৰ চৰম দুৰ্নীতিৰ বিষয়ে বাতৰি এটা দি কৈছে যে গ্ৰাম্য উন্নয়ন তথা ডি, আৰ, ডি, এৰ অধীনৰ বহুলাখ টকা আত্মসাৎ কৰাৰ পিছতো তেওঁৰ বিৰুদ্ধে কোনোধৰণৰ শাস্তিমূলক ব্যৱস্থা লোৱা হোৱা নাই। মন্ত্ৰীজনে ডি, আৰ, ডি, এৰ প্ৰকৃত অৰ্থৰ বিষয়ে অৱগত নহয় বুলিও সন্দেহ প্ৰকাশ কৰা হৈছে।

ঃকেলেই অৱগত নহব?' তেওঁ নিজেই দৰিদ্ৰ হৈ এই দৰিদ্ৰতা দূৰীকৰণ আঁচনিখনৰ কথা নজনাকৈ আছেনে? তেওঁ এইদৰে জানে ডি হ'ল দৰিদ্ৰক, আৰ্ মানে ঋণ, ডি মানে দিয়া আৰু এ হ'ল আঁচনি। অৰ্থাৎ দৰিদ্ৰৰ ঋণ দিয়া আঁচনি।

* * *

অসমৰ ভোটাৰ তালিকা শুদ্ধ আৰু নিখুঁতভাবে প্ৰস্তুত কৰাৰ বিষয়ে নিৰ্বাচনী আয়োগে সুস্পষ্ট নিৰ্দেশনা দিয়া সত্বেও স্বাৰ্থজড়িত কাৰণত ৰাজ্য চৰকাৰ তথা মুখ্যমন্ত্ৰীয়ে হেতা ওপৰা লগাইছে আৰু বিৰোধী ৰাজনৈতিক দলবোৰক প্ৰতিশ্ৰুতি দিও তেওঁ এতিয়া বিপৰীত ধৰণৰ কাম কৰি আয়োগৰ নিৰ্দেশনা উলংঘন কৰিছে বুলি অসমৰ বিৰোধী পক্ষৰ সকলোবোৰ ৰাজনৈতিক দলে একেমুখে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বুলি বাতৰিত প্ৰকাশ। আয়োগৰ নিৰ্দেশনা যাতে কঠোৰভাবে পালন কৰা হয় তাৰ বাবে প্ৰবল জনমতেৰে মুখ্যমন্ত্ৰীক বাধ্য কৰাব লাগিব বুলিও হেনো সভাত সজোৰে দাবী তোলা হয়।

ঃ মিচিকীকৈ হাঁহি এটা মাৰি তেওঁ যদি ভাবিছে – 'নোধোওঁ গা ধুৱালি, নেখাওঁ ভাত খুৱালি, নিগিলো কি কৰ, কৰ' তেতিয়া পিছে বিৰোধী পক্ষ বা ছাত্ৰ সংস্থাই কি কৰিব?

* * *

জয়পুৰৰ বাতৰিত প্ৰকাশ যে চৰকাৰে হেনো জন্ম নিয়ন্ত্ৰণৰ কঠোৰ কাৰ্যসূচী অনুযায়ী, মহিলা কৰ্মচাৰীৰ তৃতীয় সন্তান হবৰ সময়ত 'মটাৰনিটি লীভ' নিদিয়ে। গাওঁ পঞ্চায়তৰ নিৰ্বাচনৰ ক্ষেত্ৰতো এটা নিৰ্দেশত কোৱা হৈছে, কোনো প্ৰাৰ্থীৰ তৃতীয় সন্তান জন্ম হোৱাৰ উপক্ৰম হলে তেওঁৰ প্ৰাৰ্থিত্ব নাকচ কৰা হ'ব।

ঃ ৰাজস্থান চৰকাৰ বীৰ্যহীন বা নপুংসক নহয় বুলিয়ে তো জানো তেনেহলে এনেকৈ তিচ্‌ৰি নজৰ দিবলৈ কিহে পাইছে? আমাৰ ইয়াত কিন্তু সেইবোৰ নাই। ইয়াত স্বামীয়েও মেটাৰনিটি লীভৰ বাবে দৰ্খাস্ত কৰাৰ উদাহৰণ আছে। আৰু পঞ্চায়ত ইলেক্‌চন? সৰ্বনাশ, সেয়া কোদোৰ বাহত জুই হ'ব দেখোন।

* * *

মধুৰেণ – স্বাস্থ্যমন্ত্ৰী এজনে চিকিৎসা মহাবিদ্যালয় এখন পৰিদৰ্শন কৰিবলৈ যাওঁতে তেওঁক অধ্যক্ষ আৰু বিষয়াসকলে প্ৰতিটো বিভাগ তন্ন তন্নকৈ দেখুৱাই নি এঠাইত ৰৈ অধ্যক্ষই কলে– 'এইপিনে লেবাৰ্ ৰুম চাৰ।' শুনাৰ লগে লগে হেল্‌থ মিনিষ্টাৰে তৎক্ষণাত ৰৈ দি কলে– 'তেনেহলে সেয়া মই নেচাওঁ। সেইটো লেবাৰ মিনিষ্টাৰৰহে বিভাগ। আপোনালোকে জানেই, মই কেতিয়াও আন মিনিষ্টাৰৰ বিভাগীয় কামত ইণ্টাৰফেয়াৰ নকৰো।'

বক্ৰগামী বৰুৱা

## আমেৰিকাৰ নতুন ৰাষ্ট্ৰপতি

# মিঃ বিল ক্লিণ্টন

প্ৰায় এবছৰ জুৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ আকাশ-বতাহ উত্তপ্ত কৰি ৰখা নিৰ্বাচনী যুদ্ধখনৰ অন্ত পৰিল। এই দীঘলীয়া যুদ্ধখনে উৎকণ্ঠিত কৰি ৰখা আমেৰিকান সকলৰ মনত এতিয়া এক আনন্দ আৰু সন্তুষ্টিৰ ভাব, কাৰণ যোৱা ১২ বছৰীয়া ৰিপাব্লিকান শাসনে দেশখনৰ নাগৰিক সকলক তেনেই আমুৱাইছিল। তেওঁলোকে বিচাৰিছিল পৰিবৰ্তন। ডেমোক্ৰেট প্ৰাৰ্থী মিঃ বিল ক্লিণ্টন হৈ পৰিছিল তেওঁলোকৰ বাবে এক পৰিবৰ্তনৰ প্ৰতীক। বুদ্ধিমান ডেমোক্ৰেট প্ৰাৰ্থী জনে সেই বাবে তেওঁৰ নিৰ্বাচনী প্ৰচাৰৰ মূল আবেদন হিচাপে দাঙি ধৰিছিল পৰিবৰ্তনৰ প্ৰতি তেওঁৰ গভীৰ আগ্ৰহ। শাসনাধিষ্ঠ ৰাষ্ট্ৰপতি ৰিপাব্লিকান প্ৰাৰ্থী জৰ্জ বুশ্বে যেতিয়া তেওঁৰ মুখ্য প্ৰতিদ্বন্দ্বী ডেমোক্ৰেট ক্লিণ্টনৰ চাৰিত্ৰিক দুৰ্বলতা অথবা দেশপ্ৰেমহীনতাৰ বদনাম ৰটনা কৰাত ব্যস্ত আছিল তেতিয়া বিল ক্লিণ্টনে আমেৰিকান সকলৰ মন জয় কৰাত ব্যস্ত আছিল তেওঁৰ বিতং অৰ্থনৈতিক পৰিকল্পনাবোৰেৰে জনসাধাৰণৰ মনত প্ৰত্যয় সৃষ্টি কৰি।

আজিৰ পৰা মাত্ৰ কুৰিটা মাহ আগৰ কথা। ৰাষ্ট্ৰপতি জৰ্জ বুশ্ব জনপ্ৰিয়তাৰ তুঙ্গত। উপসাগৰীয় যুদ্ধত মাথোন ২১ দিনৰ ভিতৰতে ইৰাকৰ সমৰ নায়ক ছাদ্দাম হুছেনৰ সামৰিক শক্তি থানবান কৰি কোৱেইটক মুক্ত কৰি জৰ্জ বুশ্বে আমেৰিকাৰ জনসাধাৰণৰ মন জয় কৰি পেলাইছিল। জনপ্ৰিয়তাৰ বাবে চলোৱা এক গণভোটত তেওঁ ৯১ শতাংশ ভোট পাইছিল। তৎসত্ত্বেও তেওঁ বিপুল ভোটৰ ব্যৱধানত পৰাস্ত হ'ল। এনে এজন প্ৰাৰ্থীৰ হাতত তেওঁ পৰাস্ত হ'ল যাৰ নাম আজি এবছৰ আগতে কোনেও শুনাই নাছিল। আচল কথা হ'ল বিশ্বৰ দৰবাৰত সজোৰে দপ্‌দপাই থকা আমেৰিকাৰ ৰাষ্ট্ৰপতিজনে দেশৰ অভ্যন্তৰত কি ঘটি আছে তাৰ প্ৰতি মন কাণেই কৰা নাছিল। দেশৰ আৰ্থিক দুৰৱস্থাই জনসাধাৰণৰ মনত তিত-কেঁহাৰ সৃষ্টি কৰি পেলাইছিল। তেওঁলোকে দল আৰু নেতৃত্বৰ পৰিবৰ্তন বিচাৰিছিল।

যোৱা ১২ বছৰে আমেৰিকাৰ দক্ষিণ প্ৰান্তৰ আৰাকানছাছ নামৰ এখন পিছ পৰা প্ৰদেশৰ গভৰ্ণৰ হিচাপে বিল ক্লিণ্টনে এক অদ্ভুত দক্ষতাৰ পৰিচয় দিছিল। মূলতঃ পৰিবৰ্তন আৰু বিভিন্ন ক্ষেত্ৰত সংস্কাৰ সাধনৰ কামত ব্ৰতী হৈ তেওঁ যথেষ্ট সাফল্য লাভ কৰিছিল। এই সাফল্যৰ বাবেই তেওঁ বাৰে বাৰে আৰাকানছাছৰ গভৰ্ণৰ পদলৈ নিৰ্বাচিত হ'ব পাৰিছিল। একেৰাহে এটা দশক একেখন প্ৰদেশৰ গভৰ্ণৰ পদত নিৰ্বাহ কৰি ক্লিণ্টন এক বিচক্ষণ প্ৰশাসক হৈ উঠিছিল। আৰাকানছাছত তেওঁ কৰ্মসংস্থান বৃদ্ধি কৰিব পাৰিছিল আৰু জনমূৰি আয়ৰ পৰিমাণও উৰ্দ্ধমুখী কৰিবলৈ সক্ষম হৈছিল। শিক্ষাৰ ক্ষেত্ৰতো তেওঁ কিছুমান চিত্তাকৰ্ষক সংস্কাৰ সাধন কৰি উদ্ভাৱনী শক্তিৰ পৰিচয় দিছিল।



নতুন যুগৰ প্ৰতিশ্ৰুতিৰে আমেৰিকাৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি বিল ক্লিণ্টন

নিম্নগামী দেশীয় অৰ্থনীতি, বৰ্দ্ধিত সংস্থানহীনতা, শৈক্ষিক স্থবিৰতা আদি সমস্যাবোৰৰ প্ৰতি আওকণীয়া জৰ্জ বুশ্বৰ প্ৰতিও আমেৰিকান জনসাধাৰণৰ মনত অনাস্থাই গা কৰি উঠিছিল। এনেবোৰ জাতীয় ইছ্যুৰ প্ৰতি ডেমোক্ৰেটিক দলৰ এনেয়েও মনকাণ বেছি। দেখা যায় ৰিপাব্লিকান সকল দেশৰ বিত্তবান শ্ৰেণীটোৰ স্বাৰ্থৰ প্ৰতি বেছি আগ্ৰহী। তেওঁলোকে বৃহৎ উদ্যোগক নানা ধৰণৰ ৰেহাই দিয়ে যাতে ঔদ্যোগিক বিকাশ ঘটে। তাৰ দ্বাৰাই দেশৰ অৰ্থনীতি শক্তিশালী হোৱাৰ যুক্তি দেখুৱায়। আনহাতে ডেমোক্ৰেট সকলৰ নীতি হ'ল মধ্যবিত্ত আৰু নিম্নবিত্ত সকলক যিমান সম্ভৱ কৰ-কাটলৰ পৰা ৰেহাই দিয়া। বৃহৎ পুঁজিৰ ওপৰত বৰ্দ্ধিত কৰ বহুৱাই আৰু মুক্ত বাণিজ্য নীতিৰ প্ৰসাৰ ঘটাই চৰকাৰৰ আয় বৃদ্ধি কৰিব লাগে। অধিক আয় কৰি অধিক পৰিমাণৰ ধন দেশৰ মানুহৰ কল্যাণ-আঁচনি সমূহত ব্যয় কৰিব লাগে। ৰিপাব্লিকান সকলে ইয়াকে Tax and Spend নীতি বুলি ইতিকিং কৰে। অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীটোৱে এই নীতিৰ মাজত সকাহ বিচাৰি পায় আৰু জনকল্যাণৰ সম্ভাৱনা দেখে।

জৰ্জিয়ান চিনেটৰ শ্যাম নানে আজি দুবছৰ আগতেই বিল ক্লিণ্টনৰ মাজত এক ভৱিষ্যতৰ ৰাজনৈতিক তাৰকাৰ লক্ষণ মন কৰিছিল। তেওঁ ক্লিণ্টনৰ বিষয়ে কৈছিল, "only politician to be a rising star in three decades"

ক্লিণ্টনৰ শৈশৱ মধুৰ নাছিল। বৰঞ্চ বেছ প্ৰতিকূল পৰিস্থিতিৰ মাজেৰে শৈশৱ অতিবাহিত হোৱা বাবেই ক্লিণ্টনৰ ব্যক্তিত্বত আত্মবিশ্বাস, অধ্যাৱসায়, আত্মসমালোচনা আৰু দৃঢ়তা আদি গুণৰ সমাবেশ ঘটিছে।

১৯৪৬ চনৰ ১৯ আগষ্টত আৰাকানছাছ প্ৰদেশৰ দক্ষিণ পশ্চিমৰ হ'প নামৰ চহৰত ক্লিণ্টনৰ জন্ম হৈছিল। দ্বিতীয় মহাযুদ্ধৰ পিছত জন্মা এইজনেই প্ৰথম ৰাষ্ট্ৰপতি। তেওঁৰ জন্মৰ ৩ মাহ আগতেই পথ দুৰ্ঘটনাত পিতৃৰ মৃত্যু হৈছিল। পিতৃ আছিল গধুৰ যন্ত্ৰপাতিৰ বিক্ৰেতা। ক্লিণ্টনৰ শৈশৱত নাম দিয়া হৈছিল উইলিয়াম জে ব্লিথ। পাঁচ মাহ বয়স হোৱাত তেওঁৰ মাক ভাৰ্জিনিয়াই লুচিয়ানাৰ এখন নাৰ্চিংস্কুলত 'এনেচ্‌থেচিয়লজি' বিষয় অধ্যয়ন কৰিবলৈ গুচি যায়। শিশু ক্লিণ্টন তেতিয়া ককাক আইতাকৰ তত্ত্বাৱধানত থাকে।

বিলৰ যেতিয়া বয়স ৪ বছৰ তেতিয়া মাক ঘূৰি আহে নাৰ্চিং স্কুলৰ পৰা। আহিয়েই তেওঁ ৰজাৰ ক্লিণ্টন নামৰ মটৰ ব্যৱসায়ী এজনক বিয়া কৰায়। অতিশয় মদ্যপায়ী এই লোকজনৰ সৈতে বিলৰ মাতৃ সুখী হ'ব পৰা নাছিল। গিৰিয়েক ঘৈণীয়েকৰ প্ৰায়েই কাজিয়া লাগিছিল। এদিন আনকি ৰজাৰ ক্লিণ্টনে ক্ৰোধৰ আবেশত ভাৰ্জিনিয়াৰ পিনে ৰিভলভাৰো টোঁৱাইছিল। তেওঁলোকৰ বিবাহ বিচ্ছেদ ঘটিছিল। সোনকালেই তেওঁলোকৰ পুনৰ্মিলনো ঘটিছিল। বিলৰ ভৱিষ্যতৰ কথা ভাবিয়েই তেওঁলোক পুনৰ্মিলিত হৈছিল। ১৫ বছৰ বয়সত বিলে বিল ক্লিণ্টন নাম গ্ৰহণ কৰে। অস্থিৰ অশান্ত ঘৰুৱা পৰিবেশত ডাঙৰ হোৱা বিল ক্লিণ্টনে সেই বাবেই এক স্বাধীন আৰু আত্মনিৰ্ভৰশীল জীৱন গঢ়ি তুলিবলৈ অধীৰ হৈ পৰিছিল। এই বিশাল পৃথিৱীত নিজৰ এক সুকীয়া অস্তিত্ব গঢ়ি তুলিবলৈ তেওঁ বদ্ধপৰিকৰ আছিল। স্কুলত সেয়ে বিলে নিজকে এজন আদৰ্শ ছাত্ৰ হিচাপে গঢ়ি তুলিছিল।



শিশু বিল ক্লিণ্টন

হাইস্কুলত তেওঁ Boys Nationৰ চিনেটৰ নিৰ্বাচিত হৈছিল। এই পদটোৰ গুণতেই তেওঁ হোৱাইট হাউচলৈ যোৱাৰ সুযোগ পায়। এই সুযোগতে তেতিয়াৰ ৰাষ্ট্ৰপতি কেনেডিৰ লগত সাক্ষাৎ ঘটে। কেনেডিৰ সৈতে কৰমৰ্দন কৰি অহা বিল ক্লিণ্টনৰ চকুত এক অনাগত দিনৰ স্বপ্নই বাহ লয়। ৰাজনীতিকেই তেওঁ জীৱনৰ পথ হিচাপে গ্ৰহণ কৰিয়েই জৰ্জটাউন বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰে। আচলতে ইউ এচ কংগ্ৰেছৰ ওচৰে পাঁজৰে থাকিবলৈকে তেওঁ এই বিশ্ববিদ্যালয়ত নাম লগাইছিল। ইয়াৰ পিছত তেওঁৰ লক্ষ্য আছিল ইউ এচ কংগ্ৰেছ। এই বিশ্ববিদ্যালয়ৰ পৰাই ১৯৬৮ চনত আন্তৰাষ্ট্ৰীয় অধ্যয়ন বিষয়ত স্নাতক উপাধি লাভ কৰে। ইয়াৰ পিছত লণ্ডনৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত ৰ'ডচ্ বৃত্তিধাৰী হিচাপে অধ্যয়ন কৰিবলৈ যায়। ইয়াৰ পিছত য়েল আইন বিদ্যালয়ত প্ৰবেশ। ইয়াতেই সাক্ষাৎ হয় হিলাৰী ৰোধমৰ সৈতে। হিলাৰী ৰোধম আছিল অতি প্ৰতিভাশালী আৰু উচ্চাকাংক্ষী ছাত্ৰী। ১৯৭৫ চনত বিল আৰু হিলাৰী বিবাহ পাশত আৱদ্ধ হয়।

২৮ বছৰ বয়সতেহ ক্লিণ্টনে আমেৰিকাৰ কংগ্ৰেছৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰি ব্যৰ্থ হয়।

৩০ বছৰ বয়সত তেওঁ আৰাকানছাছৰ ন্যায় বিভাগৰ মুৰব্বী নিৰ্বাচিত হয়। ১৯৭৯ চনত তেওঁ যুক্তৰাষ্ট্ৰৰ কনিষ্ঠতম গভৰ্ণৰ নিৰ্বাচিত হয়। আৰাকানছাছৰ গভৰ্ণৰ। দুবছৰ পিছত তেওঁ গভৰ্ণৰ হিচাপে পুনঃ নিৰ্বাচিত হবলৈ ব্যৰ্থ হয়। এই ঘটনাই ক্লিণ্টনক আত্মসমালোচনাৰ পাঠ পঢ়ুৱায়। জনসাধাৰণৰ প্ৰতি তেওঁ অধিক নমনীয় হ'বলৈ শিকে। এই ক্ষেত্ৰত তেওঁক তেওঁৰ শৈশৱ আৰু কৈশোৰৰ অভিজ্ঞতাই সহায় কৰে। সেইবোৰ দিনত তেওঁ নিজৰ ঘৰতেই আপোচকাৰীৰ ভূমিকা ল'ব লগা হৈছিল পিতৃ-মাতৃৰ কন্দলবোৰত। দুয়োপক্ষক সন্তুষ্ট কৰি দুয়ো পক্ষৰ মৰম স্নেহ অক্ষুণ্ণ ৰাখিবলৈ কম ধৈৰ্যৰ প্ৰয়োজন হোৱা নাছিল। ১৯৮২ চনত তেওঁ পুনঃ গভৰ্ণৰ নিৰ্বাচিত হোৱাৰ পিছত তেওঁ একেৰাহে এক দশক সেই প্ৰদেশৰ গভৰ্ণৰৰ পদ নিৰ্বাহ কৰে। এই কালছোৱাত আৰাকানছাছক তেওঁ নতুনকৈ গঢ়ি তোলে। যোৱা ১৮ ফেব্ৰুৱাৰীত মিঃ ক্লিণ্টনে নিউহেম্পশ্বায়াৰৰ নিউ ইংলেণ্ড প্ৰদেশত তেওঁৰ প্ৰথমটো প্ৰাথমিক নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰবেশ কৰালৈকে তেওঁৰ যে ৰাষ্ট্ৰপতি হোৱাৰ সামৰ্থ্য আছে সেই বিষয়ে বহুতে সন্দেহ কৰিছিল।

অথচ ৩ নৱেম্বৰৰ নিৰ্বাচনে দেখুৱালে যে আৰাকানছাছৰ গভৰ্ণৰ জনে ৫৩৮টা নিৰ্বাচক ভোটৰ ৩৬৫টা ভোটেই হস্তগত কৰিবলৈ সক্ষম হৈছে। জৰ্জ বুশ্বৰ বিৰুদ্ধে তেওঁৰ এই বিজয়ক মিঃ ক্লিণ্টনে আমেৰিকাৰ বাবে এক নতুন আৰম্ভণি বুলি অভিহিত কৰে। তেওঁ এই বিজয়ক 'পৰিবৰ্তনৰ বাবে এক উল্লেখযোগ্য জোঁট' বুলিও অভিহিত কৰে।

বিল ক্লিণ্টনৰ প্ৰাৰ্থিত্বত ১৯৬০ চনৰ নিৰ্বাচনৰ পদ্ধতি, ভাবাদৰ্শ আৰু দক্ষিণৰ নতুন বাস্তৱধৰ্মিতা, আদৰ্শ আৰু ৰাজনৈতিক দলৰ স্পষ্ট প্ৰভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ বাবেই তেওঁ ভোটদাতা সকলৰ মন জয় কৰিবলৈ সক্ষম হয়।

যোৱা ৩টা নিৰ্বাচনত ৰিপাব্লিকান দলৰ প্ৰাৰ্থীক সমৰ্থন জনাই অহা মধ্যমপন্থী ভোটাৰ সকলৰ প্ৰতি আহ্বান জনোৱাৰ উদ্দেশ্যে আৰু 'Tax and Spend'ৰ পৰ্যায়ত পেলোৱাৰ পৰা হাত সাৰিবলৈ ডেমক্ৰেটিক প্ৰাৰ্থী জনে ভালৰো ভাল মঞ্চ বাছি লৈ অৰ্থনৈতিক সমৃদ্ধি, সুষম কৰ কাটল, সাৰ্বজনীন স্বাস্থ্য সেৱা, জাতিগত সম্প্ৰীতি আৰু যুক্তৰাষ্ট্ৰীয় বাজেট হ্ৰাসৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে তেওঁলোকৰ চৰকাৰৰ পৰা অধিক পাবলৈ আশা কৰাৰ বিৰুদ্ধেও তেওঁ জনসাধাৰণক সতৰ্ক কৰি দিয়ে। বৰঞ্চ জনসাধাৰণৰ প্ৰত্যেককে নিজ নিজ দায়িত্ব পালনৰ প্ৰতি মনোনিবেশ কৰাৰ লগতে ক্ষুদ্ৰ ক্ষুদ্ৰ আমোলাতন্ত্ৰ গঠনৰ প্ৰতিহে আহ্বান জনায়।



১৯৭৯ চনত আমেৰিকাৰ কনিষ্ঠতম গভৰ্নৰ ক্লিণ্টন

ক্লিণ্টনৰ পত্নী মিছেছ হিলাৰী ক্লিণ্টনে নিৰ্বাচনী অভিযানত তেওঁৰ প্ৰকৃত অৰ্ধাঙ্গিনীৰ পৰিচয় দিয়ে। তেওঁৰ চৰিত্ৰৰ ওপৰত কলঙ্ক সানিব খোজা প্ৰতিটো অভিযোগ খণ্ডন কৰাৰ ক্ষেত্ৰত হিলাৰী ক্লিণ্টনে দৃঢ় ভূমিকা লয়। যথেষ্ট ব্যক্তিত্ব সম্পন্না আইনজীৱী এই মহিলা গৰাকীয়ে যুক্তৰাষ্ট্ৰৰ First lady হিচাপে এক বিশেষ ভূমিকা ল'ব পাৰিব বুলি সকলোৱে আস্থা ৰাখিছে।

পৃথিৱীৰ দেশে দেশে এতিয়া এটাই উৎকণ্ঠা – আমেৰিকাৰ নতুন ৰাষ্ট্ৰপতিজনে কোন দেশৰ প্ৰতি কি নীতি গ্ৰহণ কৰে! কোনবোৰ নীতিত তেওঁ কঠোৰ মনোভাব অৱলম্বন কৰে আৰু কোনবোৰ নীতিত তেওঁ কোমল ভাবৰ পৰিচয় দিয়ে এই কথা এতিয়াই বুজিবলৈ টান। অৱশ্যে বুশ্ব চৰকাৰৰ দিনত অনুসৃত নীতিৰ বিশেষ পৰিবৰ্তন নহবও পাৰে যদিও তেওঁৰ দৰ্শনত শক্তি প্ৰয়োগৰ প্ৰৱণতা দেখা নাযায়। ভিয়েতনাম যুদ্ধৰ বাতাৱৰণত ডাঙৰ দীঘল হোৱা এই নেতাজনে পৃথিৱীত শান্তি স্থাপনৰ ক্ষেত্ৰত আৰু বিশেষকৈ বিশ্বক প্ৰদূষণ মুক্ত কৰি ৰখাৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা ল'ব।

ডাঃ ৰগেন পাঠক

# জাপান-অধিকৃত ব্ৰহ্মদেশত মোৰ শৈশৱ

( শ্ৰীমতী ) কমল দাস

একো ভূমিকাৰ অৱতাৰণা নকৰি এয়া লিখিবলৈ লৈছো মোৰ শৈশব আৰু কৈশোৰৰ বিভিন্ন আৰু বিচিত্ৰ অভিজ্ঞতাবোৰৰ কথা। যিখিনি কথা লিখিম – সেই সকলোখিনি স্মৃতি ৰোমন্থন মাত্ৰ। পকাবুদ্ধিৰ মানুহৰ নিচিনাকৈ মই মোৰ ডায়েৰী লিখি থোৱা নাছিলো।

মোৰ জন্ম হৈছিল ব্ৰহ্মদেশৰ (এতিয়াৰ মিয়ান্‌মাৰৰ) কাথা চহৰত। মোৰ দেউতা আছিল ব্ৰিটিছ চৰকাৰৰ গড়কাপ্তানী বিভাগৰ ইঞ্জিনীয়াৰ। আমাৰ দহটি ভাই-ভনীৰ ভিতৰত মোৰেই জন্ম হৈছিল সকলোতকৈ শেষত।

কাথা চহৰখন ব্ৰহ্মদেশৰ উত্তৰ ভাগত ইৰাৱতী নদীৰ পাৰত অৱস্থিত। দেউতা চাকৰিসূত্ৰে চৰকাৰী আলিবাট আৰু দলং সাজিবৰ বাবে দেশখনৰ বিভিন্ন ঠাইলৈ যাব লাগিছিল। সেইবাবে নিচেই সৰুতেই আমি কাথা এৰি আহিব লগা হৈছিল। কাথাৰ বিষয়ে মোৰ একোৱেই মনত নপৰে।

আমি যেতিয়া ৰেঙ্গুণৰ পৰা পাঁচ মাইল আঁতৰত অৱস্থিত কামায়ুট নামৰ মফছলীয়া চহৰখনলৈ আহো – তেতিয়া মোৰ বয়স পাঁচ কি ছবছৰমান আছিল। কামায়ুটত বঙালী মানুহ বহুত আছিল। তেওঁলোকৰ প্ৰায় আটায়েই আছিল চৰকাৰী চাকৰিয়াল। কামায়ুটৰ বঙালী প্ৰাইমাৰী স্কুলখনৰ দ্বিতীয় মানত মই ভৰ্তি হৈছিলো। এই চহৰখনত দুৰ্গাপূজা, কালীপূজা, সৰস্বতী পূজা – সকলো হৈছিল। বঙালী মানুহখিনিৰ বাহিৰেও কামায়ুটত গুজৰাটী, মাৰাঠী আৰু দক্ষিণ ভাৰতীয় মানুহো আছিল। ব্ৰহ্মদেশীয় মানুহতকৈ ভাৰতীয় মানুহৰ সংখ্যাই চহৰখনত বেছি আছিল।

কামায়ুটৰ প্ৰাইমাৰী স্কুলত তৃতীয় মানৰ পঢ়া সাং কৰি মই নাম লগালোগৈ ৰেঙ্গুণত থকা বেঙ্গল একাডেমী হাইস্কুলৰ চতুৰ্থ মানত। মোৰ উপৰিও মোৰ এজন ককাইদেউ আৰু তিনিজনী বাইদেৱো সেইখন স্কুলত পঢ়িছিল। দৰাচলতে, বেঙ্গল একাডেমী হাইস্কুলত ৰেঙ্গুণ আৰু তাৰ ওচৰ-পাঁজৰৰ ঠাইবোৰৰ সকলো বঙালী ল'ৰা-ছোৱালীয়েই পঢ়িবলৈ আহিছিল। স্কুলখনৰ বৰ সুনাম আছিল।

পঞ্চম শ্ৰেণীত পাঢ় থকাৰ সময়তে এদিন হঠাৎ মোৰ জীৱনৰ পৰা সহজ সুন্দৰ আনন্দৰ পৰিবেশো মেলানি মাগিলে। দিনটো আছিল ৮ ডিচেম্বৰ, ১৯৪১ চন। আনদিনাৰ দৰেই আমি স্কুললৈ গৈছিলো। কামায়ুটৰ ভালেমান ল'ৰা-ছোৱালী আমাৰ স্কুলত পঢ়িছিল। স্কুললৈ আমি অহা-যোৱা কৰিছিলো লোকেল ট্ৰেইনেৰে। মাত্ৰ কুৰি মিনিটৰ বাট। কেতিয়াবা বাছেৰেও স্কুললৈ গৈছিলো। ৮ ডিচেম্বৰৰ দিনা স্কুলতে খবৰ পালো, দ্বিতীয় মহাযুদ্ধৰ কাৰণে আমাৰ স্কুল বন্ধ হৈ যাব অনিশ্চিত কাললৈ। পাৰ্ল হাৰ্বাৰত হেনো জাপানীয়ে বোমা পেলাইছে। আমি ঘৰলৈ উভতি আহিলো। তাৰ পিছৰ পৰা ঘটনা-চক্ৰই লাহে লাহে কোনপিনে গতি কৰিবলৈ ধৰিলে, তাৰ বিষয়ে এতিয়া লিখিম।

তাৰ আগলৈকে পঢ়া-শুনাৰ বাহিৰে আন একো চিন্তাই মনত ঠাই পোৱা নাছিল। শ্ৰেণীত সদায় প্ৰথম হৈ আহিছিলো। আৰু বেছি পঢ়িম, আৰু বেছি ভাল ফল পাম – সেয়েই আছিল একমাত্ৰ আশা-আকাংক্ষা। স্কুল এদিনৰ বাবে বন্ধ থাকিলেও মোৰ মন বেয়া লাগিছিল; কেতিয়া খুলিব, কেতিয়া খুলিব যেন লাগি গৈছিল। কিন্তু সেই বেঙ্গল একাডেমী স্কুললৈ আৰু কোনো দিনেই যাবলৈ নাপালো।


## জাপান-অধিকৃত ব্ৰহ্মদেশত

জাপানীহঁতে ২৩ ডিচেম্বৰত ৰেঙ্গুণত বোমা পেলাই থৈ গ'ল। অনভিজ্ঞতাবশত: কিছুমান মানুহে প্ৰাণ হেৰুৱালে। তেওঁলোকৰ মাজত আমাৰ আত্মীয় মানুহো আছিল। ইয়াৰ পিছত দুই এদিনৰ মূৰে মূৰে ৰেঙ্গুণত বোমা পৰিবলৈ ধৰিলে। মোৰ দেউতাই তেতিয়া মৌবিন নামে ঠাই এখনত কাম কৰি আছিল। ইৰাৱতী নদীৰ ব-দ্বীপ অঞ্চলত অৱস্থিত মৌবিনলৈ ৰেঙ্গুণৰ পৰা ষ্টীমাৰেৰে আঠঘন্টাৰ বাট। ৰেঙ্গুণৰ ওপৰত জাপানী বোমাৰ আক্ৰমণ ঘনাই হ'বলৈ ধৰাত আমি কামায়ুটৰ পৰা লগত অলপমান পিন্ধা কাপোৰ আৰু বিছনা লৈ মৌবিনলৈ গুচি গলোগৈ। ৰেঙ্গুণ আৰু তাৰ দাঁতি কাষৰীয়া অঞ্চলৰ পৰা মানুহবোৰ আঁতৰি যাবলৈ ধৰিলে। যিবিলাকৰ সুবিধা আছিল, তেওঁবিলাক ভাৰতলৈকে গুচি আহিল। ব্ৰিটিছ চৰকাৰে ইতিমধ্যে ইভাকুৱেশ্যন অৰ্ডাৰ (Evacuation Order) জাৰি কৰি দিয়াত যেয়ে যেনি পাৰে গুচি গ'ল; আগৰ চিনাকি মানুহ আৰু পাবলৈ নাইকিয়া হ'ল।

মৌবিন গৈ পোৱাৰ পিছত কিছুদিন বৰ ভয়ত কটাবলগীয়া হৈছিল। ব্ৰিটিছবিলাকে ব্ৰহ্মদেশ এৰি থৈ গুচি যাবলৈ ধৰিছে আৰু জাপানীবিলাকে দেশখন দখল কৰিবলৈ আহি আছে – এনেকুৱা এটা অৱস্থাত ব্ৰহ্মদেশীয় এচাম লোকে চুৰি-ডকাইতি কৰিবলৈ আৰম্ভ কৰি দিয়াত ভাৰতীয় মানুহখিনিৰ পক্ষে নিজকে নিজে ৰক্ষা কৰাৰ বাহিৰে আন উপায় নথকা হ'ল। কামায়ুটৰ পৰা অহা আৰু এটি বঙালী পৰিয়াল আমাৰ লগতে মৌবিনত আছিলহি। কামায়ুটত নন্দ ব্যানাৰ্জি সপৰিয়ালে আমাৰ ঘৰৰ ওচৰতেই আছিল। তেওঁবিলাক কেনেকৈ মৌবিনলৈ আহিল আৰু আমাৰ ঘৰত থাকিবলৈ ল'লে – মই ঠিককৈ ক'ব নোৱাৰো। ডকাইত আহে বুলি আশংকা কৰি আমি সকলোৱেই সতৰ্ক হৈ থাকিব লগীয়া হৈছিল। মই অনবৰতে মোৰ কিতাপৰ বেগটো লগত লৈ সাজু হৈ থাকিছিলো; পলাবলগীয়া হ'লে যাতে কিতাপৰ বেগটো মোৰ হাততে থাকে। কিতাপৰ প্ৰতি ইমানেই মৰম আছিল মোৰ! কিন্তু হায়, কিমানদিনৰ বাবে যে আমাৰ পঢ়া-শুনা বন্ধ হৈ যাবলগীয়া আছিল, তেতিয়া তাক ধাৰণাও কৰিব পৰা নাছিলো।

বৰ উৎকণ্ঠাৰ মাজেদি মৌবিনত আমি প্ৰায় ছমাহমান আছিলো। ইতিমধ্যে জাপানীবোৰে ব্ৰহ্মদেশত সোমাই ৰেঙ্গুণ দখল কৰি লৈছিল। ব্ৰিটিছবিলাক সমগ্ৰ ব্ৰহ্মদেশৰ পৰাই আঁতৰি গুচি গৈছিল।

মৌবিনত থকা কালত আমি জাপানীবোৰক দেখা পোৱা নাছিলো। এই চহৰখন ইৰাৱতী নদীৰ ব-দ্বীপ অঞ্চলত এটি শাখা নদীৰ পাৰত অৱস্থিত। জলবায়ু নাতিশীতোষ্ণ। জনবসতি যথেষ্ট ঘন আৰু থলুৱা মানুহৰ সংখ্যাই বেছি। কিছু সংখ্যক বঙালী মানুহ ব্ৰিটিছ চৰকাৰৰ চাকৰিয়াল আছিল। যেনে, চৰকাৰী হাইস্কুলৰ হেডমাষ্টৰ, পোষ্টমাষ্টৰ, চিভিল চাৰ্জন, উকিল, ডাক্তৰ, ইঞ্জিনীয়াৰ আদি।




বাৰ্মা (মায়েনমাৰ)ৰ মানচিত্ৰ

মৌবিনত প্ৰচুৰ মাছ পোৱা গৈছিল। তাৰ মাছৰ কথা আজিও মনত পৰে। ইলিচ মাছ, সৰু মিছা মাছ, ডাঙৰ মিছা মাছ (Lobster) বৰ সস্তাত পোৱা গৈছিল। তাৰ বাৰ্মিজ ছোৱালী আৰু তিৰোতাবিলাকে ৰাতিপুৱা শুই উঠাৰ লগে লগেই সাজপাৰ কৰিছিল। চন্দন কাঠৰ দৰে এবিধ কাঠ যাক তেওঁবিলাকে 'তানাখা' বুলিছিল – ঘঁহি গাত লগাই লৈছিল। চাফ-চিকুণ সাজ-পোছাক পিন্ধি তেওঁলোকে বৌদ্ধ ভিক্ষুবোৰক খাদ্য বিলাই দিছিল। বৌদ্ধ ভিক্ষুবোৰে হাতত ভিক্ষা-পাত্ৰ লৈ শাৰী পাতি গৈছিল আৰু তিৰোতাবিলাকে চামুচেৰে ভাত-আঞ্জা ভিক্ষা-পাত্ৰত ঢালি দি গৈছিল। দৃশ্যটো চাই বৰ ভাল লাগিছিল। ব্ৰহ্মদেশীয় লোকসকল বৌদ্ধ ধৰ্মাৱলম্বী। তাত বহুতো পেগোডা অথবা বৌদ্ধ মন্দিৰ দেখিবলৈ পোৱা যায়।

আমাৰ কামায়ুটলৈ ঘূৰি যোৱাৰ কথা চলি আছিল। তাৰ ঘৰত সকলো বস্তু-বাহানি এৰি থৈ অহা হৈছিল। মৌবিনত থকাৰো আৰু কোনো কাৰণ তেতিয়া নাথাকিল। কাৰণ, ব্ৰিটিছ চৰকাৰৰ অস্তিত্বই নোহোৱা হ'ল দেশখনত। আমাৰ আৰু নন্দ ব্যানাৰ্জিৰ পৰিয়াল একেলগে উভতি যোৱাটো ঠিক হ'ল। ইতিমধ্যে ষ্টীমাৰ চাৰ্ভিছ বন্ধ হৈ গৈছে। ব্ৰিটিছবিলাকে যোৱাৰ সময়ত ষ্টীমাৰবোৰ ডুবাই থৈ গৈছে। ষ্টীমাৰ চলোৱা মানুহো নাছিল। আমি কামায়ুটলৈ যাবৰ বাবে দুখন ডাঙৰ নাও বন্দৱস্ত কৰা হ'ল। দুটা পৰিয়াল দুখন নাৱত যোৱাৰ কথা। মৌবিনৰ পৰা কামায়ুটৰ হ্লাইন (Hlyne) নদীৰ ঘাট পাবলৈ প্ৰায় চৌব্বিশ ঘণ্টা লাগিব। নাৱৰীয়াবোৰ আছিল বাৰ্মিজ আৰু কাচীন; বেছিভাগ কাচীনেই আছিল। ব্যৱস্থা কৰি থোৱা মতে আমাৰ দুয়োটা পৰিয়ালে এদিন ৰাতিপুৱা কামায়ুটলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। ৰেঙ্গুণৰ নদীৰ সৈতে মৌবিনৰ নদীৰ সংযোগ আছিল এটা কেনেলৰ (Canal) জৰিয়তে। তেনেকৈ জলপথেদি আমি এদিন এৰাতি গৈ আছিলো। বাটত বহুত ধৰণৰ বিপদৰ আশংকা আছিল। বাটৰ দুয়োকাষে মানুহৰ বসবাস নাছিল। সীমাহীন এন্ধাৰ ৰাতি ঘন বনাঞ্চলৰ মাজেদি একমাত্ৰ ঈশ্বৰকে সাৰথি কৰি আমি যাব লগা হৈছিল। মৌবিনত পৰি থকাৰ উপায় আমাৰ নাছিল। কামায়ুটৰ ঘৰ যে হঠাতে এৰি থৈ আহিবলগীয়া হৈছিল!

## প্ৰবাসী ভাৰতীয়বোৰৰ বিলৈ : কেউপিনে অভাৱ-অনাটন

পিছদিনা আমি গৈ কামায়ুটৰ ঘাট পালো। কিন্তু যেতিয়া আমি আমাৰ নিজৰ ঘৰ পালোগৈ, তেতিয়া আন এটা বৰ ডাঙৰ সমস্যাই দেখা দিলে। আমাৰ ঘৰটোত তেতিয়া এটা দক্ষিণ ভাৰতীয় উপজাতিৰ পঞ্চাশজনমান মানুহ বাস কৰি আছিল। ঘৰত আগৰ বস্তু-বাহানি একোৱেই নাছিল; কেতিয়াবাই কোনোবাই লুটি লৈ গৈছিল। ঘৰটো খালি কৰোৱা আৰু চাফু-চিকুণ কৰি লোৱাটোৱেই আমাৰ প্ৰথম কাম হ'ল। যি হওক, কিবা এটা ব্যৱস্থা কৰি ঘৰটো খালি কৰা হ'ল। মোৰ দেউতাই ক'ত কি কৰিছিল, মোৰ মনত নাই। আমাৰ বাৰীখনত কোনো গছ-গছনিয়েই বাচি থকা নাছিল। অশেষ কষ্ট কৰি ঘৰটো বাসযোগ্য কৰি তোলা হ'ল। ইফালে বস্তু বুলিবলৈ একোৱেই নাই। আনকি বহিবৰ বাবে চকী এখনো নাই। বজাৰৰ পৰা দুখনমান চকী কিনি অনা হ'ল। সেই কেইখনো চাগৈ আন কাৰোবাৰ ঘৰৰ পৰা লুট কৰি অনা চকী। নতুন বস্তু কিনিবলৈ পোৱা দোকান নাছিলেই। কামায়ুটত তেতিয়া আগৰ মানুহ কোনোৱেই নাই। দক্ষিণ ভাৰতীয় উপজাতিৰ মানুহ কিছুমানে দলে দলে আহি খালি ঘৰবোৰ ভৰাই পেলাইছিল। তেওঁলোকৰ ভাষা আমি বুজিব নোৱাৰিছিলো। তেওঁলোকেও নিজৰ ভাষাটোৰ বাহিৰে আন ভাষা বুজি নাপাইছিল। তেওঁলোক হেনো আগতে ব্ৰহ্মদেশৰ ধান-খেতি হোৱা অঞ্চলত পথাৰৰ কাম-কাজত নিযুক্ত আছিল। যুদ্ধ লগাৰ পিছত খেতি-বাটি বন্ধ হৈ যোৱাত তেওঁলোকে চহৰলৈ আহি খালি ঘৰবোৰত সোমাই তাতে বাস কৰিবলৈ লয় আৰু সৰু সৰু ব্যৱসায় আৰু দোকান আৰম্ভ কৰে। বাৰ্মিজ মানুহবোৰ

সাধাৰণতে কৰ্ম-বিমুখ আৰু সেই কাৰণে ধানৰ খেতিত এই ভাৰতীয়বিলাকেই কাম কৰি আছিল।

ইয়াৰ পিছত কিছুদিন আমাৰ জীৱন নিস্তৰঙ্গভাবে চলি থাকিল। স্কুল, কলেজ, অফিচৰ নামেই নাই। মোৰ দেউতাক অৱশ্যে জাপানীবোৰে এটা কাম দিছিল। দৰমহা বিশেষ নাই। কিন্তু কামলৈ অহা-যোৱা কৰাটোৱেই ডাঙৰ কথা আছিল। দেউতাক ভাৰতীয় বুলি জাপানীবিলাকে বেছ খাতিৰ কৰিছিল। এজন অফিচাৰ আমাৰ ঘৰলৈ আহিছিল। তেওঁৰ নাম আছিল মিঃ ওনো। তেওঁ আৰ্টিষ্ট আছিল আৰু তেওঁ ভাৰতীয় ছোৱালীৰ ছবি আঁকিবলৈ মন কৰিছিল। দেওবাৰে দেওবাৰে তেওঁ আমাৰ ঘৰলৈ আহি এঘন্টামানকৈ আমাৰ বাইদেউৰ ছবি আঁকিছিল।

এনেকৈয়ে কিছুদিন পাৰ হ'ল। বৰ্ষাৰ ঋতু শেষ হৈ শীতকাল আহিল। লগে লগে ব্ৰিটিছৰ বোমা বৰ্ষণ আৰম্ভ হৈ গ'ল। প্ৰতি নিশা জাকে জাকে বোমাৰু বিমানে আহি ৰেঙ্গুণ চহৰত আৰু তাৰ আশে-পাশে বোমা পেলাই থৈ গৈছিল। আমাৰ ঘৰৰ ওচৰত ট্ৰেঞ্চ (Trench) খান্দিব লগা হ'ল। শত্ৰু বিমান অহাৰ লগে লগে চাইৰেণ বাজি উঠিছিল। তেতিয়া আমি গৈ ট্ৰেঞ্চত সোমাইছিলো। পিছত 'অল্ ক্লিয়াৰ' (All Clear) বজাৰ লগে লগে ট্ৰেঞ্চৰ পৰা ওলাই আহিছিলো। এনেকৈয়ে ৰাতিবোৰ পাৰ হৈছিল।

প্ৰায় এটা বছৰ গ'ল তেনেকৈ। ইতিমধ্যে ওচৰ-চুবুৰীয়া নতুন মানুহখিনিৰ লগত আমাৰ চা-চিনাকি হৈছে। এটা গুজৰাটী ব্যৱসায়ী পৰিয়ালৰ সৈতে আমাৰ বেছ মিল হ'ল। সেই পৰিয়ালটোৰ গৃহিণী গৰাকীৰ নাম আছিল হীৰাবেন বেতাই। এটি ল'ৰাৰ মাক। ইংৰাজী শিকিবৰ বৰ মন আছিল তেওঁৰ। আমি ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িছিলো। সেই কাৰণে তেওঁক ইংৰাজী শিকাবলৈ সুযোগ পাই ভালেই পালো। হীৰাবেনৰ ঘৰলৈ গৈ তেওঁক আমি পঢ়াবলৈ ধৰিলো। আয়েষাবিবি বোলা আন এগৰাকী মহিলাই আকৌ গান শিকিবলৈ ইচ্ছা কৰিলে। তেওঁকো আমি সা-ৰে-গা-মা শিকাবলৈ আৰম্ভ কৰিলো। আমাৰ তেতিয়া যিকণ বিদ্যা আছিল, তাৰেই কাম চলি গৈছিল। বঙালী ছোৱালীবিলাক পঢ়া-শুনা আৰু গান গোৱাত ভাল – এই ধাৰণাৰ বশবৰ্তী হৈ তেওঁলোক আমাৰ ওচৰ চাপিছিল। আমিও তেওঁলোকক নিৰাশ কৰা নাছিলো। আচলতে এই কথাবোৰ গৌণ আছিল; বন্ধুত্ব স্থাপন কৰাটোৱেই আছিল মুখ্য।

সিপিনে ৰাতি ৰাতি ব্ৰিটিছ বোমাৰু বিমানৰ অহা-যোৱা আৰু বোমা পেলোৱাত যতি পৰা নাছিল। খোৱা-বস্তুৰ অভাৱেও আমাক বৰ কষ্টত পেলাইছিল, ব্ৰহ্মদেশ চাউলৰ দেশ; সেইবাবে চাউলৰ বৰ অভাৱ হোৱা নাছিল – যদিও যুদ্ধৰ বাবে খেতিৰ কাম বন্ধ আছিল। কিন্তু আনবোৰ খোৱাবস্তু, যেনে, আটা, ময়দা, চেনি চাহপাত, দাইল, তেল, ঘিউ আদি একেবাৰে পাবলৈ নোহোৱা হ'ল। ৰাতিপুৱা চাহ খোৱাৰ পৰ্বটো উঠিয়েই গ'ল। তেতিয়া আমি বজাৰৰ পৰা কফিৰ গুটি কিনি আনি তাক শুকান কেৰাহিত ভাজি তাৰ পিছত খুন্দনাত খুন্দি গুড়ি কৰি কফি পাওডাৰ ঘৰতে কৰি লৈছিলো। তাৰে কফি কৰি লগত এটুকুৰা গুৰ চুহি চুহি খাইছিলো। লুচি, ৰুটি, পাউৰুটি, বিস্কুট আদি দেখিবলৈকো নোপোৱা হলো। চাউল পোৱা গৈছিল আৰু কামায়ুটত বহুত দক্ষিণ ভাৰতীয় মানুহ থকাৰ কাৰণে দোছা আৰু ইদ্‌লি কিনিবলৈ পোৱা গৈছিল। কিন্তু বজাৰ বুলিবলৈ একো নাছিল। কামায়ুটৰ পুখুৰীবোৰত কাৱৈ, মাগুৰ আৰু শল মাছ পোৱা গৈছিল। আটাইতকৈ বেছি অভাৱ হৈছিল কাপোৰৰ। কোনো দোকানতে কাপোৰ নাছিল। আমাৰ ষ্টকত আগৰ যি কাপোৰ আছিল, তাকেই পিন্ধি কাম চলাইছিলো। খাদ্যবস্তু আৰু কাপোৰৰ এনে অভাৱ যুদ্ধৰ শেষলৈকে – ১৯৪৫ চনলৈকে চলি আছিল। বহুতেই শাৰী পিন্ধিবলৈ এৰি বাৰ্মিজ ছোৱালীবিলাকৰ দৰে লুঙি পিন্ধিবলৈ লৈছিল।

ব্ৰহ্মদেশীয় লোকসকল বৌদ্ধ ধৰ্মাৱলম্বী বুলি আগতেই উল্লেখ কৰিছো। ৰেঙ্গুণৰ শ্বোৱেডাগং পেগোডাৰ বুদ্ধ মূৰ্তিটো বিশ্ববিখ্যাত। সেই পেগোডাৰ স্বৰ্ণচূড়া আমি কামায়ুটৰ পৰাও দেখা পাইছিলো। ব্ৰহ্মদেশৰ তিৰোতাবিলাকেই ব্যৱসায় বাণিজ্য কৰে, দোকান-হাট দিয়ে। মতা মানুহবোৰ অপেক্ষাকৃতভাবে কৰ্ম-বিমুখ। খেল-ধেমালি, গান-বাজনা আদিত ব্যস্ত থাকিবলৈ তেওঁলোকে ভাল পায়।

আমাৰ ঘৰৰ কাষত যিঘৰ বাৰ্মিজ মানুহ আছিল, তেওঁলোকে বাংলা ভাষাটোও ক'ব পাৰিছিল। অঞ্চলটোত বাৰ্মিজ মানুহৰ সংখ্যা কম আছিল। তেওঁলোকৰ জীৱনযাত্ৰা সৰল। মানুহবোৰ শান্তিপ্ৰিয়।

## প্লেগ মহামাৰীৰ বিভীষিকা

জাৰকালিটো অৰ্থাৎ বোমা পেলোৱাৰ দিনবোৰ পাৰ হৈ আকৌ বৰষুণৰ বতৰ আহিল। ৰেঙ্গুণত মে' মাহৰ পৰা অক্টোবৰলৈ – বছৰটোৰ ছমাহ বৰষুণ দিয়ে। ব্ৰহ্মদেশ মৌচুমী বায়ু অঞ্চলত অৱস্থিত। জাৰকালিৰ ছমাহ বতৰ খৰাং। ধানৰ খেতি যুদ্ধৰ সময়ত বন্ধ হৈ গলেও আগতেই চাউল প্ৰচুৰ উৎপন্ন হৈ আছিল আৰু সেইবোৰ বিদেশলৈ ৰপ্তানি কৰিব নোৱৰাৰ বাবে এন্দুৰৰ সংখ্যা খুব বেছিকৈ বাঢ়ি যাবলৈ ধৰিছিল। তাৰে পৰাই প্লেগ মহামাৰী হোৱা বুলি শুনিলো। আকৌ শুনিলো – প্লেগৰ জীৱাণু শত্ৰুপক্ষৰ বিমানৰ পৰা পেলোৱা হৈছে। জাপানী প্ৰশাসনে নানাবিধৰ প্ৰতিষেধক আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিলে।

এদিন গভীৰ ৰাতি আমাৰ ঘৰৰ দুৱাৰ মুখত কোনোবাই মতা যেন শুনা গ'ল। দুৱাৰ খুলিবৰ বাবে কিবা কৈ থকা যেন লাগিল। দেউতাই উঠি গৈ দুৱাৰ খুলি দিয়াত এজন জাপানী সৈনিকে হাতত এটা প্ৰকাণ্ড টৰ্চ-লাইট লৈ ভিতৰ সোমাই টৰ্চটো জ্বলাই ইফালে সিফালে কিবা বিচৰাৰ দৰে ঘূৰি ফুৰিবলৈ ধৰিলে। আমি নিঃশব্দে ৰৈ চাই আছিলো। অলপ পৰৰ পিছত সৈনিকজন গুচি গ'ল। ঘৰত মৰা এন্দুৰ থাকিব পাৰে বুলি বিচাৰিবলৈকে সৈনিকজন আহিছিল বুলি আমি ভাবি থলো। কাৰণ, প্লেগ নিবাৰণৰ কাৰণে জাপানীবিলাকে এটা উপায় উলিয়াইছিল। যদি এশাৰী ঘৰৰ কোনোবা এটাত মৰা এন্দুৰ ওলায় বা প্লেগত আক্ৰান্ত ৰোগী পোৱা যায়, তেতিয়া সেই শাৰীটোৰ আটাইবোৰ ঘৰৰে সকলো বাসিন্দাক ঘৰৰ পৰা আঁতৰাই নি এটা কেম্পত দহদিনৰ বাবে আটক কৰি থৈ দিয়ে। তাৰ পিছত এৰি দিয়ে যদিও এমাহলৈকে ঘৰলৈ উভতি যোৱাটো নিষেধ। মানুহবিলাকে শেষৰ কুৰিদিন থকা-খোৱাৰ ব্যৱস্থা নিজেই কৰি ল'ব লাগিছিল। অকল এজন মানুহহে ঘৰত থাকিব পাৰিছিল। এদিন হঠাতে দেখিলো যে আমাৰ ঘৰৰ শাৰীটোত বেৰিকেড (barricade) দিবলৈ লোৱা হৈছে। এশাৰী ডাঙৰ ডাঙৰ টিনপাত থিয়কৈ দি বেৰ সাজি প্লেগৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছে। বেৰখনৰ ইফালৰ পৰা সিফাললৈ মানুহৰ অহাযোৱা একেবাৰে নিষেধ। আমাৰ শাৰীটোৰ আটাইবোৰ ঘৰৰ মানুহবোৰৰ লগতে আমাকো জাপানীবিলাকে ট্ৰাকেৰে লৈ গ'ল তাৰ পৰা দহ মাইল দূৰত থকা এটা কেম্পলৈ। আমাক লগত অলপ অলপ বস্তুহে আনিবলৈ দিয়া হৈছিল আৰু বস্তুবোৰ আগতেই ঔষধ দি জীৱাণু মুক্ত কৰা হৈছিল। ঘৰত দেউতা অকলশৰে থাকি গ'ল। কেম্পলৈ গৈ দেখিলো দীঘলীয়া শ্বেড্‌ৰ ভিতৰত শাৰী শাৰী বাঁহৰ চাং। সেয়েই কেম্প। এটা দীঘল শ্বেড্ – তাৰ মাজতে অহা-যোৱা কৰিবলৈ বাট ৰাখি দুয়োকাষে বাঁহৰ চাঙৰ ওপৰত থকাৰ ব্যৱস্থা কৰা হৈছে। মাজে মাজে পাৰ্টিশ্বন দি শ্বেড্‌টো কেইবাটাও ভাগত ভাগ কৰা হৈছে – বেলেগ বেলেগ পৰিয়াল থাকিবৰ কাৰণে। আমি লগত অনা বিছনাৰ কাপোৰ চাঙত পাৰি ললো। আমি মানে আমাৰ মা, মোৰ তিনিজনী বাইদেউ আৰু দুজন ককাইদেউ। কামায়ুটৰ বাহিৰেও আন আন ঠাইৰ মানুহকো আনি এই কেম্পটোত থোৱা হৈছিল। সেই ঠাইত বহুত ডাঙৰ ডাঙৰ পকী ঘৰো আছিল। ব্ৰিটিছৰ শাসনকালত এইবোৰ পগলা ফাটেক আছিল বুলি শুনিছিলো। কেম্পৰ মানুহবিলাকক জাপানী কৰ্তৃপক্ষই ৰাতিপুৱা ৰেছন দি গৈছিল। চাউল, পাচলি, শুকান মঙহ ইত্যাদি। মোৰ মাই সেইবোৰ বস্তু বাহিৰত গছৰ তলত চৌকা জ্বলাই আমাক ৰান্ধি দিছিল। শুকান মঙহবোৰ অৱশ্যে আমি নাখাইছিলো। এনেকৈ আমি দহ দিন তাতে আছিলো। আমাৰ কাষৰ ঘৰৰ মানুহো আমাৰ দাঁতিৰে চাঙত আছিলহি। তেওঁলোক দক্ষিণ ভাৰতৰ তামিল মানুহ আছিল। তেওঁলোকৰ গাৰ বৰণ ক'লা আছিল। আমাক দেখি জাপানী বিলাকৰ বৰ কৌতূহল হৈছিল। তেওঁলোকে আমাক সুধিছিল – এঙ্গল' ? অৰ্থাৎ আমি ইংৰাজ নেকি ? আমি নহয় বুলি কোৱাত আকৌ সুধিছিল– ইন্দো ? অৰ্থাৎ আমি ভাৰতীয় নেকি ? আমি হয় বোলাৰ পিছতো আকৌ সুধিছিল–এঙ্গল ? আমি যেতিয়া আকৌ অস্বীকাৰ কৰিলো, তেতিয়া তেওঁলোকে বৰ ভাল পালে আৰু 'গান্ধী' 'গান্ধী', 'ইন্দো' 'ইন্দো' – এইদৰে কৈ থাকিবলৈ ধৰিলে। তাকাহাচি নামৰ এজন ট্ৰাক ড্ৰাইভাৰে প্ৰায়েই ৰেচন লৈ আহিছিল। তেওঁ আমাৰ লগত সদায় কথা পাতিছিল আৰু কথা পাতি বৰ ভাল পাইছিল। ট্ৰাকৰ চালক হ'লেও তেওঁ শিক্ষিত আৰু ভদ্ৰ আছিল। আমাৰ গাৰ ৰং ক'লা নহৈ বগা হোৱাৰ কাৰণে তেওঁৰো বৰ কৌতূহল হৈছিল আৰু আমাক তেওঁ এঙ্গল' বুলিয়েই ভাবি আছিল। এদিন হঠাৎ এজন বেলেগ ড্ৰাইভাৰে আহি ক'লে যে তাকাহাচি হেনো বদলি হৈ গৈছে আৰু খবৰটো আমাক দিবলৈ তেওঁ কৈ গৈছে। নতুন ড্ৰাইভাৰজনে কথাটো আমাক এনেকৈ কৈছিলহি "তাকাহাচি নো পেগু নো থাইজিং গ'য়িং" অৰ্থাৎ তাকাহাচি পেগুৰ ওচৰৰ থাইজিলৈ গ'ল। কথাটো শুনি আমাৰ বেয়া লাগিছিল। তাকাহাচিয়ে আমাৰ আগত নিজৰ ঘৰৰ কথাও কৈছিল। তেওঁৰ ঘৰ হেনো ফৰ্‌মোচাত। ফৰ্‌মোচা তেতিয়া জাপান অধিকৃত।

আমাৰ কেম্পত থকা দিন শেষ হৈ আহিল। জাপানীবিলাকে এতিয়া আমাক ট্ৰাকত তুলি নি আমাৰ কামায়ুটৰ ঘৰৰ আগত নমাই থৈ আহিব। কিন্তু এমাহ সম্পূৰ্ণ নোহোৱালৈকে আমি ঘৰত সোমাব নোৱাৰিম। ইপিনে দেউতাৰ খোৱাৰ ব্যৱস্থাটো হৈছিল আমাৰ ঘৰৰ ঠিক মুখামুখিকৈ থকা এঘৰ বঙালী মানুহৰ ঘৰৰ পৰা। আমাৰ অনুপস্থিতিত সেই পৰিয়ালটোৱে দুয়োবেলা ৰান্ধি-বাঢ়ি দেউতালৈ খোৱা-বস্তু চালান কৰি আছিল বেৰৰ বাহিৰৰ পৰা। যদিও কোনো ধৰণৰ আদান-প্ৰদান নিষিদ্ধ আছিল আৰু জাপানীবিলাকে বন্দুক্ লৈ সদায় পহৰা দি থাকিছিল, তথাপি তাৰ মাজতেই সুৰুঙা উলিয়াই খোৱা-বস্তু পাৰ কৰি থকা হৈছিল। আমিও উভতি আহি সমুখৰ সেই ঘৰটোতে সোমালো। বেৰখন উঠাই নিদিয়ালৈকে আমি তাতে থকাৰ কথা আছিল। কিন্তু তাৰ পিছদিনাই আমি শুনিবলৈ পালো যে সেই শাৰীৰ ঘৰবোৰোতো বেৰিকেড দিয়া হ'ব। তাৰ মানে তাত থাকিলে আমি আকৌ কেম্পলৈ যাব লাগিব। উপায়হীন হৈ আমি লগত অলপ কাপোৰকানি লৈ কামায়ুটৰ কাষৰে ষ্টেচন 'ওচিন' বোলা ঠাইখনলৈ গলো আৰু মৌবিনৰ চিনাকি বঙালী মানুহ এঘৰত উঠিলো। কামায়ুটৰ পৰা ওচিনলৈ দুমাইল বাট। যুদ্ধৰ আগতে ৰেলেৰে অহা-যোৱা কৰা হৈছিল; কিন্তু এতিয়া ৰেল-লাইনৰ ওপৰেদি আমি খোজ কাঢ়ি ওচিনলৈ যাব লগা হ'ল। ওচিনত এসপ্তাহ থকাৰ পিছত আমি গম পালো যে আমাৰ ঘৰৰ সমুখৰ শাৰীটোত বেৰিকেড দিয়া নাই। তেতিয়া আমি আকৌ তালৈ উভতি গলো আৰু বাকী দিনকেইটা আমাৰ ঘৰৰ মুখামুখি ঘৰটোতে কটাই দিলো। এমাহ পূৰা হ'লত আমাৰ ঘৰৰ শাৰীটোৰ পৰা বেৰিকেড উঠাই দিয়াৰ পিছত আমি আমাৰ নিজৰ ঘৰলৈ ঘূৰি গলো।

তাৰ পিছৰ কিছুদিন একো নতুন ঘটনা নঘটাকৈ পাৰ হ'ল। কামায়ুটত আমাৰ পুৰণি চিনাকি মানুহ তেতিয়া মাত্ৰ দুই-এঘৰহে আছিলগৈ বুলি আগতেই লিখিছো। বাকী সকলোৱেই ভাৰত অভিমুখে গুচি গৈছিল। কিছুমান গৈছিল জাহাজেৰে। কিন্তু বেছি ভাগেই গৈছিল খোজকাঢ়ি। খোজকাঢ়ি যোৱা মানুহবোৰৰ ভিতৰত বহুতেই শাৰীৰিক কষ্ট আৰু খাদ্যৰ অভাৱৰ ফলত বাটতে প্ৰাণ হেৰুৱাইছিল। প্ৰায় সকলোৱেই ডকাইতৰ আক্ৰমণত সৰ্বস্বান্ত হৈছিল। তেওঁলোকৰ খবৰ আমি যুদ্ধৰ পিছতহে পাইছিলো। মোৰ দুজন ককাইদেউ তেওঁলোকৰ অফিচৰ লগে লগে উত্তৰ ব্ৰহ্মদেশ হৈ তাৰ পৰা ভাৰত পাইছিলগৈ। কিন্তু আমি তেওঁলোকৰ কোনো খবৰ পোৱা নাছিলো। সেইকাৰণে আমাৰ মাই তেওঁলোকৰ কথা ভাবি বহুত দিনলৈকে বৰ কন্দা-কটা কৰি আছিল। ল'ৰাহঁত ক'ত আছে, সিহঁতে খাবলৈ পাইছে নে নাই, সিহঁত জানো বাচি আছে – এইবোৰ কথা চিন্তা কৰি তেওঁ কান্দি থাকিছিল। বিশেষকৈ ভাত খাবৰ পৰত মাৰ কন্দা-কটা বেছি হৈছিল।

## আজাদ হিন্দ ফৌজ

এনেকুৱা এটা সময়তে এদিন শুনিবলৈ পালো যে নেতাজী সুভাষচন্দ্ৰ বোস অলপ দিনৰ ভিতৰতে ৰেঙ্গুণলৈ আহিব। ইতিপূৰ্বে তেখেত জাপানত আৰু তাৰ পিছত চিঙ্গাপুৰলৈ আহি আজাদ হিন্দ ফৌজ গঠন কৰাত ব্যস্ত হৈ পৰিছিল। ইপিনে ইণ্ডিয়ান ইণ্ডিপেণ্ডেন্স লীগৰ অফিচো বিভিন্ন ঠাইত বহি গৈছিল। কামায়ুটতো তাৰ শাখা অফিচ মুকলি কৰা হ'ল। কামায়ুটত ভাৰতীয়ৰ সংখ্যা বেছি আছিল কাৰণে তাত বেছ ডাঙৰ অফিচেই বহিল আৰু আজাদ হিন্দ ফৌজৰ প্ৰচাৰ কাৰ্যও জোৰেৰে আৰম্ভ হ'ল। আজাদ হিন্দ ফৌজ বা ইণ্ডিয়ান নেশ্যনেল আৰ্মিৰ (চমুকৈ আই এন এ) অফিচাৰ কিছুমানে আহি স্বাধীনতাৰ হকে যুঁজ কৰিবলৈ ভাৰতীয় মানুহখিনিক নেতাজীৰ ফৌজত যোগ দিবলৈ আহ্বান জনাবলৈ ধৰিলে। ভাৰতীয় ভালেমান মানুহ আজাদ হিন্দ ফৌজত ভৰ্তি হবলৈ ধৰিলে। আজাদ হিন্দ দল নামৰ এটা নতুন শাখা খোলা হৈছিল। তাত মোৰ এজন ককাইদেউ ভৰ্তি হৈ গ'ল। নতুন এক উত্তেজনাই তেতিয়া চৌপাশৰ পৰিবেশ উতলা কৰি তুলিলে। দেশভক্তিমূলক সঙ্গীত আৰু বিশেষকৈ যুদ্ধ-সংক্ৰান্ত উত্তেজনামূলক গানৰ ছন্দত আকাশ-বতাহ কঁপি উঠিবলৈ ধৰিলে। স্থানীয় ভাৰতীয়খিনিয়ে উদ্‌গ্ৰীব হৈ নেতাজীৰ আগমনলৈ প্ৰতীক্ষা কৰিবলৈ ধৰিলে। জাপান আৰু চিঙ্গাপুৰত নেতাজী আই এন এ-ৰ গঠন কাৰ্যত যথেষ্ট আগবাঢ়ি গৈছে বুলি খবৰ আহি আছিল। এইবাৰ ব্ৰহ্মদেশলৈ তেখেত অহাৰ কথা। মহিলাৰ কাৰণে ৰাণী ঝান্সী ৰেজিমেন্টৰো কাম ইতিমধ্যে আৰম্ভ হৈছিল। এই সংক্ৰান্তত হোৱা সভা-সমিতিবোৰত আমিও যোগ দিবলৈ ধৰিলো। নেতাজী সুভাষচন্দ্ৰ বোসে আজাদ হিন্দ ফৌজ আৰু আজাদ হিন্দ চৰকাৰো গঠন কৰি পেলালে। দক্ষিণ-পূব এছিয়াৰ প্ৰায় প্ৰতিজন ভাৰতীয়ই নেতাজীৰ এই গঠন-কাৰ্যত সৰ্ব-প্ৰকাৰে সহায় কৰিছিল।

আই এন এ-ত ঘাইকৈ আছিল সেইসকল সৈনিক – যিসকল আগতে ব্ৰিটিছ সেনাবাহিনীত আছিল আৰু জাপানীৰ হাতত বন্দী হৈছিল। বন্দী-সৈন্যবোৰৰ ভিতৰত যিসকলে আই এন এ-ত যোগ দিবলৈ ইচ্ছা কৰিছিল, তেওঁলোকক লৈ নেতাজীয়ে তেওঁৰ বাহিনীটো গঠন কৰিছিল। (ব্ৰিটিছ সেনাবাহিনীৰ বহুতো ভাৰতীয় বন্দী সৈন্যই আই এন এ-ত যোগ নিদিয়াকৈও আছিল আৰু জাপানৰ বন্দী হিচাপেই থাকি গৈছিল।) দক্ষিণ-পূব এছিয়াত বাস কৰা ভাৰতীয় মানুহখিনিৰ দ্বাৰা গঠিত হৈছিল আজাদ হিন্দ দল। ৰাণী ঝান্সী ৰেজিমেন্টত সমগ্ৰ মালয়, চিঙ্গাপুৰ আৰু ব্ৰহ্মদেশৰ ভাৰতীয় ছোৱালী আৰু মহিলাই যোগদান কৰিছিল। মোটামুটিকৈ আজাদ হিন্দ ফৌজৰ ৰূপটো এনেকুৱাই আছিল। তাৰ বাহিৰেও ইণ্ডিয়ান ইণ্ডিপেণ্ডেন্স লীগ আছিল – যিটো সংগঠনে প্ৰশাসনীয় কাম-কাজবোৰ চলাইছিল। ঠায়ে ঠায়ে এই লীগৰ শাখাবোৰ আছিল। মূল কাৰ্যালয় ৰেঙ্গুণৰ ওচৰত আছিল। ৰেঙ্গুণ চহৰত তেতিয়া মানুহৰ বস-বাস নাছিল। বোমাৰ আক্ৰমণত তাৰ কোনো ঘৰেই বাসযোগ্য হৈ থকা নাছিল।

ডাঃ শ্ৰীমতী লক্ষ্মীয়ে চিঙ্গাপুৰত ডাক্তৰী কৰি আছিল। যুদ্ধৰ সময়ত নেতাজীৰ আহ্বানক্ৰমে তেওঁ আই এন এ-ত যোগ দিয়ে আৰু ঝান্সী ৰাণী ৰেজিমেন্ট গঠনৰ দায়িত্ব কান্ধ পাতি লয়।

নেতাজী ৰেঙ্গুণ আহি পোৱাৰ আগতেই

অঞ্চলটোত আজাদ হিন্দ দল আৰু ৰাণী ঝান্সী ৰেজিমেন্ট গঠনৰ কাম আৰম্ভ হৈ গৈছিল – লীগ আৰু আই এন এ-ৰ অফিচাৰ কেইজনৰ উদ্যোগত। সেই সময়তে মোৰ দুগৰাকী বাইদেৱে ঝান্সী ৰেজিমেন্টত যোগ দিয়ে আৰু তেওঁলোক দুয়ো কেম্পত থাকিবলৈ যায়গৈ। ব্ৰিটিছৰ সৈতে যুদ্ধ কৰি ভাৰতক স্বাধীন কৰিব লাগিব – এই আহ্বানত সঁহাৰি দি বহুত ল'ৰা-ছোৱালী আগবাঢ়ি আহিছিল। আমাৰ জীৱনতো যে এটা নতুন অধ্যায় আৰম্ভ হ'ল। পাহৰি গলো যুদ্ধৰ আগৰ দিনবোৰৰ কথা, পাহৰিলো স্কুল আৰু পঢ়া-শুনাৰ চিন্তা। অফিচ আৰু অসামৰিক প্ৰশাসন তো ১৯৪১ চনৰ ডিচেম্বৰ মাহতেই বন্ধ হৈ গৈছিল। এতিয়া কেউপিনে কেৱল একেবোৰেই কথা– 'নেতাজী জিন্দাবাদ', 'জয় হিন্দ', 'অংৰেজ মুৰ্দাবাদ', 'দিল্লী চলো' ইত্যাদি। আটায়ে জাগি উঠিল, এলাহ আঁতৰি পলাল। ৰাতি ৰাতি ব্ৰিটিছৰ বোমা পৰি থকা সত্ত্বেও আমি বিচলিত হোৱা নাছিলো। এক নতুন জীৱন ধাৰাত আমি অভ্যস্ত হৈ পৰিলো। ৰাতিৰ বোমা-বৰ্ষণৰ কথা আক্ৰমণৰ কথা দিনত পাহৰি থাকিবলৈ ধৰিলো। ইতিপূৰ্বে চাৰ্চ-লাইটৰ সহায়ত ব্ৰিটিছ বোমাৰু বিমান ধৰা পেলোৱা আৰু এন্টি এয়াৰক্ৰাফট্ গানৰ দ্বাৰা সেই বিমান ভূ-পতিত কৰা দেখি আমি আনন্দ পাইছিলো। ব্ৰিটিছ বিমানৰ পৰা পেলোৱা ৰঙীন ৰকেটৰ পোহৰে এন্ধাৰ ৰাতি চৌপাশৰ আকাশ পোহৰাই তোলাৰ দৃশ্য চাই আমাৰ ভাল লাগিছিল। এতিয়া কিন্তু এইবোৰ কথাই আমাৰ মনত উত্তেজনাৰ সৃষ্টি নকৰা হ'ল।

## ব্ৰহ্মদেশলৈ নেতাজীৰ আগমন

এদিন সঁচাকৈয়ে নেতাজী আহি ব্ৰহ্মদেশত উপস্থিত হ'ল। ১৯৪৩ চনত আমি বিভিন্ন ঠাইলৈ গৈ নেতাজীৰ বক্তৃতা শুনিছিলো। আমাৰ অহা-যোৱাৰ বন্দৱস্ত লীগ অফিচৰ পৰাই কৰা হৈছিল। আমি ঘোঁৰা গাড়ীৰেই সেইবোৰ ঠাইলৈ গৈছিলো। স্বাভাৱিক যাতায়াতৰ ব্যৱস্থা তেতিয়া নাছিল। মাইলৰ পিছত মাইল ঘোঁৰা গাড়ীৰে আমি গৈছিলো ডাঙৰ ডাঙৰ জনসভাবোৰলৈ। নেতাজীৰ জ্বালাময়ী বক্তৃতাই ব্ৰিটিছৰ বিৰুদ্ধে আমাৰ মনত উত্তেজনা জগাই দিছিল। এই জনসভাবোৰত বহুত মানুহৰ সমাগম হৈছিল। আগতেই উল্লেখ কৰিছো যে ভাৰতীয়ৰ ভিতৰত দক্ষিণ ভাৰতীয় মানুহেই তাত বেছি সংখ্যক আছিল। নেতাজীয়ে হিন্দুস্থানী (উৰ্দু আৰু হিন্দীৰ সংমিশ্ৰণ) ভাষাত ভাষণ দিছিল আৰু তাৰ পিছে পিছে সেই ভাষণ তামিল ভাষালৈ ৰূপান্তৰ কৰি গৈছিল এজন তামিল ভাষী আই এন এ অফিচাৰে। 'জয় হিন্দ', 'নেতাজী জিন্দাবাদ', 'এঙ্গল'-আমেৰিকান মুৰ্দাবাদ', 'দিল্লী চলো' ইত্যাদি শ্ল'গানেৰে আকাশ-বতাহ মুখৰিত হৈছিল। কামায়ুটৰ লীগ অফিচৰ জৰিয়তে আমি নানাবিধ কামত লিপ্ত হৈছিলো; সৰু সৰু ল'ৰা-ছোৱালীবোৰক দেশাত্মবোধক গান শিকোৱা, বেণ্ডেজ তৈয়াৰ কৰা, মহিলাসকলক আৰু সৰু বিলাকক জনসভালৈ যাবৰ বাবে খবৰ দিয়া ইত্যাদি। গৰম মোজা আৰু চুৱেটাৰ গোঁথাৰ কাম মহিলাবিলাকক দিয়া হৈছিল। মোৰ বয়স কম আছিল কাৰণে গান শিকোৱা, বেণ্ডেজ তৈয়াৰ কৰা আৰু জনসভাৰ খবৰ দিয়াৰ বাহিৰে আন একো কাম কৰিব পৰা নাছিলো।

নেতাজীৰ জন্মদিনৰ উৎসৱ ২৩ জানুৱাৰীৰ পৰা এসপ্তাহলৈ চলিছিল। এই উৎসৱ উপলক্ষে বিচিত্ৰানুষ্ঠান, প্ৰদৰ্শনী, কুচ-কাৱাজ, জনসভা ইত্যাদি বিভিন্ন স্থানত অনুষ্ঠিত হৈছিল। হাস্পাতালত চিকিৎসাধীন হৈ থকা আজাদ হিন্দ ফৌজৰ ৰুগ্ন সৈনিকবোৰৰ মাজত আমি ফল-মূল আৰু মিঠাই বিতৰণ কৰিছিলো। লীগৰ এনেবোৰ কামত মোৰ সঙ্গী আছিল ৰাজলক্ষ্মী আয়াৰ। ৰাজলক্ষ্মী আমাৰ ঘৰৰ ওচৰৰে ছোৱালী আছিল। আমি দুয়ো ঘূৰি ঘূৰি ঘৰে ঘৰে নেতাজীৰ জনসভাৰ খবৰ দি ফুৰিছিলো; মিটিঙলৈ যাবৰ কাৰণে মহিলাসকলক গোট খুওৱাত সহায় কৰিছিলো। মহিলাসকলে কাম কৰিবৰ কাৰণে লাগতিয়াল বস্তুপাতি লীগৰ অফিচৰ পৰা নি তেওঁলোকক দি আহিছিলো। আই এন এ-ৰ ৰাষ্ট্ৰীয় গীত "সুবহ সুখ চৈন কি বৰখা বৰষে ভাৰত ভাগ্য হায় জাগা" – এই গানটো আমাৰ দৰে সৰু সৰু ল'ৰা-ছোৱালীবোৰক শিকাইছিলো। এই গীতটি 'জন-গণ-মন অধিনায়ক জয় হে" গীতটোৰ সুৰত গোৱা হৈছিল। গীতটোৰ অৰ্থও সিটো গীতৰ সৈতে মিলে। গীতটো নেতাজীয়ে সৰ্বভাৰতীয় কৰিবৰ উদ্দেশ্যে হিন্দুস্থানী ভাষালৈ ৰূপান্তৰিত কৰাইছিল।

## নেতাজীৰ আহ্বানত অভূতপূৰ্ব সঁহাৰি দিলে প্ৰতিজন ভাৰতীয়ই

মোৰ দুগৰাকী বাইদেৱে ৰাণী ঝান্সী ৰেজিমেন্টত যোগ দিছিল। নেতাজীয়ে ইচ্ছা কৰিছিল ভদ্ৰ আৰু শিক্ষিত মানুহৰ ঘৰৰ ছোৱালীয়ে যেন এইটো ৰেজিমেন্টত বেছি সংখ্যাত যোগ দিয়ে। তাত দক্ষিণ ভাৰতীয় ছোৱালীয়েই বেছিকৈ সোমাইছিল। বঙালী ছোৱালীও কিছু সংখ্যক আছিল। চিঙ্গাপুৰ আৰু মালয়ৰ পৰা ৰেঙ্গুণলৈ অহাৰ পিছত ৰাণী ঝান্সী ৰেজিমেন্টৰ সৈনিকবিলাকে কামায়ুটত আমাৰ ঘৰৰ ওচৰতে কেম্প কৰি আছিল। মই সদায় আবেলি আবেলি মোৰ বাইদেউহঁতক লগ পাবলৈ তালৈ গৈছিলো। ইতিমধ্যে মোৰ ডাঙৰ বাইদেৱেও ৰেজিমেন্টত যোগ দিছিল। এইজনী বাইদেৱে ৰেজিমেন্টত যোগ দিয়াৰ ঘটনাটো আছিল এনেকুৱা ঃ এদিন কামায়ুটৰ পৰা দুমাইল দূৰৈৰ ওচিনত এটি অনুষ্ঠানত যোগ দিবলৈ বাইদেউ, মা আৰু মই গৈছিলো। তালৈ নেতাজীও আহিছিল। তাৰ বেছ কিছুদিনৰ আগতেই মোৰ এজন ককাইদেউ – যিজন আজাদ হিন্দ দলত আছিল – ব্ৰহ্মদেশ-ভাৰত সীমান্তৰ যুদ্ধক্ষেত্ৰলৈ গৈছিল আৰু তেওঁৰ কোনো খবৰ-বাতৰি আমি পোৱা নাছিলো। নেতাজীক ওচৰতে পাই মোৰ মাই তেখেতক আমাৰ ককাইদেউৰ খবৰ যে বহুতদিন পোৱা নাই – সেই কথা জনালে। নেতাজীয়ে তেতিয়া ক'লে – খবৰ নাই মানে চিন্তাৰ কোনো কাৰণ নাই। তেখেতে তেতিয়া বাইদেউক দেখি সুধিলে ঝান্সী ৰেজিমেন্টত কিয় যোগ দিয়া নাই বুলি। বাইদেৱে উত্তৰত মোৰ পিনে দেখুৱাই নেতাজীক ক'লে – 'মই যাম বুলি শুনিলে এইজনীয়ে বৰ কন্দা-কটা কৰে; সেইকাৰণেই যাব পৰা নাই।" নেতাজীয়ে তেতিয়া মোক ক'লে 'বাইদেৱেৰাক এৰি নিদিয়া হ'বলা ?' তাৰ পিছৰ পৰা মই আৰু কন্দা-কটা নকৰা হলো আৰু বাইদেৱেও ৰেজিমেন্টত যোগ দিলেগৈ। সঁচাকৈয়ে বাইদেৱে ঝান্সী ৰেজিমেন্টত যোগ দিয়াৰ কথা ওলালেই মই খুব কান্দিছিলো। ঘৰত মই অকলশৰীয়া হৈ যাব লাগিব বুলি। ময়ো যোগ দিব পাৰিলোহেঁতেন। কিন্তু মাক অকলে ঘৰত এৰি থৈ যোৱাৰ কথা মই ভাবিব নোৱাৰিছিলো। মাৰ ওচৰত এজনী ছোৱালীতো থাকিব লাগিব। ইতিমধ্যে জাপানী কৰ্তৃপক্ষই দেউতাক টাঙ্গু নামৰ এঠাইলৈ বদলি কৰিছিল। ঘৰত মা, এজন ককাইদেউ আৰু মইহে বাকী থাকিলো। তিনিজনী বাইদেউ আৰু এজন ককাইদেউ ওলাই গ'ল দেশৰ হকে যুঁজিবলৈ। সকলোতকৈ সৰু বুলি মাৰ ওচৰত মই থাকি গলো।

বাইদেউহঁত ওলাই যোৱাৰ পিছত হীৰাবেন বেতাইক ইংৰাজী শিকোৱাৰ দায়িত্বও মই অকলেই বহণ কৰিবলগীয়া হ'ল।

১৯৪৪ চনত ঝান্সী ৰেজিমেন্টৰ একাংশ আগুৱাই মেমিঅ' চহৰলৈ গুচি গৈছিল। সেইটো দলত মোৰ দুজনী বাইদেউ আছিল। ডাঙৰ বাইদেউ ৰেঙ্গুণৰ 'ওচৰত হেল্পিন ৰোডৰ কেম্পত আছিল। হেল্পিন ৰোডৰ কেম্পত এদিন এটা বিশেষ কাৰণত কেইগৰাকীমান মহিলাৰ সৈতে মই এক মধ্যাহ্নভোজৰ আয়োজনত যোগ দিবলৈ গৈছিলো। তালৈ নেতাজী আৰু আই এন এ-ৰ অন্যান্য অফিচাৰ কিছুমানো আহিছিল। তেওঁলোকৰ ভিতৰত কৰ্ণেল ছাইগলৰ নাম উল্লেখযোগ্য। পিছত (ব্ৰিটিছ শাসিত ভাৰতত) আই এন এ-ৰ বিচাৰৰ সময়ত তেওঁৰ নাম জনাজাত হৈ পৰিছিল আৰু ৰাণী ঝান্সী ৰেজিমেন্টৰ কমাণ্ডেন্ট কৰ্ণেল লক্ষ্মীক তেওঁ বিয়া কৰাইছিল। সেইদিনা দুপৰীয়া আমি খাই থাকোতেই হঠাৎ চাইৰেণ বাজি উঠিল। আমি সকলোৱেই ট্ৰেঞ্চত সোমাবলৈ লৰালৰিকৈ ওলাই গলো। নেতাজীয়ে এটা খোলা ট্ৰেঞ্চত থিয় হৈ নিৰ্ভয়ে আকাশৰ পিনে চাই থাকিল। তেওঁক অলপো বিচলিত হোৱা দেখা নাছিলো। অলপ পৰৰ পিছত আমি আটায়েই আকৌ খোৱা ঠাইলৈ উভতি আহিলো।

## আই এন এ-ৰ অগ্ৰগতি

সেই সময়ত কেৱল আজাদ হিন্দ ফৌজৰ আগবাঢ়ি যোৱাৰ আৰু সফলতা লাভ কৰাৰ খবৰেই আহি আছিল। ভাৰতৰ মণিপুৰ ফ্ৰন্টত মোৰ ককাইদেৱো আছিল। ফ্ৰন্টত গৈ তেওঁ বহুবিচিত্ৰ আৰু বিপজ্জনক পৰিস্থিতিত পৰিবলগীয়া হৈছিল। সেয়া অন্য এক কাহিনী।

যি হওক, মোৰ দেউতা টাঙ্গুলৈ যোৱাৰ পিছত আমি বৰ অকলশৰীয়া হৈ পৰিছিলো। ঘৰত মই, মা আৰু এজন দাদা মাত্ৰ। আমাৰ ঘৰটোৰ তলৰ ভাগটোত এটা বঙালী পৰিয়ালক থাকিবলৈ দিয়া হ'ল। স্বামী-স্ত্ৰী আৰু চাৰিজনী সৰু সৰু ছোৱালীৰে ছজনীয়া এটা পৰিয়াল। দেউতা তেতিয়া টাঙ্গুত দলং সজাৰ কামত জড়িত হৈ থাকিবলগীয়া হৈছিল। উত্তৰ আৰু দক্ষিণ ব্ৰহ্মদেশক সংযোগ কৰা ঘাই পথটোতে এই দলংখন আছিল। প্ৰতি নিশা এঙ্গল'-আমেৰিকান মিত্ৰপক্ষই বোমা পেলাই দলংখন ভাঙি থৈ গৈছিলহি। উদ্দেশ্য উত্তৰ আৰু দক্ষিণ ব্ৰহ্মদেশৰ মাজৰ যোগাযোগ বিচ্ছিন্ন কৰা। দিনৰ ভাগত মোৰ দেউতাই সেই দলংখন মেৰামতি কৰাব লাগিছিল।

ইপিনে যুদ্ধসংক্ৰান্ত বিভিন্ন অনুষ্ঠান পূৰাদমত চলি আছিল। কামায়ুটত ঘনঘনকৈ নেতাজীৰ ভাষণ শুনিবৰ বাবে বিপুল জনসভা অনুষ্ঠিত হৈ আছিল। তাৰ বাহিৰেও আমি বেলেগ বেলেগ ঠাইলৈ গৈও মিটিঙত যোগ দিছিলো আৰু নেতাজীৰ ভাষণ শুনিছিলো। মহিলাসকলৰ কাৰণেও বেলেগে মিটিং পতা হৈছিল। মহিলাসকলৰ মিটিঙত নেতাজীক অলপ সহজ দেখা গৈছিল – যদিও তেখেতৰ পোছাক মিলিটাৰী কমাণ্ডাৰৰ দৰেই আছিল। মহিলাৰ সভাত কৰ্ণেল লক্ষ্মীও উপস্থিত থাকিছিল। লক্ষ্মীয়ে মহিলাসকলক নানা বিষয়ে বুজাই কৈছিল।

মোৰ দুই বাইদেৱে মেমিঅ'ৰ এড্ভান্স কেম্পৰ পৰা চিঠি দি আমাক তাৰ খবৰ-বাতৰি জনাই আছিল। সেই কেম্পত বোমা পৰাৰ কাৰণে তেওঁলোকৰ বস্তু বাহানি আৰু ঘৰ-দুৱাৰ ধ্বংস হৈছিল। নেতাজীয়ে তাত নিজে উপস্থিত থাকি কেম্পৰ সকলোকে কম্বল ইত্যাদি বিতৰণ কৰিছিল। সেই কেম্পত তেতিয়া কৰ্ণেল লক্ষ্মীও আছিল।

এনেকৈয়ে দিনবোৰ অতিবাহিত হৈছিল। সকলোৱে মনত আশা লৈ অপেক্ষা কৰিছিল সেই দিনটোলৈ যিদিনা আজাদ হিন্দ ফৌজে ভাৰতৰ মাটিত প্ৰৱেশ কৰিব আৰু ভাৰতৰ পৰা ব্ৰিটিছৰ ৰাজত্ব দূৰ হৈ যাব। কিন্তু অৱস্থাৰ সোঁত ধীৰে ধীৰে ওলোটা পিনে ববলৈ ধৰিলে। মোৰ যিজন ককাইদেউ মণিপুৰ পাইছিলগৈ, তেওঁ অসুস্থ হৈ উভতি আহিল আৰু ছুটী লৈ ঘৰত থাকিবলৈ ললে। দুগৰাকী বাইদেৱো মেমিঅ'ৰ কেম্পৰ পৰা ঘূৰি আহিল। মেমিঅ'ৰ কেম্প বন্ধ হৈ গ'ল। বৰষুণ, ক'লাজ্বৰ আৰু মেলেৰিয়াৰ প্ৰকোপতো বহুত সৈন্য অসুস্থ হৈ পৰিল। তথাপিও ৰেঙ্গুণত তেতিয়ালৈকে কোনেও আশা এৰি দিয়া নাছিল। স্বাভাৱিকভাবেই তাত কাম-কাজবোৰ চলি আছিল আৰু এই বিপৰ্যয় সাময়িক বুলিয়েই সকলোৱে ধৰি লৈছিল। বাৰিষাৰ প্ৰকোপ কমিলে আকৌ নতুন উদ্যমেৰে যুদ্ধ যাত্ৰা আৰম্ভ হ'ব বুলি সকলোৱে আশা কৰি আছিল। তেতিয়া ৰেঙ্গুণ বুলিলে ৰেঙ্গুণ চহৰৰ ওচৰ চুবুৰীয়া ঠাইবোৰকে বুজাইছিল। কাৰণ ৰেঙ্গুণ হৈ পৰিছিল বোমা-বিধ্বস্ত জনশূন্য এখন চহৰ, য'ত আছিল কেৱল ধ্বংসপ্ৰাপ্ত অট্টালিকাবোৰ। মোৰ তিনিওগৰাকী বাইদেউ তেতিয়া হেল্পিন ৰোডৰ কেম্পত। দেওবাৰে দেওবাৰে তেওঁলোক কেইবামাইলো খোজকাঢ়ি ঘৰলৈ আহিছিল।

১৯৪৫ চনৰ দিনবোৰ একে ধৰণেৰেই পাৰ হৈ গৈ আছিল। চাৰিওপিনে যুদ্ধৰ খবৰ। ইতিমধ্যে জাৰ্মানীয়ে পিছুওৱাৰ খবৰ আহিবলৈ ধৰিলে। দক্ষিণ-পূব এছিয়া তথা ব্ৰহ্মদেশত তাৰ প্ৰভাৱ বেছিকৈ বুজা নগৈছিল।

মই যিগৰাকী গুজৰাটী মহিলাক পঢ়ুৱাইছিলো, তেওঁৰ পৰিয়ালে আৰু বহুতো গুজৰাটী ব্যৱসায়ী পৰিয়ালে আজাদ হিন্দ ফৌজক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। দক্ষিণ-পূব এছিয়াৰ সমগ্ৰ ভাৰতীয় জনতা তেতিয়া নেতাজীৰ আজাদ হিন্দ চৰকাৰ আৰু আজাদ হিন্দ ফৌজৰ পিছত একতাবদ্ধ হৈ থিয় দিছিল; যেয়ে যিভাবে পাৰে সহায় কৰিবলৈ আগুৱাই আহিছিল; আৰু প্ৰত্যেকেই নিজৰ দেহ-মন-প্ৰাণ দিবলৈকো প্ৰস্তুত আছিল।

## আশা-ভঙ্গৰ পৰ্ব

এদিন কিন্তু ভাৰতক মুক্ত কৰাৰ সকলো সপোন শেষ হৈ গ'ল। ১৯৪৫ চনৰ আগষ্ট মাহত জাপানৰ হিৰোছিমা আৰু নাগাছাকিত আমেৰিকাই এটম বোমা পেলোৱাৰ পিছত জাপানে যুদ্ধ-বিৰতি ঘোষণা কৰিলে। নেতাজী ব্ৰহ্মদেশ এৰি গুচি গ'ল। তেনেকৈ হঠাৎ গুচি যোৱাৰ আগতে নেতাজীৰ শেষ জনসভাখন অনুষ্ঠিত হৈছিল কামায়ুটতে। সেইদিনা পুৱা মই মোৰ ডাঙৰ বাইদেউ আৰু আজাদ হিন্দ দলৰ ককাইদেউৰ লগত জাপানী ব্ৰডকাষ্টিং ষ্টেচনলৈ গৈছিলো। ইতিপূৰ্বে মোৰ বাইদেউক দুই এবাৰ বাংলাত ক'বলৈ দিয়া হৈছিল। ভাৰতীয় বঙালী মানুহখিনিক জনাব লগীয়া বিষয়বস্তুৰ ওপৰত লিখা প্ৰবন্ধ তেওঁ পাঠ কৰিছিল। আমি তিনিও আবেলি ঘৰলৈ উভতি আহি আছিলো। বাটত নেতাজীৰ গাড়ী আৰু তাৰ ভিতৰত তেখেতক দেখা পালো। ককাইদেউ আৰু বাইদেৱে মিলিটাৰী নিয়মানুযায়ী চেল্যুট কৰিলে। নেতাজীয়েও হাত দাঙি তাৰ উত্তৰ দিলে। ঘৰ পাই দেখিলো, মোৰ বাকী দুগৰাকী বাইদেউ ঘৰলৈ গুচি আহিছে। ঝান্সী ৰেজিমেন্টৰ কেম্প বন্ধ কৰি দিয়া হৈছে। খবৰ শুনিলো – ব্ৰিটিছ আৰু আমেৰিকান সৈন্যবাহিনীয়ে ব্ৰহ্মদেশক এপিনৰ পৰা ধ্বংস কৰি আগুৱাই আহি আছে। এইবেলি কাৰো নিস্তাৰ নাই। শেষত এনেকুৱা এটা অৱস্থা পালেহি যে তাৰ ভাৰতীয় মানুহখিনিক ৰক্ষা কৰোতা কোনো নাই। এপিনে জাপানীবিলাকো গুচি গৈছে আৰু সিপিনে ব্ৰিটিছ আৰু আমেৰিকানবোৰো সেইখিনি পোৱাহি নাই। অৱশ্যে নেতাজীৰ পূৰ্ব-আদেশ অনুযায়ী সেই সময়ত আজাদ হিন্দ ফৌজৰ সৈন্যবিলাকেই ভাৰতীয় মানুহখিনিক চোৱা-চিতা কৰিছিল আৰু ব্ৰিটিছ আহি পোৱাৰ পিছতহে তেওঁলোকে আত্ম-সমৰ্পণ কৰিছিল। জাপানী সৈন্যবোৰ ইতিমধ্যে নিজ দেশৰ পিনে গৈছিলগৈ। ঝান্সী ৰেজিমেন্টৰ মহিলা সৈনিকদল গৈছিল মালয় অভিমুখে। নেতাজীয়ে নিজে তেওঁলোকক লৈ গৈছিল। স্থানীয় ছোৱালীবোৰক নিজৰ নিজৰ ঘৰলৈ যাবলৈ হুকুম কৰাত মোৰ বাইদেউহঁত ঘৰলৈ ঘূৰি আহিছিল। ইয়াৰ পিছত নেতাজী অজানা উদ্দেশ্য অভিমুখে যোৱাৰ পথত বিমান দুৰ্ঘটনাত নিহত হোৱা বুলি আমি খবৰ পাইছিলো। এই খবৰ আজিলৈকে বিতৰ্কিত হৈ আছে।

পিছত পৰি থাকিলো আমি। নেতাজীয়ে কামায়ুটত এক বিৰাট জনসভাত তেখেতৰ শেষ ভাষণ দি গ'ল। পিছদিনা ৰাতিপুৱা সেই ভাষণৰ ছপোৱা বিজ্ঞপ্তি বিতৰণ কৰা হৈছিল। নেতাজীয়ে তাৰ সকলো ভাৰতীয়ৰ পৰা বিদায় লৈ যোৱাৰ পৰত তেওঁলোকৰ প্ৰত্যেকৰে সহায় আৰু আত্মত্যাগৰ বাবে গভীৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছিল। অনতিপলমে আকৌ তেখেতে স্বাধীনতাৰ হকে যুঁজ কৰি যাব বুলি জনাইছিল। এই ভাষণ ছপাই তেখেতে ব্ৰহ্মদেশ এৰি গ'ল। সভাখন আমাৰ ঘৰৰ ওচৰতে হৈছিল যদিও আমি তাত উপস্থিত থাকিব নোৱৰাৰ কাৰণে আমাৰ বৰ দুখ লাগিছিল।

নেতাজীয়ে ব্ৰহ্মদেশ এৰি যোৱাৰ অলপদিনৰ আগতে নেতাজীৰ কাৰণে বঙালী মিঠাই – যেনে, ৰসগোল্লা, লালমোহন আদি মোৰ মাক বেলেগ মানুহৰ মাৰফৎ তৈয়াৰ কৰিবলৈ দিয়া হৈছিল। কি কাৰণত আমি তেতিয়া বুজা নাছিলো। নেতাজীয়ে তেওঁৰ বহুতো ভাষণত

মোৰ মাৰ চাৰিটি ল'ৰা-ছোৱালীয়ে আই এন এ-ত যোগ দিয়াটো এটি দৃষ্টান্ত স্বৰূপে উল্লেখ কৰি কৈছিল যে ই দেশপ্ৰেম আৰু আত্মত্যাগৰ এটি ভাল উদাহৰণ ।

## ব্ৰিটিছৰ পুনৰাগমন

অলপ দিন বৰ উৎকণ্ঠাৰ মাজেদি অতিবাহিত হৈছিল । জাপানীবিলাকে তেওঁলোকৰ সামৰিক গুৰুত্বপূৰ্ণ ঠাইবোৰৰ পৰা যিবোৰ বস্তু লৈ যাব পৰা নাছিল, সেই আটাইবোৰ ধ্বংস কৰি থৈ গৈছিল । অ'ত ত'ত কুণ্ডলী পকাই ধোঁৱা উৰি আছিল । বিশেষকৈ 'মিংলাডন' বিমানকোঠৰ পৰা ঘন ঘনকৈ ওলোৱা ধ্বংসৰ শব্দ আৰু জুইৰ শিখা আমাৰ ঘৰৰ পৰাও শুনা আৰু দেখা গৈছিল । কামায়ুটত মিলিটাৰীৰ ৰছদপাতি একো নাছিল বুলিয়েই আমি বোমাবৰ্ষণৰ পৰা ৰক্ষা পৰি থাকিলো । কিছুদিনৰ পিছত ব্ৰিটিছ সৈন্যবাহিনীয়ে গোটেই ব্ৰহ্মদেশখন দখল কৰি ল'লে । কেউপিনে বিজয়ী সেনাবাহিনীৰ গোৰা ব্ৰিটিছ, ভাৰতীয়, পাঠান, নিগ্ৰো আৰু আমেৰিকান সৈন্যৰ সমাবেশ দেখা গ'ল । আমি ঘৰৰ ভিতৰত সোমাই থাকিবলৈ বাধ্য হৈছিলো ।

ব্ৰিটিছবিলাক আকৌ ঘূৰি অহাৰ পিছত যিবিলাক মানুহে আই এন এ-ত যোগ দিছিল তেওঁবিলাকৰ 'ইন্টাৰ'গেছন' আৰম্ভ হৈ গ'ল । আমাৰ ঘৰলৈকো এজন ব্ৰিটিছ ইন্‌টেলিজেন্স বিষয়াৰ অহা যোৱা হ'বলৈ ধৰিলে । এদিন হঠাতে তেওঁ মোৰ ককাইদেউক লগত লৈ গ'ল । সেইদিনা ককাইদেউ ঘৰলৈ উভতি নাহিল । পিছত মানুহজনে খবৰ দি গ'ল যে ককাইদেউক হেনো ইন্‌চিন জেলত থোৱা হৈছে । চাৰি মাহৰ পিছত ককাইদেউক এৰি দিয়া হৈছিল । ঝান্সী ৰেজিমেন্টৰ মহিলা সৈনিকবিলাকক জেলত ভৰোৱা নাছিল; কিন্তু ঘৰতে নজৰবন্দী কৰি ৰখা হৈছিল । গতিকে ইন্‌টেলিজেন্সৰ বিষয়াজন অলপদিনৰ মূৰে মূৰে আমাৰ ঘৰলৈ আহি থাকিছিল ।

ব্ৰিটিছ সেনাবাহিনীৰ লগত অহা বহুতো ভাৰতীয় অফিচাৰো আমাৰ ঘৰলৈ আহিছিল । আই এন এ আৰু নেতাজীৰ বিষয়ে জনাৰ কৌতূহল আৰু আগ্ৰহৰ বাবেই তেওঁলোক আমাৰ ঘৰলৈ আহিছিল আৰু আন আন মানুহৰ ঘৰলৈকো গৈছিল । যুদ্ধৰ সময়ত জাপান অধিকৃত ব্ৰহ্মদেশৰ বিষয়েও তেওঁলোকে নানা কথা জানিব খুজিছিল । তেওঁলোকে যেতিয়া গম পালে যে ১৯৪১ চনৰ ডিচেম্বৰ মাহৰ জাপানী আক্ৰমণৰ পৰা ১৯৪৫ চনলৈকে আমি জাপান অধিকৃত ব্ৰহ্মদেশত আটা-ময়দা, ঘিউ, চেনি-চাহপাত, দাইল, মিঠাতেল আদি খাবলৈ পোৱা নাই, তেতিয়া তেওঁলোকে তেওঁলোকৰ নিজৰ অপৰ্যাপ্ত ৰেছনৰ পৰা আমাক সেইবোৰ খাদ্যবস্তু আনি দিলেহি । মই, মা আৰু মোৰ যিজন ককাইদেউ ঘৰত আছিল তেওঁ আৰু টাঙ্গুত থকা দেউতাই বেছিকৈ খাদ্যৰ অভাৱত ভুগিবলগীয়া হৈছিলো – যদিও চাউলৰ অভাৱ নাছিল আৰু মাছো পোৱা গৈছিল । বহুত বছৰৰ মূৰত ঘিউত ভজা পৰঠা, চেনি দিয়া চাহ আৰু সৰিয়হৰ তেলেৰে ৰন্ধা ভাজি-আঞ্জা খাবলৈ পাই বৰ আনন্দ পাইছিলো । কিন্তু নেতাজীৰ কথা সদায়েই মনত পৰি আছিল ।

ইয়াৰ পিছত আমাৰ জীৱনযাত্ৰালৈ অলপ পৰিবৰ্তন আহিল । ব্ৰিটিছ চৰকাৰ অহাৰ পিছত অসামৰিক প্ৰশাসন ব্যৱস্থা প্ৰবৰ্তন হ'ল, স্কুল আদিও খোলাৰ ব্যৱস্থা হ'ল । ১৯৪১ চনৰ পৰা পঢ়া-শুনা বন্ধ আছিল । ১৯৪৬ চনৰ আৰম্ভণিতে মেট্ৰিক পৰীক্ষা হ'ব বুলি শুনা গ'ল । আই এন এ-ত যোগ দিয়া মোৰ তিনিজনী বাইদেউ আৰু ককাইদেউ পৰীক্ষাৰ কাৰণে সাজু হ'বলৈ ধৰিলে । এযোৰা 'স্বামী-স্ত্ৰী'ক গৃহ শিক্ষক আৰু গৃহ শিক্ষিকা হিচাপে ৰাখি দিয়া হ'ল । তেওঁলোক দুয়ো আমাৰ ঘৰতে দুমাহমান আলহী হৈ আছিল । পৰীক্ষাৰ বাবে প্ৰিপেয়াৰেছন দিনে-নিশাই চলি থাকিল । পৰীক্ষা যেতিয়া হৈ গ'ল, তেওঁলোক আটায়েই ভালদৰে পাছ কৰিলে । মই ১৯৪১ চনত পঞ্চম মানত পঢ়িছিলো কাৰণে মেট্ৰিক পৰীক্ষাত বহিব নোৱাৰিলো ।

ইতিমধ্যে ভাৰতৰ পৰা মোৰ ডাঙৰ ককাইদেউ, নবৌ, তেওঁলোকৰ ছোৱালীজনী, মোৰ আৰু দুজন ককাইদেউ ব্ৰহ্মদেশলৈ উভতি আহিল । আমাৰ ঘৰ একেবাৰে 'হাউচ-ফুল' । এজনী বাইদেউৰ বিয়াও তাতেই হৈ গ'ল । ভিনিহিদেউজন আছিল ব্ৰিটিছ আৰ্মিৰ কেপ্তেইন । এইবেলি দেশলৈ যোৱাৰ যো-জা চলিবলৈ ধৰিলে । মোৰ মাৰ ফালৰ ককাদেউতা আৰু আইতাহঁত তেতিয়া বেনাৰসৰ (বাৰানসীত) আছিল । আমাক কাষত পাবলৈ তেখেতসকল বৰ উদ্‌গ্ৰীৱ হৈ পৰিছিল । তাৰ উপৰি উচ্চশিক্ষা ল'বৰ কাৰণেও মোৰ এজন ককাইদেউ আৰু দুজনী বাইদেউ মাৰ লগত বেনাৰসলৈ গুচি গ'ল ।

মই, ডাঙৰ ককাইদেউ, নবৌ আৰু দেউতা যিজনী বাইদেউৰ বিয়া হৈছিল, তেওঁলোকৰ লগতে থাকি গলো ।

অলপদিনৰ কাৰণে ভিনিহিদেউক পেগুৰ ওচৰৰ 'মোপালীন' নামৰ ঠাই এখনলৈ বদলি কৰিছিল । পেগুৰ পৰা এই ঠাইডোখৰলৈ চিটাং নদী পাৰ হৈ যাব লাগে । আগতে এইখন নদীত ৰেলগাড়ী চলিব পৰা দলং আছিল । যুদ্ধত দলংখন বোমাবিধ্বস্ত হৈ মাজডোখৰতে ভাগি গৈছিল । সেই কাৰণে ৰেলগাড়ীৰে পেগু গৈ পোৱাৰ পিছত আমি মটৰ লঞ্চ এখনেৰে নদী পাৰ হৈছিলো । বাইদেউ-ভিনিহিদেউৰ লগতে ময়ো তালৈ গৈছিলো । তাত জাপানী যুদ্ধবন্দীবোৰৰ এটা কেম্প আছিল । তাৰ ওচৰৰে পাথৰৰ কোৱাৰীৰ পৰা বন্দীবিলাকে পাথৰ ভাঙি আনিছিল । কেম্পটোৰ ভাৰপ্ৰাপ্ত অফিচাৰ অৰ্থাৎ কমাণ্ডাৰ হৈ ভিনিহিদেউ তালৈ গৈছিল । তাত চুবেদাৰ, জমাদাৰ আদি পদত কিছুমান নন্‌-কমিশ্যনড্‌ অফিচাৰো নিযুক্ত হৈ আছিল । এজন বঙালী ঠিকাদাৰো তেওঁৰ পত্নীৰে সৈতে তাত আছিল । তেনেকুৱা নিজান পাহাড়ী ঠাইত আন কোনো লোকালয় আমাৰ চকুত পৰা নাছিল । জাপানী বন্দীবিলাকৰ কেম্প আমাৰ কেম্পৰ পৰা অলপ আঁতৰত আছিল । প্ৰতি দিনে ৰাতিপুৱা লেফ্‌টেনেন্ট কোকাডিঅ' বোলা জাপানী অফিচাৰ এজনে হাতত এখন নোটবহী লৈ ভিনিহিদেউৰ ওচৰলৈ আহিছিল । ভিনিহিদেৱে সেইদিনা ক'ত কি কাম হ'ব বুজাই দিছিল আৰু অফিচাৰজনে সেই নিৰ্দেশবোৰ তেওঁৰ নোটবহীত টুকি লৈছিল । ভিনিহিদেৱে কথাবোৰ কৈ যোৱাৰ সময়ত সেই কমবয়সীয়া জাপানী অফিচাৰজনে 'ইয়েচ চাৰ, ইয়েচ চাৰ' বুলি কৈ থাকিছিল আৰু যাবৰ সময়ত চেল্যুট দি গুচি গৈছিল । অলপদিনৰ আগতে যি জাপানীক ব্ৰহ্মদেশত যুদ্ধজয়ী শাসনকৰ্তা হিচাপে দেখিবলৈ পাইছিলো, তেওঁলোকৰে এজনক ব্ৰিটিছ আৰ্মিৰ এজন ভাৰতীয় অফিচাৰৰ ওচৰত এনেকৈ সেও হোৱা দেখি বেয়াও লাগিছিল । জাপানী বন্দীবিলাকৰ কেম্পত কেতিয়াবা বিচিত্ৰানুষ্ঠানৰ আয়োজন হৈছিল আৰু তালৈ আমাক নিমন্ত্ৰণ কৰিছিল । ছোৱালীৰ সাজ পিন্ধি হাতত বিচনী লৈ তেওঁলোকে জাপানৰ নাচ আমাক দেখুৱাইছিল । ভিনিহিদেউক এটি জাপানী ৰান্ধনিও দিয়া হৈছিল । ল'ৰাজনে ভালেই ৰান্ধিব জানিছিল । অলপদিন মোপালীনত থকাৰ পিছত আমি আকৌ কামায়ুটলৈ উভতি আহিলো ।

## ব্ৰহ্মদেশৰ সৈতে চিৰ-বিচ্ছেদ

তাৰ পিছত বাইদেউ আৰু ভিনিহিদেউৰ লগতে মোৰো ভাৰতলৈ অহাৰ প্ৰস্তুতি আৰম্ভ হ'ল । ভিনিহিদেউৰ দেৱলালীত নিযুক্তি হৈছে বুলি গম পালো । ১৯৪৬ চনৰ ডিচেম্বৰ মাহৰ শেষ ভাগত এদিন ৰাতিপুৱা মিংলাডন বিমানকোঠৰ পৰা ৰাজকীয় বিমান বাহিনীৰ (ৰয়েল এয়াৰ ফ'ৰ্চ – চমুকৈ আৰ এ এফ) এখন বিমানেৰে আমি কলিকতাৰ দমদম বিমানকোঠত নামিলোহি । নিজৰ দেশৰ মাটিত ভৰি দি মনত কি যে আনন্দ লাগিছিল ! কলিকতাৰ মোমাইদেউৰ ঘৰত কেইদিনমান কটাই বাইদেউ আৰু মই বেনাৰসলৈ গলোগৈ । ভিনিহিদেউ গ'ল দেৱলালীলৈ । অলপ দিনৰ পিছত দেউতা আৰু মোৰ বাকী কেইজন ককাইদেৱো ভাৰতলৈ গুচি আহিল । তাৰ লগে লগে ব্ৰহ্মদেশৰ লগত মোৰ চিৰবিচ্ছেদ ঘটিল । কিন্তু তাত কটাই অহা অতীতৰ সেই দিনবোৰলৈ মোৰ মন বাৰে বাৰে ঘূৰি যায় ।



# বিতৰ্কিত সংখ্যালঘু সংগঠন কৌমি তানজীমৰ ভিতৰ চ'ৰাত এভুমুকি

স্বপ্না বেজবৰুৱা

ভাৰতবৰ্ষলৈ চুবুৰীয়া ৰাষ্ট্ৰ কেইখনৰ পৰা অবৈধ অনুপ্ৰবেশ বাঢ়ি অহা বিষয়টোৱে ইতিমধ্যে ভাৰতৰ ৰাজনৈতিক বতাহত কঁপনি তুলিছে । আনকি ভাৰতৰ প্ৰধানমন্ত্ৰীয়েও ভাৰতলৈ বাংলাদেশৰ পৰা অবৈধ অনুপ্ৰবেশ বাঢ়ি অহাৰ কথা স্বীকাৰ কৰি লৈছে । নিৰ্বাচনী আয়োগেও বিদেশী নাগৰিক থকা অঞ্চলবোৰ চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰলৈ এক নিৰ্দেশাৱলী প্ৰেৰণ কৰিছে । এই নিৰ্দেশে ভোটাৰ তালিকাত বিদেশীৰ নাম সোমোৱাটোকে আও পকীয়াকৈ স্বীকাৰ কৰিছে ।

পঞ্চাশৰ দশকৰ পৰাই বাংলাদেশীৰ অসমলৈ অনুপ্ৰবেশ ঘটি আছিল যদিও ৮০ দশকত ই এটা স্পৰ্শকাতৰ বিষয় হৈ পৰিল । উল্লেখযোগ্য যে ১৯৫০ চনৰ পৰা অসমৰ ভোটাৰ তালিকাত ভোটাৰৰ সংখ্যা বৃদ্ধি হৈছিল প্ৰায় ১ লাখ ১৩ হাজাৰ মানকৈ । কিন্তু ১৯৭০–৭১ চনলৈ মাত্ৰ এবছৰৰ ভিতৰত বৃদ্ধি হৈছিল ৬ লাখ ৩২ হাজাৰ ২৯০ জন । তেতিয়াৰ পৰাই অসমত বিদেশীৰ বিষয়টো আলোচিত হৈ হৈ '৭৯ চনত জনজাগৰণৰ সৃষ্টি হৈছিল । সেই সময়ত কেন্দ্ৰীয় চৰকাৰে বিদেশীৰ অবৈধ অনুপ্ৰবেশটো ভাৰতীয় সমস্যা বুলি গণ্য কৰা নাছিল । পাছলৈ ইয়াক ভাৰতীয় সমস্যা বুলি স্বীকৃতি দি ১৯৮৫ চনত আছুৰ লগত চুক্তিবদ্ধ হ'ল যদিও বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ কোনো প্ৰক্ৰিয়া আৰম্ভ নহ'ল । অসমীয়া জনসাধাৰণে ৫ বছৰ অ গ প চৰকাৰৰ হাতলৈ মুখলৈ চাই থাকোতেই পাৰ হৈ গ'ল । ১৯৯০ চনত প্ৰস্তুত কৰি উলিওৱা ভোটাৰ তালিকাত ভোটাৰৰ সংখ্যা অস্বাভাৱিক ভাৱে বৃদ্ধি হোৱাত অবৈধ অনুপ্ৰবেশকাৰী বিদেশী নাগৰিকে যে ভাৰতীয় সাংবিধানিক অধিকাৰো কাঢ়ি লৈছে সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰ সচকিত হৈ পৰিল । অসমতো ৰাজনৈতিক, অৰাজনৈতিক সকলো সংগঠনে অসমৰ ৰাজনীতিত হুংকাৰ তুলিলে । মুখ্যমন্ত্ৰী শইকীয়াইয়ো পাছত ৰাজনৈতিক কৌশলগত কাৰণত বিদেশী নাই বুলি কলেও তেওঁ বিধান সভাৰ মাজ মজিয়াত ৩০ লাখ বিদেশী আছে বুলি কৰা স্বীকাৰোক্তি অসমীয়া মানুহে পাহৰি যোৱা নাই । সদৌ অসম ছাত্ৰ সংস্থাইও ১৯৮৫ চন আৰু ১৯৯০ চনৰ ভোটাৰ তালিকাত অবৈধ বিদেশী নাগৰিকৰ নাম সোমাই থকা বুলি দাবী কৰি এই তালিকা সংশোধনৰ বাবে নিৰ্বাচনী আয়োগৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰিলেগৈ ।

## সংখ্যালঘু ৰাজনীতি

ভাৰতৰ নিৰ্বাচনী আয়োগে ভোটাৰ তালিকা পুনৰ প্ৰস্তুত কৰিবলৈ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰোতেই অসমত অন্য এক ৰাজনীতিয়ে গা কৰি উঠিল । সংখ্যালঘুৰ ৰাজনীতি । কং (ই) ৰ কেইবাজনো মন্ত্ৰী বিধায়ক, ইউ এম এফৰ বিধায়ক, যোৱা নিৰ্বাচনত কং (ই) হাতত পৰাজয় বৰণ কৰা কেইবাজনো সংখ্যালঘু সম্প্ৰদায়ৰ ৰাজনৈতিক নেতা, মন্ত্ৰীৰ স্বামী আদিকে ধৰি ভালে সংখ্যক নেতা 'কৌমী তানজীম' নামৰ সংগঠনৰ বেনাৰত থিয় হ'ল । 'কৌমী তানজীম' নামৰ তথাকথিত সংখ্যালঘুৰ উন্নয়নমূলক সংগঠনটোৰ সভালৈ আহি সংখ্যালঘুৰ হকে কান্দিবলৈ কংগ্ৰেছৰ সকলো মন্ত্ৰী বিধায়কৰ সৌভাগ্য হোৱা নাছিল । সৌভাগ্যৰ অধিকাৰী হোৱা সকল আৰু নোহোৱা সকলক লগ ধৰি আমি 'কৌমী তানজীম' আৰু অসমৰ বিদেশী নাগৰিকৰ সম্পৰ্কে তেওঁলোকৰ মতামত জানিবলৈ বিচাৰিছিলো ।

'কৌমী তানজীম'ৰ সভাপতি আনোৱাৰ হুছেইনৰ পৰা জানিব পৰা গ'ল যে – এই সংগঠনটো কংগ্ৰেছৰ সংগঠন । দিল্লীৰ কংগ্ৰেছী নেতা তাৰিক আনোৱাৰে তেওঁক অসমত এই সংগঠন গঢ়ি তোলাৰ বাবে উৎসাহিত কৰিছে ।

> সীমান্ত যেনে অৰক্ষিত অৱস্থাত আছে সেইটো দেখিলে অসমত বিদেশী নাই বুলি মই ক'ব নোৱাৰো ।
>
> –আনোৱাৰ হুছেইন

> অসমত দুই এজনৰ বাদে হাজাৰ হাজাৰ বিদেশী থকা কথাটো ভিত্তিহীন ।
>
> –আফজালুৰ ৰহমান

ইয়াত প্ৰত্যক্ষ আৰু পৰোক্ষ দুই ধৰণেৰে কংগ্ৰেছৰ লগত জড়িত মানুহবোৰেই সদস্য । যদিও সকলো ৰাজনৈতিক মানুহেই জড়িত তথাপিও তানজীমৰ পোছাকটো কিন্তু অৰাজনৈতিক অনুষ্ঠানৰ । আনোৱাৰ হুছেইনৰ কথাৰ পৰা জানিব পৰা গ'ল যে ইয়াত কোনো সাংবাদিকো জড়িত হৈ আছে ।

আনোৱাৰ হুছেইনৰ মতে– অসমত বিদেশী থকাটো অসম্ভৱ নহয় । কাৰণ সীমান্ত যেনে অৰক্ষিত অৱস্থাত আছে সেইটো দেখিলে অসমত বিদেশী নাই বুলি মই ক'ব নোৱাৰো । কিন্তু কেন্দ্ৰীয় চৰকাৰে কোৱাৰ দৰে মই অনুমানত ক... কব পাৰিম । ক'ত আছে কিমান আছে মই ক... নোৱাৰো । কাৰণ ভোটাৰ তালিকাত সকলো বৈধ মানুহৰ নামেই আছে । মোৰ সমষ্টিত যদি কোনোবাই বিদেশী উলিয়াব পাৰে তেন্তে মই ৰাজনীতিয়েই এৰি দিম । বিদেশী চিনাক্তকৰণ বা বিদেশী খেদাত মোৰ আপত্তি নাই । কিন্তু ১৯৭৯ পৰা যি অৱস্থা হ'ল সেয়া যদি বিদেশী খেদা বা চিনাক্তকৰণৰ নমুনা হয় তেন্তে সাধাৰণ মানুহ নালাগে মই মন্ত্ৰী হৈয়ো সন্ত্ৰস্ত হোৱাতো স্বাভাৱিক । বৰ্তমান মাটিৰ যি সমস্যা তাত কোনো মুছলিম মানুহে নিজৰ মাটিৰ ভাগ বিদেশী মানুহক নিদিয়ে । কাৰণ মাটি বাৰী লৈ মুছলিম মানুহৰ নিজৰ ককাই-ভাইৰ মাজতে কাজিয়া হয় । মানকাছাৰ অঞ্চলত মানুহৰ থকা ঘৰ খেৰৰ কিন্তু গৰু ৰখা ঘৰ টিনৰ । তলা লগাব পৰা দুৱাৰ থকা । কাৰণ বাংলাদেশৰ মানুহে গৰু চুৰ কৰি নিয়ে । সেইফালে অহৰহ মানুহ অহাটো অসম্ভৱ নহয় । কিন্তু তেওঁলোক আহি মাটি বাৰী সম্পত্তি কৰাতহে অসুবিধা ।

আনোৱাৰা টাইমুৰৰ নেতৃত্বত সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ কংগ্ৰেছৰ মাজতে সংগঠিত হৈছে নেকি বুলি সোধা উত্তৰত হুছেইনে কয় যে– আমাৰ সংখ্যালঘুৰ কোনো নেতা নাই । গতিকে মুখ্যমন্ত্ৰী শইকীয়াকহে আমাৰ নেতা বুলি ভাবো । টাইমুৰৰ নেতৃত্ব স্বীকাৰ কৰি লোৱাটো প্ৰশ্নই নুঠে । ব্যক্তিগত ভাবে মই, টাইমুৰে মোৰ প্ৰতি কৰা অন্যায় নাপাহৰো । অসম আন্দোলনৰ সময়ত যেতিয়া মোক আছুৱে বৰ্জন কৰি ঘেৰাও কৰি ৰাখিছিল, সেই সময়ত টাইমুৰ মুখ্যমন্ত্ৰী আছিল । মই নিৰাপত্তাৰ খাতিৰত স্কুলৰ পৰা বদলি বিচাৰোতে টাইমুৰে মোক যি দুৰ্ব্যৱহাৰ কৰিছিল সেইটো অন্যায়

মই জীৱনত নাপাহৰো। ইয়াৰ উপৰিও শইকীয়া চৰকাৰে বৰ্তমান যি সুস্থিৰ অৱস্থাৰ সৃষ্টি কৰিছে হঠাৎ যদি কিবা কাৰণত চৰকাৰৰ পতন ঘটিবলৈ হয় তেন্তে আমাৰ অৱস্থা আগতকৈ বেয়াহে হ'ব। গতিকে আমি শইকীয়াক সম্পূৰ্ণ সমৰ্থনহে জনাম। পদত্যাগৰ কথাটো এজনে ৰসিকতা কৰি কোৱা কথাহে আছিল। সভাৰ সিদ্ধান্ত নহয়।

মুছলিম সম্প্ৰদায়ৰ জনসংখ্যা বৃদ্ধি সম্পৰ্কে আনোৱাৰ হুছেইনে কয় যে- আমাৰ সম্প্ৰদায়ৰ মানুহৰ জন্মৰ হাৰ অলপ বেছি। কিন্তু চৰ অঞ্চলত বাস কৰা মানুহ নদীৰ খহনীয়াৰ কাৰণে এঠাইৰ পৰা অন্য ঠাইলৈ গতি কৰে। সেয়ে এটা সমষ্টিত যদি জনসংখ্যা বাঢ়িছে এটা সমষ্টিত কমিছে বা ৫ বছৰে একেই আছে। গতিকে কোনো সমষ্টিত বাঢ়ি যোৱা ভোটাৰ সকল বিদেশী বুলি ক'ব নোৱাৰি। আনহাতে বিদেশী নাই বুলিও ক'ব নোৱাৰো কাৰণ দিল্লীত ৰিক্সা চলাই থকা বাংলাদেশৰ নাগৰিকক মই নিজে লগ পাইছো।

## ভাৰতবৰ্ষ এখনেই থাকিব লাগিছিল -

কৌমী তানজীমৰ অন্যতম প্ৰধান নেত্ৰী হ'ল - প্ৰাক্তন মুখ্যমন্ত্ৰী, বৰ্তমান কৃষি মন্ত্ৰী আনোৱাৰা টাইমুৰ। কৌমী তানজীমৰ নাম উল্লেখ কৰোতেই টাইমুৰ একপ্ৰকাৰ জ্বলি পকিয়েই উঠিল - কৌমী তানজীম কোনো নতুন সংগঠন নহয়, ইয়াৰ সভা আগতেও বহুবাৰ অনুষ্ঠিত হৈছিল। এইবাৰ ভোটাৰ তালিকা প্ৰসঙ্গটো ওলোৱাৰ বাবেই ইমান ডাঙৰ কথা হ'লনে ? ভোটাৰ তালিকাৰ উপৰিও ইয়াৰ নিয়োগ ব্যৱস্থা, সংখ্যালঘুৰ সংৰক্ষণ ব্যৱস্থা, কংগ্ৰেছৰ সংগঠনৰ কথা, তানজীমৰ সংগঠন ইত্যাদি বহু বিষয় আলোচিত হৈছিল। নিৰ্বাচনী আয়োগৰ পৰা অহা নিৰ্দেশাৱলীৰ ওপৰত আলোচনা হৈছিল। লগতে এই কথাও কোৱা হৈছিল যে- এই বাৰ যাতে ভোটাৰ তালিকা প্ৰস্তুত কৰোতে কোনো ভাৰতীয় নাগৰিকৰ হাৰাশাস্তি নহয় তাৰ ওপৰত দৃষ্টি ৰাখিব লাগে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ ওপৰত ভৰসা ৰাখিবলৈহে মই পৰামৰ্শ দিছিলো। কাৰণ হিতেশ্বৰ শইকীয়া সংখ্যালঘুৰ ডাঙৰ বন্ধু। তেওঁ ১৯৯০ চনৰ ভোটাৰ তালিকাক ভিত্তি হিচাপে লোৱা হ'ব আৰু সংখ্যালঘুৰ হাৰাশাস্তি নহয় বুলি আশ্বাস দিছে। ১৯৮৩ চনতো তেওঁৱেই সংখ্যালঘুসকলক খুৱাই বুৱাই ঘৰ দুৱাৰ সাজি দি নিৰাপত্তা দিছিল। তেনে ক্ষেত্ৰত তেওঁৰ নেতৃত্বৰ পৰা আঁতৰি অহাৰ প্ৰশ্নই নুঠে। মই কোনো দিনে মুখ্যমন্ত্ৰীৰ আসনৰ বাবে হাবিয়াস কৰা নাই। ইন্দিৰাজীয়ে পাতি দিওঁতেও মই আপত্তিহে কৰিছিলো। শইকীয়াৰ লগত কোনো দিনে প্ৰতিযোগিতাতো নমা নাই।

আমি ৰাজনীতিত নতুন মানুহ নহয়। বাতৰি কাকতত আমাৰ বিৰুদ্ধে হুলস্থূল কৰিলেই আমি ভয় নাখাওঁ। আমি কামৰ মানুহ কাম কৰিহে ভাল পাওঁ। আপোনালোকৰ কলম তৰোৱালতকৈও চোকা। কাকত বিক্ৰী হ'বৰ বাবে যিহকে তিহকে প্ৰকাশ কৰে। সেয়ে মই আজিকালি সাংবাদিকক দেখাই নকৰো। কাকতত লিখা কথা বিশ্বাসও নকৰো। কাৰণ আমি জানো যে যিটো সত্য সেইটো বেলিৰ দৰে ওলাই আহিব।

বিদেশীৰ কথা উল্লেখ কৰাত টাইমুৰে কলে- অসমত বিদেশী থকা নথকা সম্পৰ্কে মুখ্যমন্ত্ৰীয়েহে ভালদৰে জানিব। মুখ্যমন্ত্ৰীয়ে যি কৈছে সেইটোৱেই সঁচা। অসমত বিদেশী থাকিব নোৱাৰে। ১৯৭১ চনৰ পাছত কোনো বিদেশী আহিব নোৱাৰে। যদি আহিছে তাৰ ৰেকৰ্ড গভৰ্ণমেণ্টৰ ওচৰতহে থাকিব। মোৰ ওচৰত নাই। যদি ১৯৭১ চনৰ পাছত কোনোবা আহিছে তেন্তে তেওঁক বহিষ্কাৰ কৰিব লাগে। কিন্তু ১৯৯০ চনৰ ভোটাৰ তালিকা বহুত চালি জাৰি চাইহে প্ৰস্তুত কৰা হৈছে আৰু শুদ্ধ বুলি মানি লোৱা হৈছে। অ গ প চৰকাৰে বিদেশী খেদাৰ কথা কৈয়েই ক্ষমতালৈ আহিছিল। কিন্তু বিদেশী খেদিব নোৱাৰিলে। এতিয়া শইকীয়াই অসমলৈ শান্তি ঘূৰাই অনাৰ বাবে বিৰোধী পক্ষই পুনৰ এই বিষয় লৈ হুলস্থূল আৰম্ভ কৰিছে। টাইমুৰে ধাৰাসাৰে কৈয়েই গ'ল- সকলোকে হকে বিহকে বিদেশী বুলি ক'ব নাপায় নহয়। আপোনাক যদি বিদেশী বুলি কয় তেন্তে আপুনি কেনে পাব। এইদৰে অসমখন ভাগ ভাগ কৰিলে। আচলতে এইবোৰহে দেশদ্ৰোহী। অসমত সকলো মানুহেই বেলেগ বেলেগ ঠাইৰ পৰা অহা। কোনোবা আগতে অহা কোনোবা পাছত অহা কথা ইমানেই। ৰাজনৈতিক কাৰণত এইবোৰ ইছ্যু কৰা হয়। আচলতে ভাৰতবৰ্ষ এখনেই থাকিব লাগিছিল। মহাত্মা গান্ধীয়ে দুখন কৰাৰ বাবেহে আজি ঘটং মটং হৈ আছে। অলপ দিন ৰোৱা হলেই একেলগে স্বাধীন হ'ব পাৰিলেহেঁতেন।

> **১৯৯০ চনৰ ভোটাৰ তালিকা বহুত চালিজাৰি চাইহে প্ৰস্তুত কৰা হৈছে আৰু শুদ্ধ বুলি মানি লোৱা হৈছে।**
>
> —আনোৱাৰা টাইমুৰ
>
> **নিৰ্বাচনী আয়োগে যি চাৰ্কুলাৰ দিছে সেই চাৰ্কুলাৰক লৈ সংখ্যালঘুৰ মনত ভয় হৈছে।**
>
> —জেহিৰুল ইছলাম

কৌমী তানজীম নামৰ সংখ্যালঘু উন্নয়ন সংগঠনৰ সভালৈ আমন্ত্ৰণ পোৱা দুজন কেবিনেট মন্ত্ৰী হ'ল জেহিৰুল ইছলাম আৰু মহিবুল হক।

জেহিৰুল ইছলামৰ মতে- নিৰ্বাচনী আয়োগৰ পৰা অহা চাৰ্কুলাৰখন এখন অস্পষ্ট চাৰ্কুলাৰ। কাৰণ ৰাজ্য চৰকাৰে বিদেশী নাগৰিক থকা অঞ্চল কিহৰ ভিত্তিত চিনাক্ত কৰিব ? তেওঁৰ মতে অসমত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ কম। গতিকে ইয়াত কোনো বিদেশী থকাৰ সম্ভাৱনা নাই। মানকাছাৰ সমষ্টিত বাংলাদেশৰ পৰা আহি গৰু চুৰ কৰি নিয়ে আৰু অবাধ গতিত চোৰাং ব্যৱসায় চলে বুলি ইছলামে স্বীকাৰ কৰিছে। যদিও বিদেশী অহা কথাটো ভিত্তিহীন বুলি মন্তব্য কৰে। তেওঁৰ মতে চৰ অঞ্চলৰ পৰা চহৰলৈ বিভিন্ন কামত টুপী পিন্ধা আৰু দাড়ি থকা মানুহ আহিলেই আমাৰ মানুহে বাংলাদেশী বুলি ধৰি লয়।

'কৌমী তানজীম'ৰ প্ৰতি কেবিনেট মন্ত্ৰী জেহিৰুল ইছলামৰ সহানুভূতি নথকা নহয়। তেওঁ কয় যে- মই সংখ্যালঘুৰ নেতা নহয়। তেনে চেন্টিমেণ্ট লৈ মই নিৰ্বাচিত হৈ অহা নাই আৰু সংখ্যালঘুৰ ৰাজনীতি মই নকৰো। কিন্তু নিৰ্বাচনী আয়োগে যি চাৰ্কুলাৰ দিছে সেই চাৰ্কুলাৰক লৈ সংখ্যালঘুৰ মাজত ভয় হৈছে। সেয়ে 'কৌমী তানজীম'ৰ সভাত এই বিষয়ে আলোচনা কৰা হৈছিল। যোৱা ৫ টা বছৰত বিদেশী চিনাক্ত কৰাৰ নামত যি দৰে লক্ষ লক্ষ মানুহ দিনৰ পাছত দিন শাৰী পাতি চহৰলৈ আহিব লগা হৈছিল, যি দৰে শাৰী পতা অৱস্থাত সন্তান প্ৰসৱ হৈছিল সেই অৱস্থা যাতে নহয় তাৰ বাবে কি ব্যৱস্থা লোৱা হ'ব সেই আলোচনাই কৌমী তানজীমৰ সভাত ঠাই পাইছিল। আলোচনাৰ অন্তত আনোৱাৰা টাইমুৰৰ নেতৃত্বত মন্ত্ৰী সকলক মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰিবলৈ দায়িত্ব দিয়া হৈছিল।

কেবিনেট মন্ত্ৰী আফজালুৰ ৰহমানৰ কৌমী তানজীমৰ প্ৰতি বিশেষ আস্থা নাথাকিলেও সংবাদ মাধ্যমৰ প্ৰতি কিন্তু গভীৰ ক্ষোভ আছে। তেওঁৰ মতে বাতৰি কাকতত প্ৰকাশ কৰা সকলো কথাই ভিত্তিহীন। কৌমী তানজীমৰ দৰে মুখ্য কাৰ্যালয় দিল্লীত থকা সামাজিক সংগঠনৰ প্ৰতি ৰহমানৰ কোনো বিশ্বাস নাই।

আফজালুৰ ৰহমানৰ মতে- অসমত দুই এজনৰ বাদে হাজাৰ হাজাৰ অবৈধ বিদেশী থকা কথাটোও ভিত্তিহীন। তেওঁৰ মতে বিদেশী বিষয়টো সম্পূৰ্ণ ৰাজনৈতিক। ১৯৫০ চনৰ পৰাই ইয়াক এৰা ধৰাকৈ চলাই অহা হৈছে আৰু প্ৰত্যেক বাৰেই সংখ্যালঘু সকলক হাৰাশাস্তি কৰা হৈছে। বিদেশী বুলি কোনো হিতেশ্বৰ শইকীয়া, হোমেন বৰগোহাঞিক নটিছ (Notice) দিয়া নহয়। কিন্তু ৰহমান, আলি, হুছেইনক দিয়া হয়। মোৰ সমষ্টিত আগৰ বাৰ ভোটাৰ তালিকা প্ৰস্তুত কৰোতে ৪০ হাজাৰ মানুহক Notice দিয়া হৈছিল। কিন্তু এজনকো বিদেশী বুলি প্ৰমাণ কৰিব নোৱাৰিলে। লুঙি, টুপী, দাড়ি দেখিলেই বাংলাদেশী বুলি ভবাটো ভুল। চৰ অঞ্চলত বাস কৰা মানুহবোৰ নদীৰ গৰাখহনীয়াৰ কবলত পৰি ইঠাইৰ পৰা সিঠাইলৈ যায়। তেওঁলোক কেতিয়াও বিদেশী হ'ব নোৱাৰে। সীমান্ত অঞ্চলত বাংলাদেশী আহি গৰু চুৰ কৰি নিয়ে। কিন্তু নাথাকে গুচি যায়।

জেহিৰুল ইছলামৰ দৰে আফজালুৰ ৰহমানৰ মতেও বাংলাদেশী গৰু চুৰ কৰিবলৈহে আহে, থাকিবলৈ নাহে। ৰাজ্যিক মন্ত্ৰী ইছমাইল হুছেইনে কিন্তু অসমত বিদেশী নাই বুলি ক'ব বিচৰা নাই। তেওঁ কলে কৰবাত বিদেশী থাকিব পাৰে কিন্তু আমি নাজানো। সীমান্ত অঞ্চলত কাঁইটীয়া তাঁৰৰ বেৰাই যথেষ্ট নহয়। তেনে তাঁৰৰ মাজেৰে অবাধ গতিত মানুহ অহা যোৱা কৰিব পাৰে। সেই বুলিয়েই চৰ অঞ্চলত বাস কৰা মানুহ মাত্ৰেই বিদেশী হ'ব নোৱাৰে। নদীৰ গৰাখহনীয়াত পৰি চৰবাসী টালিয়ে টোপোলাই ইঠাইৰ পৰা সিঠাইলৈ আশ্ৰয় বিচাৰি যায়। বহুতেই তেওঁলোকক বিদেশী বুলি সন্দেহ কৰে। এনে ধাৰণা সম্পূৰ্ণ ভিত্তিহীন। মুছলিম সম্প্ৰদায়ৰ মানুহে মাটি বাৰীৰ লগত নিজৰ ককাই ভাইৰ মাজতে কাজিয়া কৰে তেনেস্থলত কোনো বিদেশীক আশ্ৰয় নিদিয়ে। কিছুমান অঞ্চলত দ্ৰুতগতিত জনসংখ্যা বাঢ়ি অহাৰ কাৰণ হ'ল চৰ অঞ্চল বা ভিতৰুৱা গাওঁ অঞ্চলত অশিক্ষিত মুছলমান সকলৰ মাজত জন্মনিয়ন্ত্ৰণৰ ব্যৱস্থা নথকা আৰু বহুবিবাহৰ প্ৰচলন থকাটো। এইবিলাক নিজে নেদেখিলে অনুমান কৰিব নোৱাৰি।'

কৌমী তানজীম সম্পৰ্কে ইছমাইল হুছেইনে ক'লে - নামটো শুনিয়েই ক'ব নোৱাৰি তাৰ কাম কেনেকুৱা হ'ব। তানজীম সম্পৰ্কে আগতে একো নজনাৰ বাবেই কেৱল নামটো শুনি সভালৈ যোৱা নাছিলো। কাৰোবাৰ নাম ভগৱান দাস হ'লেও গাওঁখনৰ ভিতৰত সিয়েই একেবাৰে বেয়া মানুহ হ'ব পাৰে বা লালছাঁদ একেবাৰে কুঞ্চচ মানুহ হ'ব পাৰে। কৌমী তানজীমৰ ক্ষেত্ৰতো তেনে হ'ব পাৰে। সংখ্যালঘুৰ বাবে তেনে সংগঠনৰ প্ৰয়োজন নাই। এয়া দিল্লীৰ বতাহ। সেই বতাহ আমাৰ অসমৰ নেতাৰ গাতো লাগিছে। ইয়াত সংখ্যালঘুৰ স্বাৰ্থ জড়িত নাই। ই দিল্লীৰ নেতা তাৰিফ আনোৱাৰৰ ৰাজনীতিহে মাথোন।

## চাৰ্কুলাৰ খন বিজেপি অফিচৰ পৰা অহা যেনহে লাগে-

কৌমী তানজীমৰ সভাত বাতৰি কাকতত ওলোৱাৰ দৰে কোনো কথা হোৱা নাছিল। মাত্ৰ নিৰ্বাচনী আয়োগৰ পৰা অহা চাৰ্কুলাৰখন লৈ আমি অসন্তুষ্ট। চাৰ্কুলাৰখন মুছলমান সম্প্ৰদায়ৰ স্বাৰ্থৰ বিৰুদ্ধে গৈছে। এইখন বি জে পিৰ অফিচৰ পৰা অহা যেনহে লাগে। যিহেতু ভোটাৰ তালিকাৰ নামত সংখ্যালঘু সকল বাৰে বাৰে হাৰাশাস্তি খাই আহিছে সেয়েহে এনে এখন চাৰ্কুলাৰ আহিলে আমি ভয় খোৱাটো স্বাভাৱিক। কাৰণ ঘৰ পোৱা গৰুৱে আকাশ ৰঙা দেখিলেই ভয় খায়। এই কথা সিদিনা সভাত জেহিৰুল ইছলামেও কৈছে। নদীয়ে ভঙা মানুহবোৰ য'তে ত'তে মুকলি চৰকাৰী মাটিত বস্তি পাতি থাকে। তাকে সকলোৱে বাংলাদেশী বুলি কয়। আনকি ধৰ্ম প্ৰচাৰৰ বাবে দল বান্ধি যোৱা লোক সকলোকো বিদেশী বুলি সন্দেহ কৰে। দিল্লীৰ নিজামাবাদত থকা লোক সকলো ধৰ্ম প্ৰচাৰকহে, বিদেশী বাংলাদেশী নহয়। বাংলাদেশৰ পৰা এজনো মানুহ অসমলৈ অহা নাই। বৰং অসমৰ পৰা বহুত মানুহ বাংলাদেশলৈ গৈছেহে।

তানজীমৰ সভাত পদত্যাগ সম্পৰ্কে কোনো আনুষ্ঠনিক সিদ্ধান্ত লোৱা নাই। মৌখিক ভাবে, ঘৰুৱা ভাবে বহুত কথাই কোৱা হয়। সিদিনাৰ সভাত বহুতো মানুহ আছিল যিসকল ৰাইজৰ প্ৰতিনিধি নহয়। তেওঁলোকেও বহুত কথা কৈছিল। সকলো সভাৰ সিদ্ধান্ত নহয়। আমি সংখ্যালঘুৰ নিৰাপত্তাৰ কথা পাতিছো। যদি আমি চৰকাৰত থাকোতে নিৰাপত্তাহীনতাত ভুগিব লগা হয় তেন্তে পদত্যাগ কৰি ৰাইজৰ মাজলৈ যোৱাটোৱেই ভাল হ'ব, এনে ধৰণে অনানুষ্ঠানিক কথা কোৱা হৈছিল। কিন্তু শইকীয়াৰ ওপৰত আমাৰ সম্পূৰ্ণ আস্থা আছে। আৰু তেওঁৰ লগত কথা পাতিবলৈ সভাৰ সিদ্ধান্ত মৰ্মে মন্ত্ৰীসকলক দায়িত্ব দিয়া হৈছে। অনানুষ্ঠানিকভাবে তো নিৰ্বাচনৰ সময়ত ভোটৰ কাৰণে বহুতে মাটিৰ খাজনা দিব নালাগে,

> **সংখ্যালঘুৰ উন্নয়নৰ বাবে কৌমী তানজীমৰ নিচিনা সংগঠনৰ প্ৰয়োজন নাই।**
>
> —ইছমাইল হুছেইন
>
> **নিৰ্বাচনী আয়োগৰ চাৰ্কুলাৰখন মুছলমান সম্প্ৰদায়ৰ স্বাৰ্থৰ বিৰুদ্ধে গৈছে। এইখন বি জে পি-ৰ অফিছৰ পৰা অহা যেনহে লাগে।**
>
> —ৰছিদুল হক

ৰেলত বিনা ভাৰাই যাবলৈ পাৰি, যায় তাকে বিয়া কৰাব পাৰি, যিম সিমান মদ খাব পাৰি, আদি ব কয়। কিন্তু চৰকাৰ এখন পত এইবোৰ সম্ভৱনে ? কৌমী তানজী ভাল বেয়া নকওঁ। কিন্তু আমাৰ সম্প্ৰদায়ৰ কথা কোনোবাই যদি কয় ভাল পাওঁ। যদি বি জে পি তেওঁলোকও ভাল। কাৰণ মোৰ বি সংখ্যালঘু বিভাগ। কিন্তু বিদেশী দুখীয়া সংখ্যালঘুৰ হাৰাশাস্তি হ'লে পাওঁ। দাড়ি, লুঙী, টুপী থাকিলে নহয়। আৰু ধৰ্মীয় আলোচনা কৰ নহয়। অসমত কোনো ভূমিপুত্ৰ ন বিভিন্ন ঠাইৰ পৰা অহা লোক অসমীয়া জাতি হৈছে।'

এতিয়া দেখা গৈছে যে প্ৰায় স্বীকাৰ কৰে যে মুছলিম সম্প্ৰদায়ৰ বেছি। গতিকে এইদৰে জনসংখ্যা হলে অসমতো এটা সময়ত বাংলা ভয়ানক দৰিদ্ৰতাই দেখা দিব।

সীমান্ত অঞ্চলত বাংলাদেশীয়ে গৰু নিয়ে বুলিও কেইবাজনো বিশিষ্ট নেতা কৰিছে। তাৰ পৰাই স্পষ্ট হৈ প সীমান্ত একেবাৰে সুৰক্ষিত নহয়। সীমান্ত সুৰক্ষাৰ ব্যৱস্থা নহলে ইয়াত খেদিব লাগে বুলি যিমানেই ঢাক ঢোল নহওক তাৰ একো ফল নধৰে। মন্ত্ৰী ইছলামৰ কথাৰ পৰা জানিব পৰা সীমান্তৰ চোৰাং ব্যৱসায়ত সীমান্তৰক্ষী হৈ থাকে। যদি সীমান্তৰক্ষী তেনে হ তেন্তে ৰক্ষক বঢ়াইও একো লাভ নাই সীমান্তও পাকিস্তান সীমান্তৰ দৰে স্ব বুলি কেন্দ্ৰীয় চৰকাৰে অনুভৱ কৰিব লা

এইখিনিতে এটা অতি মন কৰি বিষয় হ'ল যে কৌমী তানজীমৰ আনোৱাৰ হুছেইনে কোৱা মতে কৌমী কংগ্ৰেছৰে অনুষ্ঠান। ভাৰতৰ ইতিহাস দেখা যায় যে ভাৰতৰ স্বাধীনতা আগে কিছুমান মুছলমান নেতাই কংগ্ৰেছৰ চুকতে বুকতে কামোৰটো মাৰি ভাৰত বিভ বীজৰোপণ কৰিছিল। সেইদৰে এতি কংগ্ৰেছৰ মাজতে কৌমী তানজীম নামৰ গোট কৰি তেনে এক অবাঞ্চনীয় পৰিস্থি সৃষ্টি যে নকৰিব তাক এতিয়াই ডাঠি নোৱাৰি।

এফালে বিদেশী নাগৰিকৰ ৰাজনীতি আ আনফালে সংখ্যালঘুৰ ৰাজনীতিৰ মাজত যা অসমৰ প্ৰকৃত সমস্যা ওলমি নাথাকে তাৰ প্ৰতি অসম চৰকাৰো সজাগ হোৱাৰ সময় আহি পৰিছে। হিন্দুয়েই হওক বা মুছলমানেই হওক সকলো যদি অসমত অসমীয়া হিচাপে জীয়াই নাথাকে তেন্তে অসমত শইকীয়া, টাইমুৰ, মহন্ত, ফুকন কোনো মুখ্যমন্ত্ৰী হ'বলৈ নাপায়।

মুখ্যমন্ত্ৰীৰ স'তে এখন্তেক

# অসমৰ শেহতীয়া পৰিস্থিতিৰ ওপৰত মুখ্যমন্ত্ৰী শইকীয়াৰ প্ৰতিক্ৰিয়া আৰু তাৰ বিশ্লেষণ

দেৱব্ৰত বৰগোহাঞি

অসমৰ ৰাইজৰ উপকাৰত আহক বা নাহক, এই কেইদিন কিন্তু বাতৰি কাকত গোষ্ঠীবোৰে গৰম গৰম খবৰ ৰাইজক বাৰুকৈয়ে যোগান ধৰিব পাৰিছে। শইকীয়া চৰকাৰৰ বিপক্ষে অহা প্ৰত্যাহ্বানবোৰ কাকতত বৰ বৰ হৰফেৰে প্ৰকাশ কৰাৰ তীব্ৰ প্ৰতিযোগিতা চলিছে। দুখনমান অতি বিপ্লৱী কাকতৰ কলম পিহা বৰ বৰ অসমপ্ৰেমী সকলে এই কেইদিন দুগুণ উৎসাহেৰে তেওঁলোকৰ নিত্য-নৈমিত্তিক কৰ্ম ফেৰাত লাগি পৰিছে! কিজানিবা কিবা এটা হয়েই। এখন কাকতৰ শিৰোনামাই কিমান বাৰ শইকীয়া চৰকাৰৰ পতন ঘটাৰ ভৱিষ্যদ্বাণী কৰিলে তাৰ হিচাপ ইতিমধ্যে পাঠক সমাজে পাহৰি পেলাইছে চাগৈ! দৌটোতে ৰৌটো কৰি বিগত বছৰটো এওঁলোকে পাৰ কৰালে। দিল্লীত ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰী গৰাকীক কেই চেকেণ্ডমান সাক্ষাৎ কৰি আহি বিপ্লৱী কাকতৰ সম্পাদক এগৰাকীয়ে মুখ্যমন্ত্ৰী গৰাকীৰ কাৰ্যকাল অতি শীঘ্ৰেই অন্ত পৰিব বুলি যি ফোৰোহনি মাৰিছিল তাকে দেখি আমি ভাবিছিলো কিবা এটা সঁচাকৈয়ে হ'ব! কিন্তু পিছত গম পালো সেয়া মাননীয় সম্পাদক মহাশয়ৰ অদ্ভুত কল্পনাহে আছিল। অকল সেইবাৰেই নে? তাৰ পিছত কেইবাবাৰো তেখেতে তুমুল ভৱিষ্যত বাণী কৰি অসমখন তোলপাৰ লগাই দিছে। পিছে দুখৰ বিষয়, সেই বিখ্যাত জ্যোতিষী সম্পাদক গৰাকীৰ এটাও ভৱিষ্যদ্বাণী আজিলৈকে ফলিওৱা আমাৰ চকুত নপৰিল। উজনি অসমৰ উক্ত কাকতখনৰেই কেইজনমান সচেতন পাঠকে এখেতক অসমৰ এজন শ্ৰেষ্ঠ ফ্লপ জ্যোতিষী হিচাপে আখ্যা দিছে।

**আন্দোলনৰ বতৰ ঃ** অসমত এতিয়া পুনৰ বিভিন্ন আন্দোলনৰ গৰম হাৱা বলিছে। আবছুৱে সুদীৰ্ঘ দিনৰ বিৰতিৰ পাছত পুনৰ এক জংগী আন্দোলনৰ হুমকি দিছে। সদৌ অসম ছাত্ৰ সংস্থাইও বিদেশী নাগৰিক বহিষ্কাৰ, ভোটাৰ তালিকা সংশোধন, অসম চুক্তি ৰূপায়ণ আদিক ইছ্যু হিচাপে লৈ পুনৰ আন্দোলনত নামি পৰিছে। 'কৌমী তনজীম' নামৰ নৱগঠিত সংগঠন এটাৰ বেনাৰৰ তলত শাসকীয় দলৰ সংখ্যালঘু মুছলমান সম্প্ৰদায়ৰ মন্ত্ৰী বিধায়ক সকলে গোপনে এক ষড়যন্ত্ৰত লিপ্ত হৈছে। ভোটাৰ তালিকা সংশোধনৰ নামত সংখ্যালঘু মুছলমান সম্প্ৰদায়ৰ লোকসকলক হাৰাশাস্তি কৰিলে শাসকীয় দলৰ সমূহ মুছলমান সম্প্ৰদায়ৰ মন্ত্ৰী বিধায়কসকলে একেলগে পদত্যাগ কৰিব বুলি সিদ্ধান্ত লোৱাৰ খবৰ পোৱা গৈছে। মুঠতে এই সকলোবোৰ মিলি দিছপুৰ আজি উত্তাল। পৰিস্থিতিৰ সবিশেষ বুজ লবৰ বাবে এই প্ৰতিবেদকে অলপতে মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াক তেখেতৰ বাসভৱনত লগ কৰিছিল।



> কোনো এজন সচেতন ব্যক্তিয়েই ছাত্ৰসংস্থাৰ এই আন্দোলনৰ কাৰ্যসূচীক সমৰ্থন নকৰিব বুলি মই বিশ্বাস কৰো। কাৰণ আছুৱে নতুন বটলত পুৰণি মদ ভৰাবলৈ যে ব্যৰ্থ প্ৰয়াস কৰিছে, তাক সকলোৱে সুন্দৰকৈ বুজি উঠিছে।"

সদৌ অসম ছাত্ৰ সংস্থাৰ শেহতীয়া আন্দোলনৰ কাৰ্যসূচী সম্বন্ধে মুখ্যমন্ত্ৰীৰ মতামত জানিবলৈ বিচৰাত তেখেতে "আছুৰ বিষয়ে কিনো কওঁ, একো দেখোন কব লগীয়াই নাই" বুলি হাঁহি মাৰি প্ৰথমতে কবলৈ ইচ্ছা কৰা নাছিল।

–"আচলতে এই আন্দোলনৰ কোনো প্ৰয়োজন আছে বুলি মই একেবাৰেই নাভাবো। সমগ্ৰ অসমবাসীয়েও আজি এই আন্দোলনৰ কোনো প্ৰয়োজনীয়তা অনুভব কৰা নাই। পাঁচ বছৰ ক্ষমতাত অসম গণ পৰিষদে সগৌৰৱে ৰাজত্ব কৰাৰ সময়ত আছুৱে ইয়াৰ বিষয়ে কিবা চিন্তা কৰিছিল জানো? ক্ষমতা হেৰুৱাৰ পিছত এওঁলোকৰ গাত এতিয়া পোৰণি উঠিছে! অসমবাসীৰ বিশ্বাসঘাতক ৰূপত অৱতীৰ্ণ হোৱা আছুৱে পুনৰ অসমপ্ৰেমীৰ সাজযোৰ জোৰ জবৰদস্তি পিন্ধিবলৈ ওলোৱা দেখি আমাৰ হাঁহি উঠিছে। কোনো এজন সচেতন ব্যক্তিয়েই ছাত্ৰসংস্থাৰ এই আন্দোলনৰ কাৰ্যসূচীক সমৰ্থন নকৰিব বুলি মই বিশ্বাস কৰো। কাৰণ আছুৱে নতুন বটলত পুৰণি মদ ভৰাবলৈ যে ব্যৰ্থ প্ৰয়াস কৰিছে, তাক সকলোৱে সুন্দৰকৈ বুজি উঠিছে।"

বড়ো আন্দোলন পুনৰ মূৰ দাঙি উঠিছে। এয়া কাৰ ভুলৰ বাবে হ'ব লগা হৈছে? এই প্ৰশ্নৰ উত্তৰ দিওঁতে মুখ্যমন্ত্ৰীক যথেষ্ট দৃঢ় যেন দেখা গৈছিল।

"আবছুৰ এই আন্দোলনটোৰো কোনো প্ৰয়োজন নাছিল। ইতিমধ্যে বড়ো নেতৃবৃন্দ আৰু চৰকাৰৰ মাজত কেইবা লানিও আলোচনা অনুষ্ঠিত হৈ গৈছে। আলোচনা বহু দূৰ ফলৱতীও হৈছে। কিন্তু দুখৰ বিষয়, কিছুমান বিষয়ত বড়ো নেতৃবৃন্দৰ আঁকোৰগোজ মনোভাবৰ বাবে আমি আগবাঢ়িব পৰা নাই। মই জনামতে তেওঁলোকৰ সংগঠনে ইতিমধ্যে ৰাইজৰ সমৰ্থন হেৰুৱাই পেলাইছে। যি কি নহওক এতিয়ালৈকে তেওঁলোকে যিমানখিনি পাইছে, সেয়া একমাত্ৰ মোৰ প্ৰচেষ্টাতহে সম্ভৱ হৈছে।"

বড়োসকলৰ সমস্যাৰ প্ৰতি চৰকাৰে গুৰুত্ব নিদিলে পুনৰ অসম জ্বলি উঠিব বুলি তেওঁলোকে হুমকি দিছে?

"অসমখন পুনৰ অশান্ত হৈ পৰিলে কাৰ লাভ হব? সৰ্বসাধাৰণ দুখীয়া শ্ৰেণীটোৱেহে ইয়াৰ ফলত সবাতোকৈ ক্ষতিগ্ৰস্ত হ'ব। কোনো ধৰণৰ হিংসাত্মক কাৰ্যসূচী তেওঁলোকে নলব বুলিয়েই মই বিশ্বাস ৰাখিছো। সমস্যাটো সমাধানৰ বাবে আমি পূৰামাত্ৰাই প্ৰচেষ্টা চলাই আছো।"

প্ৰায় একদশক কাল হত্যা, অশান্তি আদিত জৰ্জৰিত হৈ পৰা অসমে শান্তিৰ মুখ দেখা পোৱা বৰ বেছি দিন হোৱা নাই। বিগত বছৰটোত ৰাইজে শান্তিৰে এগৰাহ ভাত মুখলৈ নিবলৈ সক্ষম হৈছিল। সকলোৱে স্বস্তিৰ নিশ্বাস এৰিছিল। কিন্তু দুখৰ বিষয় অসমৰেই কিছুমান মূধাফুটা সংগঠনৰ এনে শান্তিপূৰ্ণ পৰিবেশটো সহ্য হোৱা নাই। তীব্ৰ ষড়যন্ত্ৰ কৰিছে অসমখনক পুনৰ বধ্যভূমিত পৰিণত কৰিবলৈ। কিন্তু আজি পৰ্যন্ত পৰা নাই। অসমৰ ৰাইজে এই ফোপোলা অসমপ্ৰেমী সংগঠনবোৰৰ ভিতৰৰ স্বৰূপ বাৰুকৈয়ে উপলব্ধি কৰিছেগৈ। উক্ত সংগঠনবোৰৰ শ্লোগানে ৰাইজৰ অন্তৰত পূৰ্বৰ দৰে কোনো আবেগ-অনুভূতিৰ জন্ম দিব পৰা নাই। কাৰণ অসমৰ ৰাইজে দ্বিতীয় বাৰৰ বাবে এখন নেলী, গহপুৰ বা দুলীয়াজানৰ সৃষ্টি হোৱাটো বিচৰা নাই। ১৯৮৫ ৰপৰা '৯০লৈকে ৰাজ্যখনত স্তিমিত হৈ পৰা উন্নয়নমূলক কাম-কাজ বৰ্তমানৰ শইকীয়া চৰকাৰে কিছুদূৰ হ'লেও আগুৱাবলৈ সক্ষম হৈছে। উদাহৰণ হিচাপে চৰকাৰৰ নিয়োগ নীতিৰ কথাকে আঙুলিয়াব পাৰি। অগপ চৰকাৰৰ দিনত একেৰাহে চাৰিবছৰ নিয়োগ বন্ধ কৰি ৰখাৰ ফলত কেইবালাখো নিবনুৱাৰ সৃষ্টি হ'ল। স্নাতক আৰু স্নাতকোত্তৰ উপাধি ধাৰী নিবনুৱা যুৱক-যুৱতীৰ জীৱনলৈ অন্ধকাৰ নামি আহিল। আটাইতকৈ দুৰ্ভাগ্যজনক আনকালে নঘটা ঘটনা এটাও অগপৰ দিনতেই সংঘটিত হ'ল। কাৰিকৰী শিক্ষাৰে উচ্চশিক্ষিত হাজাৰ হাজাৰ অভিযন্তাক অ গ প চৰকাৰেই বিষম ভাবে প্ৰতাৰিত কৰি চৰম হতাশাত ভুগিবলৈ বাধ্য কৰালে। ইয়াতকৈ দুখৰ বিষয় আৰু কিবা আছেনে? অৱশ্যে বৰ্তমানলৈকে শইকীয়া চৰকাৰে আশ্বাস দিয়াৰ বাহিৰে অন্য বিশেষ কাৰ্যপন্থা এইক্ষেত্ৰত লোৱা আমাৰ চকুত পৰা নাই। চাকৰি নিযুক্তিত দুৰ্নীতি হোৱা খবৰটোক মিছা বুলি একাষাৰে উৰাই দিব নোৱাৰি। মুখ্যমন্ত্ৰী শইকীয়াই ইয়াক পাকে প্ৰকাৰান্তৰে হ'লেও স্বীকাৰ কৰি লৈছে। ইতিমধ্যে দুৰ্নীতি নিবাৰণৰ বাবে মুখ্যমন্ত্ৰীয়ে ব্যাপক প্ৰচেষ্টা লোৱাৰ খবৰ পোৱা গৈছে। যি সমাজ ব্যৱস্থাত আমি সততে উঠা বহা কৰিছো সেই ব্যৱস্থাটো মুখ্যমন্ত্ৰী একোজনাৰ প্ৰচেষ্টাত সলনি হ'ব বুলি ভবাটো এক অলীক কল্পনা মাথোন। অসমৰ আজিৰ এই জৰাজীৰ্ণ অৱস্থাটো শইকীয়া চৰকাৰে গুৰুত্ব সহকাৰে উপলব্ধি কৰি ইয়াৰ উপসৰ্গবোৰ বাছি উলিয়াই চিকিৎসা কৰিবলৈ লওঁতেই অন্য এক আজব খবৰে মুখ্যমন্ত্ৰীক আচৰিত কৰি তুলিছে।

অসম মন্ত্ৰী সভাৰ মুছলমান সম্প্ৰদায়ৰ মন্ত্ৰী আৰু বিধায়কসকলে ভোটাৰ তালিকা সংশোধনৰ নামত সংখ্যালঘু মুছলমান সকলক চৰকাৰে হাৰাশাস্তি কৰিলে একেলগে সকলোৱে পদত্যাগ কৰিব বুলি বিভিন্ন কাকতত দেখিবলৈ পোৱা গৈছে। শাসকদলৰ প্ৰতি এয়া আন এক গুৰুতৰ প্ৰত্যাহ্বান। এই সম্বন্ধে মুখ্যমন্ত্ৰী শইকীয়াৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ তাক জানিবলৈ বিচৰাত তেখেতে এনেদৰে কয়–

"যদি সেইবিলাক কাকতত ওলোৱাৰ দৰে সত্য হয়, তেন্তে সেয়া বৰ দুৰ্ভাগ্যৰ বিষয়। সঁচাই যদি তেখেত সকলৰ মাজত তেনে ধৰণৰ আলোচনা হৈছে, সেইবোৰে তেখেতসকলৰহে অধিক ক্ষতি কৰিব। আনৰ নহয়। সৰ্বসাধাৰণ ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু ৰাইজৰ এইবোৰৰ পৰা একো উপকাৰত নাহে। সেই দুখীয়া মানুহবোৰ অসমত আজিও সহায়হীন আৰু নিৰাপত্তাহীন। কেতবোৰ ৰাজনৈতিক নেতাই সেই অসহায় মানুহখিনিক লৈ ৰাজনীতিহে কৰিব পাৰিব, তেওঁলোকৰ উন্নতি কৰিব নোৱাৰে। যিটো গোটেই দেশখনৰ বাবেই ক্ষতিকাৰক। কিন্তু মোৰ বিশ্বাস তেওঁলোকে তেনে আলোচনা কৰা নাই। এইবোৰ কাগজৰহে কথা।"

## সাম্প্ৰদায়িক সংঘৰ্ষ হ'ব পাৰে নেকি?

'সাম্প্ৰদায়িক সংঘৰ্ষ' শব্দটো উচ্চাৰণ কৰিবলৈকে ভয় লাগে। একমাত্ৰ আমাৰ অসম ভূমিতেই শ শ বছৰ ধৰি হিন্দু মুছলিমৰ মাজত সম্প্ৰীতিৰ জৰিডাল নিকপ্‌কপীয়াকৈ আছে। অলপো ঘূণে ধৰা নাই। সাম্প্ৰদায়িক সংঘৰ্ষই ভাৰতৰ একমাত্ৰ অসমতহে একো প্ৰভাব পেলাব পৰা নাই। ৰাম-জনমভূমি– বাবৰি মছজিদ ইছ্যুক লৈ যি সময়ত সমগ্ৰ ভাৰতবৰ্ষই উত্তাল হৈ পৰিছে, সেই সময়ত নীৰৱে আছে আমাৰ অসমখনহে। কতো সাৰসুৰ এটিও নাই। হাজোৰ পোৱা মক্কা আৰু হয়গ্ৰীৱ মাধৱদেৱৰ মন্দিৰ ইয়াৰ অন্য এক জ্বলন্ত উদাহৰণ। ছবছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত অসমৰ এচাম উগ্ৰজাত্যাভিমানী মানুহৰ বাবে নেলী আৰু গহপুৰত নৃশংস হত্যা যজ্ঞ অনুষ্ঠিত হৈছিল। এই হত্যাযজ্ঞক সকলোৱে তীব্ৰ ভাষাৰে গৰিহণা দিছিল। অসমৰ বাবে সেয়া কলংকিত অধ্যায়, যাক আজিও প্ৰতিগৰাকী অসমবাসীয়ে দুখ আৰু ঘৃণাৰে স্মৰণ কৰে। সৰ্বসাধাৰণ অসমীয়া মানুহখিনিৰ স'তে খাটিখোৱা সংখ্যালঘু মুছলমান ৰাইজৰ কোনো বিৰোধ আগতেও নাছিল আৰু আজিও নাই।

কিন্তু অতি দুৰ্ভাগ্যৰ বিষয় যে বৰ্তমান অসমত ন্যস্ত স্বাৰ্থ পূৰণ কৰিবলৈ এচাম ধুৰন্ধৰ ৰাজনীতিবিদৰ জন্ম হৈছে। সংখ্যালঘু মুছলমান সম্প্ৰদায়ৰ ত্ৰাণকৰ্তাৰ ৰূপত আৱিৰ্ভাৱ হোৱা এই চাম ৰাজনীতিবিদে নিজৰ মুনাফাৰ বাবে আমাৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰিছে। বিদেশী সমস্যাটোৰ অপব্যাখ্যা কৰি এই ৰাজনীতিবিদ সকলে পুনৰ অসমখন উতলা কৰিব বিচাৰিছে। হিন্দু-মুছলমানৰ মাজত বিভাজনৰ ৰেখাডাল টানি এওঁলোকে কিবা ভাল কাম কৰিছে বুলি আমাৰ মুঠেই ধাৰণা হোৱা নাই।

যোৱা সংখ্যাৰ 'সূত্ৰধাৰ'ৰ সম্পাদকীয়ত অসমৰ স্বনামধন্য সাহিত্যিক হোমেন বৰগোহাঞিয়ে মুছলিম মানসিকতাৰ ওপৰত সুন্দৰ চিত্ৰ এখন দাঙি ধৰিছে। সংখ্যালঘু মুছলিম সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰাৰ নামত এচাম ৰাজনীতিবিদে যি ঘৃণনীয় পন্থা অৱলম্বন কৰিছে, সিয়েই অসমত এদিন ৰক্তাক্ত সাম্প্ৰদায়িক সংঘৰ্ষৰ পাতনি মেলিব বুলি বৰগোহাঞিদেৱে আগতীয়াকৈ ভৱিষ্যত বাণী কৰিছে। আমি আশা কৰিছো হিন্দু মুছলিমৰ পৱিত্ৰ মিলনভূমি আমাৰ অসমত যেন কোনো কালেই সাম্প্ৰদায়িক সংঘৰ্ষৰ বিষ বাষ্প বিয়পি নপৰক। হোমেন বৰগোহাঞিৰ ভাষাৰেই কথাষাৰ শুনকচোন– "দুৰ্ভাগ্যৰ কথা যে অসমৰ একাংশ মুছলমান নেতাই আজি বিদেশৰ মৌলবাদী শক্তি সমূহৰপৰা গোপনে সহায় আৰু বুদ্ধি ভৰসা লৈ অসমত পুনৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিহগুটি সিঁচিবলৈ আৰম্ভ কৰিছে আৰু তাকে কৰি সংঘৰ্ষৰ পথ বাছি লৈছে। তেওঁলোকৰ অপচেষ্টা সফল হ'বলৈ হ'লে অসমত অচিৰেই আশীৰ দশকত বিদেশী খেদা আন্দোলনতকৈ বহুগুণে বেছি তীব্ৰতৰ বিদেশী খেদা আন্দোলন আৰম্ভ হ'ব আৰু তাৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ব সকলো ফালেদি দুৰ্বল আৰু পিছপৰা সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ।"

**মুখ্যমন্ত্ৰী কঠোৰ হওক ঃ** এগৰাকী প্ৰকৃত অসমপ্ৰেমী হিচাপে (লাগে তেওঁ হিন্দুৱেই হওক বা মুছলমানেই হওক) আমি প্ৰত্যেকেই বিদেশী সমস্যাটোৰ গ্ৰহণ যোগ্য সমাধান বিচাৰো। কোনো এটা জাতিয়েই ইতিহাসৰ বুকুৰপৰা আমি হেৰাই যোৱাটো নিবিচাৰো। সেইদৰে বিচৰা নাছিলো, ত্ৰিপুৰী সকলৰ আজিৰ অৱস্থাটো। বিদেশীৰ অবাধ অনুপ্ৰৱেশৰ বিৰোধিতা কৰাটো আমাৰ একো অন্যায় হ'ব নোৱাৰে। অসম বাসীয়ে 'মানৱতা' শব্দৰ মূল্য আজিও বুজে। সেইদৰে সমানে বুজিব লাগিব 'অসম বাসী'ৰ কথা সেই সকল তথাকথিত সংখ্যালঘু সম্প্ৰদায়ৰ ৰাজনীতিবিদ সকলে!

লুইতৰ বুকুৱেদি ইতিমধ্যে ৰঙা-বগা বহুতো পানী বাগৰি গ'ল। তথাপি কেলেঢোপ্ কেলেঢোপ্‌কৈ জীয়াই আছে আমাৰ অসমীয়া জাতিটো। কথাষাৰ মুখ্যমন্ত্ৰীয়ে নিশ্চয় বুজিছে ০০০০। মুখ্যমন্ত্ৰীক আমি কঠোৰ হোৱাটো বিচাৰিছো। ■

OKDISCD

# ভোটাৰ তালিকা সংশোধন ঃ

## চৰকাৰৰ সন্মুখত প্ৰত্যাহ্বান-

হিতেন মহন্ত

প্ৰায় ছয়বছৰ কাল নিতাল মাৰি থকাৰ পিছত অসমৰ বিদেশী সমস্যাক কেন্দ্ৰ কৰি পুনৰ গৰম বতাহ বলিছে। এই গৰম বতাহে পুনৰ আন্দোলনৰ ইংগিত বহণ কৰিছে। এখন চুক্তি সম্পাদিত হোৱাৰ পিছত একেটা সমস্যাক কেন্দ্ৰ কৰি দ্বিতীয়বাৰৰ বাবে আন্দোলন হোৱা ঘটনা ইতিহাসত নিশ্চয় বিৰল। এটা দশকৰ আগেয়ে বিদেশী নাগৰিকৰ সমস্যাক কেন্দ্ৰ কৰিয়েই হোৱা আন্দোলনত সাতশ ছহিদ হোৱাৰ উপৰিও আন্দোলন কাৰীৰ নিৰ্যাতন আৰু সাম্প্ৰদায়িক সংঘৰ্ষত অসংখ্য লোকে প্ৰাণ হেৰুৱাইছিল। সেই ঘটনা এতিয়া ইতিহাস হ'ল যদিও বহুতৰ বাবে সেই স্মৃতি এতিয়াও মচ খোৱা নাই। অন্ততঃ ভুক্তভোগী সকলে সেই ভয়ংকৰ দিনৰ কথা এতিয়াও পাহৰিব পৰা নাই। কিছুসংখ্যকৰ বাবে সেই আন্দোলন আছিল অস্তিত্বৰ সংগ্ৰাম। কাৰণ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ সাতশ ছহিদ হৈছিল। বহু যুৱক যুৱতী জীৱনৰ বাবে পংগু হৈছিল। কিছু সংখ্যকৰ বাবে সেই আন্দোলন আদৰ্শৰ বিৰুদ্ধে সংগ্ৰাম হৈ দেখা দিছিল। কাৰণ আদৰ্শত অটল হৈ আন্দোলনত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত থাকি প্ৰায় এশৰো অধিক লোকে প্ৰাণ হেৰুৱাইছিল। বহু যুৱক জীৱনলৈ পংগু হৈছিল। আনহাতে কিছু সংখ্যকৰ বাবে সেই আন্দোলন ক্ষমতা লাভৰ অস্ত্ৰ হৈ পৰিছিল। কাৰণ আন্দোলনৰ পাছত ক্ষমতা লাভৰ জৰিয়তে আন্দোলনৰ নেতৃত্বৰ লগতে এক সংখ্যক অসমীয়া মধ্যবিত্ত উপকৃত হৈছিল। কিন্তু আন্দোলনটোৰ মূল লক্ষ্য হ'লে পূৰণ নহ'ল। কাৰণ সমস্যাটো সমস্যা হৈয়ে থাকিল। অৱশ্যে আন্দোলন কাৰীৰ নেতৃত্বত চৰকাৰ গঠনৰ পিছত প্ৰায় পাঁচ বছৰ কাল সমস্যাটো নিতাল মাৰি আছিল। বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনৰ সমৰ্থক বাতৰি কাকত, বুদ্ধিজীৱী, সংগঠন আদিয়ে সেই পাঁচ বছৰ কাল সমস্যাটোক লৈ বিশেষ মূৰ ঘমোৱা নাছিল।

এতিয়া সেই আধা মৰা সমস্যাটোৱে পুনৰ উক দি উঠিছে। (আধামৰা সমস্যা বুলি এই কাৰণেই কোৱা হৈছে যে এটা সময়ত সমস্যাটোৰ বাস্তৱ সমাধানৰ আশা ৰাইজে এৰি দিছিল।) সমস্যাটো উক দি উঠাৰ ভিত্তি পূৰ্বৰ দৰে একেই। ভোটাৰ তালিকা। মঙ্গলদৈৰ সংসদ সদস্য হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত উপ-নিৰ্বাচনৰ বাবে প্ৰস্তুত কৰা ভোটাৰ তালিকাত সন্দেহযুক্ত বিদেশী নাগৰিকৰ নাম সন্নিবিষ্ট হোৱা বুলি উত্থাপিত অভিযোগেই ১৯৭৯ চনৰ বিদেশী খেদা আন্দোলনৰ জন্ম দিছিল। এইবাৰ অসমৰ ভোটাৰ তালিকা সংশোধনৰ সন্দৰ্ভত ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ নিৰ্দেশাৱলীক কেন্দ্ৰ কৰি পুনৰ সমস্যাটোৱে উক দিছে। আচলতে দিল্লীত একলাখতকৈ অধিক বাংলাদেশী লোকৰ অনুপ্ৰবেশৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে যেতিয়া বাংলাদেশৰ চৰকাৰৰ সৈতে যোগাযোগ আৰম্ভ কৰে, যেতিয়া সেই অনুপ্ৰবেশৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ উদ্দেশ্যে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে উঠি পৰি লাগে। তেতিয়াই বিদেশী সমস্যাটোৱে অসমত পুনৰ ভুমুকি মাৰে। ইয়াৰ পিছত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই বিদেশী সমস্যাৰ শেহতীয়া পৰিস্থিতি দাঙি ধৰিবলৈ গৈ অসম বিধান সভাৰ মজিয়াত কৈ পেলালে যে অসমত ৩০ লাখ বিদেশী নাগৰিক আছে। স্বাভাৱিকতে অসমৰ থলুৱা লোকৰ মনত মুখ্যমন্ত্ৰীৰ তথ্যই আতংকৰ সৃষ্টি কৰে। কিন্তু কংগ্ৰেছ (ই) দলৰ মুছলমান সম্প্ৰদায়ৰ বিধায়ক কেইজনে পাঁচ মিনিটত শইকীয়াৰ চৰকাৰ ওফৰাই দিয়া হ'ব বুলি যেতিয়াই হুমকি দিলে, তেতিয়া মুখ্যমন্ত্ৰীয়ে ক'লে যে অসমত এজনো বিদেশী নাগৰিক নাই। মুখ্যমন্ত্ৰীৰ পিছৰ উক্তিয়েই থলুৱা লোকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। আনহাতে ৰাজনৈতিক মহলত বিষয়টো লৈ কিছুদিন ধৰি বাক্ বিতণ্ডা চলাৰ পিছত পুনৰ নিতাল মাৰে।

কিন্তু শেহতীয়াভাবে ভোটাৰ তালিকা সংশোধনৰ সন্দৰ্ভত মুখ্য নিৰ্বাচনী আয়ুক্তৰ নিৰ্দেশাৱলী অমান্য কৰাৰ অভিযোগত পুনৰ আন্দোলন আৰম্ভ হৈছে। অৱশ্যে পূৰ্বৰ আন্দোলন আৰু এইবাৰ আন্দোলনৰ মাজত এটা পাৰ্থক্য আছে। পূৰ্বে সদৌ অসম ছাত্ৰ সংস্থাৰ নেতৃত্বত ৰাজ্যখনৰ আঞ্চলিক দলেহে বিদেশী খেদা আন্দোলনৰ গুৰি ধৰিছিল। সৰ্বভাৰতীয় ৰাজনৈতিক দলবোৰে আন্দোলনত প্ৰত্যক্ষভাবে অংশ গ্ৰহণ কৰাৰ পৰা বিৰত আছিল বা বিৰত কৰি ৰখা হৈছিল। কিন্তু এইবাৰ সৰ্বভাৰতীয় ৰাজনৈতিক দলে ভোটাৰ তালিকা সংশোধনৰ বিষয়ত প্ৰত্যক্ষভাবে জড়িত হৈ শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰণৰ দাবীত ব্যাপক আন্দোলনৰ ভাবুকি দিছে। ইতিমধ্যে ৰাজভৱনৰ সন্মুখত ধৰ্ণা দি আন্দোলনৰ কাৰ্যসূচী পালনো কৰিছে। এইক্ষেত্ৰত চি পি আই, জনতা দল, কংগ্ৰেছ (সমাজবাদী)ৰ নাম উল্লেখযোগ্য।

আঞ্চলিক দলকে ধৰি সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ মতে অসমৰ ভোটাৰ তালিকা সংশোধনৰ সন্দৰ্ভত মুখ্য নিৰ্বাচনী আয়ুক্তৰ নিৰ্দেশাৱলী ৰাজ্য চৰকাৰে উলংঘা কৰিছে। মুখ্য নিৰ্বাচনী আয়ুক্তই স্পষ্টভাবে নিৰ্দেশ দিছিল যে ভোটাৰ তালিকা সংশোধনৰ আগেয়ে বিদেশী অধ্যুষিত এলেকা আৰু সমষ্টি চিনাক্ত কৰিব লাগে আৰু সেইবোৰ ঠাইত অতি সাৱধানতাৰে ভোটাৰ গণনা কাম আৰম্ভ কৰিব লাগে। বিদেশী অধ্যুষিত এলেকা আৰু সমষ্টি চিনাক্তকৰণৰ কাম ৩১ আগষ্টৰ ভিতৰত সমাপ্ত কৰাৰ বাবেও নিৰ্দেশাৱলীত কোৱা হৈছিল। কিন্তু বিৰোধী ৰাজনৈতিক দলৰ মতে ৰাজ্য চৰকাৰে মুখ্যনিৰ্বাচনী আয়ুক্তৰ নিৰ্দেশাৱলী সম্পূৰ্ণ ৰূপে গোপনে ৰাখে। কেৱল ২২ ছেপ্তেম্বৰত সৰ্বদলীয় বৈঠকত নিৰ্দেশাৱলী মুখ্যমন্ত্ৰীয়ে পঢ়ি দিয়ে। কিন্তু ইয়াৰ আগেয়ে মুখ্যনিৰ্বাচনী আয়ুক্তৰ নিৰ্দেশাৱলী উলংঘা কৰি ৰাজ্যখনৰ সকলো ঠাইতে একেলগে ভোটাৰ গণনাৰ কাম আৰম্ভ কৰা হয়। লক্ষণীয় বিষয়টো হ'ল এয়ে যে বিৰোধী ৰাজনৈতিক দলৰ অভিযোগৰ সন্দৰ্ভত ৰাজ্যচৰকাৰে এই পৰ্যন্ত স্পষ্ট জবাব বা স্পষ্টীকৰণ দাঙি ধৰিব পৰা নাই। আচলতে মুখ্যনিৰ্বাচনী আয়ুক্তৰ নিৰ্দেশাৱলীয়ে যে ৰাজ্যচৰকাৰক শলঠেকত পেলাইছে, সেই বিষয়ে কোনো সন্দেহ নাই।

বিদেশী নাগৰিকৰ সমস্যাটোৰ জটিলতাৰ সম্পৰ্কে শেহতীয়াভাবে কেন্দ্ৰীয় চৰকাৰেও অনুধাৱন কৰিছে। বিদেশী নাগৰিকৰ অবাধ আৰু ব্যাপক অনুপ্ৰবেশ কোনেও সমৰ্থন কৰিব নোৱাৰে। যিকোনো উপায়ে এই অবাধ অনুপ্ৰবেশত বাধা দিবই লাগিব। প্ৰকৃত নাগৰিকৰ নামেৰে সন্নিবিষ্ট এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুতকৰণ হ'ল বিদেশী নাগৰিকৰ অবাধ অনুপ্ৰবেশ বাধা দিয়াৰ অন্যতম উপায়। বিদেশী নাগৰিকৰ অবাধ অনুপ্ৰবেশ যে যিকোনো জাতিৰ স্বকীয় অস্তিত্ব, সংস্কৃতি বিনষ্ট কৰে, সেই বিষয়েও কাৰো সন্দেহ নাই। সেয়ে বিদেশী নাগৰিকৰ অনুপ্ৰবেশত বাধা দিয়াটো যি কোনো এখন চৰকাৰৰে কৰ্তব্য। কিন্তু তাকে কৰিবলৈ যাওঁতে চৰকাৰকে ধৰি সকলো ৰাজনৈতিক দল, সংগঠনে যুক্তি সহকাৰে আগবাঢ়িব লাগিব। লাখ লাখ বিদেশী থকা বুলি কৈ জনসাধাৰণক উত্তেজিত কৰাটো যি দৰে উচিত নহয়, ঠিক সেইদৰে এজনো বিদেশী নাগৰিক লোক নাই বুলি ৰাইজক উপলুঙা কৰাটো নিশ্চয় সমীচীন নহয়। এনেবোৰ কথাই সমস্যা সমাধানৰ পৰিৱৰ্তে জটিলহে কৰিব।



# অসমক "লেবাননকৰণৰ" দৰ্শন আৰু পৰিণতি

হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য

*যোৱা সংখ্যাৰ পাছৰ পৰা*

পাকিস্তানৰ জন্ম হৈছিল ১৯৪৭ চনৰ ১৪ আগষ্টত আৰু মৃত্যু হৈছিল ১৯৭১ চনৰ ১৬ ডিচেম্বৰৰ দিনা, যিদিনা পাকিস্তানৰ মুছলমান সেনাবাহিনীয়ে ঢাকাৰ ৰে'চ-কোৰ্চ পথাৰত ভাৰতীয় সেনাবাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। জিন্নাৰ পাকিস্তানৰ জীৱদ্দশা আছিল মাত্ৰ ২৪ বছৰ ৪ মাহ ২ দিন। পাকিস্তানৰ মৃত্যুৰ লগে লগে মৃত্যু হৈছিল জিন্নাচাহাবৰ দ্বিজাতীয় সূত্ৰৰ; অৱশ্যে মৃত্যু হোৱা নাছিল মৌলবাদী মৌলবীসকলৰ দ্বাৰা নিয়ন্ত্ৰিত ৰাজনীতিৰ। পিছে অৱশিষ্ট পাকিস্তানৰ জীৱন যন্ত্ৰণা উক্ত ২৪ বছৰতকৈ কোনোগুণে কম নহয়। পাকিস্তানৰ ৰাজনৈতিক ইতিহাস চমুকৈ উনুকিয়ালেহে ধৰ্মীয় মৌলবাদী ৰাজনীতিয়ে দেশ এখনক কেনেধৰণে চৰম দুৰ্দ্দশাগ্ৰস্ত কৰিব পাৰে তাৰ কিছু উমান পোৱা যায়।

১৯৪৭ চনৰ পৰা ১৯৭১ চনলৈ পাকিস্তানক ভিন ভিন সময়ত শাসন কৰিছিল ৯ জন গৱৰ্ণৰ জেনেৰেল, প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়ে। কিন্তু এখেতসকলৰ এজনৰো গণতান্ত্ৰিক ভাষাত কোনো ৰাজনৈতিক বৈধতা নাছিল। আনকি ১৯৭২ চনত প্ৰধানমন্ত্ৰীৰ গাদী দখল কৰা ভুট্টোচাহাবৰো কোনো ৰাজনৈতিক বৈধতা নাছিল। কাৰণ যি নিৰ্বাচনৰ ভিত্তিত ভুট্টোৱে ক্ষমতা দখল কৰিছিল (সেই নিৰ্বাচনৰ) ফলাফলমতে শ্বেখ মুজিবুৰ ৰহমানেহে পাকিস্তানৰ প্ৰধানমন্ত্ৰী হব লাগিছিল। তদুপৰি অবিভক্ত পাকিস্তানৰ মৃত্যুৰ লগে লগে এই নিৰ্বাচনটোও অপ্ৰাসঙ্গিক হৈ পৰিছিল। মুঠতে অবিভক্ত পাকিস্তানৰ প্ৰকৃত অৰ্থত নিৰ্বাচন হৈছিল মাত্ৰ এবাৰেই। মৌলবাদী পাঞ্জাবী মুছলমানসকলে এই নিৰ্বাচনৰ ফলাফল মানি লবলৈ অস্বীকাৰ কৰিলে বাবেই পাকিস্তানৰ বিভাজন হ'ল।

পাকিস্তানত ১৯৪৭ৰ পৰা ১৯৮৮ লৈকে মুঠতে তিনিবাৰ সেনাবাহিনীয়ে সশস্ত্ৰ বিদ্ৰোহ (coup d'etat) কৰিছিল। ১৯৫১ চনত লিয়াকৎ আলিখানৰ বিৰুদ্ধে হোৱা বিদ্ৰোহ ব্যৰ্থ হৈছিল; ইয়াৰ পিছত ১৯৫৮ চনত সশস্ত্ৰ অভ্যুত্থানৰ জৰিয়তে জেনাৰেল আয়ুবখানে ক্ষমতা দখল কৰিছিল। পুনৰ ১৯৭৭ চনত জেনাৰেল জিয়াউল হকে সশস্ত্ৰ বিদ্ৰোহ কৰি ভুট্টোক ক্ষমতাচ্যুত কৰি নিজে ক্ষমতা দখল কৰিছিল আৰু সুদীৰ্ঘ এঘাৰ বছৰ সেনাবাহিনীৰ সহায়ত (১৯৭৭ৰ পৰা ১৯৮৮ লৈ) পাকিস্তানক শাসন কৰিছিল। বিমান দুৰ্ঘটনাত হঠাতে মৃত্যু নোহোৱা হ'লে জিয়াৰ সামৰিক একনায়কত্ববাদ আৰু কিমান দিন চলিলেহেঁতেন সেয়া এতিয়া অনুমানৰ বিষয়হে।

গণতন্ত্ৰৰ লাইখুঁটা হ'ল ক্ষমতাৰ পৃথকীকৰণ আৰু মতামত প্ৰকাশ কৰাৰ স্বাধীনতা। কাৰ্যবাহী ক্ষমতা, আইন প্ৰণয়ন কৰা সকলৰ ক্ষমতা আৰু ন্যায়ালয়ৰ ক্ষমতা পৃথকীকৰণৰ দ্বাৰা গণতান্ত্ৰিক শাসন-পদ্ধতিক সঞ্জীৱনী শক্তি দিয়া হয়। কিন্তু ভুট্টোৱে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ দ্বাৰা ক্ষমতালৈ অহা বুলি দাবী কৰিছিল যদিও ৰাষ্ট্ৰৰ সকলো ক্ষমতা নিজৰ কাৰ্যবাহী ক্ষমতাৰ অধীনস্থ কৰি লোৱাৰ বাদেও বাতৰিকাকতৰ স্বাধীনতাও ক্ষুণ্ণ কৰিছিল। আনকি তিনিখন বাতৰিকাকতৰ সম্পাদক আৰু প্ৰকাশকসকলক গ্ৰেপ্তাৰ কৰি আটক কৰি ৰাখিছিল। সমগ্ৰ ৰাজনৈতিক প্ৰক্ৰিয়াটোকে অমানৱীয় ৰূপ দি শাসনযন্ত্ৰটোক এটা অপৰাধীচক্ৰৰ হাতৰ পুতলা কৰি পেলাইছিল। অৱশ্যে অৱশেষত গৈ জিয়াৰ হাতত ফাঁচিকাঠত ওলমি ভুট্টোৱে তাৰবাবে চৰমমূল্য দিবলগীয়া হৈছিল তাক আটায়ে জানে। অৰ্থাৎ ভুট্টোৰ বাবে গণতন্ত্ৰ এটা আৰ্দশ নাছিল—আছিল ৰাষ্ট্ৰৰ সকলো ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত কৰাৰ এটা উপায় মাথোন। সদ্যসমাপ্ত গৃহযুদ্ধখনৰ পৰা ভুট্টোৱে শিকনি লৈছিল বুলি কোনেও দুষিব নোৱাৰে। নহ'লেনো পাকিস্তানী সেনাবাহিনীৰ চাৰিটাকৈ ডিভিজন নিয়োগ কৰি বালুচীসকলে বিচৰা আঞ্চলিক স্বাতন্ত্ৰ্যৰ আন্দোলন ধ্বংস কৰিবলৈ হেজাৰ হেজাৰ বালুচী ৰাইজক হত্যা কৰে আৰু শ শ বালুচী নেতাক ফাঁচিৰ কাঠত ওলোমায়নে? বহুতো বিষয়াক কোনো বিচাৰ নকৰাকৈ একপক্ষীয়ভাবে বৰ্খাস্ত কৰিছিল আৰু এই নীতি নিয়ম বহিৰ্ভূত পৰিস্থিতিৰ মৌলবাদী মোল্লাসকলে পূৰ্ণসুযোগ গ্ৰহণ কৰি ভুট্টোক নিজকে এটা সময়ত তেওঁলোকৰ "ফাৰমান"ৰ বহতীয়া কৰি পেলাইছিল। মোল্লাসকলৰ হেঁচাত এটা সময়ত ভুট্টোৱে আহমেদীয়া গোষ্ঠীৰ মুছলমান সকলক অমুছলমান বুলি ঘোষণা কৰিছিল।

উল্লেখযোগ্য যে ১৯৪৭ চনৰ পৰা ১৯৮৮ চনলৈ পাকিস্তানত চাৰিটাকৈ গণহত্যা (GENOCIDE) অনুষ্ঠিত কৰা হৈছিল। ১৯৪৭ চনত লাখ লাখ হিন্দু আৰু শিখক, ১৯৫৩ চনত হেজাৰ হেজাৰ আহমেদীয়া মুছলমানক, ১৯৭১ চনত ৩৫ লাখ পূব-পাকিস্তানী মুছলমানক আৰু ১৯৪৭ চনৰ পৰা এতিয়ালৈকে হেজাৰ হেজাৰ বালুচী মুছলমান হত্যা কৰা হৈছে; ধৰ্ষণ আৰু লুটপাতৰ কথা নকলোৱেবা! এই আটাইবোৰ গণহত্যা আৰু অমানৱীয় নিৰ্যাতনৰ উৎস আছিল একেটাই – পঞ্জাৱী মুছলমান আৰু মোল্লাসকলৰ মৌলবাদী গোড়ামি। ওপৰোক্ত আহমেদীয়া গোষ্ঠীয়েই পাকিস্তানক আব্দুছ ছালামৰ দৰে পদাৰ্থবিজ্ঞানী, জাফাৰুল্লা খানৰ দৰে পৰৰাষ্ট্ৰমন্ত্ৰী উপহাৰ দিছিল; কিন্তু মুক্ত চিন্তা-চৰ্চাৰ পৃষ্ঠপোষকতা কৰা আৰু হজৰত মহম্মদক ঈশ্বৰৰ শেষজন দূত বুলি মানিব নোখোজা আহমেদীয়া গোষ্ঠী মোল্লাসকল বিচাৰত গণহত্যাৰ বাবে উপযুক্ত লক্ষ্য বুলি বিবেচিত হ'ল। গতিকে ১৯৫৩ চনৰ ৩ আৰু ৫ মাৰ্চৰ ভিতৰত মৌলানা মাউদুদি আৰু মৌলানা আব্দুছ ছাত্তাৰ নিয়াজিৰ নেতৃত্বত হেজাৰ হেজাৰ আহমেদীয়াক হত্যা কৰা হ'ল। তেখেতসকলৰ মছজিদবোৰ ধ্বংস কৰা হ'ল আৰু অৱশেষত বাধ্য হৈ ভুট্টোৱে আহমেদীয়াসকলক অমুছলমান বুলি ঘোষণা কৰিলে। ভুট্টোৱে পাহৰি গ'ল যে পাকিস্তানৰ মুখ্য ন্যায়াধীশ মুনীৰৰ নেতৃত্বত গঠিত কমিটিয়ে দ্বিধাহীনভাবে ঘোষণা কৰিছিল যে ইছলামৰ ভিতৰতে ৭৩ টা বিভিন্ন গোষ্ঠী আছে। ক্ষমতাৰ লোভে অন্ধ কৰা কোনো শাসক বা নেতাই এনেধৰণে বিভিন্নতা বা বিভিন্নতাৰ মাজত বৰ্তিথকা যোগসূত্ৰ বা ঐক্য কাহানিও চিনাক্তকৰণ কৰিব পৰা নাই; ভুট্টো অকণো ব্যতিক্ৰম নাছিল। পিছে দুখ লাগে এইবাবেই যে ভুট্টোক সমালোচনা কৰিলে আমাৰ ইয়াতো ঠায়ে ঠায়ে বুকুৰ পোৰণি উঠে। এয়া কিন্তু ইছলামীয় দৰ্শনৰ প্ৰভাৱ নহয়—প্ৰভাৱ হ'ল অন্ধ মৌলবাদী গোড়ামিৰহে! এই অন্ধ গোড়ামিৰ বাবেই ভাৰতবৰ্ষৰ হেজাৰ বছৰ চহকী সহনশীলতা আৰু একাত্ম মানৱতাবোধৰ পৰম্পৰাই এচাম মুছলমানক আজিও স্পৰ্শ কৰিব পৰা নাই।

কবলৈ গ'লে প্ৰকৃতাৰ্থত পাকিস্তানত এতিয়ালৈকে মাত্ৰ ১৯৭০ চনত এবাৰহে গণতান্ত্ৰিক নিৰ্বাচন অনুষ্ঠিত হৈছে। ১৯৭৭ চনত ভুট্টোৰ তত্বাৱধানত হোৱা সাধাৰণ নিৰ্বাচনৰ ৰায় ৰাইজে মানি নললে—কিয়নো ভুট্টোৱে দুই-তৃতীয়াংশ গৰিষ্ঠতা পাবৰ বাবে বিভিন্ন অসৎ উপায়েৰে নিৰ্বাচনৰ ফলাফল প্ৰভাৱান্বিত কৰিছিল। ইয়াৰ ফলত মিলিটাৰী পোছাক পিন্ধা জিয়াউল হক নামৰ মোল্লাজনৰ অভ্যুদয় হ'ল আৰু কস্তুৰী নামৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বী এগৰাকীক হত্যা কৰা অপৰাধত ৪/৪/৭৯ তাৰিখে ভুট্টোক ফাঁচি দিলে। জিয়াউল হকৰ

জৰ ভাষাত ক'বলৈ গ'লে - "he was estined to be hanged, he committed so nany murders. His own five years ecord, when you look back,—perhaps his was the punishment which was estined by God..... Under his own egime and perhaps with his knowledge, he daughters of respected people were ifted off the street and raped. People vere subjected to acts of sodomy, just to ake out the venom of political envity. s this human ? ------ "[India, The seige Within, by M.J. Akbar — page 60 ] প্ৰকৃততে পিছে পাকিস্তানক দ্বিখণ্ডিত কৰাৰ বাবে ভুট্টোৰ বিৰুদ্ধে পুঞ্জীভূত হৈ থকা ক্ষোভেইহে ভুট্টোক ফাঁচিকাঠত ওলমোৱাৰ কাৰণ আছিল। ইন্দিৰা গান্ধীক হত্যা কৰাৰ পিছত পাকিস্তানৰ "দন" (Dawn) নামৰ বাতৰিকাকতখনত হৰ্ষধ্বনি কৰি মন্তব্য কৰা হৈছিল "------ all The Three major Stars in the drama of Bangladesh—Mujib, Bhutto and Mrs. Gandhi had got their deserts." এই মন্তব্যটোৱেই আমাৰ ওপৰত লিখা ধাৰণা প্ৰতিপন্ন কৰে। যি নহওক গণতন্ত্ৰৰ লগত পাকিস্তানৰ হলিগলিৰ প্ৰথম অধ্যায় শেষ হৈছিল ১৯৫৮ চনত আৰু দ্বিতীয়বাৰ শেষ হ'ল ৫/৭/৭৭ তাৰিখে। অৱশ্যে জিয়াউল হকৰ শাসনকালৰ অভিলেখো কোনোগুণে কম নিন্দনীয় নাছিল। জিয়াই তেওঁৰ সকলো কাৰ্যৰ বাবে একমাত্ৰ "আল্লাৰ" ওচৰতহে দায়ী বুলি বিশ্বাস কৰিছিল। এই ৰাজনৈতিক দৰ্শনৰ ভয়াবহ ফলশ্ৰুতি সহজে অনুমেয়। প্ৰতিজন পাকিস্তানী মুছলমানে যদি নিজৰ কৰ্মৰ বাবে একমাত্ৰ আল্লাৰ ওচৰতহে দায়বদ্ধ বুলি দাবী কৰে তেতিয়া কি হব? ৰাষ্ট্ৰৰ ভূমিকাই বা কি হ'ব? মৌলবাদী গোড়ামিয়ে কি ভয়াবহ ৰূপ ল'ব পাৰে! আমাৰ দেশতো যদি এনেধৰণৰ দৰ্শনৰ প্ৰভাৱ বিস্তাৰ হয় তেনেহলে ইয়াৰ পৰিণাম কিমান ভয়াবহ হব পাৰে সেই কথাটো সোঁৱৰাই দিবলৈহে পাকিস্তান আৰু বাংলাদেশৰ ৰাজনৈতিক ইতিহাস পঢ়ুৱৈসমাজৰ ওচৰত নিবেদন কৰা হৈছে। সি যি নহওক বাৰে বাৰে প্ৰতিশ্ৰুতি দিও জিয়াই নিজৰ শাসনকালত কোনো নিৰ্বাচন নাপাতিলে। মৌলবীসকলক নিজৰফলীয়া কৰি ৰাখিব জানিছিল বাবেই সুদীৰ্ঘ ১১ বছৰ ৰাজত্ব কৰিলে-ৰাইজৰ সমৰ্থনৰ ভিত্তিত নহয়। মিলিটাৰী শাসনৰ কঠোৰ দমন পদ্ধতিৰ লগত মৌলবাদী মোল্লাসকলৰ আশীৰ্বাদৰ এক অদ্ভুত অবৈধ মিশ্ৰণ ঘটাই জিয়াই ১১ বছৰে মাথোন "ইছলামীয় গণতন্ত্ৰ"ৰ প্ৰতিশ্ৰুতি দি গ'ল। আমি পিছে ৰাজনৈতিক বিজ্ঞানৰ ইতিহাসত ইছলামীয় গণতন্ত্ৰৰ কথা পোৱা নাই-যিদৰে পোৱা নাই হিন্দু বা বৌদ্ধ গণতন্ত্ৰৰ কথা। ১৯৮১ চনৰ মাৰ্চ মাহত জিয়াই আটাইবোৰ ৰাজনৈতিক দল নিষিদ্ধকৰণ কৰা ঘটনাটো অৱধাৰিত আছিল-আশ্বৰ্যজনক মুঠেই নহয়। অৰ্থাৎ ধৰ্ম আৰু ৰাজনীতিৰ সুকীয়া অস্তিত্ব মানি ল'বলৈ জিয়া ৰাজী নাছিল। এইদৰে দৃষ্টান্তৰ পিছত দৃষ্টান্ত দিয়া সম্ভৱ। ইছলামীকৰণৰ শ্লোগান দি জিয়াই নিৰীহ জনতাক সুদীৰ্ঘ এঘাৰ বছৰ পণবন্দী কৰি ৰাখিলে মাথোন। অৱশ্যে জিয়াই কিদৰে শিখ সন্ত্ৰাসবাদীসকলক লালন পালন কৰিছিল সেইকথা প্ৰণিধানযোগ্য। কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ কাহিনীও সেই একেকথাৰে পুনৰাবৃত্তি। আনকি আফগানিস্তানতো মৌলবাদী মুছলমানসকলৰ চৰকাৰ এখন স্থাপন কৰিবলৈ জিয়াই নিজৰ জীৱদ্দশাত যৎপৰোনাস্তি চেষ্টা চলাই গৈছিল।

এই মৌলবাদী গোড়ামিৰ পৰিবেশত বেনাজিৰ ভুট্টোৰ চৰকাৰ তিষ্ঠি থকা সম্ভৱ নাছিল। যাৰ ফলত পাকিস্তানৰ শাসনভাৰ আকৌ ন্যস্ত হৈছে আন এজন মৌলবাদীৰ হাতত। নৱাজ শ্বৰীফে মৌলবাদী মোল্লাসকলৰ অশুভ প্ৰভাৱ অতিক্ৰম কৰি যাবলৈ ব্যগ্ৰ বুলি কোনেও দুষিব নোৱাৰে। উল্লেখযোগ্য যে কাশ্মীৰ আৰু পঞ্জাৱত পাকিস্তান দ্বিখণ্ডিত হোৱাৰ পোতক তুলিবলৈ ক্ৰমবৰ্দ্ধমান সন্ত্ৰাসবাদক পাকিস্তানে যি সক্ৰিয় সমৰ্থন আগবঢ়াইছে তাতেই ক্ষান্ত নাথাকি এতিয়া অসমকো আন এখন কাশ্মীৰলৈ ৰূপান্তৰিত কৰিবৰ বাবে পাকিস্তানে অসমৰ বিপথগামী, অদুৰদৰ্শী সন্ত্ৰাসবাদীসকলক সকলোধৰণৰ সাহায্য আগবঢ়াইছে। এতিয়া অসমবাসী ভাৰতীয় ৰাইজৰ ওচৰত আৰু স্বয়ং সন্ত্ৰাসবাদীসকলৰ ওচৰত আমাৰ অতি সৰল আৰু সহজ প্ৰশ্নটো হ'ল যে পাকিস্তানৰ মৌলবাদী চৰকাৰটোৰ সঁচাকৈয়ে অসমবাসীৰ দুখদুৰ্গতিৰ বাবে চকুত টোপনি নোহোৱা হৈছে নেকি?

আন কিছুমান প্ৰাসঙ্গিক কথাৰ উল্লেখ কৰি পাকিস্তানৰ কাহিনী সামৰি বাংলাদেশত ভুমুকি মৰাৰ ইচ্ছা এটা আছে।

আন আন প্ৰাসঙ্গিক কথাবোৰ হ'ল এনে ধৰণৰ ঃ (১) পাকিস্তানৰ জন্মৰ দিনৰেপৰা এতিয়ালৈকে ভাৰতবৰ্ষৰ লগত তিনিবাৰ যুদ্ধ কৰিছে আৰু প্ৰতিবাৰেই পৰাজয় বৰণ কৰিছে। প্ৰকৃততে পণ্ডিত নেহৰুৱে শান্তি আৰু গণতন্ত্ৰৰ দূত হিচাপে নিজৰ ভাবমূৰ্তি উজ্জ্বল কৰিবলৈ ব্যগ্ৰ নহ'লে সমগ্ৰ কাশ্মীৰ আজি ভাৰতৰ অন্তৰ্ভুক্ত হ'লহেঁতেন আৰু কাশ্মীৰসম্ভূত বহুতো সমস্যাৰ আনকি সৃষ্টিও নহ'লহেঁতেন। আমি আমাৰ বিশ্বাসত আজিও অটল যে নেহৰু পৰিয়াল ভাৰতবৰ্ষৰ বাবে, বিশেষকৈ অসমৰ বাবে আছিল এটা বিৰাট অভিশাপ।

(২) এতিয়ালৈকে পাকিস্তানত এবাৰ নহয়, দুবাৰ নহয় ছবাৰ সামৰিক আইন (Martial Law) বলবৎ কৰা হৈছে।

(৩) পাকিস্তানে আজিলৈকে সভ্যজগতত প্ৰচলিত মানদণ্ডৰ ভিত্তিত এখন সংবিধান উদ্ভাৱন নাইবা গ্ৰহণ কৰিব নোৱাৰিলে। এতিয়ালৈকে তিনিখন সংবিধানৰ আৱিৰ্ভাৱ হ'ল। সম্পূৰ্ণ নবছৰৰ তৰ্ক-বিতৰ্ক কৰি ১৯৫৬ চনত গ্ৰহণ কৰা সংবিধানখন জেনাৰেল আয়ুবে ১৯৫৮ চনত ভৰিৰে মোহাৰি পেলাবলৈ ন মিনিটো নালাগিল; আকৌ ১৯৬২ চনত গ্ৰহণ কৰা তথাকথিত সংবিধানখন ১৯৬৯ চনত সমাধিস্থ হ'ল। ১৯৭২ চনত ভুট্টোৱে প্ৰৱৰ্তন কৰা সংবিধানখনৰ আজি কোনো চিন মোকাম নাই।

মুঠতে পাকিস্তানৰ ইতিহাস সৰ্বসাধাৰণ ৰাইজৰ ইতিহাস নহয়। ই হ'ল এচাম মৌলবাদী মোল্লাৰ ৰাজনীতি আৰু ভাৰতবৰ্ষৰ প্ৰতি ঈৰ্ষাপৰায়ণ কিন্তু হতাশাগ্ৰস্ত আন এচাম মিলিটাৰী বিষয়াৰ বিযোদ্গাৰণৰ ইতিহাস। এই মৌলবাদী ধৰ্মান্ধতাৰ ভয়াবহ সম্যক ধাৰণা লবলৈ-আহক অলপ সময়ৰ বাবে বাংলাদেশৰ চমু ইতিহাসৰ ওপৰতো দৃষ্টিপাত কৰা যাওক।

অবিভক্ত পাকিস্তানৰ কফিনৰপৰা ফিনিক্সৰ দৰেই ৰক্তাক্ত বাংলাদেশৰ অভ্যুদয় হৈছিল। ১৯৭১ চনৰ গৃহযুদ্ধত বাংলাদেশৰ প্ৰশাসন, অৰ্থনীতি, যোগাযোগ ব্যৱস্থা আৰু শৈক্ষিক পৰিবেশ সম্পূৰ্ণভাবে বিধ্বস্ত হৈ গৈছিল। এনেধৰণৰ এটা অতি অস্বাভাৱিক প্ৰতিকূল পৰিস্থিতিত শ্বেখ মুজিবুৰ ৰহমানে শাসনভাৰ গ্ৰহণ কৰিছিল; কিন্তু সেই পৰিস্থিতি চম্ভালিব পৰা কৰ্মকুশলতা, দূৰদৃষ্টি আৰু দৃঢ়তা মুজিবৰ নাছিল। আন্তৰ্জাতিক ক্ষেত্ৰতো মুজিব সম্পূৰ্ণভাবে ব্যৰ্থ হৈছিল। বাংলাদেশৰ দহকোটি মানুহক খুৱাবৰ বাবে একমাত্ৰ ভাৰতবৰ্ষ আৰু ৰাছিয়াৰ পৰাহে সাহায্য পাইছিল। আনকি আমেৰিকা যুক্তৰাষ্ট্ৰইও পি - এল ৪৮০ আঁচনিমতে বাংলাদেশক খাদ্যসামগ্ৰীৰ সাহায্য দিবলৈ স্বীকৃত নহ'ল। পাকিস্তানৰ বিভাজন ঘটোৱা বাবে নিক্সন-কিছিঞ্জাৰ গোষ্ঠীয়ে মুজিবক কোনো দিনেই ক্ষমা নকৰিলে। লাহে লাহে মুজিবৰ ওপৰতো মৌলবাদীসকলৰ প্ৰভাৱ প্ৰকট হৈ উঠিল। যিসকল অন্তৰঙ্গ অনুগামী আৰু বন্ধুৰ সহায়ত বাংলাদেশক মুজিবে স্বাধীন কৰিলে সেই শুভাকাঙ্খী বন্ধুসকলৰ উপদেশ অগ্ৰাহ্য কৰি মুজিবে যেতিয়া পাকিস্তানে লাহোৰত আহ্বান কৰা ইছলামীয় শীৰ্ষসম্মিলনখনত ১৯৭৪ চনত যোগদান কৰিলে, তেতিয়া মৌলবাদী আৰু প্ৰতিক্ৰিয়াশীলসকলৰ চক্ৰটোৰ পুনৰ অভ্যুত্থান নিশ্চিত হৈ পৰিল। লাখ লাখ জনতাক হত্যা কৰা পাকিস্তানৰ লগত মিতিৰালি পাতিবলৈ ওলোৱাৰ লগে লগে মুজিবৰ "ৰোমান্টিক" ভাবমূৰ্তিৰ বিস্তৰ ক্ষতি হ'ল আৰু বাংলাদেশে স্বীকাৰ কৰি লোৱা ধৰ্মনিৰপেক্ষতাৰো ইমানতে কবৰ যাত্ৰা আৰম্ভ হ'ল। উদাৰপন্থী, বিশ্বস্ত অনুগামীসকল হতাশ হ'ল আৰু মুজিব তেখেতসকলৰপৰা বহুদূৰলৈ আঁতৰি গ'ল। আনহাতে তেতিয়াও বাংলাদেশত যিসকল বুদ্ধিজীৱী অৱশিষ্ট আছিল-তেখেতসকলে মুজিবে ভুট্টোৰ লগত মিতিৰালি পাতিবলৈ কৰা প্ৰয়াসক চৰম বিশ্বাসঘাতকতা বুলি গণ্য কৰিলে। ওপৰোক্ত শীৰ্ষসম্মিলনত যোগদান কৰি মুজিবে আৰব দেশসমূহৰপৰা বিশেষ কোনো সুবিধা আদায় কৰিব নোৱাৰিলে; মাথোন ইৰাক একমাত্ৰ ব্যতিক্ৰম আছিল। চৌদি আৰবীয়াই আনকি বাংলাদেশক আনুষ্ঠানিক স্বীকৃতি জনাবলৈও ৰাজী নহ'ল। ভিক্ষাৰ শূন্যপাত্ৰ লৈ উভতি আহিবলগীয়া হোৱা বাবে মুজিব নিজৰ দেশতে অকলশৰীয়া হৈ পৰিল। দুৰ্নীতি, ৰাজহুৱা ধন আত্মসাৎ কৰা কেলেঙ্কাৰি বিদেশৰপৰা পোৱা সাহায্য সামগ্ৰীসমূহৰ অসৎ প্ৰয়োগ ইত্যাদি এশ এবুৰি সমস্যাই মুজিবক যেতিয়া অসহায়বোধ কৰালে, তেতিয়া মুজিবে সংবিধান সংশোধনৰ চিন্তা কৰিলে। পৰিস্থিতি চম্ভালিবৰ বাবে সংসদীয় গণতন্ত্ৰ যথেষ্ট নহয় বুলি ৰাষ্ট্ৰপতিৰ আৰ্হিৰ শাসন পদ্ধতি প্ৰৱৰ্তন কৰি মুজিবে নিজকে ৰাষ্ট্ৰপতি বুলি ঘোষণা কৰিলে; কিন্তু সংসদৰ অনুমোদন নললে। অৰ্থাৎ ১৯৭২ চনত নিজেই প্ৰৱৰ্তন কৰা সংবিধানখন তিলিকতে ভৰিৰে মোহাৰি পেলালে। জনপ্ৰিয়তাৰ জখলাত মুজিব আৰু কেইখলপামান তললৈ নামি গ'ল। মিলিটাৰীৰ সহায় লৈও খাদ্যসামগ্ৰীৰ চোৰাং কাৰবাৰ বন্ধ কৰিব নোৱাৰিলে। "বিপদকালত বিপৰীতবুদ্ধি" হোৱাৰ দৰে মুজিবে এইবাৰ সকলোবোৰ বিৰোধী ৰাজনৈতিক দল আৰু বাতৰিকাকত নিষিদ্ধ বুলি ঘোষণা কৰিলে। আয়ুব, ভুট্টো, জিয়াৰ লগত তেনেহ'লে মুজিবৰ পাৰ্থক্য ক'ত থাকিল? সেই একে দৃষ্টিভঙ্গী, একে অগণতান্ত্ৰিক পদ্ধতি আৰু সবাতোপৰি সেই একে মৌলবাদী চক্ৰটোৰ অব্যাহত প্ৰভাৱ আৰু প্ৰতিপত্তি! (উল্লেখযোগ্য যে বাংলাদেশৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী খালেদা জিয়াইও ইতিমধ্যে বাতৰিকাকতৰ স্বাধীনতা ক্ষুণ্ণ কৰিছে, আৰু ভাৰতবিৰোধী চক্ৰটোৰ লগত হাতমিলাই আমাৰ দেশৰ উত্তৰ পূৰ্বাঞ্চলত সন্ত্ৰাসবাদ বিয়পাই দিবলৈ সক্ৰিয় পদক্ষেপ লৈছে।)

পিছে ইমানতো ক্ষান্ত নাথাকি মুজিবে বাংলাদেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিলে। ইয়াৰ পিছত মুজিবে প্ৰশাসনীয় আৰু অৰ্থনৈতিক সংস্কাৰৰ বাবে কিছুমান খৰতকীয়া ব্যৱস্থা ঘোষণা কৰিলে যদিও অভিপ্ৰেত ফল নাপালে; বৰঞ্চ ঘনিষ্ঠ সহযোগী আৰু বিশ্বাসীবন্ধু তাজুদ্দিন আহমেদ আৰু জেনাৰেল ওচ্মানিক ৰাজনৈতিক মঞ্চপটৰ পৰা আঁতৰাই জনমানসত দুয়োকো হেয় প্ৰতিপন্ন কৰাৰ ফলত মুজিবক নিঃস্বাৰ্থ উপদেশ দিবলৈ কোনো নাথাকিল-যাৰ ফলত মুজিব হৈ পৰিল বন্ধুহীন, সম্পূৰ্ণভাবে অকলশৰীয়া। মৌলবাদীসকলে এই সুযোগ অথলে যাবলৈ নিদিলে আৰু ১৯৭৫ চনৰ ১৫ আগষ্টৰ দিনা মুজিব সমন্বিতে বহুতকে হত্যা কৰি চালুকীয়া বাংলাদেশৰ ৰাজনীতিলৈ পাকিস্তানৰ দৰেই মৌলবাদ আৰু মিলিটাৰী শাসনৰ অবৈধ মিলনৰ জাৰজ সন্তানটো আমদানি কৰিলে। আৰম্ভ হ'ল মৌলবাদী গোড়ামিৰ ভেটিত আন এখন কৰুণ নাটক-যৱনিকা পৰিল বাংলাদেশত গণতান্ত্ৰিক প্ৰক্ৰিয়া প্ৰয়োগৰ পৰীক্ষা-নিৰীক্ষা কৰা আন এখন নাটকৰ।

পিছে পৰবৰ্তী অধ্যায়টো ইয়াতকৈ কোনো গুণে সুখদায়ক নহয়। মুজিবৰ হত্যাকাৰী সকলৰ লগত সহযোগ কৰা খন্দকাৰ মুস্তাক আহমেদক সেনাবাহিনীৰ বিষয়াসকলে শিখণ্ডী ৰাষ্ট্ৰপতিৰূপে অধিষ্ঠিত কৰিলে। নকলেও হব যে এই লোমহৰ্ষক বিশ্বাসঘাতকতাৰ গুৰি ধৰিছিল পাকিস্তানৰ চোৰাংচোৱা বাহিনীয়ে; অৱশ্যে ঢাকাত থকা মৌলবাদী পাকিস্তান সমৰ্থকসকলৰ আশীৰ্বাদপুষ্ট হৈ। বাংলাদেশৰ স্বাধীনতা সংগ্ৰামৰ প্ৰধান হোতা মুজিবৰ ৰহমানে বাংলাদেশৰ প্ৰধানমন্ত্ৰী বা ৰাষ্ট্ৰপতি হিচাপে চাৰিবছৰ কালো অতিক্ৰম কৰিব নোৱাৰিলে। ফলত বাংলাদেশতো আৰম্ভ হ'ল মিলিটাৰীৰ নিৰ্দয় প্ৰশাসনৰ সুদীৰ্ঘ ইতিহাস। মাদ্ৰাছা শিক্ষা পদ্ধতিৰ জৰিয়তে মৌলবাদ বা ধৰ্মীয় অন্ধ গোড়ামিৰ শিক্ষা লাভ কৰা বাংলাদেশৰ বুদ্ধিজীৱী বা যুৱকসমাজে এই পটপৰিবৰ্তনৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ উপলব্ধি কৰিবলৈ বহুবছৰ লাগিব যে সন্দেহ নাই। অন্ধ গোড়ামিৰ প্ৰভাৱত পৰি পাকিস্তানৰ অঙ্গ হৈও কোনো লাভ নহ'ল আৰু স্বাধীন হোৱাৰ পিছতো সাধাৰণ ৰাইজৰ উত্তৰণৰ পথ চমু হোৱাৰ কোনো ইঙ্গিত পোৱা নগ'ল।

পিছে খন্দকাৰ মুস্তাক আহমেদৰ সান্দহ খোৱা বালি তল যাবলৈও বেছি দিন নালাগিল-মুজিবক হত্যা কৰাৰ ষড়যন্ত্ৰৰ সফল ৰূপায়ণ কৰিও খন্দকাৰ ডাঙৰীয়া তিনিমাহো তিষ্ঠি নাথাকিল। ইতিমধ্যে সেনাবাহিনীৰ মাজতো অস্থিৰতা আৰম্ভ হৈছিল আৰু সমগ্ৰ সেনাবাহিনী মুজিব সমৰ্থক আৰু মুজিব-বিৰোধী দুটা দলত বিভক্ত হৈ পৰিছিল। মুজিব সমৰ্থক ব্ৰিগেদিয়াৰ খালেদ মুছাৰাফ আৰু মুজিব বিৰোধী জেনাৰেল জিয়াউৰ ৰহমানৰ মাজত সৃষ্টি হোৱা বিৰোধে লাহে লাহে তীব্ৰৰূপ ধাৰণ কৰিলে। প্ৰথম ৰাউণ্ডত ব্ৰিগেদিয়াৰ খালেদে জয়লাভ কৰিলে-অৱশ্যে ক্ষণস্থায়ী জয় ঃ ৩/১১/৭৫ তাৰিখে ব্ৰিগেদিয়াৰ খালেদে জেনাৰেল জিয়াক সমৰ্থন কৰা আৰু মুজিবৰ হত্যাত আগভাগ লোৱা ডেকা মিলিটাৰী বিষয়াসকলক বন্দীকৰি জেনেৰেল জিয়াকো কুৰ্মিতোলা কেন্টনমেন্টত নজৰবন্দী কৰিলে হয়, কিন্তু ৰাষ্ট্ৰপতি খন্দকাৰৰ ক্ষমতা নিষ্ক্ৰিয় কৰিবলৈ কোনো ব্যৱস্থা নললে। 'খালেদে বুজিয়ে নাপালে খন্দকাৰ কিমান ধূৰ্ত আছিল! খন্দকাৰে ভালদৰে বুজিছিল যে খালেদে এতিয়া জেলত বন্দী হৈ থকা উদাৰপন্থী মুজিব সমৰ্থক নেতাসকলৰ দ্বাৰা আকৌ অসামৰিক চৰকাৰৰ প্ৰবৰ্তন কৰাব। গতিকে তেওঁ নিজৰ ভতিজাক সামৰিক বিষয়া মেজৰ ৰছিদৰ সহায়ত জেলৰ ভিতৰতে বাংলাদেশৰ মুক্তিযুদ্ধৰ চাৰিজন প্ৰধান নায়ক মুজিবৰ এসময়ৰ বিশ্বস্ত অনুগামী নজৰুল ইছলাম, তাজুদ্দিন আহমেদ, কামাৰুজ্জামান আৰু মনছুৰ আলিক হত্যা কৰালে। খন্দকাৰৰ ভুট্টো বা জিয়াউল হকৰ শাসন পদ্ধতি, গুপ্তহত্যা ইত্যাদি প্ৰতি আৰ্কষণ সন্দেহৰ উৰ্দ্ধত আছিল। খালেদ যে অনভিজ্ঞ আছিল এটা কথাৰ পৰা প্ৰমাণ হয়; সামৰিক অভ্যুত্থানৰ নেতৃত্ব দি সফল হোৱাৰ পিছতে খালেদৰ ওচৰত খন্দকাৰ, জেনাৰেল জিয়া ইত্যাদি ষড়যন্ত্ৰকাৰীয়ে দেশত্যাগ কৰিবলৈ অনুমতি বিচাৰিছিল; কিন্তু ব্ৰিগেদিয়াৰ খালেদ ৰাজী নহ'ল। ইয়াৰ পৰিণতি বাৰুকৈয়ে ভোগ কৰিব লাগিব যে অৰাজনৈতিক সামৰিক বিষয়া খালেদে অনুমান কৰিব নোৱাৰিলে। খন্দকাৰ আৰু জিয়াৰ ষড়যন্ত্ৰ অব্যাহত থাকিল আৰু জিয়াৰ আকাশলঙ্ঘী আকাংক্ষাও ইতিমধ্যে ঘনীভূত হ'ল। ইয়াৰ ফলশ্ৰুতিৰূপে ৭/১১/৭৫ তাৰিখে জিয়াৰ দ্বাৰা প্ৰৰোচিত হৈ সৈন্যবাহিনীৰ চিপাহী এজনে ব্ৰিগেদিয়াৰ খালেদক গুলীয়াই হত্যা কৰিলে আৰু জিয়াই ক্ষমতা দখল কৰিবপৰা পথ প্ৰশস্ত কৰিলে। অকণো সময় নষ্ট নকৰাকৈ জিয়াই বাংলাদেশত সামৰিক আইন প্ৰৱৰ্তন কৰিলে আৰু নিজেই মুখ্য সামৰিক আইন প্ৰশাসকৰ ভূমিকা গ্ৰহণ কৰিলে। বহুতে জিয়াক বাংলাদেশৰ ইদি আমিন বুলিও আখ্যা দিছে। যি নহওক প্ৰায় দুবছৰ সামৰিক আইনৰ মুখ্য প্ৰশাসকৰ ভূমিকা পালন কৰাৰ পিছত ২৮/৪/৭৭ তাৰিখে জেনাৰেল জিয়াই নিজকে বাংলাদেশৰ স্বনিয়োজিত ৰাষ্ট্ৰপতি হিচাপে ঘোষণা কৰিলে আৰু পাকিস্তানী তথা আৰবীয় শাসনপদ্ধতিৰ পৰম্পৰাৰ অভ্যুদয় বাংলাদেশতো নিশ্চিত কৰি তুলিলে। জেনাৰেল জিয়াই চৰম বিশ্বাসঘাতকতাৰ পৰম্পৰা জীয়াই ৰাখিবলৈও অৱশ্যে হেলা নকৰিলে।

চূড়ান্ত ক্ষমতা হস্তগত হোৱাৰ লগে লগে জেনাৰেল জিয়াৰ স্বৰূপটো ওলাই পৰিল। নিজৰে বহুতো সমৰ্থক আৰু বন্ধু সমন্বিতে আন বহুতকে গ্ৰেপ্তাৰ কৰি জেললৈ পঠালে। কৰ্ণেল আবু তাহেৰৰ কাহিনীটো বিশেষভাবে উল্লেখযোগ্য। তাহেৰ আছিল জিয়াৰ বিশিষ্ট সহযোগী আৰু ঘনিষ্ঠ বন্ধু। তাহেৰৰ সহায়তে কুৰ্মিতোলা কেন্টনমেন্টত বন্দী হৈ থকা অৱস্থাৰপৰা জিয়া পলাই সাৰিছিল। কিন্তু তাহেৰৰ বাওঁপন্থী চিন্তাচৰ্চা আৰু সেনাবাহিনীৰ বাবে অধিক সা-সুবিধাৰ অৰ্থে সংগঠিত দাবী উত্থাপন কৰা হেতুকে তাহেৰক বিভিন্ন অভিযোগত গ্ৰেপ্তাৰ কৰি ফাঁচি দিয়ালে। তাহেৰত বাদেও সেনাবাহিনী আৰু বায়ুসেনাৰ শ শ বিষয়া আৰু জোৱানকো গ্ৰেপ্তাৰ কৰি ফাঁচিকাঠত ওলমালে। মুজিবৰ হত্যাত পালন কৰা বিশিষ্ট ভূমিকাৰ বাবে জিয়াই সেনা বাহিনীক কোনোদিনেই সম্পূৰ্ণ বিশ্বাস কৰিব পৰা নাছিল। আনহাতে এক লাখতকৈও অধিক

বাংলাদেশী নাগৰিকক জেলত আবদ্ধ কৰি ৰাখিলে। আৰম্ভণিৰ পৰাই জিয়াৰ অত্যাচাৰ আৰু নিষ্পেষণৰ বিৰুদ্ধে তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছিল; আনকি ২/১০/৭৭ তৰিখে জিয়াক হত্যা কৰিবলৈ এটা ব্যৰ্থ চেষ্টাও চলোৱা হৈছিল।

বাংলাদেশৰ বিধ্বস্ত অৰ্থনীতিৰ পুনৰ্গঠনৰ প্ৰতি কোনো মনোযোগ নিদি মাথোন নিজক ৰক্ষা কৰাতে জিয়া ব্যস্ত থাকিবলগীয়া হ'ল। মুজিবৰ দৰে ভিক্ষাৰ পাত্ৰ হাতত লৈ দেশ-বিদেশে বিশেষকৈ আৰবীয় দেশবোৰত ঘূৰি ফুৰিলে যদিও উৎসাহজনক সহাঁৰি নাপালে। ফলত মৌলবাদী ইছলামীয় দেশবোৰৰ কৰুণা লাভৰ বাবে জিয়াই বাংলাদেশক এখন ধৰ্মীয় ৰাষ্ট্ৰলৈ (Theocracy) ৰূপান্তৰিত কৰিলে আৰু "আল্লাৰ" প্ৰতি চূড়ান্ত বিশ্বাস আৰু আনুগত্য বিচাৰি ধৰ্মান্ধ নিৰীহ ৰাইজৰ দৃষ্টি দেশৰ জ্বলন্ত সমস্যাৰাজিৰ পৰা বিকৰ্ষিত কৰিবলৈ সকলোধৰণৰ চেষ্টা চলালে। লগে লগে অৱশ্যে ভাৰতবিৰোধী অনুভূতি জগাই তুলিবলৈও চেষ্টাৰ কোনো ক্ৰুটী নকৰিলে। এক কথাত ক'বলৈ গলে জিয়াই কাকো বিশ্বাস নকৰিছিল আৰু দেশবাসীৰ কোনেও জিয়াকো বিশ্বাস নকৰিছিল। সেয়েহে ধৰ্মীয় গোড়ামি আৰু ভাৰতবিৰোধী প্ৰচাৰেৰে জনগণক সন্তুষ্ট ৰাখিবলৈ চেষ্টা কৰিবলগীয়া হৈছিল।

বোলে, "বালীলৈ যি পাত, সুগ্ৰীৱলৈও হেনো একেপাত"। এই প্ৰবাদ বাক্যৰ যথাৰ্থতা প্ৰমাণ কৰি মেজৰ জেনাৰেল মঞ্জুৰৰ নেতৃত্বত এচাম মিলিটাৰী বিষয়াই চিটাগঙত ৩০/৫/৮১ তাৰিখে জিয়াক হত্যা কৰিলে। অৱশ্যে পৰম্পৰা ৰক্ষা কৰি ঠিক চাৰিদিন পিছতে জেনাৰেল মঞ্জুৰকো গুলীয়াই হত্যা কৰা হ'ল। ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ হেঁচাত উশাহ-নিশাহ লবলৈ সকাহ নোপোৱা অভিশপ্ত বাংলাদেশে ধৰ্মীয় মৌলবাদ আৰু অন্ধ গোড়ামিয়ে জন্ম দিয়া সমস্যাৰাজি আৰু নিজৰ চমু ইতিহাসৰ পৰা শিকনি লবলৈ আগ্ৰহ দেখুৱাইছে বুলি বাংলাদেশৰ শুভাকাঙ্খীয়েও দুষিব নোৱাৰে। গোষ্ঠীবাদ, অনুশাসনহীনতা, ষড়যন্ত্ৰ আৰু ব্যাপক দুৰ্নীতিত ভুগি থকা সেনাবাহিনীয়ে বাংলাদেশক উত্তৰণৰ পথ দেখুৱাব নোৱৰাটো নিশ্চিত জানিও আন এজন সেনাধ্যক্ষ জেনাৰেল এৰছাদক বাংলাদেশৰ শাসনৰ দায়িত্ব দিয়া হ'ল। নকলেও হব যে ভাৰতৱৰ্ষত ৭০০ বছৰীয় মুছলমান ৰাজত্বৰ আৰু পৰম্পৰাৰ পুনৰাবৃত্তি পাকিস্তান আৰু বাংলাদেশৰ চমু ইতিহাসৰ বৈশিষ্ট্য। ২৪/৩/৮২ তাৰিখে বাংলাদেশৰ ৰাষ্ট্ৰপতি আব্দুছ ছাত্তাৰে পদত্যাগ কৰি এৰ্‌ছাদক শাসনভাৰ চম্‌জাই দিয়াৰ লগে লগে আৰম্ভ হ'ল বাংলাদেশৰ জীৱন যন্ত্ৰণাৰ দ্বিতীয় অধ্যায়। পিছে এই কাহিনীও একেসুৰীয়া–কাৰণ এৰাছাদো এজন পাকিস্তানপ্ৰেমী মৌলবাদী গোড়া মুছলমান। অৰ্থাৎ এৰাছাদক ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত কৰাতো পাকিস্তানৰ অৱদান আছে–যাৰ ফলত বাংলাদেশ সম্পূৰ্ণৰূপে পাকিস্তানৰ প্ৰভাৱৰ বশৱৰ্তী হৈ পৰিল। বাংলাদেশৰ মৌলিক সমস্যাসমূহৰ আশু সমাধানৰ কথা চিন্তা নকৰি এৰছাদে কোটি কোটি টকা খৰচ কৰি মাথোন মছজিদ নিৰ্মাণ আৰু অমুছলমানসকলক বাংলাদেশৰপৰা বিতাড়ণ কৰাতহে মন দিলে। হাজাৰ হাজাৰ বৌদ্ধধৰ্মী চাক্‌মা সকলক ভাৰতবৰ্ষলৈ খেদি পঠিয়াই চিটাগং পাৰ্বত্য জনজাতীয় এলেকাত মুছলমান বাংলাদেশীক স্থাপিত কৰিলে।

বাংলাদেশৰ প্ৰথম ১৯ বছৰৰ চমু ইতিহাস হ'ল হত্যা, গুপ্তহত্যা, ষড়যন্ত্ৰ, বুদ্ধিজীৱী সকলৰ নিৰ্যাতন, সামৰিক অভ্যুত্থান আৰু সেনাবাহিনীৰ বিভিন্ন গোষ্ঠীৰ মাজত অহৰহ চলি থকা সংঘৰ্ষৰ ইতিহাস। সুদীৰ্ঘ ২১ বছৰৰ পিছত খালেদা জিয়া প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছে যদিও ভাৰতবৰ্ষৰ প্ৰতি - বিশেষকৈ অসমলৈ হৈ থকা বাংলাদেশী নাগৰিকৰ অবাৰিত অনুপ্ৰৱেশৰ প্ৰতি খালেদাই নীতি পৰিবৰ্তন কৰিব বুলি কোনো ইঙ্গিত এতিয়াও পোৱা নাই; অৱশ্যে নতুন দিল্লীত ইতিমধ্যে খালেদাক তোষামোদ কৰাৰ প্ৰৱণতা পৰিলক্ষিত হৈছে। তাৰ জলন্ত প্ৰমাণ হ'ল তিনিবিঘা হস্তান্তৰ আৰু অবৈধ অনুপ্ৰৱেশৰ সমস্যাৰ ক্ষেত্ৰত গুৰুতৰ চিন্তাচৰ্চাৰ অভাৱ। ইতিমধ্যে অসমৰ ৰাজনৈতিক মঞ্চত বাংলাদেশী ন্যস্তস্বাৰ্থৰ চক্ৰৰ দপ্‌দপনি পূৰা মাত্ৰাই পৰিলক্ষিত হৈছে আৰু দিছপুৰেও সেই ন্যস্তস্বাৰ্থৰ চক্ৰৰ ওচৰত সেও মনা কথা স্পষ্ট হৈ পৰিছে। কিন্তু বাংলাদেশৰ আৰ্হিৰ মৌলবাদী ৰাজনীতিকে দিছপুৰ দখল কৰি বহিলে অসমত বাসকৰা ভাৰতীয় নাগৰিকৰ অৱস্থা কি হব পাৰে তাৰ উমান দিবলৈহে আমি পাকিস্তান আৰু বাংলাদেশৰ চমু ইতিহাস উত্থাপন কৰিলো।

বাংলাদেশৰ পৰা হৈ থকা অনুপ্ৰৱেশৰ কথা কলেই সমস্যাটোক সংখ্যালঘুৰ সমস্যাৰ ৰূপ দি ধৰ্মীয় ভাবাবেগ জগাই তুলিবলৈ এচামে অতদিনে চেষ্টা কৰি আহিছে আৰু তাকে ভয় কৰি আমি আটায়ে নিমাতে থকাটোকে শ্ৰেয় বুলি ভাবো। আনহাতে বাংলাদেশীৰ চক্ৰটোৱে এতিয়া ৰাষ্ট্ৰৰ ক্ষমতা অতি কৌশলেৰে হস্তগত কৰি অনুপ্ৰৱেশকাৰী চিনাক্তকৰণৰ দায়িত্ব মছজিদ কমিটী সমূহক দিয়াৰ প্ৰস্তাৱ দিছে। অনুপ্ৰৱেশৰ কথা কলে খিলঞ্জীয়া অসমীয়া বা অসমত বাস কৰা ভাৰতীয় মুছলমানসকলৰ দেখোন গাৰ পোৰণি নুঠে বা তেখেতসকলে সমস্যাটো ধৰ্মীয় সংখ্যালঘুসকলৰ সমস্যা বুলি নাভাবে। গতিকে অনুধাবন কৰা উচিত কাৰ গাৰ পোৰণি উঠে আৰু কোনে সমস্যাটোক ধৰ্মীয় অন্ধ গোড়ামিৰ কুঁৱলিৰ মাজলৈ ঠেলি দিব খোজে! অসমত অনুপ্ৰৱেশকাৰী চিনাক্তকৰণ আৰু অসমৰ পৰা বহিষ্কৰণৰ কথা কলেই যি সকল উচপ খাই উঠে তেখেতসকলক তলত দিয়া প্ৰশ্ন কেইটাৰ উত্তৰ সুধিলো–

১। অসমক পাকিস্তানৰ বুকুত জাহ নিবলৈ কৰা ষড়যন্ত্ৰৰ সময়ত এখেতসকলৰ কি ভূমিকা আছিল (বা এখেতসকলৰ পূৰ্বপুৰুষ সকলৰ)?

২। ১৯৬২ৰ চীনা আক্ৰমণৰ সময়ত পাকিস্তানৰ পতাকা উত্তোলন কৰি অসমৰ ঠায়ে ঠায়ে যেতিয়া "পাকিস্তান্ জিন্দাবাদ" ধ্বনি দিয়া হৈছিল–তেতিয়া এখেতসকল কিয় নীৰৱে আছিল?

৩। বাংলাদেশৰ ধৰ্মীয় সংখ্যালঘুসকলৰ ওপৰত আজিও হৈ থকা অকথনীয় নিৰ্যাতন আৰু অলেখ মন্দিৰ ধ্বংস কৰা ঘটনাৰ সন্দৰ্ভতেই বা এওঁলোক নীৰৱ কিয়? অসম বা ভাৰতবৰ্ষত কোনোবাই এটা মছজিদ ধ্বংস কৰাৰ নজীৰ আছে নে?

৪। অসমৰ সন্ত্ৰাসবাদীক বাংলাদেশত আশ্ৰয় লবলৈ বা শিবিৰ পাতিবলৈ আৰু প্ৰশিক্ষণ লবলৈ সুবিধা দি ঢাকাই দিছপুৰ আৰু দিল্লীৰ চকুৰ টোপনি হৰণ কৰাৰ পিছতো এই চক্ৰটো নীৰৱ কিয়?

৫। বিগত ৩/৪ টা জনপিয়লৰ সময়ত বাংলাদেশৰপৰা অহা এচাম পমুৱাই নিজৰ মাতৃভাষা অসমীয়া বুলি ঘোষণা কৰাৰ পিছতো হঠাতে আজি নিজৰ মাতৃভাষা বঙালী বুলি কিয় ঘোষণা কৰিলে? কাৰণ ইমানদিনে সঁচাকৈয়ে সংখ্যালঘু হৈ থকা বাবে শঠা মিতিৰালিৰ ভাও দিছিল আৰু আজি সংখ্যাৰ খেলা খেলিব পৰা ক্ষমতা আহৰণ কৰিছে বুলি ভাবিয়েই, হঠাতে এই লুটিবাগৰ মৰা নাই জানো?

বাংলাদেশৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যা আৰু আমাৰ মাজতে বৰ্তি থকা বাংলাদেশৰ প্ৰতি অনুগত বুজনসংখ্যক নেতাৰ উপস্থিতিৰ সন্দৰ্ভত অসমে বহুতো কথা বিবেচনা কৰাৰ সময় আহি পৰিছে। বিশেষকৈ বাংলাদেশৰ অতি দুৰ্বল অৰ্থনীতি, বসতি আৰু খেতিৰ উপযোগী মাটিৰ অভাৱ, আৰ্থসামাজিক উন্নয়নৰ ক্ষীণ আশা, সৰ্বগ্ৰাসী দাৰিদ্ৰ্যৰ সমস্যাই বাংলাদেশৰ নিবনুৱাসকলক অসমৰ দৰে ঠায়ে সদায়ে আকৰ্ষণ কৰিব আৰু তাৰ লগত যোগ হৈছে এচাম মৌলবাদী নেতাৰ ৰাজনৈতিক ষড়যন্ত্ৰ আৰু আন এচামৰ ভোট বেংক বজাই ৰখাৰ প্ৰৱণতা।

খিলঞ্জীয়া মুছলমান গোষ্ঠীয়ে বাংলাদেশী অনুপ্ৰৱেশৰ প্ৰতি সমৰ্থন নিদিয়ে বুলি আমাৰ দৃঢ় বিশ্বাস; কিন্তু তেখেতসকলৰ নীৰৱতাক ভুল ব্যাখ্যা দিয়াৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে খিলঞ্জীয়া মুছলমানলোকসকলৰ বাংলাদেশীৰ লগত সংহতি স্থাপন কৰাৰ সম্ভাৱনাও তেনেই খীণ। কাৰণ ভাষিক, সামাজিক সাংস্কৃতিক কোনো ক্ষেত্ৰতেই তেওঁলোকৰ মাজত মিল নাই। আনহাতে, ধৰ্মীয় ঐক্যই যে এই সংহতিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰমাণ ওপৰত উল্লেখ কৰি অহা পাকিস্তান আৰু বাংলাদেশৰ ইতিহাস। ধৰ্মীয় গোড়ামিৰ বশৱৰ্তী হৈ কোনোবই যদি বাংলাদেশীসকলক ৰক্ষণাবেক্ষণা দিব খোজে তেনেহ'লে অদূৰ ভৱিষ্যতত ভীষণ সামাজিক অস্থিৰতাই দেখা দিব যে সন্দেহ নাই।

তদুপৰি অসমত বিশেষকৈ গুৱাহাটীত দিনে দিনে বাঢ়ি যাব ধৰা চুৰি-ডকাইতি, অপহৰণ আদি অপৰাধৰ ক্ষেত্ৰত বুজন সংখ্যক বাংলাদেশী অপৰাধী লিপ্ত আছে বুলি ইতিমধ্যে সদৰি হৈছে। আনকি ভুৱা আলফাৰ ৰূপতো বাংলাদেশী অপৰাধীৰ ইতিমধ্যে আৱিৰ্ভাৱ হৈছে। ভিতৰুৱা অঞ্চলবোৰত অমুছলমান নাৰীৰ অপহৰণৰ ঘটনাও বৃদ্ধি পাইছে। লগতে আন আন সমাজবিৰোধী আৰু সাম্প্ৰদায়িক উত্তেজনাৰ সৃষ্টি কৰা ঘটনাতো বাংলাদেশসম্ভূত লোক লিপ্ত হৈছে বুলি সময়ে সময়ে প্ৰকাশ পাই আহিছে। গতিকে এই চক্ৰটোৱে যাতে সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰতি অসমৰ খিলঞ্জীয়া অধিবাসীসকলে চোকা দৃষ্টি ৰাখিব লাগিব। সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি হলে বাংলাদেশী চক্ৰটোহে লাভবান হব–কাৰণ নিজকে সাম্প্ৰদায়িক অশান্তিৰ বলি বুলি পতিয়ন নিয়াই সাহায্য শিবিৰ সমূহত ভৰ্তি হৈ নিজকে ভাৰতীয় নাগৰিকত্ব প্ৰতিপন্ন কৰিবলৈ চেষ্টাৰ ক্ৰুটী নকৰিব। যিবিলাক ঠাইত বাংলাদেশী সকল এতিয়াও সংখ্যালঘু হৈ আছে তেনেবোৰ ঠাইতে এই চক্ৰটোৱে অশান্তিৰ সৃষ্টি কৰিব বুলি আমাৰ সন্দেহ হয়। সেয়েহে বাংলাদেশী ন্যস্তস্বাৰ্থৰ চক্ৰটোৱে যাতে অশান্তিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিজন ভাৰতীয় নাগৰিক সষ্টম হবৰ সময় হৈছে। তদুপৰি এবাৰ অশান্তি আৰম্ভ কৰিব পাৰিলে অনুপ্ৰৱেশ প্ৰশ্নটো তল পৰি যাব আৰু প্ৰাধান্য পাব সাহায্য আৰু পুনৰ সংস্থাপনৰ প্ৰশ্নইহে–যাৰ ফলত বাংলাদেশী সকলে চৰকাৰী আতিথ্যৰ সুযোগ গ্ৰহণ কৰিব।

ৰাজনৈতিক ক্ষমতা হস্তগত কৰাৰ প্ৰক্ৰিয়াটো কেনেধৰণৰ হব সেইবিষয়ে সন্দেহৰ অৱকাশ নাই। ইতিমধ্যে তাৰ নিশ্চিত চানেকি প্ৰতীয়মান হৈছে আৰু এই সন্দৰ্ভত "মুছলিম ফ'ৰাম"ৰ লক্ষ জক্ষ প্ৰণিধানযোগ্য। আন্দোলন, চুক্তি, বিদেশী বহিষ্কৰণৰ প্ৰতিশ্ৰুতি দি ৰাজনৈতিক ক্ষমতা হস্তগত কৰা ইত্যাদি প্ৰক্ৰিয়াই বিদেশী অনুপ্ৰৱেশৰ সমস্যা যে সমাধান কৰিব নোৱাৰে ইতিমধ্যে প্ৰমাণিত হৈ গ'ল। এতিয়া বিদেশী বহিষ্কৰণৰ পৰিবৰ্তে বিদেশীক ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰতিশ্ৰুতিৰেহে ৰাজনৈতিক ক্ষমতা দখল কৰাৰ ৰাজনীতি প্ৰৱৰ্তন হৈছে। অৰ্থাৎ সমান আৰু বিৰোধধৰ্মী প্ৰতিক্ৰিয়া এটা সক্ৰিয় হৈ উঠিছে।

গতিকে ৰাইজৰ সমস্যা ৰাইজে নিজে সমাধান কৰিব লাগিব। প্ৰথমতে, সমস্যাটোৰ ভয়াবহতা সম্বন্ধে যুক্তিৰ ভিত্তিত–আমি আকৌ কৈছো যে যুক্তিৰ ভিত্তিতহে আবেগৰ ভিত্তিত নহয়–প্ৰবল জনমত সৃষ্টি কৰিব লাগিব। ইয়াৰ লগত ধৰ্ম বা সংখ্যালঘুৰ প্ৰশ্ন জড়িত কৰিবলৈ দিব নালাগিব। দ্বিতীয়তে সৰ্বাত্মকভাবে, ব্যক্তিগত কষ্ট স্বীকাৰ কৰি হলেও সন্দেহজনক নাগৰিকত্বৰ লোকসকলক অৰ্থনৈতিক ক্ষেত্ৰত সকলো ৰকমৰ সা-সুবিধাৰ পৰা বঞ্চিত কৰিব লাগিব। অন্যথা ৫/১০ বছৰৰ ভিতৰতে খিলঞ্জীয়া ৰাইজ নিজে সকলো অৰ্থনৈতিক সা-সুবিধাৰপৰা বঞ্চিত হ'বলৈ প্ৰস্তুত হ'ব লাগিব। যি সকলৰ অৰ্থনৈতিক ক্ষমতা আছে তেওঁলোক অসমৰ বাহিৰলৈ নিৰাপদ ঠাইলৈ গুচি যাব, কিন্তু সৰ্বসাধাৰণ ৰাইজে কি কৰিব?

অসমৰ চৰকাৰী, বেচৰকাৰী বিষয়া কৰ্মচাৰী, শিক্ষিত শ্ৰেণী, ব্যৱসায়ী শ্ৰেণী আৰু ঠিকাদাৰ গোষ্ঠীৰ ওপৰত গধুৰ দায়িত্ব আহি পৰিছে। খন্তেকীয়া লাভৰ আশাত দেশৰ নিৰাপত্তা আৰু ভৱিষ্যতৰ লগত আপোচ কৰিলে নিজৰ সতিসন্ততি নিজৰ ঘৰতে অদূৰ ভৱিষ্যতে ভগনীয়া হব লাগিব। আটায়ে মনত ৰাখিব লাগিব যে পাকিস্তান আৰু বাংলাদেশত কোনো সংখ্যালঘু গোষ্ঠীয়ে তিকি থাকিব পৰা নাই। খিলঞ্জীয়া ভাৰতীয়সকল অসমত সংখ্যালঘু হৈ পৰিলে তেওঁলোকৰো একে অৱস্থাই হব।

ইতিমধ্যে ঠাইবিশেষে বাংলাদেশীৰ চক্ৰটোৱে খিলঞ্জীয়া ৰাইজক কিদৰে স্থানচ্যুত কৰিবলৈ আৰম্ভ কৰিছে তাৰ উদাহৰণ এটা দিয়া প্ৰাসঙ্গিক হব। প্ৰথমতে এই চক্ৰটোৱে অমুছলমানৰ বসতিস্থানলৈ আহি অত্যধিক দাম দি হ'লেও মাটি অলপ কিনি লয়। এই টকাৰ যোগান ভাৰতবৰ্ষৰ বাহিৰৰ পৰা ধৰা হয় বুলি ভবাৰ থল আছে। নহলেনো দাৰিদ্ৰ্যৰ তাড়নাত নিজৰ দেশ এৰি অহা অনুপ্ৰৱেশকাৰীয়ে হঠাতে ইমান টকা কৰপৰা পায়? এবাৰ খোপনি পুতি লোৱাৰ পিছত এনেধৰণৰ কিছুমান আপত্তিজনক কাম কৰিবলৈ ধৰে যে ভৱিষ্যতৰ নিৰাপত্তাৰ কথা চিন্তা কৰি খিলঞ্জীয়া ৰাইজে মাটি ঘৰ বিক্ৰী কৰি আন নিৰাপদ ঠাইলৈ গুচি যায়। আনকি বেলতলাৰ ওচৰেৰে এখন গাঁৱতে এনেধৰণৰ ঘটনা ঘটিছে। সুদূৰ অন্ধপ্ৰদেশৰ সন্তান জনৈক শ্ৰীসুধাকৰ ৰাৱে শেহতীয়াভাবে মৰিগাওঁ জিলাত সম্পূৰ্ণ কৰা সমীক্ষা এটাই এখন ভয়াবহ ছবি দাঙি ধৰিছে। এখেতৰ সমীক্ষামতে ১৯৮৩ চনৰ পিছত অৰ্থাৎ অসম আন্দোলন চলি থকা সময়তে মৰিগাওঁ জিলাৰ ২৫ খন গাওঁ সম্পূৰ্ণভাৱে হিন্দুবিহীন হৈ পৰিছে আৰু বহুতো গাঁৱৰ অমুছলমান বাসিন্দাসকল লাহে লাহে আঁতৰি যাবলৈ আৰম্ভ কৰিছে। নকলেও হব যে গাওঁবোৰ দখল কৰি লোৱা মানুহবোৰ অসমীয়া মুছলমান গোষ্ঠীৰ নহয়। উদাহৰণস্বৰূপে শ্ৰীৰাৱে ঘগুৱা মৌজাৰ কৰাণিপাম, কপৌজাৰিপাম, মালৌআটি পাম, বৰকৰণি, ছাগলিকটা পাম, উত্তৰখোলা মৌজাৰ দিহুটী-দিমাল, ভূতনিমাৰা, ভোগডুবা, বসুন্ধৰী বৰকালাই আদি গাঁৱৰ কথা উল্লেখ কৰিছে। দুৰ্ভাগ্যবশতঃ চৰকাৰে এই বিষয়ে কোনো সমীক্ষা চলোৱাৰ বা ব্যৱস্থা লোৱাৰ আৱশ্যকতা আজিও অনুভৱ কৰা নাই। উল্লেখযোগ্য যে ১৯৬৫-৬৬ চনৰ যুদ্ধৰ সময়ত মৰিগাওঁ জিলাৰ বহুতো পমুৱা মুছলমানে ভাৰত ত্যাগ কৰি পূবপাকিস্তানলৈ গুচি গৈছিল। কিন্তু এতিয়া পুনৰ অনুপ্ৰৱেশ কৰি এৰি যোৱা মাটি বৃত্তিৰ ওপৰত দাবী উত্থাপন কৰি ভীষণ উত্তেজনাৰ সৃষ্টি কৰিছে। অবিভক্ত গোৱালপাৰা জিলাত বহুতো ৰাভা আৰু কোঁচ-ৰাজবংশী পৰিয়াল একেধৰণে স্থানচ্যুত হৈছে। শ্ৰীৰাৱে মৰিগাওঁ জিলাৰ ৭৪ খন গাঁৱৰ হিচাপ দাঙি ধৰিছে। এই গাঁওবোৰ ১৯৮৩ চনৰ আগলৈকে হিন্দু গাওঁ আছিল আৰু এতিয়া লাহে লাহে আটাইবোৰ গাওঁ পমুৱা মুছলমানৰ গাঁৱলৈ ৰূপান্তৰিত হবলৈ আৰম্ভ কৰিছে। সমগ্ৰ অসমতে সমীক্ষা চলালে হয়তো আৰু বেছি ভয়াবহ ছবি এখন ওলাই পৰিব।

বাংলাদেশত পিছে আজিও ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক জনমত সম্পূৰ্ণভাবে লোপ পোৱা নাই। কিয়নো মুক্তিযুদ্ধৰ সময়ৰ পাকিস্তানৰ ঘনিষ্ঠ সহযোগী পূৰ্ববঙ্গৰ মৌলবাদী নেতা গোলাম আজমৰ বিৰুদ্ধে শেহতীয়াভাৱে প্ৰদৰ্শিত হোৱা গণবিক্ষোভে তাকেই সূচায়। কিন্তু পাকিস্তানী পাৰপত্ৰ লৈ আহি ১৯৭৮ চনৰ পৰা বাংলাদেশত জিয়া আৰু এৰাছাদৰ ছত্ৰছাঁয়াত থাকি যোৱা গোলাম আজমে পাকিস্তানৰ এজেন্ট হিচাপে তীব্ৰ ভাৰতবিৰোধী মানসিকতাৰ সৃষ্টি কৰিবলৈ চলাই অহা প্ৰচেষ্টাহে আমাৰ বাবে প্ৰাসঙ্গিক। গোলাম আজমক কেন্দ্ৰ কৰি বাংলাদেশত মৌলবাদী ৰাজনীতি দ-লৈ শিপাবলৈ ধৰিছে। বেগম খালেদা জিয়াই' মৌলবাদীসকলৰ প্ৰভাৱ এৰাই যাব পৰা নাই। মৌলবাদ আৰু অন্ধ ধৰ্মীয় গোড়ামিৰ পৰম্পৰাত ইছলামীয় ৰাষ্ট্ৰ এখনত লালিত পালিত হৈ হঠাতে এদিন অসমলৈ অনুপ্ৰৱেশ কৰাৰ পিছত এই অনুপ্ৰৱেশীচামে ভাৰতবৰ্ষৰ সহনশীলতা আৰু ধৰ্মনিৰপেক্ষতাৰ পৰম্পৰা প্ৰতি ৰাতিটোৰ ভিতৰতে শ্ৰদ্ধাশীল হৈ উঠিব বুলি বিশ্বাস কৰিব নোৱাৰি। অৰ্থাৎ অসমত এই বাংলাদেশীসকলৰ ক্ৰমবৰ্দ্ধমান উপস্থিতিয়ে অসমৰ পৰিবেশ বিষাক্ত কৰিব বুলি সন্দেহ কৰাৰ থল আছে। তাৰ প্ৰমাণো ইতিমধ্যে পোৱা গৈছে। গতিকে সাম্প্ৰদায়িক উত্তেজনা আৰু অশান্তি এৰাই চলিবলৈ হিন্দু-মুছলমান সমন্বিতে অসমৰ খিলঞ্জীয়া অধিবাসীসকল যথেষ্ট সচেতন হব লাগিব।

সুখৰ কথা যে শেহতীয়া অসম ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী শ্ৰীৰাৱে অনুপ্ৰৱেশৰ সমস্যাটোৰ ভয়াবহতা স্বীকাৰ কৰি লৈছে আৰু অনুপ্ৰৱেশ বন্ধ কৰিবলৈ চিন্তা চৰ্চা কৰিবলৈ স্বীকৃত হৈছে। গতিকে আমি এতিয়া প্ৰধানমন্ত্ৰীৰ হাত শক্তিশালী কৰিব লাগে। প্ৰতিজন ভাৰতীয় চিন্তাশীল নাগৰিকে আমাৰ এই জীৱন-মৰণ সমস্যাটো নিৰ্মূল কৰিবলৈ প্ৰধান মন্ত্ৰীলৈ নিজৰ নিজৰ পৰামৰ্শ আগবঢ়োৱা সমীচীন হব বুলি আমাৰ দৃঢ় বিশ্বাস।

# অসমত কুৰিটা বছৰ

নিৰ্মলা খৰ্কৱাল

(২)

বহু-বিৰ্চিত্ৰ উদ্ভিদ আৰু প্ৰাণীৰে ভৰপূৰ অসমখন প্ৰকৃতিপ্ৰেমী মাত্ৰৰে মানত এখনি স্বৰ্গ। ধীৰ-গম্ভীৰ আৰু বিশাল ব্ৰহ্মপুত্ৰখন, ঘন সেউজীয়া অৰণ্যবোৰ, বাৰে-বৰণীয়া ফুলেৰে জাতিষ্কাৰ গছ-লতিকাবোৰ, বেলিৰ পোহৰ সৰকিব নোৱৰা ডাঠ বাঁহনিবোৰ আৰু দিনতে এন্ধাৰ হৈ থকা বাঁহতলবোৰ, বিভিন্ন প্ৰকাৰৰ ধুনীয়া ধুনীয়া অৰ্কিডবোৰ – এই আটাইবোৰকে ধীৰে-সুস্থিৰে মনোযোগ দি চাব জানিলে সৃষ্টিকৰ্তাৰ সৈতে এক একাত্মতা অনুভৱ কৰা যায়। প্ৰকৃতিৰ প্ৰাচুৰ্যৰ যেন অন্ত নাই ইয়াত। অসমৰ মাটিত বেছি যত্ন নল'লেও বিবিধ ফল, ফুল আৰু শাক-পাচলি ফলে। সাৰুৱা মাটি আৰু বৰষুণৰ আধিক্যৰ বাবেই ইয়াত ফল-ফুলবোৰ খৰকৈ বাঢ়ে আৰু বৰ ভালো হয়। কেৱল এইবোৰক পোকৰ দৌৰাত্ম্যৰ পৰা ৰক্ষা কৰিবৰ কাৰণেহে বৰ সাৱধানতা অৱলম্বন কৰিবলগীয়া হয়।

ৰাজ্যখনৰ সকলো ঠাইতে ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়োকাষে দেখিব শাৰী শাৰী এজাৰ গছ। এজাৰৰ বেঙেনাবুলীয়া ফুলবোৰ যেতিয়া ফুলে, তেতিয়া তাৰ ৰূপ কি নাচাব! বিশেষকৈ নগাওঁ জিলাৰ চামগুৰিৰ পৰা মিছালৈকে বাটছোৱাৰ দাঁতিৰ এজাৰ গছবোৰৰ কথা মই কোনোকালে নপাহৰো। এজাৰৰ ফুলবোৰ ফুলে গৰমৰ দিনত। গুল্-মোহৰ অৰ্থাৎ কৃষ্ণচূড়া গছৰ সংখ্যাও কম নহয়। আৰু কৃষ্ণ থাকিলে ওচৰে-পাঁজৰে ৰাধাতো থাকিবই! এতেকে ৰাধাচূড়াৰো অভাৱ নাই। হালধীয়া ফুলেৰে সোণাৰু গছবোৰো ফুলে। অ'ত ত'ত কদম গছো দেখিবলৈ পোৱা যায়। এই আটাইবোৰে মিলি কি যে ৰঙৰ মেলা এখন পাতে.!

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সুবিখ্যাত এটা খড়্গযুক্ত গড়ৰ বাসভূমি। নগাঁৱৰ পৰা কাজিৰঙালৈ মটৰ গাড়ীৰে প্ৰায় দুঘণ্টাৰ বাট। মই কাজিৰঙালৈ প্ৰথমবাৰ গৈছিলো ১৯৬৫ চনত। আমাৰ লগতে এজন জ্যেষ্ঠ বিষয়াও সপৰিবাৰে গৈছিল আৰু আমাৰ চাৰিওৰে বাবে তাৰ অতিথিশালাৰ দুটা কোঠা ৰিজাৰ্ভ কৰি থোৱা আছিল। কিন্তু আমি সেইখিনি গৈ পোৱাৰ পিছত তাৰ ভাৰপ্ৰাপ্ত কৰ্মচাৰীজনে আমাক জনালে যে মাননীয় মন্ত্ৰী শ্ৰী গিৰীণ ......... আহিব কাৰণে আমি কোঠা দুটা এৰি দিব লাগে। আমাৰ লগৰ জ্যেষ্ঠ বিষয়াজনে তেতিয়া 'গ্ৰীণে'ই হওক বা 'ব্লু'ৱেই হওক – কাকো তেওঁ পৰোৱা নকৰে বুলি কৈ কোঠা দুটা এৰি দিবলৈ অমান্তি হ'ল।

কাজিৰঙা অভয়াৰণ্যখন চাবলৈ হ'লে দোকমোকালিতে শুই উঠি ৪ বজাতে পৰ্যটকক ফুৰাবৰ বাবে সাজু কৰি থোৱা হাতীৰ পিঠিত উঠিবগৈ লাগে। বৰষুণীয়া বতৰ আৰম্ভ হোৱাৰ আগতেই নৱেম্বৰৰ পৰা মাৰ্চলৈকে – এইছোৱা সময়েই হ'ল কাজিৰঙা চাবলৈ যোৱা বতৰ। উত্তৰ-পূব ভাৰতত এপ্ৰিলৰ পৰাই বৰষুণ দিবলৈ ধৰে।

কাজিৰঙাৰ গড় সঁচাকৈয়ে এবিধ মৰমলগা জন্তু। গড়ৰ পোৱালিৰ পৰা মাকক আঁতৰোৱা বৰ টান। অন্যান্য বনৰীয়া জন্তুৰ দৰে ইহঁতে জাক পাতি নুফুৰে। বোকাত লেটি লৈ থকা ডাঠ ছালখনেৰে সৈতে এই জন্তুটোক প্ৰথম দৰ্শনত আপোনাৰ বিশেষ আকৰ্ষণীয় যেন নালাগিব পাৰে। এই গড়বোৰক চোৰাং ব্যৱসায়ীয়ে প্ৰায়েই বৰ নিৰ্মমভাবে বধ কৰে – ইহঁতৰ খড়্গটোৰ কাৰণে। গড়ৰ খড়্গটো অতি মূল্যবান বস্তু; আন্তৰ্জাতিক বজাৰত ইয়াক বেচিলে বহুত দাম পোৱা যায়। পুৰণি কালত গড়ৰ ডাঠ ছালখনেৰে ঢাল আৰু কবচ তৈয়াৰ কৰা হৈছিল। আমাৰ ঠাইডোখৰত এটা জনবিশ্বাস আছে যে গড়ৰ ছালেৰে তৈয়াৰ কৰা ঢালত তৰোৱালেৰে খুচিও বিন্ধা কৰিব নোৱাৰি। জনৈক লেখকে গড়ক আত্মীয়-কুটুম্বৰ সৈতে সম্পৰ্ক ছিন্ন কৰি অকলশৰে ঘূৰি ফুৰা সন্ন্যাসী বা সিদ্ধ যোগীৰ সৈতে তুলনা কৰিছে। মানুহবোৰে তাক চাই থাকিলেও বা তাৰ গতিবিধি লক্ষ্য কৰি থাকিলেও সি সদায় নিৰ্বিকাৰ। খুব বেছি মুখখন আনপিনে ঘূৰাই ওখ ওখ ঘাঁহবোৰৰ মাজত অন্তৰ্ধান হ'ব।

কাজিৰঙাৰ হাতী আৰু হাতী-মাউতবোৰো কম ওস্তাদ নহয়! নলা আৰু জান-জুৰিবোৰৰ একঁকাল পানী ভাঙি আৰু ওখ ওখ ঘাঁহবনবোৰ ফালি সিহঁতে দৰ্শকবোৰক গোটেইখন ফুৰাই ফুৰে। অৰণ্যখনৰ প্ৰতিটো অংশকে সিহঁতে বৰ ভালকৈ চিনি পায়।

কাজিৰঙাত শ শ হৰিণা পহুৱে জাক পাতি ফুৰি ফুৰা দেখা যায়। ভাগ্য ভাল থাকিলে বাঘৰো 'দৰ্শন' ঘটে। মই অৱশ্যে কেইবাবাৰো কাজিৰঙালৈ গৈও বাঘ দেখিবলৈ পোৱা নাই।

গীৰ অভয়াৰণ্যত ভি আই পি-বোৰক দেখুওৱাৰ বাবে আয়োজন কৰা কাৰবাৰটো দেখিলে তাৰ সিংহবোৰক প্ৰায় ঘৰচীয়া জন্তু যেনেই লাগে। ছাগলী এটাক গছ এজোপাত বান্ধি থোৱা হয় আৰু সিংহবোৰ দূৰত বহি থাকে। দৰ্শকবিলাকে তাকে চাই গীৰ অৰণ্যৰ সিংহৰ দৰ্শন লাভ কৰে। এনেকৈ সিংহ চোৱাত কিনো মজা থাকিব পাৰে! চিৰিয়াখানালৈ গৈ চোৱাৰ দৰেহে হয়। বনৰ ৰজা সিংহই গম্ভীৰ ৰাজযোগ্য খোজেৰে বনত ঘূৰি ফুৰিবহে লাগে! কিন্তু আজিকালিনো ঘূৰি ফুৰিবলৈ কাৰ হাতত সময় আছে? মানুহেতো এইখিনি সময় ভিডিঅ' ফিল্ম চাই কটাবলৈহে ভাল পাব কিজানি! অভয়াৰণ্যখনত পাক এটা মাৰি আহিবলৈ দুই-তিনিঘণ্টামান সময় লাগিল, খুব বেছি এটা বা দুটা সিংহ দেখিলা, বচ্ সিমানেই। এই কাৰবাৰটোৱে সিংহবোৰক এলেহুৱা কৰি পেলাইছে। সিহঁতে চিকাৰ কৰাৰ সলনি কোনোবাই সিহঁতক খাবলৈ দিব বুলি ৰৈ থাকে।

কাজিৰঙাৰ তুলনাত গীৰ অৰণ্যখন শুকান। কাজিৰঙাৰ ওখ বিৰিণা বনবোৰে আৰু জলাহ ঠাইবোৰেও জীৱজন্তুবোৰক লুকাই থাকিবৰ বাবে বৰ সুবিধা কৰি দিছে। কোনো কোনোৱে বিশ্বাস কৰা মতে অৰণ্যলৈ গৈ প্ৰথমতে যদি কোনোবাই বৰা-গাহৰি দেখে, তেন্তে আন একো জন্তুকে তেওঁ আৰু দেখিবলৈ নেপায়। হাতীৰ পিঠিত উঠি হাবিৰ ভিতৰলৈ গৈ থাকিলে বনৰীয়া ম'হ, বাইছন, ফুটফুটীয়া হৰিণা পহু আৰু আন আন জাতৰো পহু জাকে জাকে ঘূৰি ফুৰা দেখিবলৈ পোৱা যায়। ভাগ্যত থাকিলে বাঘো দেখা পোৱা যায়; মোৰ সেই ভাগ্য এতিয়াও হোৱা নাই বুলি আগতেই কৈ আহিছো।

মানাহ বা মানস অভয়াৰণ্যৰো এটা নিজস্ব চৰিত্ৰ আছে। মানাহ নৈখন যে কিমান ধুনীয়া তাক নেদেখিলে বিশ্বাসেই কৰিব নোৱাৰি। নৈখনৰ কাৰণেই এই অভয়াৰণ্যখনৰ ৰূপ বেছি মোহনীয়। অৱশ্যে কাজিৰঙাৰ তুলনাত মানাহলৈ যোৱা পৰ্যটকৰ সংখ্যা তাকৰ। মানাহত বিবিধ জাতৰ চৰাই আৰু ডাঙৰ অজগৰ সাপো আছে। মোৰ প্ৰতিবাৰৰ মানাহ-ভ্ৰমণেই বৰ উপভোগ্য আছিল, আৰু সেইবাবে স্মৰণীয়ও। এবাৰ আমি এটা বেছ ডাঙৰ দলত তালৈ গৈছিলো। সেইবেলি তাত গড়, সোণালী হনুমান আৰু বহুবিধ চৰাই দেখিলো। নৈৰ পাৰত এটা বঢ়িয়া পিক্‌নিকো খালো। ৰাতি পিছে বৰ বেছি জাৰ পৰিছিল আৰু আমি থকা বনবিভাগৰ জিৰণি ঘৰটোক প্ৰচণ্ড বতাহে কোবাই থকাৰ কাৰণে আমি বৰ ভয় খাইছিলো।

উত্তৰ প্ৰদেশৰ জিম কৰ্‌বেট ৰাষ্ট্ৰীয় উদ্যানখন অসমৰ অভয়াৰণ্য কেইখনতকৈ বেছ বেলেগ। তাৰ হাবি-বনবোৰ ইমান ডাঠ নহয়। কাজিৰঙাৰ দৰে তাত খাল-দোং বুলিবলৈ নায়েই, গড়ো নাই আৰু বিৰিণা বনবোৰো নাই। তাৰ ঠাইত আছে কাঁইটীয়া বাবুলৰ জোপোহাবোৰ। ঘাঁহবোৰ অৱশ্যে যথেষ্ট ওখ – বাঘ লুকাই থাকিব পৰাকৈ ওখ। উদ্যানখনত সোমোৱাৰ বাটতে এটা সৰু মিউজিয়াম আছে – য'ত 'ষ্টাফ' কৰি থোৱা (ছালখনৰ ভিতৰত খেৰ, তুলা, কপাহ আদি ঠাহি ঠাহি ভৰাই সাইলাখ জন্তুটোৰ আকৃতিত চিলাই কৰি থোৱা) ঢেকীয়াপতীয়া আৰু নাহৰফুটুকী বাঘ সজাই থোৱা আছে। জিম কৰবেটে (যাক অঞ্চলটোৰ মানুহখিনিয়ে কাৰ্পেট চাহাব বুলিছিল) নিজে মৰা নাহৰফুটুকী বাঘ কেইটামানৰ ছালো তাত আছে। কৰ্‌বেট ৰাষ্ট্ৰীয় উদ্যানখনৰ নাম বেছ জনাজাত। পিছে আমি হাতীৰ পিঠিত উঠি বেছ ঘূৰি-ফুৰিও বৰ বেছি জন্তু দেখিবলৈ নাপালো। এটা পাহাৰী জুৰি পাৰ হৈ আমি ডাঠ হাবিৰ মাজতো সোমালো। তাৰে এঠাইত আমি গৈ পোৱাৰ মাত্ৰ দুঘণ্টাৰ আগতে এটা বৰা গাহৰিয়ে বাঘ এটাৰ সৈতে সাহসেৰে যুঁজ দি শেহত প্ৰাণ হেৰুৱালে আৰু বাঘটোৱে তাক টানি লৈ গ'ল বুলি মাউতজনে আমাক কলে। কিছুমানে সেই দৃশ্যটো দেখিলেও হেনো; আমিহে ঠিক সময়ত সেইখিনি ঠাই নাপালোগৈ।

আমি পিছে আন এটা চাবলগীয়া বস্তু দেখিলো। এটা প্ৰকাণ্ড দঁতাল হাতী। সি মতলীয়া অৱস্থাত আছিল আৰু এবাৰ আমাৰ পিনেও চোঁচা লৈছিল। ফলত আমি পিছুৱাই আহিবলগীয়া হৈছিল। তেনেকৈ পিছুৱাই থাকোতেই মই হাতীটোৰ ফটো এখন ল'বলৈ চেষ্টা কৰিছিলো। লৰালৰিকৈ তোলাৰ কাৰণে ফটোখন ভালকৈ নুঠিল। অৱশেষত সি আমাৰ বাটৰ পৰা আঁতৰি লাহেকৈ হাবিৰ ভিতৰ সোমোৱাত আমাৰ মটৰগাড়ীখন আগবাঢ়িব পৰা হ'ল। এই ঘটনাটোৱে মোৰ সৰুকালৰ ঘটনা এটালৈ মনত পেলাইছিল। আমি তেতিয়া বাঙ্গালোৰত আছিলো। মা-দেউতাৰ লগত এদিন চিৰিয়াখানা চাবলৈ গৈছিলো। তাত ঘূৰি ফুৰোতে এবাৰ দুটা হাতীত মোৰ চকু পৰিল। সিহঁতক শিকলিৰে বান্ধি থোৱা আছিল যদিও মই ভয়তে মোৰ কণমানি ভৰি দুটাই যিমান বেগেৰে পাৰে, সিমান বেগেৰে চিৰিয়াখানাৰ গেটৰ পিনে দৌৰি পলাবলৈ ধৰিলো। হাতী কেইটাৰ ওচৰত থাকিবলৈ মোৰ ভীষণ ভয় লাগিছিল। ইমান প্ৰকাণ্ড জন্তু কেইটা চকুৰ আগত দেখি মোৰ পিনে তেতিয়াই আধ্যা বুলি মই ধৰি লৈছিলো। শেহত মোক দাণ্ডি কোলাত তুলি লৈ এটা আইচক্ৰীম দি ফুচুলাব লগীয়া হৈছিল আৰু হাতীকেইটাৰ ভৰিত যে শিকলি বন্ধা আছে আৰু সেই কাৰণে সিহঁতে এজনী অকণমানি ছোৱালীক খেদা মাৰি যোৱা দূৰৰে কথা, খোজকে কাঢ়িব নোৱাৰে বুলি বুজাই-মেলিহে মোক শান্ত কৰিব পৰা গৈছিল। এই কথাটোৰ লগতে মোৰ মনলৈ আহিছে কেনেকৈ আমাৰ ৰাণীখেতত জাৰকালি আবেলি হলেই বনৰীয়া জন্তুবোৰ ওলাই আহে বুলি মানুহবোৰ ভয়ত থাকিবলগীয়া হয় আৰু তিনি বজাৰ পিছত কোনেও ঘৰৰ বাহিৰ ওলাবলৈ সাহ নকৰে। তাত যেতিয়া মই মোৰ ছোৱালীজনীক আলিবাটত ফুৰাবলৈ নিওঁ, তেতিয়া ভাবো যে ভালে ভালে উভতি আহিব পাৰিলেতো ভালেই; আৰু যদি নাহো তেতিয়া আটায়ে বুজিব লাগিব যে আমি ঢেকীয়াপতীয়া বা নাহৰফুটুকী বাঘৰ পেটলৈ গলো। তাৰ দীঘল অঁকোৱা-পকোৱা বাটবোৰেদি ফুৰিবলৈ গ'লে কোনো মানুহকে দেখিবলৈ নাপাওঁ আৰু অনবৰতে আগপিনে পিছপিনে আৰু সোঁৱে-বাঁৱে চাই চাই সতৰ্ক হৈ থাকিব লাগে। মানুহবিলাকে কয় যে তাৰ বিখ্যাত ঝুলা দেৱী মন্দিৰলৈ সদায় বাঘ এটা যায় আৰু মন্দিৰৰ কেউকাষে পাক এটা মাৰি তাৰ প্ৰৱেশ পথৰ কাষত বা ওচৰৰে টিলা এটাৰ ওপৰত বহি থাকে। গাড়ী-মটৰৰ হে'ড-লাইটৰ পোহৰ পৰিলে বাঘটোৱে চকু দুটা পিৰিকিয়াবলৈ ধৰে আৰু পিছত কাষৰে জোপোহানিৰ মাজত সোমাই থাকেগৈ। এদিন সন্ধিয়া পৰত মই আমাৰ ঘৰতে সান্ধ্য-প্ৰাৰ্থনা কৰিবলৈ বহিছো। এনেতে বেছ ওচৰতে সৰুকৈ কিহবাৰ কৰ্‌কৰণি আৰু গোৰগোৰণিৰ দৰে শব্দ কিছুমান শুনা পালো। অস্বাভাৱিক সেই শব্দ কেইটা আমাৰ গেৰেজৰ পিছপিনৰ পৰাই যে আহিছে আৰু শব্দ কৰোতাজন যে কোন হ'ব পাৰে তাক অনুমান কৰি মোৰ গোটেই শৰীৰ ভয়ত চেঁচা হৈ গ'ল। মোৰ অনুমান শুদ্ধই আছিল বুলি পিছদিনা পুৱা গম পালো। তেওঁ আমাৰ 'ছাৰ্ভেন্ট কোৱাৰ্টাৰ'ৰ কাষেদিয়েই পাক এটা মাৰি গৈছে। আমাৰ পণ্ডিতজী তেতিয়া হাতত ঘটি এটা লৈ বাহিৰলৈ ওলাইছিল মাত্ৰ; গছ এজোপাৰ তলতে আলহীজনক দেখা পাই একেকোবেই লৰ মাৰি তেওঁ আকৌ ভিতৰ সোমাল। অৱশ্যে পিছত তেওঁ নিজমনেই আঁতৰি গ'ল। কেৱল চুবুৰিৰ কুকুৰ এটা নাইকিয়া হ'ল। নিশ্চয় তাক তেঁৱেই নিলে। কাৰণ, বহুত বিচাৰ-খোচাৰ কৰাৰ পিছত হাবিৰ মাজত কুকুৰটোৰ চেইনডালহে মাত্ৰ পোৱা গ'ল।

পিছদিনা মোৰ ল'ৰাটোৱে বাঘটোৰ প্ৰকাণ্ড প্ৰকাণ্ড হাতোৰাৰ চিন থকা মাটি কেইডোখৰমান কাটি উলিয়াই আনি আমাৰ কেক্‌টাছৰ বেডখনৰ লগতে ছাঁ পৰা ঠাই এডোখৰত থৈ দিছিল। পিছে এনিশা ধাৰাষাৰ বৰষুণ দিয়াত চিনবোৰ একেবাৰে মাৰ গ'ল।

ওৰাং অভয়াৰণ্যখন আকাৰত সৰু হলেও চাবলগীয়া। সৰু কাৰণেই তাত গড়ৰ সংখ্যা কম, খাল-বিলবোৰো বৰ ডাঙৰ নহয়। তাত আমি কেইটামান গড় দেখিবলৈ পালো; সিমানেই। তাৰ বন-বিভাগৰ বঙলাত আমি বটলত ভৰাই থোৱা বিভিন্ন ৰঙৰ আৰু বিভিন্ন আকাৰৰ বড়ি কিছুমান দেখিলো। মোৰ সৰু ছোৱালীজনী আৰু তাইৰ বন্ধুজনীয়ে সেইবোৰ কিবা বেলেগ ধৰণৰ হজমী বড়ি বুলি ভাবি খাবলৈকে ওলাইছিল। মই মানা কৰাতহে সিহঁত ক্ষান্ত হ'ল। পিছত সুধি-পুছি জানিব পাৰিলো, সেইবোৰ হেনো বিভিন্ন জন্তু-জানোৱাৰৰ বিষ্ঠা!

এই ধুনীয়া ধুনীয়া ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যবোৰত ভ্ৰমণ কৰাৰ কথা মোৰ সদায় মনত থাকিব। কাৰণ, বন্যপ্ৰাণীবোৰক মই অন্তৰৰ পৰাই ভাল পাওঁ। সিহঁতক মই মুক্ত ৰূপত চাবলৈ ভাল পাওঁ। আৰু সিহঁতক চাবলৈ যাওঁতে প্ৰতিবাৰেই মই সঙ্গী হিচাপে বৰ ভাল মানুহ কিছুমানক পাইছিলো আৰু প্ৰয়োজনীয় সকলো সুখ-সুবিধাও লাভ কৰিছিলো। জন্তুবোৰক দেখা পাবলৈ অৱশ্যে অলপ ভাগ্যও লাগে; ভাগ্যত নথকাৰ কাৰণেই আজিকোপতি মই এখনো অভয়াৰণ্যত ঢেকীয়াপতীয়া বাঘৰ সাক্ষাৎ নাপালো। কাজিৰঙা আৰু মানাহলৈ আকৌ এবেলি যোৱাৰ ইচ্ছা মোৰ আছে। কোনে জানে – এইবেলি কিজানি সেই বলবান জন্তুটো দৰ্শন কৰাৰ সৌভাগ্য মোৰ ঘটেই!

(আগলৈ)

## বিশেষ দ্ৰষ্টব্য

সূত্ৰধাৰত প্ৰকাশৰ কাৰণে পঠোৱা সকলো প্ৰবন্ধ সহজে পঢ়িব পৰা গোট গোট আখৰত লেখাটো বাঞ্ছনীয়। প্ৰয়োজনীয় শুধৰণিৰ কাৰণে বাক্যবোৰৰ মাজত কমেও এক চেণ্টিমিটাৰ ঠাই ৰখা দৰকাৰ। পঢ়িব নোৱাৰা বা বেয়া আখৰেৰে লেখা কোনো প্ৰবন্ধ প্ৰকাশৰ কাৰণে বিবেচনা কৰা নহয়।

# 'আনন্দ আৰু বেদনাৰ সন্ধানত' কাফ্কা

সত্যজিৎ ভূঞা

কিপলিং নে কোনোবাই কৈছিল যে, লেখকজনৰ বিষয়ে জানিবলৈ তেওঁৰ নিজৰ সাহিত্য কৰ্মহে পঢ়া উচিত। আনে তেওঁৰ বিষয়ে লেখা প্ৰশস্তিমূলক টোকা বা আক্ৰমণাত্মক উক্তি পঢ়া অনুচিত। তাৰ পৰা কোনো চূড়ান্ত সত্যত উপনীত হোৱা নাযায়। পিছে, সদায় লেখক জনৰ মূল লেখা বা অনুবাদ পঢ়ি তাৰ পৰা শিক্ষা লবৰ সুযোগ অথবা সময় পোৱা নাযায়। কাজেই আনৰ উক্তি, অত্যুক্তি, মন্তব্য পঢ়িয়েই অনুসন্ধিৎসা মাৰ নিয়াব লগীয়া অৱস্থা একোটাৰ সৃষ্টি হয়। তদুপৰি এইটোও সত্য যে, সমালোচনাৰ জুয়ে নোপোৱা পৰ্যন্ত লেখক, পাঠকৰ হৃদয়ৰ নিভৃতত উপস্থিত হ'ব নোৱাৰে। আমাৰ নিচিনা পাঠকৰ বাবে সাহিত্য বিষয়ক আলোচনা-সমালোচনাৰ গুৰুত্ব অসীম। বিশ্ব সাহিত্যৰ সৈতে বা সুখ্যাত সাহিত্যিকৰ ঘটনা 'বহুল জীৱনৰ সৈতে আত্মীয়তা স্থাপন কৰিবলৈ আমি সময়ৰ পৰিমিত ব্যৱহাৰৰ অজুহাততে বিচাৰি ফুৰো হোমেন বৰগোহাঞিৰ 'আনন্দ আৰু বেদনাৰ সন্ধানত' আদিৰ লেখীয়া কিতাপ। বৰহাজ, গ্যেটে আদিৰ সৈতে আমাৰ দৰে পাঠকক প্ৰথম পৰিচয় কৰি দিছে এইখন পুথিয়েই। পিছে, শ্ৰীযুত বৰগোহাঞিৰ পিছত আন কোনো অসমীয়া লেখকে বিশ্ব সাহিত্য পৰিচয় কৰাই দিয়া বিষয়টো আন্তৰিকতাৰে নোলোৱাটো শিক্ষিত কিয় উচ্চ শিক্ষিত সকলৰ কাৰণেও অত্যন্ত দুখৰ বিষয়। অৱশ্যে চন্দ্ৰপ্ৰসাদ শইকীয়াই এই বিষয়ত ভালেকেইটা প্ৰবন্ধ ৰসিক পাঠকক উপহাৰ দিছে। শেহতীয়া ভাবে তেওঁৰ 'অমৰত্ব অভিলাসী মানুহ' মিলান কুন্দেৰাৰ 'Immortality' ভিত্তিক সুখপাঠ্য, অন্তৰস্পৰ্শী ৰচনা। ১-১৫ জানুৱাৰী ১৯৯০ সংখ্যা 'সূত্ৰধাৰ'ত প্ৰকাশিত অজিৎ বৰুৱাৰ "আলবে'ৰ ক্যেমু"ও এনে এক বিশিষ্ট প্ৰবন্ধ। শ্ৰীযুত বৰগোহাঞিৰ টোকাবহীৰ অননুকৰণীয় ৰচনাশৈলী আৰু অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অভূতপূৰ্ব বিৰল বৰঙণিৰ কথাও অবিস্মৰণীয়।

অল্পশিক্ষাৰে, সহজতে আৰু কম সময়তে বিশ্ব সাহিত্যৰ ৰস পান কৰিবলৈ "আনন্দ আৰু বেদনাৰ সন্ধানত" লেখীয়া কিতাপৰ বাদে গত্যন্তৰ নাই।

কিছুদিনৰ আগতে, কাফ্কাৰ বিষয়ে আৰু কাফ্কাৰ লেখা কিছুমান পঢ়িছিলো। বিনম্ৰ ভাষাত কাফ্কাৰ বিষয়ে কিঞ্চিৎ লেখি আমাৰ নিচিনা অল্পশিক্ষিত অথচ নিচা থকা সকললৈ আগবঢ়ালো।

ফ্ৰেঞ্জ কাফ্কা – জাৰ্মান সাহিত্যত এটি বিৰল প্ৰতিভাধৰৰ নাম। জাতিত আছিল চেকশ্ল 'ভাকিয়ান। কিন্তু তেওঁৰ সকলো লেখাই পোৱা গৈছিল জাৰ্মান ভাষাত। ১৮৮৩ চনত প্ৰেগ নগৰীত জন্ম গ্ৰহণ কৰা ফ্ৰেঞ্জ কাফ্কাৰ পিতৃ বৰ ধনী ব্যৱসায়ী আছিল। ফ্ৰেঞ্জক সাহিত্যিক হোৱাত প্ৰেৰণা যোগোৱা – ফ্ৰেঞ্জৰ পিতৃৰ উদ্দেশ্য নাছিল। কাফ্কাই প্ৰথমে সাহিত্য আৰু ঔষধ বিজ্ঞান পঢ়িবলৈ আৰম্ভ কৰিলে। কিন্তু কিছু দিনৰ পিছতে তেওঁৰ মন ঢাল খালে – আইনৰ প্ৰতি। অৱশ্যে তেওঁৰ এই আইন অনুৰাগ বা ওকালতিক পেছা হিচাপে ল'বলৈ থকা হাবিয়াসৰ আঁৰত কেইটামান উল্লেখযোগ্য কাৰণো আছিল। তেওঁ ভাবিছিল, পেছাদাৰী আইনজ্ঞ সকলৰ দৰে সুদীৰ্ঘ আজৰি সময় আৰু আন কাৰো নাছিল। দ্বিতীয়তে, আইনজ্ঞ সকলৰ ব্যক্তিগত জীৱনত আন লোকৰ প্ৰৱেশ সহজ নাছিল। সাহিত্য সৃষ্টিৰ বাবে অভিজ্ঞতা, অন্তৰ্দৃষ্টিৰ যিদৰে প্ৰয়োজন, সেই একেদৰেই প্ৰয়োজন ব্যক্তিগত জীৱনৰ নিঃসংগতা বা 'প্ৰাইভেচি' আৰু দীৰ্ঘ আজৰি সময়। আইনজ্ঞ হিচাপে এই দুয়োটা বস্তু আয়াসতে পোৱা যাব বুলি ভাবিয়েই কাফ্কা অৱশেষত আইনৰ ছাত্ৰ হ'ল। প্ৰেগ বিশ্ববিদ্যালয়ৰ পৰা তেওঁ আইন শিক্ষাত ডক্টৰেট ডিগ্ৰীও লাভ কৰিলে। বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰাৰ পিছতে তেওঁ এটা বীমা কোম্পানীৰ চাকৰিত যোগদান কৰিলে। প্ৰথম কিছুদিন বেচ স্বাভাৱিক গতিতেই আগবাঢ়িছিল। পিছে এই গতিত এদিন যতি পৰিল। কঠোৰ ৰুটিন নিষ্পেষিত দৈনন্দিন জীৱনৰ একঘেঁয় ৰূপে কাফ্কাক আমুৱালে।

তেওঁ খঙাল আৰু উগ্ৰ হৈ উঠিল। প্ৰাত্যহিক জীৱনৰ তুচ্ছতাই তেওঁৰ যি খং তুলিছিল, সেয়া তেওঁৰ শেষ বয়স পৰ্যন্ত মাৰ নোযোৱাকৈ আছিল। আৰু এদিন বীমা কোম্পানীৰ চাকৰি এৰি কাফ্কা আহি পালে বাৰ্লিন। বাৰ্লিনৰ উপকণ্ঠ অঞ্চল এটিত তেওঁ স্থায়ী ভাবে থাকিবলৈ ল'লে। আৰু তেওঁৰ সমস্ত সময় উৎসৰ্গিত হ'ল লেখা-কৰ্মত। বাৰ্লিনৰ উপকণ্ঠ অঞ্চলত থাকোতেই কাফ্কাই লেখক ৰূপে বিৰল প্ৰতিভাৰ পৰিচয় দিয়ে। কিন্তু লেখক ৰূপে সফল বা সমাদৃত হোৱা সত্বেও জীৱিত কালত তেওঁৰ কিতাপ প্ৰকাশ হৈছিল মাত্ৰ সাতখন। ১৯১৪ চনত, অৰ্থাৎ প্ৰথম বিশ্ব যুদ্ধ আৰম্ভ হোৱা বছৰতে কাফ্কাৰ বিবাহ ঠিৰাং হৈছিল। কিন্তু, হঠাৎ জানো কি হৈ গ'ল ? কাফ্কাই মনৰ গভীৰত বিবাহিত জীৱনৰ প্ৰতি অনুভৱ কৰিলে এক তীব্ৰ বিৰাগ আৰু ঘৃণা। তেওঁ সেই বিয়া বন্ধ কৰি দিলে। ইয়াৰ মাজতে কাফ্কাৰ প্ৰেমৰ অভিজ্ঞতাও স্মৰণীয়। কাফ্কাৰ জীৱনত প্ৰেমৰ অৰ্থ বা মহিলাৰ সংগ অলপ বেলেগ ধৰণৰ আছিল। দিনটোত তিনি চাৰিখনকৈ তেওঁ প্ৰেয়সীলৈ চিঠি লেখিছিল। সেইবোৰ চিঠিৰ উত্তৰ পাওক বা নাপাওক সেইটো তেওঁৰ ধৰ্তব্য বা বিচাৰ্য নাছিল। বৰং অত্যুৎসাহেৰে তেওঁ লিখি গৈছিল ইখনৰ পিছত সিখন চিঠি। চিঠিৰ কনটেন্ট শিল্পবস্তুৰ পৰা আৰম্ভ কৰি একেবাৰে দেহ-নিৰ্ভৰ বা ঈৰ্ষা কাতৰ আবেগিকতা পৰ্যন্ত বিস্তাৰিত আছিল। এইবোৰ চিঠিৰ বেছি ভাগতে কাফ্কাৰ সাহিত্যিক প্ৰতিভা বা উদ্দীপ্ত বুদ্ধিমত্তাৰ পৰিচয় পোৱা দূৰৈৰ কথা বৰং এক ঈৰ্ষাপৰায়ণ সাধাৰণ প্ৰেমিকৰ অন্ধ আবেগিক মোহহে পৰিস্ফুট হৈ উঠিছিল। অৱশ্যে তেওঁৰ প্ৰেমিকা ফেলিছ আছিল অসাধাৰণ।

> ফ্ৰেঞ্জ কাফ্কা–জাৰ্মান সাহিত্যত এটি বিৰল প্ৰতিভাধৰৰ নাম। জাতিত আছিল চেকশ্ল'ভাকিয়ান। কিন্তু সকলো লেখাই পোৱা গৈছিল জাৰ্মান ভাষাত। ১৮৮৩ চনত প্ৰেগ নগৰীত জন্মগ্ৰহণ কৰা ফ্ৰেঞ্জ কাফ্কা-ৰ পিতৃৰ ফ্ৰেঞ্জক সাহিত্যিক হোৱাত প্ৰেৰণা যোগোৱা ফ্ৰেঞ্জৰ পিতৃৰ উদ্দেশ্য নাছিল।

প্ৰথম বিয়া ভাঙি দি কাফ্কাই আকৌ এবাৰ বিয়াৰ কথা চিন্তা কৰিছিল। কিন্তু এইবাৰ তেওঁ অতি আশ্চৰ্যৰে আৱিষ্কাৰ কৰিলে নিজৰ শৰীৰত যক্ষ্মা ৰোগৰ বীজাণু। বিয়াৰ চিন্তা সম্পূৰ্ণ বাদ দি এইবাৰ কাফ্কাই আশ্ৰয় ললে যক্ষ্মা ৰোগীৰ চিকিৎসালয়ত। লাহে লাহে কাফ্কাৰ শৰীৰ ভাগি পৰিল। প্ৰেম জনিত অশান্তি, ঘৰৰ সৈতে তেওঁৰ অসুস্থ সম্পৰ্ক, আত্মকেন্দ্ৰিক পিতৃৰ অহমিকা ইত্যাদি বিভিন্ন কাৰণত ৰুগীয়া কাফ্কাৰ মানসিক বিপৰ্যয় ঘটে। বৌদ্ধিক সততা অৱশ্যে তেওঁৰ পূৰামাত্ৰাই আছিল। কিন্তু এই সততাই তেওঁক সকলো ক্ষেত্ৰতে আপোচৰ পৰা নিলগত ৰাখিছিল। চূড়ান্ত বিপৰ্যয়ৰ পৰতো তেওঁ আছিল সুউচ্চ প্ৰস্তৰ মূৰ্তিৰ দৰে ধীৰ স্থিৰ। অৱশেষত ১৯২৪ চনত কাফ্কাৰ দেহাৱসান ঘটিল। তেওঁৰ জীৱিত কালত প্ৰকাশ হৈছিল মুঠেই সাতখন কিতাপ। মৰণোত্তৰ কালত প্ৰকাশিত উল্লেখযোগ্য কিতাপ কেইখন হ'ল ঃ দ্য ট্ৰায়েল (১৯২৫), দ্য কাচ্যল (১৯২৬), এমেৰিকা (১৯২৭) আৰু দ্য গ্ৰেট ৱাল অব চাইনা (১৯৩১)। 'দ্য কাচ্যল' আৰু 'এমেৰিকা' প্ৰায় অৰ্দ্ধদশক কাল জুৰি চেকশ্লভাকিয়াত নিষিদ্ধ আছিল। কাফ্কাৰ গল্প সম্পৰ্কত এজন সমালোচকে কৈছিল–'Almost none of Kafka's works are complete in the conventional sense, and yet in all of them the essential idea is almost immediately apparent.'

কাফ্কাৰ গল্প দেখাত অসম্পূৰ্ণ যেন ধাৰণা হ'লেও অন্তৰ্নিহিত কেন্দ্ৰীয় ভাবানুভূতি কিন্তু যথাৰ্থ ৰূপত সদায়েই বিদ্যমান। এই নিবন্ধৰ শেষৰ পিনে কাফ্কাৰ কেইটিমান এনে ধৰণৰ লেখাৰ অনূদিত ৰূপ দিয়া হৈছে। সেই কেইটি পঢ়ি চালেই পাঠকে উপৰোক্ত কথাষাৰৰ সত্যতা নিৰূপণ কৰিব পাৰিব।

ফ্ৰেঞ্জ কাফ্কাৰ জীৱনৰ শ্ৰেষ্ঠ গল্প কোনটো ? দ্বিধাবিহীন ভাবে আঙুলি টোঁৱাব পৰা সেই গল্পটো হৈছে 'মেটামৰফ'চিছ'। এজন মানুহে এদিন নিজকে আৱিষ্কাৰ কৰিলে এটা প্ৰকাণ্ড পোকৰ ৰূপত। কি বীভৎস চেহেৰা সেই পোকৰ। তাৰ চালচলন আৰু কৰ্ম-কেনে আশ্চৰ্যজনক ! অন্তৰ্স্থিত মনটোৰ চিন্তা চৰ্চাও কি অদ্ভুত ! অন্য কোনো গল্প নিলিখি কাফ্কাই যদি কেৱল 'মেটামৰফচিছ'কে লিখি থৈ গ'লহেঁতেন তেতিয়াও হয়তো তেওঁৰ নাম গল্প প্ৰেমী পাঠকে সদায় মনত ৰাখিলেহেঁতেন।

কাফ্কাৰ অন্য দুটা সৰ্বজন আদৃত গল্প হ'ল–'দেচক্ৰিপশ্যন অব এ ষ্ট্ৰাগল' আৰু 'ৱেডিং প্ৰিপাৰেচনচ ইন দ্য কাণ্ট্ৰি'। আগতেই কৈ অহা হৈছে যে, কাফ্কাৰ বহু চুটি গল্প প্ৰথম দৃষ্টিতে অসম্পূৰ্ণ যেন লাগে। কিন্তু দ্বিতীয় বাৰ চিন্তা কৰি চালেই গল্পটিৰ গূঢ়াৰ্থ বা অন্তঃসলিলা বক্ৰোক্তি দৃষ্টিগোচৰ হয়। উদাহৰণ স্বৰূপে 'এ লিটল ফেবল' নামৰ গল্পটিলৈ আঙুলিয়াব পাৰি। গল্পটো এনে ঃ

> কাফ্কাৰ গল্প দেখাত অসম্পূৰ্ণ যেন ধাৰণা হলেও অন্তৰ্নিহিত কেন্দ্ৰীয় ভাবানুভূতি কিন্তু যথাৰ্থ ৰূপত সদায়েই বিদ্যমান। এই নিবন্ধত শেষৰ পিনে কাফ্কাৰ কেইটিমান এনেধৰণৰ লেখাৰ অনূদিত ৰূপ দিয়া হৈছে। সেইকেইটি পঢ়ি চালেই পাঠকে উপৰোক্ত কথাষাৰৰ সত্যতা নিৰূপণ কৰিব পাৰিব।

'Alas', said the mouse, 'the world is growing smaller everyday. At first it was so big that I was afraid, I ran on and I was glad when at last I saw walls to left and right of me in the distance, but these long walls are closing in on each other so fast that I have already reached the end room, and there in the corner stands the trap that I am heading for. 'You only have to change direction', said the cat, and ate it up.

প্ৰথমতে, ডাঙৰ যেন লগা পৃথিৱী, চতুষ্পদীৰ চকু দুটিৰ সমুখত ধীৰে ধীৰে সৰু হৈ আহিল। আনকি এটা মুহূৰ্তত সি আহি পালে তাৰ চলাচল পূৰ্ণ জগতৰ অন্তিম সীমা। অবৰুদ্ধ সীমা দেখি, সীমাত চাতুৰীৰ জাল দেখি সি বিস্মিত হ'ল। নিজস্ব পথৰ দিশ পৰিবৰ্তন নকৰাত সি নিমিষতে অন্য এক চতুষ্পদীৰ উদৰস্থ হ'ল। এয়া হ'ল মূৰ্খৰ অপমৃত্যু বা অজ্ঞানীৰ অদূৰদৰ্শিতাৰ বাবে হোৱা বিপৰ্যয়পূৰ্ণ পৰিণাম।

ৰহস্যবাদী চিন্তাৰ প্ৰাধান্য ফ্ৰেঞ্জ কাফ্কাৰ কিছুমান গল্পত বেচ অনুভূত হয়। যেনে, তেওঁৰ 'প্ৰস্থান' (দ্য দিপাৰচাৰ') নামৰ গল্পটো। এই গল্পৰ নায়ক, লেখক নিজেই। প্ৰথম পুৰুষত বৰ্ণিত এক ঘটনা। নায়কৰ ভাব-অনুভূতি তেওঁৰ বন-কৰা ল'ৰাটোৱে বুজিব নোৱাৰে। অথচ তেওঁৰ ঘোঁৰাটোৱে বুজি পায় তেওঁৰ মনৰ অভ্যন্তৰৰ ভাবানুভূতি। অৱশ্যে বন কৰা ল'ৰাটোতকৈ ঘোঁৰাটোৰ অন্তৰ পঢ়িব পৰা শক্তি অধিক যদিও সিও এটা বিশেষ সীমা অতিক্ৰম কৰি যাব নোৱাৰে। সুদূৰৰ পৰা অহা বিমল সুৰ নায়কে শুনে, বুজে। ঘোঁৰাটোৱে নুশুনে, নুবুজে। এঠাইত ঘোঁৰাটো ৰৈ যায়। আৰু আৰোহী অৰ্থাৎ নায়কক সোধে, 'আপুনি ক'লৈ যাব, মহাশয় ?"

'সঠিক নাজানো'–নায়কে কয়, 'মুঠতে এই ইয়াৰ পৰা আঁতৰবলৈ। আৰু সৌ সুদূৰেই মোৰ লক্ষ্য।' এক স্থিৰ লক্ষ্যৰ কথা নায়কে কৈ দিব নোৱাৰে। কিন্তু ৰহস্য আবৃত্ত লক্ষ্যস্থান গৈ পোৱা যে অত্যন্ত জটিল–সেই কথা তেওঁ জানে। বিপদ সংকুল পথেৰে গৈ লক্ষ্যস্থান পাওঁতে তেওঁৰ আনকি মৃত্যুও ঘটিব পাৰে। তথাপিও লক্ষ্যত উপনীত হ'বলৈ তেওঁৰ অসীম স্পৃহা, অধীৰ আগ্ৰহ।

ভূমাৰ স্পৰ্শত বিভোৰ হৈ পৰিবলৈ তেওঁৰ অতীব আগ্ৰহ, অসীম প্ৰচেষ্টা। 'দি দিপাৰচাৰ' গল্পৰ কেন্দ্ৰীয় ভাবৰ সৈতে যেন ৰবাৰ্ট ফ্ৰষ্টৰ নিম্নোক্ত কবিতাংশৰ কিবা মিল আছে–

'And many miles to go before I sleep
And many miles to go before I sleep'

আগতে উল্লেখ কৰি অহা হৈছে যে, কাফ্কাৰ সৈতে পিতৃৰ সম্পৰ্ক ভাল নাছিল। আনকি ঘৰৰ সৈতে থকা মনোমালিন্যৰ বাবেই ৰোগাক্ৰান্ত অৱস্থাত তেওঁ গভীৰ মানসিক অন্তৰ্দ্বন্দ্বত ভুগিছিল। ঘৰৰ সৈতে থকা এই বেদনা বিধুৰ সম্পৰ্কৰ আঁত ধৰি তেওঁ 'হম কামিং' [গৃহাগমন] নামৰ এটা গল্প লিখিছিল। গল্পটিত নায়ক ঘৰলৈ ঘূৰি আহিছে বহুদিনৰ

বিৰতিৰ অন্তত। ঘৰলৈ ঘূৰি আহি, আঁতৰৰ পৰাই তেওঁ প্ৰথমে আলেখ-লেখ চাইছে। চিনাকি পৰিবেশ। সকলো প্ৰায় একেই আছে। বাৰান্দাত একেই চিনাকি সাজোনত সজোৱা আছে চকী-টেবুল। ভাহি আহিছে মেকুৰীৰ মেও মেও মাত। বাহিৰত মেলি থোৱা কাপোৰে বতাহত ঢৌ খেলিছে। ৰান্ধনি ঘৰৰ পৰা উৰি আহিছে সুস্বাদু আহাৰৰ সুগন্ধ। নায়ক মূল দুৱাৰৰ পিনে আগবাঢ়ি গৈ আছে ধীৰে ধীৰে। চুচুক-চামাক গতি। লাহে লাহে তেওঁৰ মনত সংকোচ গভীৰ হৈছে। দুৱাৰত টুকুৰিওৱাৰ পিছত কি হব? তেওঁক কোনোবাই আগবঢ়াই নিব জানো? মৰমেৰে কোনোবাই মাতিবনে? ঘৰৰ বাকীবোৰৰ বাবে তেওঁৰ উপস্থিতি গ্ৰহণীয় হবনে? তেওঁৰ মূল্য তেওঁলোকে বুজি পাবনে? অৱশেষত তেওঁ দুৱাৰৰ বাহিৰৰ পৰাই গুচি আহিব খুজিলে। দুৱাৰত টুকুৰিয়াবলৈ তেওঁৰ সাহস নহ'ল। অলপ আগলৈকে তেওঁ ঘৰৰ ভিতৰৰ পৰা যিবোৰ চিনাকি মাত-কথা-শুনি আছিল, এতিয়া সেইবোৰ সকলো ঘড়ীৰ টিক্ টিক্ শব্দৰ দৰে শুনা গ'ল। অৰ্থাৎ শব্দময়তা মাত্ৰ। ঠিক উদ্ভট নাটকৰ সংলাপৰ দৰে। যিমানে সময় আগবাঢ়ি গ'ল সিমানেই তেওঁ সেই পৰিবেশত নিজকে বেছি অচিনাকি, বেছি বহিৰাগত যেন অনুভৱ কৰিলে। লাহে লাহে তেওঁ নিজকে সেই ঠাইৰ পৰা আঁতৰাই অনাৰ সংকল্প ল'লে। নিজেই নিজৰ 'never failing' বন্ধু, সেই সংকল্পত তেওঁ দৃঢ়বিশ্বাসী হ'ল।

গল্পটোৰ প্ৰথম শব্দটোৰ পৰা আৰম্ভ কৰি অন্তিম শব্দ পৰ্যন্ত বিয়পি আছে এক বিষাদ গীতৰ সুৰ। কেনেকৈ তিলে তিলে বাঢ়ি আহে সন্দেহ। ক্ৰমবৰ্দ্ধমান সন্দেহ কিদৰে ভাঙি দিয়ে বিশ্বাস। আৰু কিদৰে অন্তৰ্মুখী মানুহে নিজকে অনুভৱ কৰিবলৈ লয়, এক বিশাল জলভাগৰ মাজৰ এক ক্ষুদ্ৰ নিৰ্জনতাপূৰ্ণ দ্বীপ বুলি তাৰেই বিহংগালোকন এই 'হম কামিং' নামৰ গল্পটো।

## কাফ্‌কাৰ দুটামান চুটিগল্প

### ওচৰঘৰীয়া

মোৰ ব্যৱসায়ৰ সমস্ত দায়িত্ব মোৰেই কান্ধত। সমুখৰ কোঠাটোত টাইপিষ্ট দুজনী বহে। তাত থাকে টাইপৰাইটাৰ দুটা আৰু বিভিন্ন লেজাৰবোৰ। মোৰ নিজৰ কোঠাটোত বস্তু হবেক। লেখা-ডেস্ক, চে'ল্‌ফ, আলোচনা কৰিব পৰাকৈ ডাঙৰ মেজ, আৰামী চকী আৰু টেলিফোনটো। ব্যৱসায় চলাবলৈ এইখিনিয়েই মোৰ বাবে যথেষ্ট। কাজেই, চকু ৰাখিবলৈ বা চণ্ডালি ফুৰিবলৈ বেছি কষ্ট কৰিব লগীয়া নহয়। মই ডেকা মানুহ আৰু মোৰ কাজ-কৰ্মও বেচ ৰসিকতাৰ মাজেৰেই চলি থাকে। কাৰো বিৰুদ্ধে মোৰ অভিযোগ নাই। কাৰো বিৰুদ্ধে --------।

নতুন বছৰৰ আৰম্ভণিতে এজন ডেকা মানুহে মোৰ কাষৰ এপাৰ্টমেন্টটো ভাৰালৈ ল'লে। খালী হৈ থকা এই এপাৰ্টমেন্টটো মই ইমান দিনে ল'ম ল'ম বুলি ইতস্ততঃ কৰি থাকোতেই গ'ল। এপাৰ্টমেন্টটো মোৰটোৰ দৰেই। সমুখৰ কোঠাটো আৰু এটা ডাঙৰ কোঠা। অৱশ্যে অতিৰিক্ত সৰু পাকঘৰ এটাও আছে। মই কোঠা দুটা ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন। পিছে পাকঘৰত মই কৰিম কি? এই ভাবত থাকোতেই মোৰ ভুল হৈ গ'ল। আনে আহি ঘৰটো ললেহি। এতিয়া মানুহজন তাতেই থাকে। নামটো হেনো হাৰাছ। ঘৰটোৰ ভিতৰত তেওঁ কি কৰে মই খাটাংকৈ নাজানো। দুৱাৰত লিখা আছে এখন ফলক–ঃ 'হাৰাছ, অফিচ'। মনে মনে অনুসন্ধান চলাই গম পালো–তেৱোঁ মোৰ দৰেই এজন ব্যৱসায়ী; তেওঁ আশাবাদী, উন্নতিকামী মানুহ। তেওঁৰ অনুষ্ঠানটোৰ ভৱিষ্যৎ আছে। দেখাত পিছে তেওঁৰ কোনো সা-সম্পত্তি নাই। কাজেই তেওঁক কোনো বস্তু ধাৰত দিয়া উচিত নহব। ভালদৰে একো নজনাকৈয়ে এইখিনি খবৰ পোৱা গ'ল।

কেতিয়াবা বিল্ডিঙৰ খট্‌খটীত মই হাৰাছক লগ পাওঁ। পিছে সদায়েই তেওঁ অত্যন্ত খৰধৰ গতিত থাকে। সঁচা কবলৈ গলে, তেওঁ মোৰ কাষেৰে গুলি যোৱাদি আগবাঢ়ি যায়। এনে সাউৎকৈ যায় যে, তেওঁক কোনোদিন মই সম্পূৰ্ণকৈ দেখাই নাপাওঁ। ঘৰৰ চাবিটো যেন সদায় তেওঁৰ হাততে থাকে। সাউৎকৈ গৈ দুৱাৰ খুলি নিমিষতে নিগনি গাঁতত সোমোৱাদি তেওঁ ঘৰত সোমাই পৰে। ফলকখনৰ সমুখতে মই থৰ লাগো। প্ৰায়েই ফলকৰ শব্দ দুটা মই পঢ়ো। প্ৰয়োজনতকৈ বেছি সঘনে। 'হাৰাছ, অফিচ'।

এই যে ধ্বংসৰ গৰাহত পৰা ঘৰটোৰ শীৰ্ণ বেৰবোৰ, ইবোৰে সৎ কামত ব্যস্ত মানুহক বিশ্বাসঘাতকতা কৰিব পাৰে পিছে অসৎ লোকক ইবোৰে ঠিকেই ৰক্ষণা-বেক্ষণ দিব পাৰে। মোৰ টেলিফোনটো দুয়োটা এপাৰ্টমেন্টৰ সীমা ৰূপে চিহ্নিত বেৰখনতে ফিট্ কৰা আছে। মই পিছে খুব কমেইহে সেইটোত ৰিং কৰো। কাৰণ, ফোনত যি কথাই নাপাতো কিয়, সিটো ফালৰ ওচৰঘৰীয়াই সেই কথা সম্পূৰ্ণকৈ শুনাত কোনো অসুবিধা নাই। সেয়ে মই নিজকে এনে ধৰণে প্ৰশিক্ষণ দিছো যাতে ফোনত কথা হওঁতে ভুলতো মোৰ মুখেৰে কোনো গ্ৰাহকৰ নাম উচ্চাৰিত নহয়। অৱশ্যে কথাৰ পাক, কথাৰ শুনি-বুজি গ্ৰাহকৰ নাম উদ্ধাৰ কৰিবলৈ বেছি বুধিৰ প্ৰয়োজন নহয় বুলিয়েই মোৰ ধাৰণা। কেতিয়াবা মই অত্যন্ত উদ্বিগ্ন হৈ টেলিফোনৰ চতুৰ্দ্দিশে ভৰিৰ আঙুলিত ভৰ দি কাণত ৰিছিভাৰ লগাই কঁপি থাকো। কিজানিবা মোৰ ব্যৱসায়ৰ গোপন বাৰ্তা ওচৰঘৰীয়াই গম পায়! চিন্তা অধিক হয়। এনে অৱস্থাত মোৰ ব্যৱসায়িক সিদ্ধান্ত প্ৰায়েই ভুল হয় আৰু মোৰ মাত খুউব কঁপে। মই ফোনত কথা পাতোতে হাৰাছে বাৰু কি কৰি থাকে? কোনোবাই মই বেছি কৈছো, অতিৰঞ্জিত কৰিছো বুলিব পাৰে, পিছে মোৰ বোধেৰে হাৰাছক ব্যৱসায় চলাবলৈ বেলেগ টেলিফোনৰ কোনো প্ৰয়োজনেই নাই। সি বোধকৰো মোৰটোকে ব্যৱহাৰ কৰে। সি বোধহয় মোৰ ফোনত ৰিং হোৱাৰ লগে লগে চকীখন টানি বেৰখনৰ কাষ চাপে আৰু কাণ উনায়। মই যেতিয়া ৰিং হোৱা টেলিফোনৰ কাষলৈ দৌৰি আহো, গ্ৰাহকৰ প্ৰয়োজনবোৰ টুকি ৰাখো, সিদ্ধান্তত উপনীত হৈ জনাওঁ, তেতিয়া হাৰাছে নিশ্চয় মোৰ এই স্বেচ্ছামূলক সেৱা বেৰখনৰ মাজেৰে সাউৎকৰে নীৰৱে গ্ৰহণ কৰি কৃতাৰ্থ মানে। বোধহয় সি মোৰ আৰু গ্ৰাহকৰ মাজৰ কথা-বতৰা শেষ হোৱালৈকে অপেক্ষা কৰিব লগীয়া নহয়েই। যিটো মুহূৰ্ততে কথা-বতৰা বোৰ তাৰ ওচৰত পৰিষ্কাৰ হৈ পৰে, সেই মুহূৰ্ততে সি বোধহয় চকীৰ পৰা জঁপিয়াই উঠে। টাউনখনৰ মাজেদি তাৰ স্বভাৱ সুলভ দ্ৰুত গতিৰে খোজ কাঢ়ি তাৰ কাম সিদ্ধি কৰে আৰু বিদীৰ্ণ কৰে মোৰ আঁচনিবোৰ। □

### এটি অভিমত

বোৱাৰী পুৱাৰ কথা। পথবোৰ তেতিয়া সম্পূৰ্ণ পৰিষ্কাৰ, জনশূন্য আৰু নিৰ্জন। ষ্টেশ্যন অভিমুখে গৈ আছিলো। হাতৰ ঘড়ীটো পথৰ দাঁতিৰ টাৱাৰ ক্লক এটাৰ সৈতে মিলাই চালো। একপ্ৰকাৰ হতভম্বই হ'লো, 'আৰে, কথা কি? মোৰ ঘড়ীটো চোন বহু পলমকৈ চলিছে। তাৰ মানে ইতিমধ্যে বেলি বহুত হৈছে।'

খোজ খৰ কৰি আনিলো। মনত উত্তেজনাও অনুভৱ কৰিলো। উত্তেজিত অৱস্থাত মই ভুল কৰিলো পথ। কাৰণ, নগৰখনত মই এতিয়াও আচহুৱা, অচিনাকি-প্ৰায়। ভাগ্যক্ৰমে সমুখত দেখা পালো এজন শান্তিৰক্ষী বিষয়া। বিপদৰ একমাত্ৰ আৰু অন্তিম বন্ধু ৰূপে তেওঁকে সুধি পেলালো, মোৰ সঠিক পথৰ দিশ কেনি। বিনিময়ত তেওঁৰ ওঁঠত জিলিকি উঠিল সলজ্জ হাঁহি।

ঃ 'হাঃ তুমি বিচাৰিছা মোৰ পৰা সঠিক পথৰ সঠিক দিশৰ সংকেত?'

ঃ 'হয়। মই বৰ বিপদত পৰিছো'–এক প্ৰকাৰ তেওঁৰ কণ্ঠলগ্ন হৈয়ে ক'লো।

ঃ 'পৰিত্যাগ কৰা। পৰিত্যাগ কৰা সেই আশা।'–

বেচ ডাঙৰকৈয়ে তেওঁ ক'লে। নিজৰ হাঁহিত আত্মবিভোৰ হৈ তেওঁ বেচ আড়ম্বৰেৰে সেই ঠাইৰ পৰা আঁতৰি পৰিল। □



## স্বৰ্গৰ স্তম্ভত কীট

নলিনীধৰ ভট্টাচাৰ্য

স্বৰ্গৰ ওখ ওখ স্তম্ভবোৰত কীট সোমায়
সূৰ্য তাত নিষ্ফল, ঈশ্বৰ আত্মাহীন, অন্ধ, অক্ষম;
উদভ্ৰান্ত জগত দেখিও তেওঁ উদাসীন,
শিশুৰ মুখত অকণ গাখীৰ দিয়াৰ কথাও
তেওঁ ভবা নাই।


আসনত এতিয়া বহে তেওঁৰ প্ৰতিনিধি
এন্ধাৰৰ ৰজা তেওঁ, উৰ্বশীৰ নৃত্য চাই
ডাঙৰীয়া সকলৰ সতে পাতে গোপন মেল
তৰাৰ পোহৰ গাত সানি মেদ বঢ়ায়,
তেওঁ হৈ পৰে প্ৰাণহীন কপটীয়া হাঁহি।


আসনৰ তলৰ ছাঁত বহুতেই খোজ কাঢ়ে
ইফালে সিফালে ধপলিয়ায়
হঠাৎ ৰয়হি আহি এখন সময়তকৈও ওখ
ক'লা-চানেকীয়া দেৱালত
দেৱাল ভাঙিবলৈ যদিও কেতিয়াবা হয় এটা কণ্ঠস্বৰ
তেওঁবিলাকে ইটোৱে-সিটোক নেদেখে
স্বীকাৰো নকৰে
আকৌ বৈ যায়
কণ্ঠস্বৰ স্তব্ধ হয়।

এই ভয়ংকৰ আত্মাহীন স্বৰ্গৰ ধূলিত
ছুৰিবোৰ
বন্দুকৰ গুলিবোৰ উন্মত্ত হয়
নিৰ্দোষ কণ্ঠস্বৰৰ তেজৰ কণিকা লেখি
দিকভ্ৰষ্ট হয়
দেৱালৰ প্ৰহৰী।

দুৱাৰৰ টোকৰবোৰেই শত্ৰু হয়
গছবোৰেও কাকো আশ্বাস নিদিয়ে
তৰাবোৰ কোচ মোচ্ খায় ভয়ত
জীৱন, মৃত্যু যে ব্যৰ্থ এই কথা
আটায়ে পাহৰে।

এতিয়া ইয়াত কোনোজন. হৃদয়ৰ সূৰ্য হেৰুৱাই পেঁপুৱা
আৰু কোনোজন হৈ পৰিছে
প্ৰাণহীন কপটীয়া হাঁহি। □





## সেমেকা শীতৰ সন্ধিয়া

উষা শইকীয়া

জোনাক সৰা নিশাৰ
সপোন বাকি
কুঁহিলা কোমল শব্দেৰে
এটি কবিতা লিখাৰ
মানসিকতাৰ সুৰঙ্গইদি দেখোন
নিগৰি আহিছে
কিছুমান কঠিন শব্দৰ নিজৰা !!
য'ত জীৱনে নাহাঁহে
হাঁহিব খুজিলেও
থমকি ৰয়।
কেওকাষে বলি থকা
বতাহ আৰু ধুমুহাৰ বাবে।
সেমেকা শীতৰ
আহিনৰ মিঠা সন্ধিয়া
সেয়েহে
মনটো মোৰ জঠৰ হ'ল।
ইকৰাণীৰ লঠঙা
শিমলু জোপাৰ দৰে।
য'ত কবিতাই পাহি নেমেলে !!
মোৰ অনুভূতিত এতিয়া
শুভ্ৰ কুঁৱলী ভৰা
এখন শুভ্ৰ পৃথিৱী
য'ত মই বাট বুলিছো
অকলে। □

# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



অংকন □ চম্পক বৰবৰা

সময়বোৰ পাৰ হৈ গৈ থাকে। ইয়াৰ ভিতৰতে ফুকন আৰু শইকীয়াৰ মাজত এটা প্ৰগাঢ় ঘনিষ্ঠতা গঢ়ি উঠিবলৈ আৰম্ভ কৰে। আজিকালি প্ৰায়ে ফুকনে দেওবাৰে ৰাতিপুৱাই শইকীয়াৰ তালৈ আহে। তাতে দুয়োমিলি পুৱাৰ চাহ-জলপানৰ সামৰণি মাৰে। নানা আলোচনা হয়। ফুকনে বহুত পঢ়া-শুনা কৰিছে। ভাৰতীয় স্বাধীনতা আন্দোলনৰ কথাবোৰ তন্ন-তন্নকৈ ফঁহিয়াই চাইছে। তেখেতৰ জ্ঞান-বিবেচনাৰ পৰিধি দেখি শইকীয়া অবাক হয়। দেওবাৰৰ ৰাতিপুৱাৰ চ'ৰাটোৰ বাবে শইকীয়াই উদ্‌গ্ৰীৱ হৈ বাট চাই থাকে। কেতিয়াবা কেছাৰীৰ পৰা উভতি যাওঁতে ফুকনে সেউতীৰ আগত পিছদিনা পুৱা আহিব নোৱাৰিব বুলি কৈ যায়। শনিবাৰে নিশা ঘৰলৈ উভতি অহাৰ পিছত সেউতীয়ে বতৰাটো দিলে মধু শইকীয়াৰ মনটো বিষণ্ণ হৈ পৰে। বহুত কথা সুধিবলগীয়া আছিল; বুজিবলগীয়া আছিল। ফুকনে শইকীয়াক নানা কাগজ-পত্ৰ পঢ়িবলৈ দিয়ে। দোকানলৈও নানা বাহিৰা কিতাপ বিক্ৰীৰ বাবে অনা হৈছে। স্কুলীয়া কিতাপৰ বিক্ৰী পৰীক্ষাবোৰৰ পিছতেই যি হয়। বাহিৰা কিতাপবোৰ ওৰে বছৰ জুৰি গ্ৰাহকে কিনে। এইবোৰ কিতাপ দোকানত আছে বুলি দহে নেজানিছিল। আজিকালি ভালেমান লোকে এনে ধৰণৰ কিতাপ বিচাৰি আহে। নেপালে অইন কিতাপকে লাগিলে কিনি লৈ যায়। সেই যুগত অসমীয়া কিতাপ বেছি নাছিল বাবে বঙালী, ইংৰাজী কিতাপকে সৰহভাগ ৰাখিছিল। শইকীয়াই আজিকালি ইংৰাজী পঢ়িবলৈকো আৰম্ভ কৰিছে। অভিধানখন লগত লৈ হিনচ্ বুলি ব্যাকৰণৰ কিতাপখন চাই চাই আজিকালি বুজা হৈছে। নুবুজাটো ফুকনক সুধি লয়। প্ৰথম প্ৰথম শ্ৰীমন্তকো সুধিছিল।

তেনেকৈয়ে শইকীয়াৰ চ'ৰাত সচৰাচৰতে চলা আলোচনাৰ চক্ৰ বহিছিল – দুই বন্ধুৰ মাজত। এটা দেওবাৰৰ ৰাতিপুৱা। কথা আৰম্ভ হৈছিল জালিৱানাৱালাবাগৰ ঘটনাটোৰ সম্পৰ্কে। ফুকনে কৈছিল 'জালিৱানাৱালাবাগৰ ঘটনাটোৰ সম্পৰ্কে খবৰ কাগজত পঢ়াৰ পিছত মোৰ মগজু উত্তপ্ত হৈ উঠিছিল। কিন্তু মহাত্মাই এইটোক এটা হিমালয় পৰ্বত সমান ভুল চৰকাৰ বাহাদুৰে কৰা বুলি কৈয়ে ক্ষান্ত হ'ল। ভাৰতৰ জনগণৰ প্ৰতিহিংসাৰ খাৰ-ঘৰত তেখেতে জুই জ্বলাই দিবলৈ নগ'ল। যোৱা হ'লে গোটেই ভাৰতবৰ্ষতে যি দাবানল জ্বলিলেহেঁতেন, মোৰ ধাৰণা তাৰ তাপত কোনো বৃটিছ ৰাজত্ব ইয়াত থাকিব নোৱাৰিলেহেঁতেন।

"তেতিয়া হ'লে সেই চেষ্টা গান্ধীজীয়ে নকৰিলে কিয়? তেখেতে জানো দেশখনক ভাল নাপাইছিল?"

"গান্ধীজীয়ে দেশক.. কিয় ভাল নাপাব? কিন্তু তেখেতৰ বাবে অহিংসা এটা জীৱনদৰ্শনহে। তেখেতে কয়, 'আমাৰ যুঁজ অন্যায়ৰ বিৰুদ্ধে – অন্যায় কৰোতাৰ বিৰুদ্ধে নহয়। জালিৱানৱালাবাগত প্ৰতি বছৰৰ লেখীয়াকৈ ১৯১৯ চনৰ বহাগৰ বিহুৰ উৰুকাৰ দিনা যি গণসমাবেশ হৈছিল, তাৰ ওপৰত জেনেৰেল ডায়াৰে অকাৰণতে যোল্লশ জাঁই গুলি চলাবলৈ আদেশ দিছিল। সেই ঠাই ডোখৰৰ পৰা ওলোৱাৰ একমাত্ৰ বাটটো ডায়াৰৰ ফৌজে ভেটি ৰাখিছিল। চাৰিশজনমান মৰিল। তাৰ ভিতৰত ল'ৰা-তিৰোতা-বুঢ়াও আছিল। মৰাবোৰ মৰিল। অসংখ্য ঘাইল হ'ল, মানুহৰ তেজেৰে সেই ঠাইৰ মাটিত ডোঙা বান্ধিলে। কথাবোৰ ভাবোতেই মোৰ গাটো শিয়ৰি উঠিছে। অথচ গান্ধীজীয়ে আমাক হিংসাৰ বিনিময়ত প্ৰতিহিংসাৰ বাবে উদগনি নিদিলে।"

"তেখেত বিলাতত ভালেমান দিন আছিল। চাহাব সকলৰ প্ৰতি তেখেতৰ তেতিয়াই এটা দুৰ্বলতাৰ ভাব সোমাই গৈছিল কিজানি?"

"নাই, নাই, শইকীয়া। তেখেতৰ সম্পৰ্কে তেনেকৈ নেভাবিব। তেনেকৈ ভাবিলে আপোনাৰ লগত মোৰ কোনো আলচ কৰাই সম্ভৱ নহ'ব।"

কথা কেইটা ক'বলৈ গৈ ফুকনে উত্তেজিত হৈ বহাৰ পৰা উঠে; আৰু শইকীয়াই হতভম্ভ হৈ তেখেতলৈ চাই থাকে। গান্ধীজীৰ সম্পৰ্কে সন্দেহ দেখুওৱা বাবে ফুকনৰ খঙ উঠা দেখি শইকীয়া আচৰিত হয় আৰু ক্ষুব্ধও হয়। এইজন মানুহৰ এনেকুৱা তাত্বিক বিষয়ত আলোচনা কৰোতে খঙ উঠিব পাৰে বুলি কেতিয়াও আগতে ভবা নাছিল, বিনম্ৰভাৱে শইকীয়াই ফুকনক ক'বলৈ লয়, "খঙ নেখাব, ফুকন ডাঙৰীয়া। আমি অগিয়ানী মানুহ। স্কুল, কলেজত পঢ়ি নাপালো, আপোনালোক বিদ্বান, পণ্ডিত, কেতিয়াবা কথা সোধোতে নুসুধিবলগীয়াটোও মুখত ওলায়।"

শইকীয়াৰ কথাকেইটা শুনি ফুকনে সম্বিত ফিৰাই পায়; কথাটো পাতলাবৰ বাবে তেখেতে হাঁহি দিয়ে। "নহয়, নহয়, শইকীয়া ভুলটো মোৰেই। কালিৰে পৰা মোৰ মনটো তিতাকেঁহা লাগি আছিল। চাহ আৰু এপিয়লা খাওঁ। মগজটো তেতিয়াহে খুলিব।"

শইকীয়াই ভিতৰলৈ গৈ চাহ দুপিয়লাৰ কথা কৈ আহি আকৌ চকীত বহি লৈ সোধে, "কালিৰে পৰা মনটো নো ফুকনৰ কিয় তিতা-কেঁহা লাগি আছিল।"

"এস্ নক'ব। আমাৰ হাকিম একোজনে কংগ্ৰেছী উকিল দেখিলেই অগ্নিশৰ্মা হৈ উঠে। তাতে তেওঁলোকৰ সৰহভাগেই বঙালী মানুহ। ৰায়বাহাদুৰ, ৰায়চাহেব হোৱাৰ সপোন দেখে হ'বলা। কালি মোৰ মোকৰ্দমা এটাত সেন হাকিমে এনেয়ে মক্কেলৰ বিৰুদ্ধে ৰায় দিলে। মোক দেখিলেই তেওঁ জ্বলি উঠে। মক্কেলক মই কেচটো মোৰ নিজৰ খৰচত জজকোৰ্টলৈ আপীল কৰিম বুলি আশ্বাস দিলো। জজ জন চাহাব কাৰণে – আইনৰ ভিত্তিত তেখেতৰ পৰা শুদ্ধ মীমাংসা এটা পাম বুলি মই ভাবো।"

চাহ দুপিয়লা কাম কৰা ছোৱালীজনীয়ে দি গ'লহি। চাহৰ পিয়লাটোত শোহা এটা মাৰি ফুকনে আকৌ হাঁহি হাঁহি কৈ যায়, "শইকীয়া, আজি আপোনাৰ ঘৰত বহি আমাৰ কংগ্ৰেছী মানুহবোৰৰ বিষয়ে নতুন কথা এটা আৱিষ্কাৰ কৰিলো। গান্ধীবাদী আদৰ্শৰ কথা যিমানেই নকওঁ লাগিলে আচলতে গান্ধীৰ লগত আমাৰ সম্পৰ্কটো আবেগিকহে। নহ'লে প্ৰকৃত গান্ধীবাদী হলে গান্ধীৰ সম্পৰ্কে প্ৰত্যক্ষ বা পৰোক্ষ যি কোনো ধৰণৰে কটূক্তি কৰিলেও আমি বিৰক্ত হ'ব নাপায়। আজি আপোনাৰ লগত কথা পাতোতে তাৰ ব্যতিক্ৰম ঘটিল।"

"তেওঁলোকৰ নিজৰ দেশত সুন্দৰ আইনৰ ব্যৱস্থা থকা সত্ত্বেও জেনেৰেল ডায়াৰৰ প্ৰকৃত বিচাৰ নহ'ল কিয়?" – কথাৰ মেৰ-পাক ঘূৰাবলৈ আলোচনাটোৰ আগৰ আঁত ধৰিবৰ বাবে কথাটো উলিয়ালে।

"যোৱা মহাসমৰত বৃটিছ চৰকাৰে দেশৰ ভালেমান মুখিয়াল মানুহক আশ্বাস দিছিল – যুদ্ধ শেষ হ'লে ভাৰতবৰ্ষত উন্নত স্বায়ত্ত শাসনৰ ব্যৱস্থা কৰিব বুলি। কিন্তু সেইবোৰ কৰক চাৰি – ১৯১৯ চনৰ ২৪ ফেব্ৰুৱাৰীৰ দিনা তেওঁলোকে ৰাওলাত আইনৰ প্ৰবৰ্ত্তন কৰিলে। আমি ভাৰতীয়ই স্বাধীনতাৰ আন্দোলন কৰাৰ অধিকাৰ হেৰুৱালো। ভাৰতবৰ্ষলৈ শাসনৰ বাঘজৰি হাতৰ মুঠিত ল'বলৈ অহা চাহাববোৰ বেলেগ ধৰণৰ প্ৰাণী। সেই ধৰণৰ মানুহবোৰৰ লগত সেইখন দেশৰ জনমানৱৰ কোনো মিল নাই। সেন হাকিমৰ কথা কৈছিলো কাৰণেই উলিয়াইছো। বঙ্গদেশখন ক্ষুদিৰামৰ দেশ। পৰাধীনতাৰ শিকলি ছিঙিবলৈ যি বিৰাট যোজনা হৈছিল এইখন প্ৰদেশত তাৰ অন্ত ঘটাবলৈ বৃটিছ চৰকাৰ বাহাদুৰে এই প্ৰদেশখন দুভাগ কৰিছিল – ১৯০৪ চনত বৰলাট বাহাদুৰ লৰ্ড কাৰ্জনে। তাৰ প্ৰতিবাদত দেৰলাখৰো ওপৰ বঙালী ডেকা ল'ৰাই কাৰাবৰণ কৰিছিল বৃটিছৰ বিৰুদ্ধে থিয় দি। ১৯১২ চনত সেই বঙ্গ-ভঙ্গ আইন উঠাই ল'বলগীয়া হ'ল বৰলাট বাহাদুৰে। বঙ্গদেশৰ এই প্ৰকৃত বঙালী মানুহবোৰৰ পৰা আমাৰ ইয়াত থকা প্ৰবাসী বঙালীবোৰ সম্পূৰ্ণ সুকীয়া।"

লানি নিছিগাকৈ আলোচনা চলি থাকে। কেতিয়াবা আকৌ ঘৰুৱা কথাও দুই এটা পাতে। খুৰাকৰ ডাঙৰ ল'ৰাটোই বি এ পাছ কৰাৰ পিছত গুৱাহাটীৰ আৰ্ল ল কলেজত নাম লিখিছে। ল কলেজৰ হোষ্টেল নথকাৰ বাবে তাৰ থকা-মেলাৰ অসুবিধা হৈছে। কেইদিনমানৰ পিছত গুৱাহাটীলৈ গৈ ব্যৱস্থা এটা কৰি আহিব। ফুকনৰ কথা শুনি শইকীয়াই টপৰাই মাত লগালে – সেইখিনি সময়তে তেওঁৰো কলিকতালৈ যোৱাৰ কথা। এইছোৱা বাট অন্ততঃ একেলগে যাব পাৰিব।

যথাসময়ত দুয়ো বন্ধুৱে মৰিয়নিৰ ষ্টেচনত ভাটিৰ গাড়ীত উঠিলে। নিশা টোপনি নহালৈকে দুয়ো কথা পাতিলে। এবাৰ শইকীয়াই ক'লে, "বৃটিছৰ সকলোবোৰ কথাকে আমি বেয়া বুলি ক'ব নোৱাৰো। এই ৰেলখনকে তেওঁলোকে চলাচলৰ ব্যৱস্থা হিচাপে কামত নলগোৱা হ'লে আমিনো আজি গুৱাহাটীলৈ গ'লোহেঁতেন কেনেকৈ?"

হাঁহি এটা মাৰি ফুকনে উত্তৰ দিছিল, "শইকীয়া আপুনি পাহৰি নাযাব। বৃটিছ আমাৰ দেশলৈ আহিছিল ব্যৱসায় কৰিবলৈ। সেই কোম্পানী যুগৰ বণিয়া মনোবৃত্তি তেওঁলোকৰ মাজত পিছলৈকো থাকি গ'ল। এই ৰেললাইনডালে গুৱাহাটীৰ পিছত আমাৰ চহৰ কেইখনৰ কোনোবা এখন চুই গ'ল নে। তেওঁলোকে চাহৰ বাগান কৰিছে। চাহপাত কঢ়িয়াবৰ বাবেহে তেওঁলোকে ৰেললাইন সাজিছে, সেই বাবেই বাগানবোৰ চুই চুইহে ৰেললাইনডাল গৈছে।"

ফুকনৰ কথাৰ যুক্তিখিনি দেখি শইকীয়াৰ ভাল লাগে। বেঞ্চিত পাৰি লোৱা বিছনাখনত কাতি হৈ টোপনি নহালৈকে শইকীয়াই ফুকনৰ কথাকে ভাবি গৈ থাকে। এনেকুৱা এজন মানুহৰ সান্নিধ্যলৈ আহিবলৈ পোৱাটোৱেই এটা সৌভাগ্যৰ কথা। তাৰ উপৰিও বন্ধুত্ব ঘটাটো এটা অভাবনীয় ঘটনা। কথাবোৰ ভাবি যাওঁতে যাওঁতে কোনোবা এটা সময়ত শইকীয়াৰ টোপনি আহি গ'ল।

অভ্যাসবশতঃ বাহিৰত পোহৰ হোৱাৰ লগে লগে শইকীয়াৰ টোপনি ভাগিল। বিছনাত বহি লৈ বাহিৰৰ পৃথিৱীখনলৈ শইকীয়াই চাবলৈ ধৰে। কিনাৰৰ গছ-গছনিবোৰ অহৰহ পিছলৈ দৌৰি গৈ থকা যেন লাগে। সদায় দেখি অহা অভিজ্ঞতাটো – এই বৈচিত্ৰ্যবিহীনটোৱে কিন্তু আমনি নলগায়। চালে চাই থাকিবৰ মন যায়। তন্ময়তাত কল্পনাৰ শিমলু তুলা কোনোবা অজান দেশলৈ উৰি যায়। শৈশৱ, কৈশোৰ – পথাৰত ধান পকিবলৈ লওঁতে টুনটুনি চৰাই আহে জাকে-জাকে ধান খাবলৈ। টিন এটাত মাৰি এডালেৰে কোবাই কোবাই চৰাই খেদিবলৈ লোৱাৰ কথা মনত পৰে। দূৰৰ আকাশখনৰ মাজেৰে জাকে-জাকে জাক পাতি যায় বেলেগ বেলেগ ধৰণৰ সৰু ডাঙৰ নানা চৰাই। কেতিয়াবা একোজাক ৰাজহাঁহ আহি পৰেহি পথাৰৰ সিপাৰে থকা বিলখনত। ল'ৰালি কালৰ সেই দিনবোৰৰ কথা মনলৈ আহে। উৰণীয়া হাঁহবোৰ দেখি প্ৰায়ে ভাবিছিল এই হাঁহবোৰৰ দৰে যদি উৰি যাব পাৰিলেহেঁতেন। লাহে লাহে নিশাৰ আন্ধাৰ নামি আহে মাটিৰ পৃথিৱীখনলৈ। সেই দিনবোৰত ঘৰলৈ উভতি যোৱাটো এটা বিভীষিকা আছিল। মাহীমাকে গালি পাৰে – অকথ্য গালি। দেউতাকে মাৰে। সৌকাৰ কোবত পিঠিত দাগ বহি যায়। আৰু ভাবিবৰ মন নেযায় মধু শইকীয়াৰ। ইতিমধ্যে ফুকনে সাৰ পাই তললৈ নামি আহিছে – ওপৰৰ বাঙ্কত পাতি লোৱা বিছনাৰ পৰা। কিছু বেলি পিছতেই ট্ৰেইন আহি পাইছিল চাপৰমুখ। পঁচিশ মিনিট ৰয়। দুয়ো নামি চাহ-জলপান খাই লয়। তাৰ পিছত আকৌ যাত্ৰা আৰম্ভ হয়। নানা কথা – নানা আলাপ-আলোচনা। অন্যান্য যাত্ৰীবোৰৰ লগতো চা-চিনাকি হয়। ক্ষেত্ৰী, ডিগাৰু, পানবাৰী, পানীখাটি। সৰু সৰু ষ্টেচন। এইবোৰত দুই-তিনি মিনিটমানকৈ ৰৈ গাড়ী গুৱাহাটী পাওঁতে চাৰে দহ বাজিল। আগতেই আলচ কৰি দুয়ো ঠিক কৰিছে – শইকীয়াই এদিনমান ফুকনৰ লগত থাকি যাব। ষ্টেচনত নামিয়ে দেখিলে ফুকনৰ ভায়েকে লগত আৰু দুজন ল'ৰাৰে সৈতে ককায়েকৰ বাবে অপেক্ষা কৰি আছে। ল কলেজৰ ক্লাছ ৰাতিপুৱা হয়। ক্লাছ কৰিয়ে ষ্টেচনলৈ আহিছে। ভায়েক প্ৰশান্তই লগৰ দুজনক চিনাকি কৰি দিলে। বন্ধত ঘৰলৈ যাওঁতে প্ৰশান্তই মধু শইকীয়াক লগ পাইছিল। মজুৰ লবলগীয়া নহ'ল আটাইকেইজনে ধৰাধৰিকৈ বস্তুবোৰ কঢ়িয়াই ৰেলৰ লাইন পাৰ হৈ ৰিহাবাৰীৰ পিনে পোনালে। কিছুদূৰ আগবাঢ়ি যোৱাৰ পিছত এটা অকটা গোন্ধ নাকত আহি লাগিল। সিফালে এটা চামৰাৰ গুদাম আছিল। তাৰ পৰা গোন্ধ আহে। আলিৰ দুয়োপিনে সেইখন চলাবিল কেঁচা আলিবাটৰ ওপৰেৰে আগুৱাই যাওঁতে এই অঞ্চলটোক একপ্ৰকাৰ চহৰৰ বাহিৰ যেন লাগিছিল। মানুহৰ বসতি সেৰেঙা। তেওঁলোকে এঠাইত গৈ কেইটামান ঘৰ পালে। তাৰে এটা ঘৰত তিনি বন্ধুই লগ লাগি থাকে। ঘৰৰ ভিতৰত বস্তুবোৰ থৈয়েই তিনিওজনে আলহীৰ শুশ্ৰূষাত লাগি গ'ল। দুপৰীয়াৰ আহাৰ সমাপন কৰি অলপ জিৰাই আবেলি বেলিকা ফুকন আৰু শইকীয়াই ওলাই গ'ল ভবানী হাজৰিকাৰ ঘৰ বিচাৰি। দীঘলীপুখুৰী পাৰৰ ওচৰে-পাঁজৰে কোনোবাখিনিত ভবানী হাজৰিকাৰ ঘৰৰ ঠিকনা বুলি ফুকনে জানিছিল। হাজৰিকা ফুকনৰ ল কলেজৰ দিনৰ সহপাঠী। খিলাফৎ আন্দোলনৰ সময়ত জেললৈ যাবলগীয়া হোৱাৰ কাৰণে পঢ়া-শুনাত ব্যাঘাত হৈছিল। চাৰি বছৰমান তেনেকৈয়ে ভলন্টিয়াৰী কৰি থাকোতেই পাৰ হৈছিল। ভবানী হাজৰিকা ফুকনৰ সহপাঠী হলেও ফুকন বয়সত ডাঙৰ হোৱা বাবে হাজৰিকাই তেওঁক ককাইদেউ বুলি সম্বোধন কৰিছিল। ল কলেজত পঢ়োতে দুয়ো একেলগে ঘৰ ভাড়া কৰি আছিল। অন্তৰঙ্গতা সুদৃঢ় হোৱাৰ পিছত ফুকনে এবাৰ হাজৰিকাহঁতৰ গাঁৱৰ ঘৰলৈকো গৈছিল। মৰিগাওঁ এলেকাত তেওঁলোকৰ ঘৰ। দেউতাক বৰ কৰ্মী মানুহ আছিল। সেই অঞ্চলতেই খেতিত তেওঁতকৈ ওপৰত কোনো নাছিল। একমাত্ৰ পুতেকক পঢ়াই শুনাই হাকিম কৰিবৰ ইচ্ছা আছিল দেউতাকৰ। কিন্তু ফুকনক লগ পোৱাৰ পিছৰ পৰাই ভবানী হাজৰিকাই বৃটিছৰ গোলামি নকৰো বুলি ঠিক কৰিছিল। গুৱাহাটী চহৰত ওকালতি কৰিব বুলি দেউতাকক জনাইছিল। ভালকৈ ওকালতি শিকিব লাগিলে ডাঙৰ উকিলবোৰৰ মাজত থাকিব লাগে। ল'ৰাৰ কথাত দেউতাক সৈমান হ'ল। প্ৰথম ছমাহমান ঘৰৰ পৰা চাউল-পাত, টকা-পইছা নিছিল যদিও পিছলৈ ঘৰলৈ যাওঁতে মাক দেউতাক বায়েকহঁতলৈ কিবাকিবি বস্তু লৈ যাব পৰাকৈ উপাৰ্জন কৰিব পৰা হ'ল। চাৰিজনী বায়েকক ঘৰৰ ওচৰতে বিয়া দি ছয়-সাত পূৰাকৈ ৰূপিত মাটিৰে সৈতে দেউতাকে নিজে প্ৰত্যেকৰ সংসাৰ কেইখন থিতাপি লগাই দিছিল। জোঁৱায়েকহঁতে ভবানীৰ দেউতাকক আজিকালি বেছিকৈ পথাৰত কাম কৰিবলৈ নিদিয়ে। হেজাৰ হলেও বয়স হৈছে। তেওঁলোকে শহুৰেকৰ খেতিখন ভাগ-বাটি চম্ভালে। ধৰমতুলৰ পৰা তেলাহি হৈ মৰিগাওঁ নৌপাওঁতেই ভবানী হাজৰিকাৰ ঘৰলৈ যোৱা পথৰুৱা বাট এটা আছিল। সেই বাট লাহে লাহে গৰু গাড়ী চলাব পৰা হ'ল।

সেইবোৰ এৰি অহা দিনৰ ঘটনা। গুৱাহাটীৰ দীঘলী পুখুৰীৰ ওচৰে-পাঁজৰে ফুকনে বিচাৰি বিচাৰি শ্ৰীভবানী হাজৰিকা বি এ, বি এলৰ নঙলাৰ মুখত আঁৰি থোৱা নামৰ ফলকখন উলিয়ালে। ভবানীয়ে কেছাৰীৰ পৰা আহি তেতিয়া কাপোৰ-কানি সলায় চাহ-জলপান খাবলৈ লৈছিল। ঘৰত কাম কৰিবলৈ গাঁৱৰ পৰা ল'ৰা এটা আনি ৰাখিছিল। প্ৰথমে প্ৰথমে একো নেজানিছিল। এতিয়া অলপ ৰন্ধাবঢ়াও কৰিব পৰা হ'ল। নঙলা চেৰাই ফুকন আৰু মধু শইকীয়া ঘৰৰ দুৱাৰমুখৰ পিনে আগবাঢ়ি গ'ল। খটখটীয়েদি উঠি সমুখৰ দুৱাৰখন খুলি ভিতৰ সোমায়ে ফুকনে ভবানীৰ সমুখত থিয় দিলে। ফুকনক দেখিয়েই ভবানীয়ে জাঁপমাৰি গৈ "ককাইদেউ তই" বুলি কৈ সাবট মাৰি ধৰিলে। "মালবস্তু ক'তা ?"

আজি ৰাতিপুৱা আহি পাইছোহি। মই তোক আগতে কৈছিলো। খুৰাদেউৰ ল'ৰা ভাই এটাক ল পঢ়াম বুলি। সি ৰিহাবাৰীত মেচ কৰি থাকে। তাৰ তাতে বস্তু-বাহানিবোৰ থৈ তোক বিচাৰি চলাথ কৰি এইখিনি ওলাইছো।"

"তোৰ ভায়েৰ গুৱাহাটীত ঘৰ ভাড়া কৰি আছে! মোৰ এই প্ৰকাণ্ড ঘৰটো থাকোতেই ? তই, ককাইদেউ, আগৰ দৰেই বোমভোলা হৈয়ে থাকিলি। ব'ল এতিয়াই তইঁতৰ বস্তুবোৰ লৈ আহোগৈ। এখেত ?"

ভবানীয়ে মধু শইকীয়ালৈ চাই সুধিলে। ফুকনে মধু শইকীয়াৰ চিনাকিটো দিলে।

"ককাইদেউৰ বন্ধু যেতিয়া, আপুনিও মোৰ ককাইদেউ হ'ল আজিৰ পৰা।"

শইকীয়াৰ ভবানীক ভাল লাগিল। ঘৰৰ কাম কৰা ল'ৰাটোক পইছা দি ভবানীয়ে ক'লে, "মাছ পুঠি আৰু কি ক'ত লাগে অনাই ল'বি। মই শুকুৰাকাক কৈ থৈছো।

হাজৰিকাৰ ঘৰৰ চৌহদৰ একাষে – খেৰৰ ঘৰ এটা দেখি ফুকনে তাত কোন থাকে বুলি সোধাত ভবানীয়ে ক'লে, "ইয়াতে ছয়জনমান মানুহ থাকে। ঘৰৰ বেৰ লিপা, চূণ তেল আদি দিয়া কাম কৰে। অন্যান্য হাজিৰা কামো কৰে। এইবোৰ মানুহক ইয়াত 'ঘেৰামি' কাম কৰা মানুহ বুলি কয়। মোক আহি সুধিলেহি, ইয়াতে থাকিব পাৰিব নেকি ? ময়ো অনুমতি দিয়াৰ বিৰুদ্ধে কোনো যুক্তি বিচাৰি নাপালো। পিতাইৰ পৰা অনা পইছাৰে ঘৰে মাটিয়ে কিনি ললো এজন দেচোৱালী মানুহৰ পৰা। বুঢ়া হৈ আহিছে কাৰণে তেওঁ বিহাৰৰ পূৰ্ণিয়া জিলাৰ গাঁৱৰ ঘৰলৈ যাবলৈ মন কৰিলে। ঘৰটো মেৰামতি কৰিবৰ বাবে এওঁলোকক লগাইছিলো। তেতিয়াই চিনাকি। মানুহকেইটা বিশ্বাসী। টানে-আপদে মোক সহায় কৰে। মই ঘৰলৈ গ'লে এইখন ঘৰৰ ৰখীয়া হয়। বজাৰ-সমাৰো কৰি দিয়ে। আজিকালি দেখিছো সেই পিনৰ পৰা কেছাৰীত মোকৰ্দমা কৰিবলৈ কোনোবা আহিলেই সেইবোৰ মানুহক মোৰ ওচৰলৈ লৈ আহে। এনেকৈয়ে মোৰ মক্কেল ভালেখিনি বাঢ়িছে। দেখিছ, মই কিমান বুধিৰ মানুহ।" কথাখিনি কৈয়ে ভবানীয়ে আপোন মনে হাঁহে। ফুকন আৰু শইকীয়ায়ো হাঁহে।

ঘৰৰ পৰা ওলায়েই তিনিওজনে ওচৰতে থকা আব্দুল কছোৱানক ঘোঁৰা গাড়ীখন ঠিক কৰি ক'ৰৰালৈ যাবলৈ ওলাওঁতেই পালে। "কি আব্দুল, ক'ৰবাত ভাড়া আছে নেকি ?"

"নাই উকিলবাবু, ষ্টেচনলৈ যাওঁ বুলিহে ওলাইছো। কিবা ভাড়া পাওঁ নেকি বিচাৰি। ক'ৰবাত যায় যদি উঠক।"

তিনিও গাড়ীত উঠি ৰিহাবাৰীমুৱা হ'ল। শেষৰ পিনৰ কিছু দূৰ বাট গাড়ী নেযায়। আব্দুলক সেইখিনিতে ৰ'বলৈ কৈ তিনিও প্ৰশান্তহঁতৰ মেচ পালেগৈ। ফুকনহঁতৰ বস্তু-বাহানিখিনিৰ লগতে প্ৰশান্তৰ বাকচ-বিছনাও ল'লে। প্ৰশান্তই এটা স্বস্তিৰ নিশ্বাস পেলালে। কোনোবা ল'ৰা এজনে অসুখ হৈ ঘৰলৈ গৈছিল। তেওঁ উভতি আহিলেই জাগা এৰি দিব বুলিহে মেচত থাকিবলৈ লৈছিল। পিছে বেমাৰ হৈ ঘৰলৈ যোৱা ল'ৰাজনে দুই-এদিনতে উভতি আহিব বুলি বতৰা পঠিওৱা বাবে এটা সংকটৰ সৃষ্টি হৈছিল। লগৰ ল'ৰা কেইটাৰ সৈতে আটাইকেইজনে বস্তু-বাহানিখিনি ধৰা-ধৰিকৈ কঢ়িয়াই আনি ঘোঁৰাবাগিখনৰ ওচৰ পালেহি। আব্দুলৰ হতুৱাই বাগিৰ ওপৰত বস্তুবোৰ বান্ধি লৈ গাড়ীখন এইবাৰ আকৌ দীঘলী পুখুৰীৰ পাৰৰ ভবানীৰ ঘৰমুৱা হ'ল। কেঁচা আলিছোৱা পাৰ হৈয়ে নিউ ফিল্ডৰ কিনাৰেদি যোৱা শিলগুটি দিয়া বাটটো পোৱাৰ লগে লগে ঘোঁৰাৰ খুৰাৰ শব্দ হ'বলৈ আৰম্ভ কৰিলে – খট্ খট্ খটা খট্। তাৰ মাজে মাজে তিনিও বন্ধুৱে কথা কৈ গ'ল। তেতিয়া নিশাৰ আন্ধাৰ নামি আহিছিল। সেই কালত বাটৰ বাবেও আজিৰ নিচিনা বিজুলী চাকি নাছিল। মানুহবোৰৰ ঘৰত কেৰাচিন তেলৰ লেম-চাকি জ্বলি উঠিছিল। সৰু সৰু দুই এখন দোকান আছিল। তাতো হাৰিকেন লেমবোৰ জ্বলাই আঁৰি থৈছিল দোকানীয়ে।

ঘৰ পায়েই ভবানীয়ে একাষৰীয়া কোঠা এটাত প্ৰশান্তৰ বস্তুবোৰ থৈ কাম কৰা ল'ৰাটোক কোঠাটো ভালকৈ সাৰি-মচি তক্তাপোচ এখনৰ ওপৰত বিছনাখন পাৰি দিবলৈ কয়। ফুকন আৰু শইকীয়াই আহি সেই কোঠাটোৰ দুৱাৰমুখত থিয় দিলেহি। এইবাৰ এচুকত থিয় হৈ থকা প্ৰশান্তলৈ চাই ভবানীয়ে ক'লে, "আজি থাক ইয়াতে। কাইলৈ মই টেবুল-চকী আনি দিম। ভালকৈ পঢ়িব লাগিব। কিতাপ-পত্ৰ তোৰ কি আছে নেজানো। মোৰ তাত আটাইবোৰ কিতাপেই আছে। ভালকৈ পঢ়িব লাগিব। খৰচ-পাতিৰ কাৰণে যেতিয়া যি লাগে ক'বি। ককাইদেউক তই আমনি নকৰিবি। তাক আমি দেশৰ বাবে উছৰ্গা কৰি থৈছো, তই পাছ কৰি গৈ তাৰ চকীখনত বহিব পাৰিলেই সি নেগুৰ কটা বাঘ হ'ব। আমিও যুঁজখন চাবলৈ ভাল পাম। এপিনে ককাইদেউ বাঘ আৰু আনপিনে বৃটিছ সিংহ!"

আটাই কেইটাই হাঁহিবলৈ ধৰিলে। "ককাইদেউ, তই প্ৰশান্তৰ বাবে কোনো চিন্তা নকৰিবি। মোৰ লগত কেছাৰীলৈকো মাজে মাজে লৈ যাম। পাছ কৰি অটালে তোক গটাই দিমগৈ। ইয়াৰ খৰচৰ কথা নুলিয়াবি। এইবোৰ মোৰ দায়িত্ব। তোৰ ভাই মানেই মোৰ ভাই।"

অবাক হৈ ভবানীৰ পিনে চাই থাকে। এখন বিৰাট অন্তঃকৰণ সমুখত দেখিবলৈ পালে। সেই কোঠাটোৰ পৰা উভতি আহি থাকোতে ফুকনে ক'লে, "ভবানী, তই অকণমানো সলনি নহ'লি।"

"ককাইদেউ, তই জানো বদলি হৈছ। কেৱল দেশ দেশ বুলি চিঞৰতে গ'ল। বিয়া-বাৰু কৰোৱাৰ কথা কিবা থিৰাং কৰিলি নে নাই ?"

"চা, ভবানী, মোৰ নিচিনা মানুহ এটাই বিয়া-বাৰু কৰোৱাৰ কথা চিন্তা কৰাটো জানো অনুচিত নহ'ব। প্ৰশান্তক উপযুক্ত কৰি তাৰ হাতত খুৰাদেউ, খুৰীটিক গটাই দিব পাৰিলেই হ'ব। তাৰ বিয়াখন সোনকালে পাতি দিম।"

পৰিবেশটো অলপ গম্ভীৰ হৈ উঠে। ফুকনে আকৌ কয়, "দেউতা, আইতাক সৰুতে হেৰুৱালো। দেশখন, দেশৰ অসংখ্য সাধাৰণ মানুহৰ মাজতেই মই মোৰ পিতৃ-মাতৃৰ অস্তিত্বটো বিচাৰি পাওঁ। তোৰ বিয়া-বাৰুৰ কথা কিবা ঠিক হ'ল নেকি ?"

"ভাল কথা কৈছ। মাই, পিতাই তৌলৈ খাপ লৈ আছে। তোৰ বিয়াখন পাতি দিহে হেনো মোৰ বিয়াখন পাতিব। দুয়োৰে কইনাৰ বাবে গহনা গঢ়াই থৈছে। মোৰ ছোৱালী বোলে তইহে ঠিক কৰি দিব লাগিব। তই ব'ল ঘৰলৈ। শনিবাৰে গৈ তাৰ পৰা বাহিৰে-বাহিৰে যোৰহাটলৈ যাব পাৰিবি, চাপৰমুখত ৰেল ভালেমান পৰ ৰয়। তাতেহে তই ৰেল ধৰিব লাগিব।"

ভবানীৰ মাক দেউতাকে গহনা গঢ়াই থৈছে বুলি শুনি ফুকনৰ চকু কেইটা চলচলীয়া হৈ উঠিল। লাহে লাহে তেওঁ কবলৈ আৰম্ভ কৰিলে, "পিতাদেউ আৰু আইতাক কবি মই এমাহমানৰ পিছতে চাৰিমাহমান ইয়াত থকাকৈ আহিব লাগিব। ফুকন ডাঙৰীয়া আৰু বৰদলৈদেউ দুয়ো হুকুম কৰিছে – পাণ্ডুত কংগ্ৰেছৰ অধিবেশন বহিব। বহুত কাম। তেখেতসকলৰ গাত এতিয়াৰ পৰাই গোঁসাই নাই। সেই সময়তে তইঁতৰ ঘৰলৈ কেইদিনমান থকাকৈ যাব লাগিব। নবীন বৰদলৈ ডাঙৰীয়াই গঞা ৰাইজৰ পৰা অধিবেশনত অবিহণা জোগাৰ কৰাটোৰ ওপৰত অধিক গুৰুত্ব দিছে। চাউল-পাত মাহ, পেৰা তেলকে আদি কৰি গাঁৱত হোৱা বস্তুবোৰ গাঁৱে গাঁৱে গোটাই অধিবেশনৰ সময়ত গৰু গাড়ীৰে আনি এইখিনি পোৱাবহি লাগিব। তেখেতৰ মতে তেনেকুৱা কৰিলেহে আমাৰ স্বাধীনতা আন্দোলনটোৰ প্ৰতি ৰাইজৰ সহানুভূতি বাঢ়িব। মৰিগাওঁ, নগাওঁকে আদি কৰি সেই অঞ্চলটোত তাৰ স্থানীয় কংগ্ৰেছ কৰ্মীসকলক লগত লৈ ঘূৰিম বুলি স্থিৰ কৰি থৈছো। সেৱাদলৰ বাবেও কিছু কৰ্মী গোটাব লাগিব। সেই সময়ছোৱাৰ ভিতৰতে আইতা আৰু পিতাদেউৰ লগত কথা পাতিম। এইবোৰ কথা ক্ষন্তেকীয়া আলোচনাৰে বুজাব নোৱাৰিম। মোৰ জীৱন-যাত্ৰাৰ প্ৰণালীটো দেখি তেখেতসকলে নিজেই বুজিব যে মোৰ বাবে বিয়া কৰোৱাটো অসম্ভৱ।"

অলপ সময় আটাইকেইজনে তলকা মাৰি ৰয়। কথা ঘূৰাবলৈ বুলি শইকীয়ালৈ চাই ফুকনে এইবাৰ ক'লে, "শইকীয়া, আপোনাৰ ঘৰৰ মানুহক লৈ আৰু দুই এযোৰা মানুহক লৈ কংগ্ৰেছ চাবলৈ আহিব লাগিব। দেশৰ গোটেইচাম ডাঙৰ ডাঙৰ নেতা আহিব। নেহেৰু, গান্ধী, পেটেল আদি কিমানৰ নামনো ক'ম ? ইমানবোৰ মহাপুৰুষৰ দৰ্শন একেলগে কৰিবলৈ পোৱাটো কম ভাগ্যৰ কথা নহয়। মই ঘৰ এটা ভাড়া কৰি লৈ আপোনালোকৰ ব্যৱস্থা বঢ়িয়াকৈ কৰি থ'ম।"

"তই ঘৰ ভাড়া কিয় কৰিবি ? এই প্ৰকাণ্ড ঘৰটো এনেয়ে আছেনে ? দৰকাৰ হলে বাহিৰতো খেৰৰ ঘৰ কেইটামান কৰাই দিব পাৰিম।"

"তোৰ মগজুত ওকালতিৰ বাহিৰে আন বুদ্ধি একো নহ'ল। তোৰ নিচিনা ডঙুৱা বৰলা এটাৰ ঘৰত লোকৰ মাইকীমানুহ কেনেকৈ থাকিবলৈ আহিব বাৰু ?"

"সেই কেইদিনৰ বাবে মই কোনোবা এজন বন্ধুৰ ঘৰতে থাকিবলৈ পাৰিম। গোটেই ঘৰটোকে তইঁতে লবি। কিন্তু ঘৰ ভাড়া লোৱাটো নহ'ব হ'লে দেই।"

"হ'ব হ'ব, তোৰ কথাৰ ওপৰত আন কাৰোবাৰ কথা জানো চলে ?"


বিতৰ্কৰ সেইখিনিতে ওৰ পৰে। লৰালৰিকৈ সেইদিনাই ফুকনে চহৰৰ ভালে কেইজন কংগ্ৰেছী নেতাৰ লগত অধিবেশন সম্পৰ্কে আৰু সংগঠন সম্পৰ্কে নানা আলোচনা কৰিবলৈ ওলাই গ'ল। ওভতোতে নিশা ভালেমান হৈছিল। শইকীয়া আৰু ভবানীয়ে একেলগে ভাত খাবৰ বাবে ৰৈ আছে। প্ৰশান্ত ল'ৰা মানুহ। সি আগতেই ভাত খাই শুই নিঃপাল দিছে। কাম কৰা ল'ৰা কণলৰায়ো ভাত মুঠি খাই পাটী লৈছেহি।

পিছদিনা দুপৰীয়া ভাটিমুৱা গাড়ীত যাবৰ বাবে শইকীয়া সাজু হ'ল। যাবৰ সময়ত দেখিলে ওচৰৰ ঘৰটোৰ ঘেৰামি কাম কৰা মানুহ কেইটাৰ ভিতৰত এটা ওলাল। আগদিনাই তনু ঘৰলৈ যাবলৈ ওলাইছিল। ভবানীয়ে পিছদিনালৈ ৰবলৈ ক'লে। পাণ্ডু পোৱাৰ লগে লগে শইকীয়াৰ বিছনাখন তনুৱে কান্ধত লৈ ব্ৰহ্মপুত্ৰ নাৱেৰে পাৰ হৈ আমিনগাঁৱত ৰেলত বিছনা পাতি থ'ব। নহলে কেতিয়াবা কেতিয়াবা ঠাই পাবলৈ বৰ অসুবিধা হয়। গোটেই নিশাটোৱেই উজাগৰে কটাব লগা হয়। সেইটো শইকীয়াই আগতেও দেখিছিল। ভবানীয়ে এই ব্যৱস্থাটো কৰা দেখি শইকীয়াৰ মনটো বৰ ভাল লাগি গৈছিল।

(আগলৈ)

# সেই ছোৱালীজনী – যাৰ বাওঁফালৰ গালত আছিল এটা বীভৎস দাগ

–ৰশ্মিৰেখা বৰা



"হেল্ল' অবিনাশ, কি খবৰ ?"

কাৰোবাৰ মাতত সি ৰৈ গ'ল। পিঠিত সূৰ্যটো পেলাই লৈ সি এনেই ব্যস্ত ৰাজপথত ঘূৰি ফুৰিছিল। মানুক দেখি সি হাঁহি এটা মাৰি আগুৱাই আহিল। বহুত দিনৰ মূৰত দুয়োটা লগ হৈছে।

–"কৰবাত বহো বলা। বহুত কথা ক'ব লগা আছে তোমাক।" সৰু ছোৱালী এজনীৰ দৰে ক'লে মানুৱে।

সিহঁত দুয়োটা এখন সৰু ৰেষ্টোৰাঁলৈ সোমাই গ'ল। আগৰ বহু দিন ইয়াতে পাৰ হৈছে মানু, সজল আৰু অবিনাশৰ।

– "কোৱাচোন তোমাৰ খবৰ।" মানুৱে সুধিলে।

– "খবৰ আৰু কি ! আগৰ দৰেই। এই ভৰদুপৰীয়া পাগলৰ দৰে ৰাস্তাত ঘূৰি ফুৰিছো, তুমিতো দেখিছাই।" চিগাৰেট এটা জ্বলাই সি লাহে লাহে ক'লে।

– "পঢ়া বাদ দিলা কিয় ?"

– "কি কৰিবা পঢ়ি ? নামৰ পাছত দীঘল ডিগ্ৰী এটাৰ দৰকাৰ নাই মোৰ।" অবিনাশে ক'লে – "তুমিনো ইমানবোৰ পঢ়ি কিডাল কৰিছা ? ডিগ্ৰীটো লোৱা কেইবছৰ হ'ল ? দুবছৰ। অ' এতিয়া তুমিও ঘৰত বহি আছা, ময়ো বহি আছো। পাৰ্থক্যটো ক'ত ?"

– "সজলক লগ পাইছা ?" মানুৱে কথাটো সলাবলৈ চেষ্টা কৰিলে।

– "অ' সি বোলে ভাল চাকৰি এটা পাইছে।" অবিনাশে ক'লে। "হওক দিয়া অন্ততঃ সি কিবা এটাত ব্যস্ত আছে। মই এতিয়া কি কৰিছিলো জানা। বাটৰ মানুহ হিচাপ কৰিছিলো। অফিচ, স্কুল-কলেজলৈ যোৱা মানুহেই মানুহ। ইমান মানুহ; ইমান কাম। অথচ মোৰ কোনো কাম নাই। সেয়ে মানুহকে হিচাপ কৰি আছিলো। টো গণা বুঢ়াটোৰ সাধুটো মনত আছেনে তোমাৰ ?"

সি মানুলৈ চালে।

–"বাৰু বাদ দিয়া মোৰ কথা। তোমাৰ বিষয়ে কোৱাচোন কি কৰি আছা এতিয়া ? মই আকৌ ভাবিছিলো তুমি ইমানদিনে কাৰোবাৰ ঘৰ শুৱনি কৰি আছা চাগে,"

– "মই এটা চাকৰি পাইছো। ইয়াতে।" গহীনকৈ ক'লে মানুৱে।

অবিনাশৰ চকুযোৰ জিলিকি উঠিল। বন্ধুৰ সুখত আজি সি বহুত সুখী।

সেইদিনা মানুৰ পৰা বিদায় লৈ সি আহি আছিল। হঠাতে তাৰ মনত পৰিল উপাসনালৈ উপাসনা নে আৰাধনা, কি আছিল বাৰু তাইৰ নামটো ? তাইলৈ মনত পৰিলেই এক বিৰক্তিবোধে তাৰ মন ভৰি পৰে। ফিজিক্স, কেমিষ্ট্ৰিৰ কিতাপবোৰৰ মাজত তাই যে কেনেকৈ সোমাই আছিল ! তাইৰ সমস্ত চিন্তাধাৰা কেন্দ্ৰীভূত আছিল সেই কিতাপবোৰত। তাৰ বাহিৰে যেন আৰু একোৱেই নাই এই পৃথিৱীত !

উপাসনাক (নে আৰাধনা ?) দেখিলেই তাৰ ডিঙিটো সোপা মাৰি ধৰা যেন লাগিছিল। সি তাইৰ পৰা প্ৰায়ে আঁতৰত আছিল।

– "আজি ক্লাছটো কেনে পালা ?" তাই এদিন তাক সুধিছিল।

– "জানো, ক'ব নোৱাৰো।"

– "কিন্তু তুমিতো ক্লাছত আছিলা।" তাই আচৰিত হৈছিল।

– "ক্লাছত বহি থকা মানেই যে মই চাৰে কি চিঞৰি আছে তাক শুনিব লাগিব তাৰ কি মানেটো আছে ?"

তাই চকুকেইটা ডাঙৰ কৰি অবিনাশলৈ চাইছিল।

সেইজনী উপাসনা নে আৰাধনা, এতিয়া ক'ত আছে সি নাজানে। মাজতে শুনিছিল ডাক্তৰ এজনৰ লগত বিয়া হৈ গৈছে। বছ, সেইখিনিতে শেষ হৈ গ'ল তাইৰ জীৱনৰ অন্বেষণ। ধুৰ ! অবিনাশে ভাবিলে।

বৰ ধুনীয়া আছিল তাই। উপাসনা আৰু আৰাধনা মানে একে নেকি ? নহয় হবলা। স্কুলত থাকোতে সদায় তাৰ 'অশৰীৰী' আৰু 'শাৰীৰিক' শব্দ দুটা লিখোতে 'ই-কাৰ', 'ঈ-কাৰৰ' ভুল হৈছিল। উপাসনা আৰাধনাৰ অৰ্থ বিচাৰোতেও সি তাৰ সেই পুৰণা যন্ত্ৰণা অনুভৱ কৰিলে। শব্দ দুটা লিখাৰ সময়ত অনুভৱ হোৱা যন্ত্ৰণা।

– "আমাৰ জীৱনটো এটা ডাঙৰ ট্ৰেজেদি।" এদিন অবিনাশে মানু আৰু সজলক কৈছিল।

– "আচলতে মই কি হ'ব খুজিছিলো মই নিজেই নাজানিলো। কিহৰ বাবে মই পঢ়াশুনা কৰিছো মই নাজানো। গৈ আছো অথচ ক'লৈ আৰু কি কাৰণে সেয়া মোৰ অজ্ঞাত।"

এসময়ত মই যেতিয়া বহুত সৰু আছিলো সদায় এটা সপোন দেখিছিলো। এটা সুন্দৰ সপোন। কিন্তু মোৰ সপোনটো সপোন হৈয়ে হেৰাই গ'ল।"

– "হেৰাই গ'ল নহয়, তই নিজে হেৰুৱালি।" সজলে ভোৰভোৰাই ক'লে। "তোৰ এটা ভৱিষ্যত আছে, যিটোক তই ইচ্ছা কৰিলে সুন্দৰ কৰি তুলিব পাৰ। কিন্তু নাই। কি পালি জীৱনত ?"

অবিনাশে হাঁহিলে।

– "তই নিজে কি পালি কচোন ? দুহেজাৰ টকীয়া এটা চাকৰি ! সিমানেইতো। তাতেই শেষ হৈ গ'লনে তোৰ জীৱনৰ সাৰ্থকতা, জীৱনৰ অন্বেষণ ? তই তাতে সুখ পাইছ। মই মোৰ অৱস্থাত সুখী। আচলতে আন মানুহে বিচৰা ধৰণৰ সুখ মই বিচৰা নাছিলো। গতিকে সিহঁতে ক'বৰ দৰে অসুখী হৈয়ো মই যথেষ্ট সুখী।"

সজল আৰু মানুৱে একো কোৱা নাছিল সিদিনা।

বহুদিন অবিনাশক লগ নোপোৱাত মানু এদিন অফিচৰ পৰা বাহিৰে বাহিৰে তাৰ ওচৰলৈ গ'ল। সি তেতিয়া আপোনমনে গাই আছিল–

"যে নদী মৰুপথে হাৰালো ধাৰা
জানি হে জানি তাও হয়নি হাৰা"

মানুক দেখি অবিনাশ উৎফুল্লিত হৈ পৰিল। অবিনাশৰ এক বিৰাট পৰিৱৰ্তন লক্ষ্য কৰিলে তাই।

– "ৰূপালীক মনত আছেনে তোমাৰ ?" হঠাতে সি সুধিলে মানুক।

মানুৰ মনত ৰূপালীৰ মুখখন ভাহি উঠিল। কলেজত একেলগে পঢ়িছিল সিহঁতে। বাওঁফালৰ গালত চকুলৈকে জ্বলি যোৱাৰ এক বীভৎস দাগ আছিল তাইৰ।

বৰ দুঃখী আছিল ছোৱালীজনী।

– "সিদিনা মই ৰূপালীক লগ পাইছিলো।" ক'লে অবিনাশে। "তাইৰ অলপতে বিয়াও হৈছিল। কিন্তু কেইদিনমানৰ পাছতে বিধৱা হ'ল। মই ভাবিছিলো তাই কিজানি ভীষণ অসুখী। কিন্তু আচৰিত কি জানা ইমান দুখৰ মাজতো তাই হাঁহি আছিল। দুচকুত যেন তাইৰ কিবা এটা সপোন জ্বলমলাই আছিল। আহিবৰ সময়ত তাই মোক ক'লে–

"আমাৰ সকল কাঁটা ধন্য কৰে ফুটবে গো ফুল ফুটবে
আমাৰ সকল ব্যথা ৰঙীন হয়ে গোলাপ হয়ে উঠবে।"

তেতিয়া তাইক যে কিমান সুন্দৰ লাগিছিল ! তাইৰ মুখৰ পৰা যেন পোহৰ ওলাইছিল। মই যেন বহুত পোহৰ দেখা পালো।"

অলপ ৰৈ অবিনাশে ক'লে – "মই এখন ছবি আঁকিছো, চাবা ?"

মানুৱে লক্ষ্য কৰিলে। ইজেলত আধা আঁকা ৰূপালী। বাওঁফালৰ গালত বীভৎস দাগ। তথাপিও কিযে উজ্জ্বল ছবিখন ! এটা সপোনক বাস্তৱত ৰূপ দিবৰ বাবে উদ্বিগ্ন এহাল চকু।

– "চোৱাচোন ৰূপালীৰ চকুযোৱে কিদৰে হাঁহিছে। মোৰ আজি জীয়াই থাকিবলৈ খুব মন গৈছে মানু। অ' মই সঁচাকৈয়ে জীৱনৰ প্ৰেমত পৰিছো।"

অবিনাশ উত্তেজিত হৈ পৰিল –

"হয় হয় মই জীয়াই আছো, মই জীয়াই থাকিবলৈ শিকিছো।"



# জীৱনবোধৰ ক, খ,

## (২য় পাঠ)

দীপিকা বৰগোহাঁই

জীৱন সম্পৰ্কৰে দান। জীৱনক গতিশীল কৰিবলৈ, প্ৰাচুৰ্যপূৰ্ণ কৰিবলৈ সেই সম্পৰ্কৰে প্ৰয়োজন হয় আটাইতকৈ বেছি। এইবোৰক বাদ দি আমাৰ জীৱনে সম্পূৰ্ণতা দাবী কৰিব নোৱাৰে। সম্পৰ্কই বহু কিবা কিবি দিলেও জীৱন কিন্তু সম্পৰ্কতে শেষ নহয়; ই সম্পৰ্কতকৈ বিশাল। নহলে সকলো সম্পৰ্ক ছেদ কৰি সাধকসকলে এক সম্পৰ্কহীন জীৱন-অভিজ্ঞতাৰ আস্বাদ লবলৈ বিচাৰিব কিয় ? সাৰ্থক হব পাৰেনে নে নোৱাৰে সেয়া তেওঁলোকৰ কথা।

আজি প্ৰায় ৭-৮ মাহে গাপ দি থোৱা বিষয় এটাৰ ওপৰত সিদ্ধান্ত লবৰ বাবে এখন সভাৰ আয়োজন কৰা হৈছিল আমাৰ নগৰ খনৰ তিনি আলিটোৰ চুকটোত থকা সৰু ঘৰ এটাৰ কোঠা এটাত। সভাখন আয়োজন কৰিছিল মহিলা সংগঠন এটাই। নাৰীৰ পাৰিবাৰিক জীৱনৰ বহুতো জঁট ভঙাৰ কৃতিত্ব সংগঠনটোৱে ইতিমধ্যে অৰ্জন কৰিছে। সেইদিনাৰ সভাখনো তেনে এক বিষয়কে লৈ। উপস্থিত হৈছিল স্বামী স্ত্ৰীৰ দুয়োপক্ষৰে বন্ধু-বান্ধৱ, বিভাগীয় কৰ্মকৰ্তা সকল আৰু সাক্ষী দিব পৰা দুজন বয়সিয়াল ওচৰ-চুবুৰীয়া।

নিশা আৰু ৰূপহৰ বিয়া হোৱা আজি দহবছৰেই হ'ল। দুয়ো চাকৰিয়াল। নিশা এগৰাকী সুদক্ষা নাৰ্চ। তেওঁৰ কৰ্মদক্ষতাৰ কাৰণেই 'অপাৰেচন থিয়েটাৰ'ত বেছি ভাগ 'ডিউটি'। ৰূপহ এটা বিভাগৰ সহকাৰী বিষয়া সাংস্কৃতিক অনুষ্ঠানবোৰৰ গুৰি ধৰিব পৰা এক সংস্কৃতিমনা পুৰুষ, 'হৰ্টিকালচাৰ' ব্যৱসায় হিচাপে নললেও বিলাস হিচাপেই ঘৰৰ আগত হৰেক ৰকমৰ ফুল, কেকটাচ, 'শোভনীয়' গছবোৰৰ টাবেৰে এখন ধুনীয়া উদ্যান পাতি পেলাইছে। ৰূপহ এক ভাল বক্তাও। কথাবোৰ সজাই শুৱলাকৈ উপস্থাপন কৰিব পাৰে। তুলনামূলক ভাবে নিশা অল্পভাষী, সভাত কথা কোৱাৰ অভ্যাসেই নাই। তেওঁলোকৰ একমাত্ৰ সন্তান 'জিলমিল', ৮ বছৰীয়া চটপটীয়া ছোৱালী। ৰূপহৰ স্বীকাৰোক্তি–'২৪ জনী ছোৱালীক টুকুৰিয়াই চাই ২৫ জনীত পৰা নিশাক সি স্ত্ৰীৰ মৰ্যাদা দিছিল সমজুৱাকৈ শিৰত সেন্দুৰকণ পিন্ধাই'। এটা সময়ত সিহঁতৰ মাজলৈ জিলমিল আহিল, জিলমিলো আজি ৮ বছৰীয়া। কিন্তু কি হ'ল জানো আজি দুবছৰমানৰ পৰা ইটোৱে সিটোক ভাল নোপোৱা হ'ল, সহ্য কৰিব নোৱৰা হ'ল। ৰূপহে নিশাৰ পৰা যি বিচাৰিছে নিশাই দিব পৰা নাই, নিশা যেন ৰিক্ত হৈ গ'ল। পদে পদে সেইহে আহিছে অভিযোগ। নিশাৰ কথা এয়া–'দিনটো অপাৰেচন থিয়েটাৰৰ অসুস্থ পৰিবেশ এটাত থাকি শাৰীৰিক ভাবে, মানসিক ভাবে ক্লান্ত মন এটাৰে আলহীৰ কাৰণে জুতি লগাকৈ মাংসকণ কেনেকৈ ৰান্ধো, টাববোৰৰ যত্ন কেনেকৈ লওঁ, জিলমিল'ৰ যত্নকণ লৈছোৱেইচোন'। ৰূপহ ইয়াত সন্তুষ্ট নহয়, নিশাইও নুবুজে ৰূপহে আৰু কি বিচাৰিছে। বুজিবলৈকো হয়তো চেষ্টা কৰাৰ শক্তিও তাইৰ নোহোৱা হৈ আহিছে। ফলত ৰূপহে আজি এনে এক পৰ্যায় পাইছেহি যে সি নিশাক ত্যাগ কৰিব। আইন সঙ্গত ভাবে যি চৰ্তত বিবাহ বিচ্ছেদ হ'ব পাৰে তাৰ এটাও এই হাল দম্পতিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। সেইহে যি কোনো এক আনুষ্ঠানিকতাৰ আলম লৈ নিশাক ত্যাগ কৰাৰ অভিপ্ৰায়ে এই সংগঠনটোলৈ এখন আবেদন দিছে। নিশাৰো এখন আবেদন আছে। তাই জনাইছে যি ভুল তাই কেতিয়াবা কৰিছে সেইয়া ইমান মাৰাত্মক নহয় যে তাত ত্যাগ কৰাৰ কাৰণ থাকিব পাৰে। কৰি যোৱা ভুল খিনিৰ কাৰণে ক্ষমা বিচাৰি আৰু ভৱিষ্যতলৈ এনে ভুল নকৰাৰ আশ্বাস দি তাই ৰূপহৰ লগতে থকাৰ ইচ্ছাটো প্ৰকাশ কৰিছে। 'জিলমিলক এৰি মই ক'লৈ যাম' ? নিশাই জানে জিলমিলে দেউতাকক এৰিব নোৱাৰে, ৰূপহেও।

নিজ নিজ আবেদনৰ সমৰ্থনত মুখেৰেও দুআষাৰমান কোৱাৰ প্ৰথমে সুবিধা দিলে নিশাকে। আগতেই কৈছো নিশা অল্পভাষী, তাই যি কলে আবেদন পত্ৰ খনৰ মৌখিক ৰূপহে বুলিব পাৰি। ৰূপহক ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ কোৱাত বিয়াৰ প্ৰথম ৰাতিৰ পৰা আজি এসপ্তাহৰ আগলৈকে কৰা নিশাৰ আচৰণৰ এক খতিয়ান দি গ'ল, ক'তো খোকোজা নলগাকৈ। শ্ৰোতা ৰূপহৰ বাকপটুতাত ইমান সম্মোহিত হ'ল যে এক প্ৰকাৰ নিশাৰেই গাত সমস্ত দোষ জাপি দি ৰূপহৰ পক্ষত থিয় দিলেহি। শ্ৰোতাৰ ফালৰ পৰা এজনে নিশাক পুনৰ বহলকৈ কবলৈ কোৱাত এইবাৰ তাইৰ মুখ খোল খালে। হয়তো ৰূপহৰ পক্ষলৈ ৰাইজখন যোৱা দেখি নিজ নিৰাপদ স্থিতিৰ কথা ভাবিয়েই সমস্ত শক্তি প্ৰয়োগ কৰি তাই মুখৰা হৈ পৰিল

OSDISD

ৰুস্তেকতে। এইবাৰ ৰূপহৰ আচৰণৰ যি তালিকা তাই প্ৰমাণ সহ দাখিল কৰিলে তাত ৰাইজ হতবাক হ'ল। তুলাচনী খনত দুয়োপক্ষৰ অভিযোগৰ ওজন সমান হোৱাত এক সমিলমিল ভাবলৈ আহিবলৈ সভাৰ ফালৰ পৰা দুয়োজনকে অনুৰোধ কৰা হ'ল। নিশা আগৰে পৰাই আপোচকামী, ৰূপহ কিন্তু তাৰ নিজ স্থিতিত অটল, সি ইতিমধ্যে মনেৰে নিশাক ত্যাগ কৰিলেই। সকলোৱে লক্ষ্য কৰিলে, দৰ্শকৰ পৰা সি চকু আঁতৰাই আনিছে, মুখখনো ক্ৰমান্বয়ে কঠোৰৰ পৰা কঠোৰতৰ হৈ আহিছে। এনে অৱস্থাত কি কৰিব লাগিব দৰ্শকৰ ফালৰ পৰাই এক মতামত লৈ সিদ্ধান্ত এটা কৰাৰ ব্যৱস্থা কৰিলে। সভাখন কিন্তু এখন ঘৰ দুখন কৰিবৰ কাৰণে আহ্বান কৰা নাছিল, দুজনক মিলাই দিয়াৰ উদ্দেশ্যৰেইহে পতা হৈছিল।

দৰ্শকৰ ফালৰ পৰা মইয়েই প্ৰথম উঠিলো। কথাবোৰ আগতে নাজানো, সেই সময়তহে গম পালো। তাতে সভা সমিতিত কথা কোৱাৰ অভ্যাসো মোৰ নাই। কিন্তু সেইদিনা ইমানবোৰ কথা একেলগে কোৱাৰ শক্তিটো ক'ৰ পৰা পালো জানো কব নোৱাৰো। হয়তো মানুহে যেতিয়া গভীৰ ভাবে কিবা এটা বিষয়লৈ সোমাই যায়, তেতিয়া স্বতঃস্ফুৰ্তভাবেই তাৰ উপযুক্ত প্ৰকাশ ভঙ্গীও আহি পৰে। মই কৈছিলো–'ৰূপহে যদি নিশাৰ লগত স্বামী-স্ত্ৰী ৰূপে থাকিবলৈ নিবিচাৰে নালাগে থাকিব, জিলমিলৰ মাক দেউতাক ৰূপে কিন্তু নিশা আৰু ৰূপহ থাকিব লাগিব। স্বামী-স্ত্ৰী ৰূপে নাথাকি মাক-দেউতাক ৰূপে থকাৰ ব্যৱস্থাখিনি তেওঁলোকেই কৰি লওক, তাৰ ব্যৱস্থা কৰি দিয়াৰ অধিকাৰ আমাৰ নাই। চাবলৈ গলে নিশা আৰু ৰূপহৰ সম্পৰ্কটোকে আমি এতিয়া বিচাৰ কৰিব নোৱাৰো। যদি কৰো বিচাৰ পক্ষপাতদুষ্ট হোৱাৰ সম্ভাৱনা বেছি। ৰূপহ আৰু নিশাৰ সম্পৰ্কটোৰ বিচাৰ কৰিব জিলমিলে। কিন্তু জিলমিলৰ বিচাৰ কৰাৰ সামৰ্থ্য এতিয়াও হোৱা নাই, সেইহে কেইবছৰমানলৈ ৰব লাগিব। যিহেতু সন্তানে দুয়োজনকে সমান জোখতে ভাল পায়, তাত পক্ষপাতিত্বৰ কথা আহিবই নোৱাৰে।' আৰু কৈছিলো 'এজনী ছোৱালী যি মুহূৰ্তত মাক হয়, এজন ল'ৰা যি মুহূৰ্তত পিতা হয়, সেই মুহূৰ্তৰ পৰাই তেওঁলোকে নিজ নিজ সুখ স্বাচ্ছন্দ্যৰ কিছু হলেও বাদ দি সন্তানৰ মঙ্গলৰ কথা চিন্তা কৰিব লাগে। সমস্ত জগতৰ আগত বেয়া বুলি পৰিচিত হলেও সন্তানৰ আগত যেতিয়া মাক-দেউতাক ভাল হৈ থাকে তেতিয়াই জীয়াই থকাৰ মোহ থাকে। কিন্তু সমস্ত জগতৰ আগত ভাল হলেও নিজ সন্তানৰ বিচাৰত যেতিয়া পিতৃ-মাতৃ বেয়া হয় তেতিয়া তেওঁলোকৰ কাৰণে মৃত্যুৱেই শ্ৰেয়।'

ৰূপহক কৈছিলো–'এয়া তোমাৰ কেনে ধৰণৰ বিবেচনা যে মাংসকণ জুতি লগাই ৰান্ধিব নজনাৰ দোষত, টাব কেইটাৰ যত্ন লব নোৱৰাৰ দোষত তুমি তোমাৰ সন্তানৰ জননীক ত্যাগ কৰিবা? তোমালোকৰ সম্পৰ্কটো ইমান ঠুনুকা নে? নিশাক আঁতৰাই পঠোৱাচোন, দেখিবা 'জিলমিল' নামৰ স্থিতিৰ পোতন লৰিছে, বিকাশ বাধাগ্ৰস্ত হৈছে। সেইখিনি যদি তুমি বিচৰা তুমিতো তাইৰ জন্মদাতা পিতা নোহোৱা। নিশাৰ আচৰণেহে তোমাক মদপী কৰিলে বুলি তোলা অভিযোগটোও মই মানি নলওঁ। মদপী মানুহৰ এই এটা স্বভাৱ যে লোকৰ ওপৰত দোষ দি নিজৰ অপৰাধটোৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰিব খোজে। হাতে পোৱাতে নিজৰ স্ত্ৰী থাকে কাৰণেই এই দোষটো দিয়েগৈ তেওঁক। তাৰ বাহিৰেও ব্যক্তি হিচাপে তোমাৰ পৰিপূৰ্ণতাৰ এক অপৰিহাৰ্য সোপানহে বৈবাহিক সূত্ৰত ঘটা নিশাৰ লগত তোমাৰ সম্পৰ্কটো। সেই সম্পৰ্কটোৱেই তোমাৰ সম্পূৰ্ণ আৰু শেষ পৰিচয় নহয়। কথাখিনি নিশাৰ ক্ষেত্ৰতো একে। সেই সম্পৰ্কটোলৈ শিথিলতা আহিলে তোমালোক হয়তো বিচলিত হবা কিন্তু তাতে তোমালোক শেষ হৈ নোযোৱা। শেষত যদি সত্য কথা এটা কওঁ তুমি বেয়া নাপাবা। ২৪ জনী ছোৱালীক টুকুৰিয়াই চাওঁতে তুমি যি মানসিকতাক প্ৰশ্ৰয় দিছিলা, সেই মানসিকতাকে এক বেলেগ অজুহাতত তুমি নিশাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিছা কাৰণেই আজি ত্যাগ কৰাৰ তাড়না ইমান প্ৰবল হৈ উঠিছে। তোমাৰ 'ইগ' টোক মই কোৱা ধৰণে সজাই চাবাচোন লাহে লাহে, কি হয় তাক চাই ব্যৱস্থা লবা।'

সেইদিনা ইমানখিনি কথা কৈ অহাৰ পিছত সন্ধিয়া পুনৰ এবাৰ কথাবোৰ ভাবিলো, নিশাৰ ফালৰ পৰা আৰু ৰূপহৰ ফালৰ পৰাও। নিশাক মই একো নকলো কিয়? তিৰোতা বুলিয়েই সহানুভূতি দেখুৱালো নেকি? পক্ষ ললো নেকি? জিলমিলকো তাইৰ লগতে থিয় কৰাই হাতখনত খামোচা মাৰি ধৰি কথা কোৱা দেখি কিয় জানো মোৰ ভাব হ'ল নিশা আগৰ নিশা হৈ থকা নাই, তাই এতিয়া জিলমিলৰ লগত চামিল হৈ গৈছে, তাইৰ ভিন্ন সত্তাই নাই। আগৰ নিশা হৈ এতিয়া আৰু ৰূপহক বিচৰাৰ প্ৰয়োজনো তাই বোধ কৰা নাই। আনহাতে ৰূপহ ৰূপহ হৈয়েই আছে। নিশাৰ পৰিবৰ্তিত ৰূপটোক সি চাব জনা নাই। সি এতিয়াৰ নিশাক আগৰ নিশা বুলি ভাবি বহুতো বিচাৰিছে, কিন্তু পোৱা নাই। নাপালেও ৰূপহে কিন্তু এনে ব্যৱস্থা লবলৈ এতিয়াই আগবাঢ়িব নালাগিছিল। স্বাভাৱিক প্ৰক্ৰিয়াতে জিলমিল বিচাৰ শক্তিৰ অধিকাৰী হোৱালৈকে অৰ্থাৎ সাবালিকা হোৱালৈকে ৰূপহে ৰব লাগিছিল। ৰূপহে ৰব নোৱাৰিলে কিয়? এই প্ৰশ্নৰ উত্তৰ পাবলৈ আমি ৰূপহৰ মনৰ গভীৰ অৰণ্যত সোমাব লাগিব।

* * * * * * * *

মোৰ দ্বিতীয় পৰিচয় মই এগৰাকী শিক্ষয়িত্ৰী। মহাবিদ্যালয় নামৰ জ্ঞান মন্দিৰ এটাৰ জৰিয়তে এক বুজন সংখ্যক যুৱক-যুৱতীৰ লগত সম্পৰ্ক এটা গঢ়ি উঠাৰ সুবিধা হৈছিল। ৩৬ টা বছৰে চামে চামে অহা এইবোৰ যুৱক যুৱতীক মই স্বাগত জনাওঁ জুলাই মাহৰ এটা দিনত আৰু সেই দিনাই সিহঁতেও মোক গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। 'প্ৰফেছনটো'ত একেবোৰ কথাকে কৈ কৈ আমনি নলগাও নহয়। কিন্তু নতুন মুখবোৰ দেখিলে ভাব হয় গ্ৰহণকাৰী যে নতুন, অন্ততঃ মোৰ কথাবোৰ পুৰণি হলেও সিহঁতৰ কাৰণে নতুন হব, এই ভাবি নতুন উদ্যমেৰে পাঠদান কৰো। আজি মোৰ অফিচীয় ভাবে অৱসৰ লোৱাৰ দিন। গধূলি পৰত বাহিৰত বহি থাকোতে চাকৰি জীৱনৰ প্ৰথম দিনটোৰ পৰা শেষৰ দিনটোলৈকে মহাবিদ্যালয়ত ঘটা ঘটনাবোৰৰ স্মৃতি ৰোমন্থন কৰিছো। বহুতো তিতা মিঠা অভিজ্ঞতাৰ সংমিশ্ৰণ। শিক্ষয়িত্ৰী ৰূপে মই কিমান সাৰ্থক হলো তাৰ খতিয়ান লোৱাটোও দৰকাৰ। প্ৰথমতেই কিমান নিষ্ঠাৰে শিক্ষাদানত ব্ৰতী হলো তাৰে খতিয়ান লওঁচোন। সন্তানৰ জননী হোৱাৰ আগলৈকে মই পাঠদান কৰিছিলো মোৰ পাণ্ডিত্যক জাহিৰ কৰিবলৈ, ছাত্ৰ-ছাত্ৰী সৱে লব পাৰিছেনে নাই তালৈ চকু দিয়া নাছিলো। কিন্তু মোৰ প্ৰথম সন্তানৰ শিক্ষাৰম্ভ হোৱাৰ পিছৰ পৰা যেন এই দৃষ্টিভঙ্গীৰ পৰিবৰ্তন ঘটিল। মই মনে প্ৰাণে অনুভৱ কৰিলো মোৰ সন্তানে যেনেকৈ জানিবলৈ বিচাৰে, লবলৈ বিচাৰে এই মখা ল'ৰা-ছোৱালীয়েও জানিবলৈ বিচাৰে, লবলৈ বিচাৰে। মোৰ সন্তানক যেনেকৈ পাণ্ডিত্য নেদেখুৱাই সি বিচৰা খিনিক ল'ব পৰাকৈ দি তাৰ মনটো ভৰাই তোলো তেনেকৈ এইখিনি ল'ৰা-ছোৱালীকো তাহাঁতৰ ইচ্ছুক মনটোৰ চাহিদা অনুসৰি দিব লাগিব। সিহঁতৰ আগত মোৰ পাণ্ডিত্য অৰ্থহীন, এক বিৰক্তি মাত্ৰ। এইদৰে লাহে লাহে অনুভৱ কৰিলো মোৰ মাতৃত্বৰ নতুন অভিজ্ঞতাই মোৰ দ্বিতীয় পৰিচয়তো এক নতুন বোল সানিলে। ল'ৰা-ছোৱালীবোৰৰ চকুত মই মোৰ প্ৰথম সন্তানৰ চাৱনি দেখিলো। ছাত্ৰ-ছাত্ৰীবোৰ ক্ৰমান্বয়ে মোৰ ওচৰ চাপি আহিল। মই যেন নতুন এগৰাকী শিক্ষয়িত্ৰী হলো।

কিন্তু সিহঁতক নিজৰ বৰীয়াকৈ দিলোৱেই বা কি? যি দিলো সেয়াতো মনীষী সকলৰ যুগজোৰা সাধনাৰ সম্পদ। এইখিনিতে মোৰ নিজৰ বুলিবলৈ আছে এক সতৰ্কতাহে–যেন মনীষীসকলৰ সম্পদৰাজিক অবিকৃত আৰু অক্ষত অৱস্থাত মই মোৰ আগত বহি থকা ল'ৰা-ছোৱালীবোৰৰ হাতত তুলি দিওঁ সিহঁতে মনেৰে কাজলি পাতি ধৰিব পৰাকৈ, সেই সহজ শব্দ ৰাজিৰে যি ভাবটোত প্ৰকৃত অৰ্থ বহণ কৰিবলৈ সমৰ্থ হয়। যি পদ্ধতিৰে সিহঁতক পাঠদান কৰিলো তাৰ আৰ্হিওচোন মোৰ শিক্ষা-গুৰু সকলৰে অৱদান। আজি মনত পৰিছে অমল ৰয়, সৰোজ মজুমদাৰ, কালীপদ চক্ৰৱৰ্তী, কৃষ্ণ কাকতি, ডিম্বেশ্বৰ নেওগ, যতীন্দ্ৰ নাথ গোস্বামী, চৈয়দ আব্দুল মালিক, দুলাল ভূঞা, প্ৰফুল্ল প্ৰাণ চাংকাকতি আৰু কমলকুমাৰী বাইদেউলৈ। মোৰ শিক্ষকতা কৰা জীৱনৰ 'ব্লুপ্ৰিন্ট' খন তেওঁলোকেই বনাই দিলে। অৱশ্যে এটা কথা কব লাগিব আন নহৈ শিক্ষয়িত্ৰী হোৱাৰ কাৰণেহে মোৰ ভিতৰত 'সম্ভাৱনা' আছিল। 'A teacher is born, not made'। কথাষাৰ মই মৰ্মে মৰ্মে অনুভৱ কৰো। আজিকালি কিন্তু শিক্ষকক মাজছোৱাত বনোৱা হয় কাৰণেই শিক্ষাৰ এই অৱনতি। এইটো অকপটে স্বীকাৰ কৰো যে ময়েই যে এনেদৰে ভাবো সেইটো নহয়, মোৰ দৰে আৰু বহুতেই এনেদৰে ভাবে। চাৰ, বাইদেউৰ পৰা পালো কাৰণেইহে মোৰ ছাত্ৰ-ছাত্ৰীকো দিব পাৰিলো মই লাভ কৰা সম্পদ। মানুহে পালেহে দিব পাৰে, নিজে ৰিক্ত হলে আনক দিব কি? সেইহে ছাত্ৰ-ছাত্ৰীৰ পৰা মই দিয়াৰ স্বীকৃতি দাবী কৰাৰ আগতে মোৰ গুৰুৱে দিয়া আৰ্হিক মই স্বীকৃতি দিব লাগিব। শিক্ষাদানত মোৰ এক ভাব কিন্তু সম্পূৰ্ণ নিজৰ। নিৰ্দিষ্ট সময়ত গৈ আগ্ৰহেৰে বৈ থকা মোৰ পুত্ৰ-পুত্ৰী সম ছাত্ৰ-ছাত্ৰীক সেই দিনত দিব লগাখিনি দিব লাগিব ঠিক যেনেকৈ টিভি চিৰিয়েলত দেখা মাকজনীয়ে মিলৰ পৰা কাম কৰি আহি আঁচলত বান্ধি অনা খোৱা বস্তুখিনি বাটলৈ চাই থকা তিনিটা ল'ৰা-ছোৱালীৰ মুখত এটা এটাকৈ ভৰাই দি তৃপ্তিৰ হাঁহিটো মাৰে বহুতোখিনি দিয়া আৰু পোৱাৰ। শ্ৰেণীৰ পৰা আহি সেই তৃপ্তিৰ হাঁহি মোৰো মাৰিবৰ মন যায়।

আৰু ভাবিছো অৱসৰৰ পিছত ছাত্ৰ-ছাত্ৰী যোগ হোৱাৰ প্ৰক্ৰিয়াটো নোহোৱা হলেও এতিয়ালৈকে যিমানখিনি ছাত্ৰ-ছাত্ৰীৰ লগত 'বাইদেউ' সম্পৰ্কৰে সম্পৰ্কিত হলো সি কিন্তু নিছিগে। বাটে পথে, বাছে, অফিচে মোৰ পৰা আঁতৰি যোৱা ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া 'বাইদেউ' বুলি মোক মাত দিয়েহি 'আইতা' হবৰ বয়সতো এই সম্বোধনত মই এক মাদকতা অনুভৱ কৰো। এয়া যে এক লহমাৰ কাৰণে মোৰ এৰি থৈ অহা যুৱতী সত্তাক অনুভৱ কৰাৰ আমেজ, ইয়াত মাদকতা নাথাকিব কিয়? শিক্ষয়িত্ৰীৰ ক্ষেত্ৰত যি জনে বা সকলে এই সম্বোধনটো প্ৰৱৰ্তন কৰিছিল তেওঁলোকলৈ কৃতজ্ঞতাৰ, শ্ৰদ্ধাৰ প্ৰণাম। মোৰ পুৰুষ সতীৰ্থ সকল কিন্তু সদায় ভব্য গব্য 'চাৰ', কিবা দূৰত থকা, দূৰত থকা ভাব।

ল'ৰা-ছোৱালীবোৰৰ পৰা আনুষ্ঠানিক ভাবে বিদায় লবৰ দিনাখন ছাত্ৰ-ছাত্ৰীৰ পৰা দু-আষাৰমান কবলৈ কোৱাত দেখিলো শ্ৰেণীত কোনো দিনেই এষাৰ কথা নোকোৱা নিমাতী জনীওচোন মুখৰা হৈ পৰিল। বহুতখিনি কথাই তাই কৈ পেলালে, নহলে যে তাইৰ মনৰ কথা কবলৈ সময় নহ'ব। সিহঁতৰ 'মাতৃসম বাইদেউ' শব্দটোৱে বহুত অৰ্থ কঢ়িয়াই আনিলে। মই তেন্তে যি ভাবেৰে তাহাঁতক গ্ৰহণ কৰিলো সেই ভাবেৰেই সিহঁতেও মোক গ্ৰহণ কৰিলে। প্ৰত্যেক ক্ৰিয়াৰ প্ৰতিক্ৰিয়া হোৱাৰ প্ৰমাণ এয়াচোন হাতে হাতে। মই কঢ়িওৱা জ্ঞান-ভাণ্ডাৰ, আৰ্হি আৰু মোৰ আন্তৰিকতাই যদি তাহাঁতৰ মনত দাগ কাটিব পাৰে, মই নিশ্চিত সিহঁতৰ ভৱিষ্যতৰ কৰ্মৰাজিৰ মাজেৰে সিহঁতৰ মাজত মই জীয়াই থাকিম। সন্তানৰ মাজেৰে যেনেকৈ মই 'মা' হৈ জীয়াই থাকিবলৈ বিচাৰো, এই ল'ৰা-ছোৱালীবোৰৰ মাজতো মই 'বাইদেউ' হৈ জীয়াই থাকিবলৈ বিচাৰো। দ্বিতীয়টোৰ বুনিয়াদ কিন্তু প্ৰথমটোহে। হ'ব পাৰে বেলেগ এটা ৰূপত জীৱনৰ প্ৰতি থকা মানুহৰ মোহ এইটোও। সেইদিনা ছাত্ৰ-ছাত্ৰীয়ে দিয়া স্বীকৃতিত মই ইমান আপ্লুত হৈ পৰিছিলো যে আনন্দৰ উচ্ছ্বাসত মোৰ চিঞৰি চিঞৰি কবৰ মন গৈছিল 'কাৰোৰ প্ৰতি মোৰ কোনো ক্ষোভ নাই, ক্ষোভ নাই। তিক্ত অভিজ্ঞতাবোৰ আজিৰ আনন্দই মোহাৰি পেলাব, এয়া অলিখিত প্ৰতিশ্ৰুতি মই সকলোকে দিলো।'

সেইদিনা এওঁলোকে দিয়া মানপত্ৰখন মই কোনোবা কৃতী শিক্ষকক ৰাষ্ট্ৰপতিয়ে দিয়া মানপত্ৰখনৰ দৰেই সমাদৰ কৰিম, কাৰণ এওঁলোকেই মোৰ ৰাষ্ট্ৰপতি। ✿

পূৰবী প্ৰকাশনৰ পৰা

অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা–
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)

# বাক্-যন্ত্ৰ

ৰসানন্দ অভাজন

মনে মনে যি ধাৰণা কৰি আছিলো, সেইটো সেইদিনা সঁচা যেন লাগি গ'ল যিদিনা দেখিলো মোৰ অতি ঘৰুৱা এগৰাকী ভদ্ৰ মহিলাই মোক কথা ক'বলৈ অকণো সুযোগ নিদি নিজেই অনৰ্গল কথা কৈ যাবলৈ ধৰিলে। মোৰ ধাৰণা আৰু বেছি দৃঢ় হ'ল যেতিয়া শুনিলো ভদ্ৰ মহিলাৰ স্বল্পভাষী গিৰীয়েকে কোনোবা এটা সুৰুঙাত ক'লে – "এওঁৰ পেটৰ অপাৰেশ্যনটো অহা শুকুৰবাৰলৈ হ'ব। কালিলৈ এওঁ ভৰ্তি হ'বগৈ। আজি কেবিন এটা ঠিক কৰি আহিলো।" আচলতে আমি তেওঁৰ মিছেছৰ অপাৰেশ্যন হ'ব বুলি শুনি খবৰ লবলৈ গৈ ৰেষ্টত থকা স্বয়ং ৰোগিনীৰ মুখৰ পৰা ওলাই থকা অনৰ্গল কথাৰ কোব দেখি তেওঁৰ যে অপাৰেশ্যন হ'ব পাহৰিয়ে গৈছিলো। ঘূৰি আহোতে বাটে বাটে ভাবি মই এটা নিশ্চিন্ত সিদ্ধান্তত আহিলো, মতা মানুহতকৈ মাইকী মানুহে বেছি কথা কয়। বিভিন্ন মানুহৰ মন্তব্যৰ ভিত্তিত মোৰ ইমানদিনে এটা অস্পষ্ট ধাৰণা আছিল। তাৰ উপৰি মই বহুতো ঠাইত এনে মাইকী মানুহো পাইছো যি সঁচাকৈয়ে কম কথা কয়। পিছত অৱশ্যে বহু অৱস্থাত সেই ঘৈণীয়েকবোৰৰ গিৰীয়েকবোৰে মন্তব্য কৰা শুনিছো – "কি কৈছে আপুনি ? আমাৰ জনী বৰ শান্ত আৰু ঠাণ্ডা বুলি ভাবিছেনে কি ? আপোনাক আজি প্ৰথম লগ পাইছে তো। লাজত বেছি কথা কোৱা নাই। বাপ্‌ৰে বাপ্ মইহে জানো যেতিয়া বিশেষ • বিশেষ মুহূৰ্ত আহি পৰে তেতিয়া তেওঁৰ মুখত কথাৰ আখৈ ফুটিবলৈ ধৰে। মই ঘৰত কথা কবলৈ চান্সেই নেপাওঁ বুইছে। বাহিৰত আপোনালোকৰ আগতেই সুখৰ দুখৰ দুই চাৰি আষাৰ কৈ যি পাৰো অলপ শান্তি লভিবলৈ চেষ্টা কৰো।" আমাৰ সমাজত এনে তিৰোতা যিমান আছে, তেনেদৰে অনিচ্ছা সত্ত্বেও বাধ্য হৈ বাক্-সংযমী হোৱা মতা মানুহো বহুত আছে।

এদিন এজন বন্ধুৰ সৈতে দেশৰ অৰ্থনৈতিক পৰিস্থিতি সম্পৰ্কীয় এখন উচ্চপৰ্যায়ৰ চেমিনাৰলৈ গৈছিলো। বাহিৰৰ কেইবাজনো নামজ্বলা অৰ্থনীতিবিদ, চিন্তাশীল বুদ্ধিজীৱী আৰু সুবক্তা আহিছিল। ভাল ভাল বক্তৃতাৰে এখন সুন্দৰ চেমিনাৰ হৈছিল। ঘূৰি অহাৰ পিছত বহুত সময়লৈকে বন্ধুৱে একো কথা কোৱা নাছিল। এবাৰ কিছু সময় পাৰ হোৱাৰ পিছত তেওঁ এটা ক্ষোভ মিহলি স্বৰত ক'লে – "আপুনি তো মোক কলেজৰ দিনৰ পৰাই জানে। আপুনি





জানে নে নেজানে ক'ব নোৱাৰো, এবাৰ মই আন্ত-কলেজ তৰ্ক প্ৰতিযোগিতাত দ্বিতীয় স্থান পাইছিলো। সেইবাৰ মোক সকলোৱে খুব প্ৰশংসা কৰিছিল। কিন্তু আজি মোৰ সেই ৰামো নাই, অযোধ্যাও নাই। কথা কবলৈকে সুযোগ নেপাওঁ, তৰ্ক কৰাটো তো সুদূৰপৰাহত কথা।" মই কৌতূহলী হৈ সুধিলো – 'কিয় ?' বন্ধুৱে ক'লে – "আপুনি কিয় বুলি সুধি কটা ঘাত চেঙা তেল নিদিবচোন। বিয়াৰ পিছত তিনিমাহ মান অৱশ্যে মইয়ে কথা কোৱাত আপাৰহেও লৈ আছিলো। কিন্তু তাৰ পিছৰ পৰা মানুহজনী ক্ৰমাত বাগ্‌দেৱীত পৰিণত হৈ যোৱাত মোৰ সবৰ ভূমিকাৰ অন্তৰ্দ্ধান ঘটিল। আজ্ৰি বহু বছৰ ধৰি মই এজন ভাল নীৰৱ শ্ৰোতাহে। এতিয়া যদি কোনোবাই মোৰ পূৰ্বৰ ৰেকৰ্ড চাই ডিবেটিং কম্পিটিশ্যনত থিয় কৰাই দিয়ে মোৰ মুখৰ পৰা এটাও শব্দ নোলাব। ঘৈণীৰ বাক্‌শক্তিৰ প্ৰভাৱ ইমানেই বেছি যে কিছুদিনৰ পিছত মই কিজানি বোবাত পৰিণত হৈ যাম।" বন্ধুৱে বেছ ক্ষোভ আৰু হতাশাত কথাবোৰ কৈছে বুলি মই বুজিব পাৰিলো। তেওঁলোকৰ ঘৰুৱা জীৱনৰ ভিতৰুৱা কথাত মই নো কি মন্তব্য দিম। তথাপিও তেওঁৰ মনৰ গধুৰ ভাবখিনি পাতল কৰি দিবলৈ মই মাত্ৰ কলো – "ভালহে। বোবাৰ শত্ৰু নাই বুলি আপুনি জানেই দেখোন।"

এয়া গ'ল মোৰ বন্ধু আৰু তেওঁলোকৰ পত্নীৰ কথা। নিজৰ ঘৈণীজনীৰ কথাও মই নিয়মমতে কোৱা উচিত। কিন্তু এইটো ক্ষেত্ৰত মই নিজকে জ্ঞানী বুলিয়ে ভাবো। সেই কাৰণে নকওঁ। নোকোৱাই ভাল। কাৰণ ঘৰৰ ভিতৰত থকা কোদো বাহত জুই লগাই সেই ঘৰটোৰ ভিতৰত সোমাই থকা কোনো মানুহৰ পক্ষে সম্ভৱপৰ নহয়। অৱশ্যে মই তেওঁৰ বংশৰ এগৰাকীৰ কথা নিশ্চিন্তে ক'ব পাৰো। কাৰণ পেহীয়েকক আমাৰ এৰোঁ ভাল নেপায়। বুঢ়ীৰ মুখেদি ফেন্ ওলাই যায়, তথাপিও তেওঁৰ কথাৰ ক্ষান্ত নাই। এটা কথা অৱশ্যে বুঢ়ীৰ ভাল। প্ৰশ্ন কৰাৰ পিছত তাৰ উত্তৰ আৰু তাৰ লগত জড়িত টিপ্পনি আদি তেঁৱেই দিয়ে। ইজনক উত্তৰ দিবলৈ বা কোনো ধৰণৰ কথা কবলৈ অকণো সুযোগ নিদিয়ে। আমাক দেখিয়ে বুঢ়ীয়ে আলৌপিলৌকৈ আদৰেৰে বহিবলৈ দি মোক প্ৰথম প্ৰশ্নবাণ নিক্ষেপ কৰিলে – "তোমাৰ প্ৰেচাৰ কেনেকুৱা এতিয়া ? ডাৱৰীয়া বতৰ হলে অলপ সাৱধানে থাকিবা। পিল্ চিল কিবা খোৱানে ? এটা কাম কৰিবাচোন। নেফাফু গছ চিনি পোৱা ? বাৰীত ৰুই লৈছা নেকি ? শুনা, নাই যদি আমাৰ বোপাইটোৰ বাৰীত আছে, তাৰে খুজি নি পুলি এটা ৰুই লবা। যিদিনা প্ৰেচাৰ বেছি উঠা যেন লাগিব, তাৰে পাত দুখিলা আনি সিজাই ভাতৰ লগত খাই দিবা।" তাৰপিছত পেহীয়ে চকু দুটা মোৰ মানুহজনীলৈ পেলাই আদেশৰ সুৰত ক'লে – "তইয়ে দেখোন এইবোৰ কৰি দিব পাৰ। পানীত নেফাফু পাতখিনি সিজাওঁতে অলপ নিমখ দিবি আৰু দুফুটামান নহৰু। এনেকৈ সপ্তাহত দুদিন বা তিনিদিন খালেই প্ৰেচাৰ কমি থাকিব।" এইবাৰ বুঢ়ীৰ চকুৰ লেন্স্ মোৰ পিনে ঘূৰিল – "অলপমান কষ্ট কৰিলে ঘৰতেই তুমি প্ৰেচাৰটো দমাই ৰাখিব পাৰিবা। মিছামিছিকৈ ডাক্তৰৰ তালৈ যোৱাৰ কি দৰকাৰ। আৰু আজিকালিৰ ডাক্তৰ। কিমান নুশুনিবা ডাক্তৰৰ কথা। সিদিনা আমাৰ বোৱাৰীক লৈ গৈছিল আমাৰ মন্টুৱে ডাক্তৰণীৰ ওচৰলৈ........।" এইখিনিলৈকে বকি বুঢ়ীয়ে উশাহটো সলাই আকৌ তেওঁৰ কথা আৰম্ভ কৰিলে। বুঢ়ীৰ কথাৰ মাজত যে মই মাত মাতিবলৈ কোনো ধৰণৰ সুবিধা পোৱা নাই আৰু মোৰ যে প্ৰেচাৰ আজিকালি নাই এই কথা মই কোৱাৰ কোনো সুৰুঙা নাই বুলি পাঠকে নিশ্চয় বুজিব পাৰিছে। পেহীৰ গিৰীয়েক পেহা কেতিয়াবাই ঢুকাল। শুনিছো, তেওঁ বোলে একেবাৰে কম কথা কোৱা মানুহ আছিল। আচলতে কথা কবলৈ তেওঁ জীৱনত সুবিধাই নেপালে হবলা।

এই বিষয়ে এজন ৰসিক বন্ধুৱে এবাৰ কুইজ-মাষ্টৰৰ দৰে এটা প্ৰশ্ন সুধিছিল – "এই পৃথিৱীত ভগৱানে প্ৰথম মানৱ আৰু মানৱী হিচাপে আডাম আৰু ইভকে পঠাইছিল। কোৱাচোন, আডামক আগতে কিয় পঠাইছিল ?" প্ৰশ্নটো জটিলতাৰ চাকনৈয়াত পেলাই দিয়াত তাৰ উত্তৰ দিয়া মোৰ পক্ষে টান হ'ল। তেতিয়া হাঁহি হাঁহি বন্ধুৱে ক'লে – "একেবাৰে সহজ উত্তৰটো। এই পৃথিৱীলৈ নাৰী অহাৰ আগতেই যাতে মনৰ হেঁপাহ পলুৱাই কথা কৈ ল'ব পাৰে সেই কাৰণেই আডামক প্ৰথমতেই পঠাই দিলে ভগৱানে।"

আৰু এটা বৰ ভাল গল্প আছে। বাক্-যন্ত্ৰৰ আৱিষ্কাৰক টমাচ আল্‌ভা এডিচনক সম্বৰ্দ্ধনা জনাবলৈ এটা ঘৰুৱা পৰিবেশত এখন সভা হৈছিল। তাত বহুতো সন্মানিত ব্যক্তি আৰু ভদ্ৰ মহিলা উপস্থিত আছিল। তাৰে ভিতৰত এগৰাকী প্ৰগল্‌ভা বাক্-পটিয়সী ভদ্ৰমহিলাই সভাৰ কামত বেছ আগভাগ লৈছিল। তেওঁ বক্তৃতা প্ৰসঙ্গত এডিচনক সম্বোধন কৰি ক'লে – "আপুনি কথা ক'ব পৰা যন্ত্ৰ আৱিষ্কাৰ কৰি গোটেই বিশ্বতে প্ৰবল চাঞ্চল্যৰ সৃষ্টি কৰিছে। সমগ্ৰ বিশ্বৰ প্ৰগতিৰ বাবে আপুনি যি কৰিলে আমি সকলোৱেই তাৰ বাবে গৌৰৱান্বিত। কথা কোৱা যন্ত্ৰ যে কোনো মানুহে কোনোবা দিনা আৱিষ্কাৰ কৰিব, কোনেও সপোনতো ভাবিব পৰা নাছিল।"

মুখৰ আগতেই এনে মুকলি প্ৰশংসাত স্বাভাৱিকতেই এডিচন্ লজ্জিত হৈছিল ঠিকেই, কিন্তু তেৱোঁ আছিল এজন ভাল ৰসিক ব্যক্তি। উত্তৰত তেওঁ ক'লে – "আমাৰ সৃষ্টিকৰ্তা ভগৱানে কোন কেতিয়াবাই যি কথা কোৱা যন্ত্ৰ সৃষ্টি কৰিলে, তাৰ তুলনাত মোৰ এই সামান্য যন্ত্ৰ অতি নগণ্য। অনৰ্গল কথা কৈ যাব পৰা শক্তিৰে তৈয়াৰী ভগৱানৰ সেই যন্ত্ৰ। মোৰ যন্ত্ৰৰ কিন্তু সিমান বেছি শক্তি নাই। অৱশ্যে ভগৱান আৰু মোৰ এই দুটা যন্ত্ৰৰ মাজত এটা পাৰ্থক্য আছে। ভগৱানে সৃষ্টি কৰিছে যদিও সেই যন্ত্ৰই কথা কবলৈ আৰম্ভ কৰিলে স্বয়ং তেঁৱেই ইয়াক বন্ধ কৰিবলৈ অপাৰগ। কিন্তু মোৰ যন্ত্ৰটোক অৱশ্যে মই বা যি কোনো মানুহে ইচ্ছা কৰিলে বন্ধ কৰি দিব পাৰে।"

এই বুদ্ধিদীপ্ত হাস্যৰসত উপস্থিত সকলো মানুহে ঢেকঢেকৈ হাঁহি দিলে। আনকি সেই ভদ্ৰমহিলাও বাদ নপৰিল। তেৱোঁ খিল্‌খিলকৈ হাঁহিবলৈ ধৰিলে। ■

## গ্ৰন্থজগত

নলিনীধৰ ভট্টাচাৰ্য

# কবিতাৰ নতুন ঋতু

## নিস্তৰঙ্গ সময়ৰ কবিতা

**কোনে কয় নুপুৱায় আঁউসীৰ ৰাতি**
**কবীন ফুকন**
*অংকুৰ-আবিৰ প্ৰকাশন*
*ডিব্ৰুগড় বিশ্ববিদ্যালয় - ৪*

কবীন ফুকনে ইতিমধ্যে অসমীয়া কবিতালৈ মূল্যবান অৰিহণা আগবঢ়াইছে; সম্প্ৰতি তেওঁৰ দ্বিতীয় কবিতাৰ পুথি 'কোনে কয় নুপুৱায় আঁউসীৰ ৰাতি' প্ৰকাশ পাইছে। ফুকন সমাজ সচেতন কবি, কাল সম্বন্ধেও তেওঁ উৎকণ্ঠিত। দেশ কাল পাত্ৰৰ পটভূমিত মানুহৰ সুখ দুখৰ ধ্বনি প্ৰতিধ্বনিৰ নিদৰ্শন স্বৰূপে তেওঁৰ কবিতা নিশ্চয় আদৰণীয়। তেওঁৰ ভাল কবিতাবোৰে পাঠকৰ আবেগ আৰু বুদ্ধিক ছুই যাব পাৰে। আবেগ আৰু বুদ্ধিৰ প্ৰতি এই আবেদন থাকিলেহে আজিৰ কবিতাই জিজ্ঞাসু পাঠকক সুখ দিব পাৰিব। কবিৰ অন্তৰাত্মাৰ অগ্নিচক্ৰৰ সাৰ্থক ব্যঞ্জনাইহে কবিতাক মহত্ব দিয়ে। সেই বুলি কবিতাত দুৰ্বোধ্যতা থকাটো যুগুত নহয়। মৃদুভাবে ৰহস্যময় হ'ব পাৰে কবিতা, কাৰণ শব্দই তাত বাচ্যাৰ্থ অতিক্ৰম কৰি ব্যঙ্গ্যাৰ্থৰ আশ্ৰয় লয়। পাঠকে এইবাবে অভিযোগ আনিব নোৱাৰে, কিয়নো সি কবিতাৰ ধৰ্মই। তাৰ বাবে পাঠকে নিজক সক্ষম কৰিব লাগিব। অতিশয় দুৰ্বোধ্যতাৰ সপক্ষে কবিসকলে যিমানেই নকওক, সি কেতিয়াও পাঠকক সন্তুষ্ট কৰিব নোৱাৰে। এলিয়টৰ ৰীতি ইংলণ্ডত তেওঁৰ পৰৱৰ্তী কবিসকলেই নাকচ কৰিছিল। এইফালৰ পৰা চাবলৈ গ'লে কবীন ফুকনৰ কবিতা দুৰ্বোধ্য বুলি ক'ব নোৱাৰি। তেওঁৰ কবিতা সহজ, অথচ ব্যঞ্জনাময়। শব্দ-বাছনিতো তেওঁৰ এটা বৈশিষ্ট্য আছে। ঘৰুৱা অসমীয়া শব্দৰ এটা নতুন মাত্ৰা তেওঁ দিবলৈ যত্ন কৰিছে। তলৰ পংক্তিটোত তাৰ সংকেত আছে ; আৰু এই পংক্তিটোতেই তেওঁ কাব্যিক দুৰ্বোধ্যতাৰ বিপক্ষে কৈছে।

তোমাৰ কবিতা কিয় অবুজৰ কছৰৎ
আধামৰা শব্দৰ সাঙীয়া শৰাই ?

ইয়াত 'সাঙীয়া' শব্দৰ অৰ্থ মন কৰিব লগীয়া। "সাঙী" শব্দৰ পৰা হোৱা এই বিশেষণ পদৰ ব্যঞ্জনা কি ? ইয়াত কবিতাৰ শৰাইখন বহু শব্দই বহণ কৰি নিয়ে, এনে অৰ্থ কৰিছে। এই শব্দবোৰ সজীৱ বা বাস্তৱ ঘনিষ্ঠ ন'হলে তাৰ নিহিতাৰ্থ উপলব্ধি কৰা সহজ নহয়। কবিয়ে সহজ অথচ গম্ভীৰ অৰ্থজ্ঞাপক শব্দৰ সন্ধান কৰিছে,– যাতে তেওঁ চৌপাশৰ মানুহৰ লগত মনৰ আদান প্ৰদান কৰিব পাৰে। 'প্ৰাণ আৰু প্ৰাণৰ মাজত থকা দুৰ্লঙ্ঘ্য খাৱৈ' তেওঁ লঙ্ঘন কৰিবলৈ প্ৰস্তুত। এই মানৱীয় আকুতিয়েই তেওঁৰ কবিতাৰ চৰিত্ৰ। 'ভাবো, আছে জানো বাৰু আজিকালি/ মানুহলে মানুহৰ প্ৰীতিৰ বতৰা ?' কবিৰ অভিজ্ঞতা মৰ্মান্তিক, ক'তো এই প্ৰীতিৰ বতৰা নাই। চৌপাশে ব্যাধ ৰাৰুদৰ জুই – এই বাৰুদৰ জুই লাগি নাৰী হৰিণীৰ মৃত্যু শীতল দেহা পৰি আছে। সংবেদনশীল কবিয়ে সেই নিষ্পাপ, নিৰ্দোষি হৰিণীৰ মৃতদেহতো পৱিত্ৰতাৰ আভাস পাইছে। আচলতে এটি পৱিত্ৰ সৌন্দৰ্যহে এতিয়া স্তম্ভিত হৈ পৰি আছে। উপমাটো অৰ্থবহঃ

স্তম্ভিত নিৰ্মল জলধাৰ হই
সেউজী বনতহে তাই আছে যেন শুই

এই এন্ধাৰৰ ধল নামিছে, মানুহ এতিয়া ভূতগ্ৰস্ত, নেতাহীন, অৰ্থহীন উন্মাদ, দাম্ভিক উৎকণ্ঠাই আনে লক্ষ্যহীন বিস্ফোৰণ, আনে বিভীষিকা, ফলত ধীৰ থিৰ পোহৰৰ শান্তিৰ ইতি পৰিছে। ৰুগ্ন বিশৃংখল উন্মাদনাক স্তব্ধ কৰি দিবলৈ আহে ৰক্ষকৰ বহুবেগী যান; তেওঁ বিলাকৰ চক্ৰ ঘূৰে। মানুহ মৰে, মৃতদেহ গণি গণি ৰক্ষক ভাগৰি পৰে। উভয়বিধ অভিযানেই নিষ্ফল হৈ যায় – মাজত নিৰ্দোষি মানুহৰ 'ভয়ংকৰ নিৰ্বাণ' ঘটে ঃ

হে বিধি, কিযে অতৰ্কিতে হৈ গ'ল
ছয়ামৰা বাহিনীৰ ৰুগ্ন অভিযান
নিৰ্দোষি মানুহৰ ভয়ংকৰ নিৰ্বাণত
বন্দী হ'ল পঙ্গু বিবেক......

সম্ভৱতঃ এই ৰক্তাক্ত কাহিনী অসম আন্দোলনৰে পৰোক্ষ ইঙ্গিত। ইয়াৰ পাছত কি ? কবিয়ে

প্ৰশ্ন কৰিছে ঃ

এতিয়া কেনি যাম আমি
ছয়াঁ কণ্টি আঁউসীৰ ৰাতি ?

আঁউসীৰ ৰাতিৰ অৰ্থ, ব্যাপক। কবিৰ ভাষাত–

তমসাৰে তমসাৰ তুমুল যুঁজত,
তমসাই তৰোৱাল তমসাই ঢাল
আকালত অকালতে নাচে মহাকাল.....

আমাৰ মাজত বিপ্লৱ হয়, কিন্তু সি দিকভ্ৰষ্ট। নেতৃত্ব অপৰিপক্ক। এনেকৈয়ে ৰাজনীতি ব্যৰ্থ হয়, অৰ্থনীতি মলঙে, আৰু সভ্যতাই বৰ্বতাৰ ৰূপ লয়। আচলতে এহাতে ক্ষমতাৰ ক্ষুধা আৰু আনহাতে দিকভ্ৰষ্ট ক্ষোভ – ইয়াৰ মাজত শান্তি দুৰ্লভ হৈ পৰে ঃ

শান্তি দুষ্কৰ সখি শান্তি দুঃসাধ্য,
ক্ষমতাৰ টালিবাজি নিলাজ অবাধ্য।
আত্মাৰ তমসাত মানুহ বিনষ্ট
শব্দৰ ব্ৰহ্মত ডুবি যায় সূৰ্য............

তেনেহলে উপায় কি.? কবিয়ে উপায় দিছে। তেওঁৰ মতে –

আত্মজ্ঞান অবিহনে উদ্যোগ ঔদ্ধত্য হয়,
অপৰাধ হৈ পৰে শাসকৰ শাসিতৰ উভয়ৰে পৰম আশ্ৰয়।

এই আত্মজ্ঞানৰ অৰ্থ 'মৃন্ময় আৰু চিন্ময়' বস্তু আৰু মনৰ ঐক্য বা সন্তুলন সাধনৰ জ্ঞান। বাস্তৱ অন্ধ তমসাৰ উৰ্দ্ধলৈ যাবলৈ লাগিব সংযত ইচ্ছা শক্তি। এনে মানসিক সংযম থাকিলে মানুহৰ মাজত সমতাৰ সৃষ্টি হয়, ন'হলে, অনাহক 'ৰণৰঘোঁৰা' গৰ্জি উঠে – ৰণভেৰি বাজে এন্ধাৰতে। আচলতে সমাজ বাস্তৱৰ পৰা বিচ্ছিন্ন মনেই সংযম হেৰুৱায়, আৰু তাৰ ফল হয় ভয়ংকৰ নৈৰাজ্য। এনে এক অনুভৱ আছে ফুকনৰ কবিতাত, – কিন্তু তাতেই তেওঁ থমকি ৰোৱা নাই। তেওঁ আশাবাদী। তলৰ স্তবকবোৰত আশাবাদী প্ৰত্যয় স্পষ্ট হৈ আছে ঃ


(১) এতিয়াও আছে ক'ৰবাত কণমান অকপট
প্ৰাণ
(২) এনিশালে মোক দিবিনে ছুটী ?
নিশাটোলৈ মই থাকিব খুজিছোঁ
নাহৰতলিতে আলহী সাজি।
(৩) মোৰ ভগা সপোনৰ এখুদ টুকুৰা এটা
ক'ৰবাত কাহানিবাই যে পৰি আহিছিল
নৈৰ পাৰৰ নীৰৱতাত তাকেই বিচাৰি
মই
গৈছিলো, আহিছিলো

ফুকনৰ কবিতাত আছে প্ৰেত আৰু পিশাচৰ অভিনয়ৰ মাজত সতৰ্ক আত্মানুসন্ধান, প্ৰেম আৰু প্ৰতিবাদ ; আছে, দিক্‌ভ্ৰষ্ট যৌৱনৰ প্ৰতি মমতাময় দিক নিৰ্দেশনা, প্ৰেমৰ অন্ধকাৰ দিশৰ কথা, য'ত নিস্তৰঙ্গ সময়ৰ ছাঁ পৰি মানুহৰ সহজ সম্পৰ্ক বিনষ্ট হয়। সময়ৰ উচুপনি তেওঁ যেনেকৈ শুনিছে – তেনেকৈ সময়ে সঁজালিব খোজা মুহূৰ্তৰো স্বপ্ন দেখিছে। তেওঁ অনুভৱ কৰিছে ঃ জীৱ আৰু জীৱনক সম্ভ্ৰম যাচি সৰিছে নতুন নিয়ৰ। এই ভয়ংকৰ সময়ত আত্ম-আৱিষ্কাৰ, প্ৰেম আৰু প্ৰকৃত বাস্তৱ চেতনাইহে মানুহৰ মুক্তিৰ পথ নিৰ্দেশ কৰিব। কবিৰ প্ৰত্যয় এনেকুৱাই। নেতিবাচকতাক ইতিবাচকতালৈ ৰূপান্তৰিত কৰাৰ এনে কাব্যিক সংশ্লেষণক আমি উপেক্ষা কৰিব নোৱাৰো।

ফুকনৰ কবিতাৰ আঙ্গিকৰ ঘাই বৈশিষ্ট্য হৈছে, অসমীয়া ঘৰুৱা শব্দৰ সাৰ্থক প্ৰয়োগ। আনহাতে তেওঁ কেতিয়াবা মুক্তক, আৰু অধিকাংশ ক্ষেত্ৰতে মিলযুক্ত পয়াৰৰ মাজত তেওঁৰ অনুভূতিক এটা অবয়ব দিছে। লুইীয়া এন্ধাৰ, নিশাৰ নিশিৰশিৰ জোনাক, কঁকিলা - সজীয়া কাচোন মতী' এনেবোৰ সহজ অথচ ব্যঞ্জনাময় বাক্যাংশৰ উপৰিও ভেৰাকুটি, ঢলংপলং, বৈ ৰমলি ধেমালি আদি শব্দবোৰৰ অৰ্থবহ ব্যৱহাৰে কবিৰ ভাষা - চৰ্চা আৰু প্ৰকাশ-দক্ষতাৰ ইঙ্গিত দিয়ে। ঢলংপলং ইতিহাস বুলি কলে আমাৰ মনৰ চকুত ভাহি উঠে নিচাখোৰ মানুহৰ ভাৰসাম্যহীন অৱস্থা। অৱশ্যে দুই-এঠাইত যে আতিশয্য হোৱা নাই এনে নহয়। 'টোপনিৰ টালিভুলি' বা 'প্ৰতিদানৰ ওভাচালি'ত টালিভুলি বা ওভাচালি শব্দৰ প্ৰয়োগ যুক্তিযুক্ত হোৱা নাই যেন লাগে। টালিভুলিৰ অৰ্থ সৰু ল'ৰাৰ নিৰ্দোষ ধেমালি। শব্দটো টালিবাজি হ'ব লাগিছিল নে কি ? 'ওভাচালি' শব্দটো প্ৰায় অপ্ৰচলিত। এনে দুই এটা আসোঁৱাহে ফুকনৰ কবিতাৰ ভাষাৰ গাঁথনি নিশ্চয় হেলেকলেকীয়া নকৰে। তলৰ স্তবকটোত আমাৰ লোকভাষা, বিশ্বাস আৰু আধুনিক জটিলতাৰ অৰ্থপূৰ্ণ সমাহাৰ হৈছে ঃ

এই বেলিও চোন নিৰহ পথাৰ
ছনলি হৈয়ে ৰ'ল।
বিথলেই গ'ল টেকেলিত সঁচা
আটোমটোকাৰি সঁচ।
যমৰ ঘৰৰ বোন্দা বায়ন
আজি পোহৰতে অন্ধ ভয়ংকৰ কন্ধ
দেখাত কুন্ধচ
হাউলিছে কোটিকলীয়া গছ

ঠায়ে ঠায়ে অনুপ্ৰাসৰ ব্যৱহাৰ দেখিছো। উচুপি ইঁহাৰ হাঁহি উচুপাৰ/ অনন্তগভীৰ নিষাদ'ৰ উপমাৰ আবেদন মনকৰিবলগীয়া। নিষাদ এনে এটি স্বৰ যাৰ মাধ্যমত দুখ - আৰু উচুপনি গৈ সুখ আৰু হাঁহিত পৰিণত হ'ব পাৰে। মহাতমসাত কৃষ্ণাৰ্জুন' আমাৰ পৌৰাণিক চেতনাক আধুনিক বোল দিয়াৰ সাৰ্থক প্ৰচেষ্টা। 'কৃষ্ণ' তাত যেন সৰ্বগ্ৰাসী ৰাজনীতি অৰ্জুন সাধাৰণ মানুহ। সাধাৰণ মানুহৰ প্ৰতিকাৰহীন হাঁহি অশ্ৰুৰ দলিল হিচাপে এই দীঘল কবিতাৰ সুকীয়া আস্বাদ আছে। 'কল্কি মন্দিৰ'ৰ টেকনিকতো অতীতৰ নালন্দাক আধুনিক শিক্ষা-ব্যৱস্থাৰ ব্যৰ্থতাৰ প্ৰতীক হিচাপে লোৱা হৈছে। তাত ভটিমা আৰু মালিতাৰ আধুনিক ব্যৱহাৰো মনকৰিবলগীয়া। অৱশ্যে এই দুয়োটা কবিতাক চুটি আৰু শব্দঘন কৰিব পৰা গলহেঁতেন বুলি মই ভাবো। কল্কি-মন্দিৰত মৃদু ব্যঙ্গও আছে। 'তোমাক' বা 'জনান্তিক' সুখপাঠ্য। ব্লেক আৰু এণ্ড্ৰু মাৰভেলৰ কবিতাৰ অনুবাদ দুটাই অনিসন্ধিৎসু পাঠকক আনন্দ দিব। শিতানত দিয়া ইংৰাজী উদ্ধৃতিবোৰ কমাব পৰা হলে ভালহলহেঁতেন। শংকৰদেৱ বা বেজবৰুৱাৰ প্ৰসঙ্গ অনাটো প্ৰশংসনীয় হৈছে। পুথিখনৰ ছপা-বন্ধা ভাল। ৰসিক পাঠকে কবিতাবোৰ পঢ়ি ৰং পাব আৰু তাৰ পৰা নিজৰ বৌদ্ধিক দিশৰো উন্নতি কৰিব পাৰিব। পুথিখনৰ আমি বহুল প্ৰচাৰ কামনা কৰিছো। ■







# মানিক বাবু সত্যজিৎ ৰায়

আবু নাছাৰ চাঈদ আহমদ

(৫)

## অনন্য কথাছবি নিৰ্মাণ ঃ "আলিবাটৰ গান"



কথাছবি নিৰ্মাণ কৰাটো সহজ কাম নহয়। চাৰু কলাৰ বিভিন্ন দিশ আৰু শৃঙ্খলাৰ সমন্বয় কৰি পৰিচালক এজনে এই মাধ্যমৰ যোগেদি মানৱ জীৱনৰ একোটা বিষয়, ঘটনা, মূল্যবোধ অলপ সময়ৰ ভিতৰতে প্ৰকাশ কৰিব লগীয়া হয়। ইয়াৰ বাবে প্ৰয়োজন পৰিচালকৰ কল্পনা শক্তিৰ প্ৰখৰতা, বিতং আৰু সূক্ষ্ম পৰিকল্পনা, সৃজনী প্ৰতিভা আৰু কথাছবি নিৰ্মাণ কৰাৰ সম্যক জ্ঞান। সদায়ে আত্ম-সচেতন সত্যজিতে যেতিয়া মনতে ঠিক কৰি ল'লে যে এদিন তেওঁ কথাছবি নিৰ্মাণ কৰিব, তেতিয়া তেওঁ হিচাপ-নিকাচ কিছু কৰিছিল। কথাছবি নিৰ্মাণৰ তাত্বিক জ্ঞান তেওঁ কিতাপ পঢ়ি আৰু অতি উচ্চমানৰ কথাছবি চাই আহৰণ কৰি লৈছিল। "এ পাৰফেক্ট ডে" শীৰ্ষক বিজ্ঞাপনৰ ছবিৰ তেওঁ চিত্ৰ নাট্য ৰচনা কৰিছিল ১৯৪৮ চনত। কফি হাউচৰ আড্ডাৰ পৰাই জন্ম লাভ কৰা "ঘৰে বাইৰে" উপন্যাসৰো চিত্ৰনাট্য তেওঁ লিখিছিল। এবাৰ বিমল ৰায়কো চিত্ৰ নাট্য লিখি দেখুৱাইছিল, যদিও অৱশ্যে বিমল ৰায়ে সত্যজিতৰ প্ৰতিভাৰ পিনে চকু মেলি চোৱাৰ আহৰি উলিয়াই লোৱা নাছিল। লণ্ডনত থকাৰ সময়তো তেওঁ কথাছবি পৰিচালনাৰ কথাকে অনবৰতে মনে মনে ভাবি আছিল। গতিকে মানসিক প্ৰস্তুতি এই দিশত বাৰুকৈয়ে হৈছিল। "বাই চাইকেল থিভচ্" কথাছবি চাই মনতে ঠিক কৰিলে যে স্বদেশলৈ গৈ বিভূতি বাবুৰ বিখ্যাত উপন্যাস "পথেৰ পাঁচালী"ৰ কাহিনীকে কথাছবিৰ ৰূপ দিব।

লণ্ডন, ইউৰোপ ফুৰি মেলি স্বদেশলৈ জাহাজেৰে আহি থাকোতে "পথেৰ পাঁচালী"ৰ ("আলিবাটৰ গান") দৃশ্য গ্ৰহণ তেওঁ কিদৰে কৰিব তাকে ক'লা চিয়াঁহীৰে ছবিৰ আৰ্হিত আঁকিবলৈ আৰম্ভ কৰিলে। ১৯২৮ চনত পোনতে আলোচনীৰ পাতত আৰু পিছৰ বছৰত কিতাপ আকাৰে প্ৰকাশ পোৱা বিভূতিভূষণ বন্দ্যোপধ্যায়ৰ "পথেৰ পাঁচালী" আছিল অতিকৈ মনোৰম উপন্যাস। বিভূতি বাবুৰ ল'ৰালি কাল গাঁৱতে অতিবাহিত হৈছিল আৰু তেওঁৰ গাঁৱৰ অভিজ্ঞতাৰ পৰা নিগৰি ওলোৱা এই উপন্যাসখন আছিল গাঁৱৰ এক কাব্যিক প্ৰতিচ্ছবি। তেওঁৰ পিতাক আছিল গাঁৱৰ পূজাৰী। তেওঁ সুন্দৰ গান গাব পাৰিছিল। অতি দুখীয়া অৱস্থাতে ল'ৰালি কাল পৰা কৰোৱা বিভূতি বাবুৱে গাঁৱৰ দৰিদ্ৰ কি ভালদৰে বুজিছিল। মৃত্যু কি সেয়াও দেখিছিল কাৰণ ১৯১৮ চনক কলেজত পঢ়ি থাকোতে বিয়া পাতিছিল যদিও পিছৰ বছৰতে তেওঁ পত্নীৰ বিয়োগ হয়। জীৱনত দৰিদ্ৰতাৰ পৰা পোৱা দুখ কষ্ট আৰু পত্নী বিয়োগৰ পৰা মচিব নোৱৰা বেদনাই তেওঁক জীৱনৰ খলা-বমা পথটো ভালদৰে বুজি লবলৈহে উদগনি দিছিল; বিৰহত জীৱনৰ অমূল্য সময় আৰু নিজৰ গুণানুৱলী নষ্ট কৰিবলৈ নহয়। সাধাৰণ মানুহৰ প্ৰতি অপৰিসীম ভালপোৱাই তেওঁক অবিৰাম লেখা-পঢ়া কৰি যাবলৈকে প্ৰেৰণা দিছিল।

চিগনেট প্ৰেছত "পথেৰ পাঁচালী" মূদ্ৰণ হোৱাৰ সময়তে এই কিতাপখনৰ কেইবাখনো ছবি আৰু বেটুপাত আঁকি দিয়াৰ দায়িত্ব পৰিছিল সত্যজিতৰে ওপৰত। এই ছবিবোৰ আঁকি থাকোতে এইখন উপন্যাসকে এদিন কথাছবিৰ ৰূপ দিয়াৰ কথা তেওঁৰ মনলৈ আহিছিল। নিশ্চিন্দিপুৰ গাঁৱৰ প্ৰাকৃতিক আৰু সামাজিক পৰিবেশত এহাল ল'ৰা-ছোৱালী অপু আৰু দুৰ্গা, সিহঁতৰ মাক দেউতাক-সৰ্বজয়া আৰু হৰিহৰ আৰু লগতে ইন্দিৰ ঠাকৰুণ। গতানুগতিক কথাছবিৰ কাহিনী ইয়াত নাই। বংগদেশৰ গাঁৱৰ তেনেই দুখীয়া পৰিয়ালৰ দুখেভৰা এই কাহিনীত কোনো নাটকীয়তা নাই, নাই কোনো নায়ক আৰু নায়িকা, নাই নাচ-গান, গতিকে নাই বক্স অফিচ সাফল্য হোৱাৰ সম্ভাৱনা। এনে এটা কাহিনীৰ ওপৰত ভিত্তি কৰি বোলছবি কৰিবলৈ ভবাটো সত্যজিতৰ বাবে বৈপ্লৱিক অথবা দুঃসাহসিক ধৰণৰ আছিল। কিন্তু এই কাহিনীৰ মাজত যি মানৱীয় ছবি তেওঁ দেখা পাইছিল সেয়া সাৰ্বজনীন আছিল। এনে ছবি তৃতীয় বিশ্বৰ যিকোনো ঠাইতে দেখিবলৈ পোৱা যাব পাৰে। সেয়ে তেওঁ ইয়াত মানৱীয় আবেদনৰ চিৰন্তন আৰু ব্যাপক অভিব্যক্তি দেখা পাইছিল। তাৰ প্ৰেৰণাতে তেওঁ অগতানুগতিক কথাছবি এখন কৰাত মনোনিবেশ কৰিলে। ইউৰোপৰ পৰা জাহাজেৰে আহি থাকোতে কাহিনীৰ দৃশ্যবোৰ আঁকি থাকোতে তেওঁৰ আত্ম বিশ্বাস বাঢ়িছিল যে এইখন তেওঁৰ নিশ্চয় উৎকৃষ্ট কথাছবি হ'ব।

দুটা সৰু ল'ৰা-ছোৱালী অপু আৰু দুৰ্গাৰে হৰিহৰ সৰ্বজয়াৰ সৰু গাঁৱলীয়া আৰু দুখীয়া সংসাৰ। লগতে দূৰ সম্পৰ্কীয় বুঢ়ী ইন্দিৰ ঠাকৰুণ। অপু কেঁচুৱা হৈ থাকোতে নিচুকাই মেলি ৰাখিবলৈকে বুঢ়ীক সৰ্বজয়াৰ প্ৰয়োজন হৈছিল। দোলনাখনত শুই থকা অপুক নিচুকাই ইন্দিৰ ঠাকৰুণে গাইছিল আলিবাটৰ গান–"হৰি দিন তো গেলো সন্ধ্যা হলো", নিজকে জীৱনৰ সন্ধিয়া পৰত সংসাৰৰ পৰা পাৰ কৰি দিবলৈ ভগৱানৰ ওচৰত কৰা কৰুণ মিনতি! অপু ডাঙৰ হ'ল–ঠাকৰুণৰ প্ৰয়োজন নোহোৱা হ'ল। সৰ্বজয়াৰ কঠোৰ আচৰণত পৰি বুঢ়ীয়ে বাঁহতলত ঠাই ললে; নিজৰে খাবলৈ বুলি সৰ্বজয়াৰ দুমুঠি অন্ন নাই–বুঢ়ীক ক'ৰপৰা খুৱাব! বাঁহ তলতে বুঢ়ীৰ মৃত্যু হয়। হৰিহৰে সংস্থান বিচাৰি ঘৰ এৰি বাহিৰলৈ গ'ল। দুৰ্গাৰো বেমাৰত পৰি মৃত্যু হয়। হৰিহৰ উভতি আহিল। উপৰি পুৰুষৰ ঘৰ বাৰী এৰি অপু আৰু সৰ্বজয়াকলৈ হৰিহৰ বেনাৰস অভিমুখে যাত্ৰা কৰিলে। উপন্যাস খনৰ শেষৰ পিনে হৰিহৰে নগৰত কটোৱা দিনবোৰৰ কথা আছে। সেয়ালৈ তেওঁ "অপৰাজিত" বোলছবিখন নিৰ্মাণ কৰিলে। ■

## পেট্ৰ'ৰাসায়নিক উদ্যোগৰ লাইখুঁটা

# অসম পেট্ৰ'কেমিকেলচ্ লিমিটেড্

প্ৰণব কুমাৰ হাজৰিকা

এটি ৰেল ষ্টেচন– নামৰূপ। কেউখন মেইল গাড়ী ইয়াত ৰয় যদিও ষ্টেচনটো বিশেষ ডাঙৰ নহয়। গাতে লাগি আছে টাটা টি গ্ৰুপৰ নামৰূপ চাহ বাগিচা। এই চাহ বাগিচাৰ পৰা আপুনি প্ৰায় ৭ কিঃমিঃ অগ্ৰসৰ হলেই প্ৰৱেশ কৰিব নামৰূপ উদ্যোগ নগৰীত। তিনিটাকৈ গুৰুত্বপূৰ্ণ উদ্যোগকলৈ গঢ়ি উঠিছে এই উদ্যোগ নগৰী। পিছে নামৰূপ উদ্যোগ নগৰীলৈ ৰূপান্তৰ হোৱা সৌ সিদিনাৰ কথা। প্ৰকৃতাৰ্থত ৬০ দশকৰ পৰাহে নামৰূপত উদ্যোগীকৰণ আৰম্ভ হয়। সেই বিষয়ে পাছত আলচ কৰিম বাৰু। নামৰূপৰ কিন্তু নিজস্ব ইতিহাস আছে। প্ৰাপ্ত তথ্যানুসৰি স্বৰ্গদেউ চুকাফাই এই অঞ্চলটোলৈ আহি তিনিবছৰ মান ৰাজধানী কৰি আছিল। নামৰূপৰ প্ৰকৃত নাম নামহুক বা নামৰুক। ই এট টাই ভাষাৰ শব্দ। 'নাম' শব্দৰ অৰ্থ পানী, 'হুক' বা 'ৰূক' মানে ছয়। অৰ্থাৎ ছটা সুঁতিৰ পানীৰে উপচি থকা ঠাই। সেই ছটা সুঁতি হৈছে কাকজান, লেবাংকুলাজান, নাহৰপুংজান, অভয়পুৰজান, সাপজান, দিচাংজান। কালক্ৰমত মুখ বাগৰি নামহুক বা নামৰূক নামৰূপ হ'ল। পৰৱৰ্তী ইতিহাসেও নামৰূপক চুই গৈছে। ধোদ সকলে সজা ধোদৰ আলি নামৰূপৰ মাজেদি পাৰ হৈ গৈছে। আহোম ৰজাৰ দিনত ৰাজদণ্ডেৰে দণ্ডিত অপৰাধীক নামৰূপতেই নিৰ্বাসন দিয়া হৈছিল বুলি প্ৰবাদ আছে। পাটকাই পৰ্বতৰ পাদদেশত অৱস্থিত এই নামৰূপৰ মাজেদি বৈ গৈছে দিল্লী নদী। দিল্লী নদীক নামৰূপৰ কিছু আঁতৰৰ পৰা দিচাং বুলি কয়। ইয়াৰ কাষৰীয় গাওঁ সমূহত বিভিন্ন জনগোষ্ঠীৰ লোকে বাস কৰিছে। প্ৰসংগক্ৰমে উল্লেখ কৰা যায় যে নামৰূপৰ ঔদ্যোগিক উন্নয়নত নামৰূপৰ মাজেদি পাৰ হৈ যোৱা মিটাৰ গজ ৰেলপথটিৰ ভূমিকা যিমান তাতোকৈ বহু বেছি গুণে গুৰুত্বপূৰ্ণ ভূমিকা এই ঐতিহাসিক ধোদৰ আলিয়ে পালন কৰি আহিছে। মিটাৰ গজৰ ৰেল পথৰ বাবে ধুনৰ যন্ত্ৰপাতি পৰিবহণৰ অসুবিধাৰ বাবেই অসমৰ বাহিৰৰ পৰা আনিব লগা তেনে যন্ত্ৰপাতি টুকুৰা টুকুৰ কৈ ট্ৰাকত বোজাই কৰি আনিব লগা হয় যাৰ ফলত খৰচ হয় বেছি। অসমৰ ঔদ্যোগিক উন্নয়নৰ স্বাৰ্থত ৰেলপথৰ ব্ৰডগজ সম্প্ৰসাৰণ অতি জৰুৰী যিটো অসমৰ ৰাইজে ন্যায়সঙ্গত ভাবেই দাবী কৰি আহিছে।

পঞ্চাছৰ দশকৰ শেষৰ ফালে নামৰূপত তাপ বিদ্যুৎ কেন্দ্ৰৰ প্ৰতিষ্ঠাৰে উদ্যোগীকৰণৰ পাতনি মেলি এটি সাৰ কাৰখানাও স্থাপন কৰা হয়। ১৯৬৮ চনৰে পৰা ভাৰত চৰকাৰৰ সংস্থা এই সাৰ কাৰখানাই উৎপাদন আৰম্ভ কৰে। ঠিক সেই সময়তেই তেতিয়াৰ অসমৰ উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই ঘোষণা কৰিলে যে জাপানৰ সহযোগত ৫ কোটি টকা ব্যয় সাপেক্ষে নামৰূপত এটি পেট্ৰ'কেমিকেলচ্ উদ্যোগ অসম চৰকাৰে প্ৰতিষ্ঠা কৰিব – প্ৰাকৃতিক গেছক কেঁচামাল ৰূপে লৈ। কোনোৱে বাতৰি কাকতৰ পাতত কটাক্ষ কৰি লিখিলে– ৫ কোটি টকাত পেট্ৰ' কেমিকেলচ্ উদ্যোগ ? অসম্ভৱ কথা। হাঁ, তবে ৫ কোটি টকাত এটা বৃহৎ পেট্ৰল পাম্প বহুৱাব পৰা যাব। এই ধৰণৰ সন্দেহ, বাক বিতণ্ডাৰ মাজতেই উদ্যোগ মন্ত্ৰীয়ে কাৰিকৰী সহযোগ সম্পৰ্কে আলোচনা কৰি জাপানৰ পৰা উভতি আহিল। ১৯৭১ চনৰ ১৫ জুনত তৎকালীন মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে নামৰূপত অসম পেট্ৰ' কেমিকেলচ্ লিঃৰ আধাৰ শিলা স্থাপন কৰে। আধাৰ শিলাহে স্থাপন হ'ল, কিন্তু প্ৰকল্প নিৰ্মাণৰ কাম আগ নেবাঢ়িল। শ্ৰীশৰৎ চন্দ্ৰ সিংহ নেতৃত্বাধীন মন্ত্ৰী সভাই ইতিমধ্যে কাৰ্যভাৰ গ্ৰহণ কৰিলে। পেট্ৰ'কেমিকেলচ্ প্ৰকল্প নিৰ্মাণৰ সিদ্ধান্ত প্ৰায় বাদ দিয়া অৱস্থা– নানা কাৰণত। বিভিন্ন মহলৰ পৰা চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰা হ'ল পেট্ৰ' কেমিকেলচ্ উদ্যোগৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ দাবীত। অৱশেষত ১৯৭৩ চনৰ পৰা অসম ঔদ্যোগিক উন্নয়ন নিগমৰ মূলধনী অংশ গ্ৰহণেৰে পেট্ৰ'কেমিকেলচ্ প্ৰকল্প নিৰ্মাণৰ বাবে যাবতীয় কাৰ্য ব্যৱস্থা হাতত লোৱা হয়। দেখা গ'ল প্ৰকল্প নিৰ্মাণৰ খৰচ বাঢ়ি গৈ ইতিমধ্যে ১২ কোটি টকাৰ ওচৰা ওচৰি হৈছে। অসম চৰকাৰে অকলে এই বৃহৎ পুঁজিৰ যোগান ধৰিব নোৱাৰে, যাৰ বাবে প্ৰয়োজন হ'ল বিভিন্ন ঔদ্যোগিক বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ। ৰাইজৰ বিত্ত অংশ গ্ৰহণৰ বাবেও মূলধনৰ কিছু অংশ (Public Share) ৰাইজৰ মাজত বিক্ৰী কৰা হ'ল। এই দৰে প্ৰকল্প নিৰ্মাণৰ কাম আগবাঢ়িল। অসম পেট্ৰ' কেমিকেলচ্ লিঃৰ জন্ম যন্ত্ৰণাৰ ইতিহাস আছে। জাপানী কাৰিকৰী সহযোগত অসম ঔদ্যোগিক উন্নয়ন নিগমৰ তেতিয়াৰ মেনেজিং ডাইৰেক্টৰ শ্ৰীদ্বিগেন বৰুৱা, ( অসম পেট্ৰ' কেমিকেলচ্ লিঃৰ চেয়াৰমেন ) অসম পেট্ৰ'কেমিকেলচ্ৰ মেনেজিং ডাইৰেক্টৰ শ্ৰীজি.এচ. হাৰণল, মুখ্য প্ৰকল্প ব্যৱস্থাপক নগেন বুঢ়াগোহাঁই আদিৰ তত্বাবধান আৰু কৰ্মপ্ৰেৰণাৰে সমূহ ইঞ্জিনিয়াৰ, বিষয়া-কৰ্মচাৰীয়ে অশেষ যত্ন আৰু ত্যাগৰ মাজেৰে প্ৰকল্পটি নিৰ্মাণ কৰি উলিয়াই ১৯৭৬ চনত। এচাম থলুৱা বিষয়া কৰ্মচাৰীৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত গঢ়ি উঠা এই পেট্ৰ' কেমিকেলচ্ উদ্যোগটি অসমীয়া মানুহ কৰ্ম বিমুখ বুলি প্ৰচলিত ধ্যান ধাৰণাৰ বিপৰীতে এটি প্ৰত্যাহবান বুলি কবই লাগিব।

তদুপৰি এই পেট্ৰ'কেমিকেলচ্ সামগ্ৰীক কেঁচামাল হিচাপে লৈ আৰু বহুতো মজলীয়া বা ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলাত উদগনি যোগোৱাও এই প্ৰতিষ্ঠানৰ অন্যতম লক্ষ্য। প্ৰাকৃতিক গেছক কেঁচামাল হিচাপে লৈ মিথানল প্ৰস্তুত কৰা হয়। আকৌ মিথানলৰ পৰা ফৰমেলিন্ উৎপাদন কৰা হয়। ফৰমেলিন্ আৰু ইউৰিয়াক কেঁচা সামগ্ৰী হিচাপে লৈ দুবিধ সামগ্ৰী (১) ইউৰিয়া-ফৰমেলদিহাইড্ এধেচিভ্ (U-F Adhesive 50% core) আৰু (২) ইউৰিয়া-ফৰমেলদিহাইড্ মল্ডিং পাউদাৰ (U-F Moulding Powder) প্ৰস্তুত কৰা হয়। শেষৰ বিধ সামগ্ৰী ব্যৱহাৰ কৰি বহু ক্ষুদ্ৰ আকাৰৰ উদ্যোগ গঢ়ি তোলাৰ সম্ভাৱনা এতিয়াও অসমত আছে। এই বিধ কেঁচা সামগ্ৰীৰ পৰা প্লাষ্টিকৰ নানা নিত্য ব্যৱহাৰ্য সামগ্ৰী যেনে কাপ-প্লেট, বিভিন্ন আকাৰৰ দিচ, ইলেকট্ৰিক চুইচ, এচ-ট্ৰে, ট্ৰে, পেন হল্ডাৰ আদি বজাৰৰ চাহিদা অনুযায়ী তৈয়াৰ কৰিব পৰা যায়। এই ধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ বিশেষ সৰহ পুঁজিৰ আৱশ্যক নহয় আৰু অন্য হাতেদি নিজ বাসগৃহৰে এটা কোঠালিত উৎপাদন আৰম্ভ কৰিব পাৰি। আমাৰ নবীন উদ্যোগী সকলৰ এক বুজন অংশই এতিয়াও এনেধৰণৰ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি নহাটো পৰিতাপৰ কথা। যি সকলে ইতিমধ্যে এনে ধৰণৰ উদ্যোগ গঢ়ি তুলিছে সেই সকলে আশানুৰূপ সফলতা লাভ কৰিছে। সুখৰ বিষয় তেনে উদ্যোগৰ উৎপাদিত সামগ্ৰীৰ বজাৰ বাহিৰলৈও সম্প্ৰসাৰিত হৈছে।

মিথানল আৰু ফৰমেলিনৰ চাহিদাই অসম তথা বাহিৰৰ ৰাজ্যত অত্যন্ত বেছি। বঙাইগাওঁ পেট্ৰ' কেমিকেলচ্ গোটৰ উপৰিও বাহিৰৰ কেইবাটাও উদ্যোগ প্ৰতিষ্ঠানে এই উদ্যোগৰ পৰা মিথানল ক্ৰয় কৰে। সুখৰ বিষয় যে এই বিধ উৎপাদিত সামগ্ৰীৰ বজাৰ অসম পেট্ৰ'কেমিকেলচ্ লিমিটেডে চুবুৰীয়া বাংলাদেশলৈও সম্প্ৰসাৰিত কৰিছে। ফৰমেলিনৰ প্ৰধান বজাৰখন প্লাইউড উদ্যোগ সমূহৰ মাজতেই আছে। অসমৰ প্লাইউড উদ্যোগৰ উপৰিও মেঘালয়, অৰুণাচল তথা বিদেশী ৰাষ্ট্ৰ ভূটানেও এই বিধ সামগ্ৰী নিয়মিত ক্ৰয় কৰে।

এই উদ্যোগত উৎপাদিত মিথানল আৰু ফৰমেলিনৰ দৰে সামগ্ৰী ব্যৱহাৰ কৰি আন বহুতো মজলীয়া আৰু ক্ষুদ্ৰ আকাৰৰ ৰাসায়নিক উদ্যোগ গঢ়ি তুলিব পৰা যায়। ( মেনেজিং ডাইৰেক্টৰ অৰুণ কুমাৰ দাসৰ সাক্ষাৎকাৰ দ্ৰষ্টব্য )। আজিৰ এই আধুনিক সভ্যতাত ইন্ধনৰ সংকটে সকলোকে চিন্তাত পেলাইছে। প্ৰচুৰ বৈদেশিক মুদ্ৰা খৰচ কৰি পেট্ৰ'লৰ দৰে ইন্ধন সামগ্ৰী আমদানি কৰা হয়। বিকল্প ইন্ধনৰ আৱিষ্কাৰৰ বাবে দেশৰ বৈজ্ঞানিকসকল গৱেষণা আৰু পৰীক্ষাত ব্যস্ত। নানা পৰীক্ষা আৰু গৱেষণাৰ অন্তত এইটো সফলতাৰে প্ৰমাণ কৰা গৈছে যে পেট্ৰ'লৰ লগত শতকৰা ৩ ভাগ মিথানল মিহলাই যান-বাহন চলাব পৰা যায়। ইতিমধ্যে ভাৰত চৰকাৰে এই দিশত যাৱতীয় কাৰ্য ব্যৱস্থা গ্ৰহণৰ বাবে অগ্ৰসৰ হৈছে। তেনে অৱস্থাত দেশত মিথানলৰ চাহিদা বছৰি ১'৫ লাখ টন ওপৰঞ্চি বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ভৱিষ্যতৰ এই চাহিদা পূৰাবলৈ এই উদ্যোগে ইতিমধ্যে দৈনিক ৫০০ টন ক্ষমতা যুক্ত এটি বৃহৎ মিথানল গোটৰ স্থাপন সম্পৰ্কে বিবেচনা কৰি আছে।

ফৰমেলিনৰ বৰ্দ্ধিত চাহিদাৰ বাবেই অসম পেট্ৰ'কেমিকেলচ্ লিমিটেডে এটি দৈনিক ১০০ টন ক্ষমতা যুক্ত ফৰমেলিন প্ৰকল্প স্থাপনৰ কাম নামৰূপত আৰম্ভ কৰিছে। ভাৰত চৰকাৰে এই সম্পৰ্কীয় অনুজ্ঞা পত্ৰ ইতিমধ্যে প্ৰদান কৰিছে। ( চিফ্ জেনেৰেল মেনেজাৰৰ সাক্ষাৎকাৰ দ্ৰষ্টব্য )।

পাঠকে ইতিমধ্যেই বাতৰি কাকত, টিভি আদিৰ মাধ্যমেৰে জানিব পাৰিছে যে এই প্ৰতিষ্ঠানে পাৰহৈ যোৱা বিত্তীয় বছৰত আশাতীত ভাবে ৩ কোটিৰ ওপৰত লাভ অৰ্জন কৰি এক নতুন অধ্যায় ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বাবে সূচনা কৰিছে। আমাৰ অনুসন্ধানৰ প্ৰাপ্ত তথ্যৰ মতে উৎপাদন আৰু অভিযান্ত্ৰিক মেৰামতিৰ নিৰ্দ্ধাৰিত পৰিকল্পনা আৰু সমন্বয় সাধনৰ মাজেদি প্ৰতিষ্ঠানে উৎপাদনশীলতাৰ এক পৰ্যায় লাভ কৰি ব্যৱসায়িক সাফল্য অৰ্জনত অৰিহণা যোগাইছে। (জেনেৰেল মেনেজাৰ ডঃ মহেন্দ্ৰ নাথ বুঢ়াগোহাঁইৰ সাক্ষাৎকাৰ দ্ৰষ্টব্য)। সামগ্ৰিক ভাবে প্ৰতিষ্ঠানত নিয়োজিত সকলো বিষয়া কৰ্মচাৰীয়ে দায়িত্বশীল ভাবে কৰ্তব্য সম্পাদন কৰি এই সাফল্যত বিশেষ ভূমিকা পালন কৰি আহিছে। আজিৰ ঔদ্যোগিক ক্ষেত্ৰত লক্ষ্য কৰা ঔদ্যোগিক অশান্তি এই প্ৰতিষ্ঠানত নথকাটো সুখৰ কথা। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে এই উদ্যোগৰ একমাত্ৰ শ্ৰমিক সংঘখন দুৰ্বল। বৰঞ্চ ই এখন শক্তিশালী ট্ৰেড্ ইউনিয়ন যাৰ নেতৃত্বত শ্ৰমিক সকলে নিজ অধিকাৰ সাব্যস্ত কৰাৰ উপৰিও নানা কল্যাণমূলক সা-সুবিধা আদায় কৰি নিজৰ সামাজিক মান উন্নত কৰিছে। ঔদ্যোগিক বিবাদ অতীতত হৈছে যদিও দীৰ্ঘকালীন ধৰ্মঘটেৰে শ্ৰমিকে উৎপাদন ব্যাহত কৰি ৰখা নাই। ইউনিয়নৰ নেতৃত্বই শ্ৰমিকক অধিকাৰৰ সম্পৰ্কে সচেতন কৰাৰ লগতে দায়িত্ব সম্পৰ্কেও সচেতন কৰি প্ৰতিষ্ঠানটিৰ উন্নয়নত অৰিহণা যোগাই আহিছে। শ্ৰমিক সকলৰ মাজত কৰ্তব্য সম্পৰ্কে সামূহিক দায়িত্ববোধ গঢ়ি সুস্থ আৰু শক্তিশালী ট্ৰেড্ ইউনিয়ন গঢ়াৰ বাবে কোম্পানীয়ে বছৰি প্ৰশিক্ষণ আঁচনিৰ অধীনত শ্ৰমিক শিক্ষাৰ এক পষেকীয়া পাঠ্যক্ৰম চলাই আহিছে লগতে আছে শ্ৰমিকৰ অসমৰ বাহিৰৰ উদ্যোগত শিক্ষামূলক ভ্ৰমণ। এক বুজন পৰিমাণৰ অৰ্থব্যয়েৰে কৰ্তৃপক্ষই নানা ধৰণৰ প্ৰশিক্ষণ কাৰ্যসূচী চলাই ৰাখি সমূহ কৰ্মীৰ বৃত্তিগত উন্নয়নত অৰিহণা যোগাইছে। এই ধৰণৰ প্ৰশিক্ষণে সুফল প্ৰদান কৰিছে বুলি আমি পতিয়ন যাব পাৰো।

অন্যহাতেদি, এটা উদ্যোগ এক বিশেষ অঞ্চলত গঢ়ি উঠিলে ব্যৱসায়িক লাভৰ উপৰিও আৰ্থ-সামাজিক উন্নয়নৰ দিশটো অন্যতম বিষয় হিচাপে গণ্য কৰা হয়। ওচৰ-চুবুৰীয়া গাঁৱৰ ল'ৰা-ছোৱালীক এই উদ্যোগৰ নিজস্ব হাইস্কুলত শিক্ষা গ্ৰহণৰ সুবিধা দিয়াৰ উপৰিও গাঁৱৰ ৰাইজৰ বাবে পানী যোগান, ৰাস্তাঘাট উন্নয়ন আঁচনি সফলতাৰে ৰূপায়ণ কৰা আমি প্ৰত্যক্ষ কৰিছো। তদুপৰি গাঁৱৰ স্কুলৰ উন্নয়নৰ বাবে সাহায্য, নামৰূপ কলেজৰ গৃহ নিৰ্মাণৰ বাবে এই প্ৰতিষ্ঠানে উল্লেখ যোগ্য সাহায্য আগবঢ়াইছে।

সদৌ অসমবাসীৰ বাবে গৌৰৱৰ কথা এয়ে যে এই প্ৰতিষ্ঠানে ১৯৭৬ চনত উৎপাদন আৰম্ভ কৰাৰ পাছত দ্বিতীয়টো মিথানল সম্প্ৰসাৰণ গোটৰ ( দৈঃ ১০০ টন ) এক অত্যাধুনিক প্ৰযুক্তি কৌশলযুক্ত প্ৰকল্পৰ সফল ৰূপায়ণ কৰে ১৯৮৮ চনত। এই গোটটিৰ আধাৰ শিলা ১৯৮৪ চনত স্থাপন কৰে তৎকালীন মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই। ই অতি সুখৰ কথা যে সচৰাচৰ ৰাসায়নিক কাৰখানা সমূহে



*মিথানল প্ৰকল্প গোটৰ আধাৰশিলা স্থাপন কৰিছে তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া*

সৃষ্টি কৰা প্ৰদূষণ সমস্যা এই উদ্যোগৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। প্ৰদূষণ নিয়ন্ত্ৰণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণতেই সীমাবদ্ধ নেৰাখি এই প্ৰতিষ্ঠানে সামগ্ৰিক পাৰিপাৰ্শ্বিকতা সংৰক্ষণৰ বাবেও বিভিন্ন কাৰ্য ব্যৱস্থা গ্ৰহণ কৰি আহিছে। পাৰিপাৰ্শ্বিকতা সংৰক্ষণৰ বাবে শীৰ্ষ স্থান অধিকাৰ কৰি এই কোম্পানীয়ে কেইবাবাৰো অসম চৰকাৰৰ দ্বাৰা পুৰস্কৃত হৈছিল। শতকৰা ২০ শতাংশ পৰ্যন্ত লভ্যাংশ বোনাচ কৰ্মীসকলক দিয়া এই উদ্যোগে সময়ে সময়ে উৎপাদন অব্যাহত ৰখাৰ ক্ষেত্ৰত বাধাৰ সমুখীন নোহোৱা নহয়। তাৰ কাৰণ হৈছে বৈদ্যুতিক শক্তি আৰু পানীৰ সাময়িক ভাবে সৃষ্টি হোৱা যোগানৰ খেলি-মেলি। দুয়োটা উপকৰণৰ বাবে আনৰ ওপৰত নিৰ্ভৰ কৰি চলিব লগা হয়। উদ্যোগটিৰ তথা সমাজৰ বৃহত্তৰ স্বাৰ্থত কৰ্তৃপক্ষৰ সৈতে কৰ্মী সকলে সহযোগী মনোভাবেৰে কাম কৰি সামূহিক দায়িত্ব বোধৰ পৰিচয় দাঙি ধৰিছে। ৰাজ্যিক খণ্ডৰ এই অত্যাধুনিক প্ৰযুক্তি কৌশল যুক্ত উদ্যোগটি এচাম থলুৱা লোকৰ দ্বাৰা সফল ভাবে লাভজনক ৰূপত পৰিচালিত হোৱা দৃষ্টান্তই অসম চৰকাৰ তথা ভাৰত চৰকাৰক নতুন উদ্যোগ গঢ়ি তুলিবলৈ প্ৰেৰণা যোগাব বুলি আমি বিশ্বাস কৰিছো। আমি মনত ৰাখো যে পৰিকল্পিত ব্যৱহাৰে মানৱ শক্তিৰ কৰ্ম দক্ষতাৰ উন্নতি সাধন কৰে।

# “এটি উদ্যোগ ব্যৱসায়িক ভিত্তিত সাফল্য লাভ কৰিবলৈ লাগিব কোম্পানীত নিয়োজতি সকলোৰে সংঘবদ্ধ যুটীয়া ঐকান্তিক প্ৰচেষ্টা”



*শ্ৰীঅৰুণ কুমাৰ দাস অসম প্ৰেট্ৰকেমিকেলচ্ লিমিটেডৰ মেনেজিং ডাইৰেক্টৰ। বৃত্তিত এজন সফল কেমিকেল ইঞ্জিনিয়াৰ হিচাবে সাৰ কাৰখানা আৰু পেট্ৰ'কেমিলকেলচ্ লিমিটেডৰ বিভিন্ন দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ বৰ্তমানৰ এই গুৰু দায়িত্ব বহন কৰিছে। তীব্ৰ প্ৰতিযোগীতামূলক বৰ্তমানৰ উদ্যোগীক জগতত, উদ্যোগ পৰিচালক বিভিন্ন দিশ সম্পৰ্কে তেখেতে আমাৰ বিভিন্ন প্ৰশ্নৰ উত্তৰত সুচিন্তিত ব্যাখ্যা আগবঢ়াইছিল।*

*সূত্ৰধাৰঃ অসম পেট্ৰ'কেমিকেলচ্ লি ঃৰ দৰে ৰাজ্যিক খণ্ডৰ এটা উদ্যোগৰ ব্যৱসায়িক সাফল্যই অসমৰ সামগ্ৰিক উদ্যোগিক খণ্ডৰ বাবে আশাৰ সঞ্চাৰ কৰিছে। যি সময়ত অসম তথা সমগ্ৰ দেশৰে ৰাজহুৱা খণ্ডৰ প্ৰায় উদ্যোগসমূহ লোকচানৰ সমুখীন হৈছে, অসম পেট্ৰকমিকেলচ্ লি ঃৰ সাফল্য এক অন্যতম ব্যতিক্ৰম বুলি আমি গণ্য কৰিছোঁ। এই কোম্পানীৰ এজন মুৰব্বী হিচাপে সাফল্যৰ আঁৰত থকা কাৰণসমূহ চমুকৈ আমাক কবনে ?*

অৰুণ কুমাৰ দাসঃ– প্ৰশ্নটিত উল্লেখ কৰাৰ দৰে সকলো ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানে যে ব্যৱসায়িক ক্ষতিৰ সমুখীন হৈছে ই একেবাৰে সঁচা নহয়। ৰাজহুৱা খণ্ডতো লাভ অৰ্জন কৰা উদ্যোগ দেশত ভালেখিনি আছে, তাৰ ভিতৰত IPCL, ONGC, OIL, IOC, RCF, BRPL ইত্যাদিৰ নাম উল্লেখ কৰিব পাৰি। আমাৰ উদ্যোগটিৰ ১৯৭৬ চনৰ পৰা প্ৰথম গোটটিৰ উৎপাদন আৰম্ভ হৈছিল আৰু নানা কাৰণবশতঃ ১৯৮২ চনলৈকে লাভৰ মুখ এই উদ্যোগে দেখা নাছিল। ইয়াৰ মূল কাৰণসমূহ আছিল– সাধাৰণতে আমাৰ দৰে পেট্ৰ-ৰাসায়নিক উদ্যোগ এটাত প্ৰাৰম্ভিক উৎপাদনৰ দুই এবছৰৰ ভিতৰত যান্ত্ৰিক বিজুতি বা আঁসোৱাহ দেখা দিয়ে যিটোক কাৰিকৰী ভাষাত TEETHING TROUBLE ৰ সমুখীন হোৱা বুলি কব পাৰি, আমাৰো তেনে অৱস্থা হৈছিল। উপৰুক্ত সময় চোৱাত আমাৰ ৰাজ্যৰ তৎকালিন পৰিস্থিতিৰ বাবে আমাৰ প্ৰতিষ্ঠানে ব্যৱসায়িক লোকচানৰ সমুখীন হোৱাৰ অন্যতম কাৰণ বুলিব পাৰি। ১৯৮৩-৮৪, ১৯৮৪-৮৫-৮৬, ১৯৮৬-৮৭ চনত কোম্পানীয়ে লাভ কৰিবলৈ সমৰ্থ হৈছিল। ইতিমধ্যে মিথানলৰ সম্প্ৰসাৰিত দ্বিতীয় গোটৰ উৎপাদন ১৯৮৮-৮৯-৩ আৰম্ভ হৈছিল আৰু ১৯৮৯-ৰ মাৰ্চ মাহৰ পৰা ব্যৱসায়িক উৎপাদন আৰম্ভ হয়। আগতে কৈ অহাৰ দৰে এই গোটটোৱেও প্ৰথম বছৰত (১৯৮৯-৯০) TEETHING TRUBLE-ৰ সমুখীন হয় আৰু ব্যৱসায়িক লোকচান দিব লগাত পৰে। ১৯৯০-৯১ আৰু ১৯৯১-৯২- ত এই গোটটোৰ উৎপাদন সন্তোসজনক বুলিব পাৰি। এই সময়ছোৱাত কোম্পানীয়ে সন্তোসজনক Net Profit অৰ্জন কৰে। এটা কথা মই উল্লেখ কৰিব বিচাৰোঁ যে ১৯৭৬ চনত উৎপাদন আৰম্ভ কৰা এই কোম্পানীয়ে কোনো দিন CASH LOSS ৰ সমুখীন হোৱা নাছিল আৰু নিজ উপাৰ্জিত ধনেৰেই কোম্পানীয়ে উদ্যোগটো চলাই থাকিব পাৰিছিল।

কোম্পানীৰ সাফল্যৰ আঁৰত থকা কাৰণসমূহ এনেদৰে কব পাৰি।

প্ৰথমতে, সময় পাৰ হৈ যোৱাৰ লগে লগে আমাৰ উদ্যোগটিত নিয়োজিত কৰ্মচাৰী বিষয়া সকলোৰে বৃত্তিগত অভিজ্ঞতা বাঢ়িছে। এই বৰ্দ্ধিত অভিজ্ঞতাই উদ্যোগটি সুচাৰুৰূপে চলাই নিয়াত অৰিহণা যোগাইছে বুলি মই বিশ্বাস কৰোঁ।

দ্বিতীয়তে, আগতে উল্লেখ কৰি অহাৰ দৰে আমাৰ প্ৰথম দুই এবছৰত সমুখীন হোৱা TEETHING TROUBLE সমূহ অভিজ্ঞতাৰ ফলত নিৰাময় কৰিব পাৰিছিল।

তৃতীয়তে, সম্পূৰ্ণ ব্যৱসায়িক দৃষ্টি-ভংগী লৈ উদ্যোগ পৰিচালনা কৰা।

চতুৰ্থতে, আটইতকৈ গুৰুত্বপূৰ্ণ কাৰণটোৱেই হৈছে যে এটি উদ্যোগ ব্যৱসায়িক ভিত্তিত সাফল্য লাভ কৰিবলৈ লাগিব কোপপনীত নিয়োজিত সকলোৰে সংঘবদ্ধ যুটীয়া প্ৰচেষ্টা যিটো আমাৰ কোম্পানীত বিৰাজমান।

*সূত্ৰধাৰঃ আমি জানো অসম পেট্ৰ'কেমিকেলচ্ৰ এক বুজন সংখ্যক ৰাজহুৱা অংশীদাৰ (Public share holder) আছে। কোম্পানীৰ উল্লেখযোগ্য বিত্তীয় সাফল্যৰ পাছত উক্ত অংশীদাৰসকলে লভ্যাংশ (divident) আশা কৰিব পাৰে। তেনে লভ্যাংশ কেতিয়াৰ পৰা দিব পৰা হব বুলি আপুনি ভাবে ?*

অঃ কুঃ দাঃ আমাৰ কোম্পানীৰ কিছু সংখ্যক ব্যক্তিগত অংশীদাৰ আছে কিন্তু সেই সংখ্যা নিচেই কম। মুঠ বিত্তীয় অংশৰ শতকৰা এভাগহে ব্যক্তিগত অংশীদৰ। কোম্পানীয়ে ইতিমধ্যে Preference share ৰ অংশীদাৰসকলক তেওঁলোকৰ লভ্যাংশ আদায় দিছে। বাকী অংশীদাৰসকলক লভ্যাংশ দিব পৰা যাব, যেতিয়া কোম্পানীৰ কোনো ধৰণৰ accumulated loss নেথাকিব। ১৯৯১-৯২ চনত কোম্পনীয়ে লাভ কৰিছে বুলি উল্লেখ কৰিছো। কোম্পানী আইনৰ (COMPANY'S ACT) সকলোবিলাক বিষয় চালিজাৰি চাই হয়তো অতি সোনকালেই কোম্পানীয়ে অংশীদাৰসকলক লভ্যাংশ দিব পাৰিব।

*সূত্ৰধাৰঃ– আমাৰ শেষ প্ৰশ্নটি হৈছে আধুনিক প্ৰযুক্তিজ্ঞান যুক্ত এই পেট্ৰকেমিকেলচ্ উদ্যোগটিয়ে অসমৰ ঔদ্যোগিক উন্নয়ণত কেনেদৰে সহায় কৰিব পাৰে বুলি আপুনি ভাৱে ?*

অঃ কুঃ দাঃ ঔদ্যোগিককৰণত পাছ পৰি থকা অসমৰ উদ্যোগ উন্নয়ন কাৰ্যসূচীত আমি দুই ধৰণে অৰিহণা যোগাব পাৰোঁ। প্ৰথমতে, আমাৰ উৎপাদিত সামগ্ৰীক কেঁচামাল হিচাপে ব্যৱহাৰ কৰি মধ্যম আৰু ক্ষুদ্ৰ আকাৰৰ উদ্যোগ গঢ়ি তুলিব পৰা যায়। সম্ভাব্য উদ্যোগীসকলে আমাৰ পৰা দিহা পৰামৰ্শ লৈ আগবাঢ়ি যাব পাৰে। উদাহৰণ স্বৰূপে আমাৰ দ্বাৰা উৎপাদিত মিথালনৰ পৰা Pesticides, Paints, Methylamines আৰু ফৰমেলিনৰ পৰা Pentaerythritol, Hexamine, Polyaceatal আদি প্ৰস্তুত কৰিব পৰা যায়।

বহলভাৱে সৰ্বসাধাৰণৰ ব্যৱহাৰযোগ্য কিছু প্লাষ্টিক সামগ্ৰী ক্ষুদ্ৰ উদ্যোগখণ্ডত স্থাপন কৰিবৰ বাবে প্ৰয়োজন হোৱা কেঁচমাল Urea Formaldelyde Moulding Powder আমাৰ উদ্যোগত উৎপাদন কৰা হয়। বজাৰৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি উৎপাদন কৰিব পৰা তেনে সামগ্ৰীসমূহ হৈছে ইলেক্ট্ৰিক চুইচ, প্লেট, ডিচ, ট্ৰে এছট্ৰে, পেণ্হল্ডাৰ ইত্যাদি। মই এই সুযোগতে উদ্যোগীসকলক উদ্যোগ স্থাপনৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছোঁ। দ্বিতীয়তে, ভবিষ্যতে অসমত স্থাপন কৰিব লগা আধুনিক প্ৰযুক্তি জ্ঞান যুক্ত বিভিন্ন মজলীয়া আৰু গুৰু উদ্যোগত নিয়োগ সাপেক্ষে আমাৰ অভিজ্ঞতা সম্পন্ন বিষয়া-কৰ্মচাৰীয়ে বিশেষ অৰিহণা যোগাব পাৰে বুলি মই বিশ্বাস কৰোঁ। আমাৰ উদ্যোগত কাম কৰাৰ অভিজ্ঞতাৰে বহুতো কাৰিকৰী বিষয়া আৰু কৰ্মচাৰীয়ে দেশৰ ভালেকেইটা গুৰুত্বপূৰ্ণ উদ্যোগত বিশেষ দাদিত্বপূৰ্ণ পদত কাৰ্য নিৰ্বাহ ইতিমধ্যে কৰি আছে। ই নিতান্তই আশাৰ আৰু গৌৰৱৰ কথা।

## “উপযুক্ত নেতৃত্ব আৰু পৰিচালনা দিব পাৰিলে কৰ্ম শক্তিক সুদিশত লৈ যাব পাৰি।”

*এই প্ৰতিষ্ঠানৰ জেনেৰেল মেনেজাৰ ড° মহেন্দ্ৰ নাথ বৰগোহাঁইদেৱে বিদেশত উচ্চ শিক্ষা লৈ এই প্ৰতিষ্ঠানত আৰম্ভণিৰে পৰা কাম কৰাৰ দীৰ্ঘ দিনৰ অভিজ্ঞতাৰ ভেটিত তেখেতে নিম্নলিখিত প্ৰশ্নখিনিৰ উত্তৰ সূত্ৰধাৰলৈ আগবঢ়াইছিল।*



*ড° মহেন্দ্ৰ নাথ বৰগোহাঁঞি*

*সূত্ৰধাৰ ঃ এই উদ্যোগৰ সাধাৰণ প্ৰশাসনৰ উপৰিও উৎপাদন আৰু ৰক্ষণাবেক্ষণৰ (Maintenance) লগত আপুনি প্ৰত্যক্ষভাৱে জড়িত। কোম্পানীৰ জেনেৰেল মেনেজাৰ হিচাপে এই উদ্যোগৰ বিত্তীয় সাফল্যত আপোনাৰ এক বিশেষ ভূমিকা আছে। কোনসমূহ দিশত আপুনি সততে গুৰুত্ব দি এই উদ্যোগৰ সাফল্যত অৰিহণা যোগাইছে ?*

ড° বৰগোহাঁই ঃ– উদ্যোগ এটা ব্যৱসায়িকভাবে সফল কৰি চলাবলৈ হ'লে সকলো বিলাক বিভাগৰ কামৰ মাজত এটা সমন্বয় ৰাখি কাম কৰিব পাৰিব লাগিব। Production আৰু Maintenance এই দুয়োটা বিভাগৰ দায়িত্ব এই ক্ষেত্ৰত অতি বেছি। যিহেতু এই বিভাগ দুটাৰ দায়িত্ব অতি বেছি সেয়ে এই বিভাগ দুটাৰ মাজত সমন্বয়ৰ প্ৰয়োজনীয়তাক মই অতি গুৰুত্বসহকাৰে ল'বলৈ যত্ন কৰি আহিছো। সাপ্তাহিক Co-ordination Meeting ত উৎপাদনত বাধা সৃষ্টি কৰিব পৰা অন্তৰায়বিলাক মোৰ মেনেজাৰ আৰু চিনিয়ৰ মেনেজাৰ বিলাকৰ সৈতে পুঙ্খানুপুঙ্খ আলোচনা কৰি তাৰ উচিত ব্যৱস্থা সময়মতে লোৱা হয়। অৱশ্যে বিত্তীয় বছৰটোৰ আৰম্ভণিতে আমি উৎপাদনৰ পৰিকল্পনা এটা কৰো। এই পৰিকল্পনাত যি উৎপাদনৰ লক্ষ্য লোৱা হয়–তাত উপনীত হ'বলৈ সকলোবিলাক ব্যৱস্থা লোৱাত কোনোধৰণৰ অৱহেলা কৰা নহয়। কিছুমান অন্তৰায় অৱশ্যে ব্যৱস্থাপনাৰ পৰিসীমাৰ বাহিৰত। যেনে আমাৰ উদ্যোগটোৰ কাৰণে প্ৰয়োজনীয় বিদ্যুৎ শক্তি আৰু পানীৰ বাবে আমাৰ ওচৰতে অৱস্থিত নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰৰ ওপৰত আমি নিৰ্ভৰ কৰিব লাগে। কেঁচা সামগ্ৰী প্ৰাকৃতিক গেছৰ কাৰণে অইল ইণ্ডিয়া আৰু অসম গেছ কোম্পানীৰ ওচৰত নিৰ্ভৰ কৰিব লাগে। এই অনুষ্ঠান কেইটাৰ লগত যোগাযোগৰ সমন্বয় যোগেদি অন্তৰায়বিলাক পাৰ্যমানে আঁতৰোৱা হয়।

উৎপাদন বৃদ্ধিৰ প্ৰথম চাবি-কাঠি হ'ল–যন্ত্ৰপাতি বিলাক সুচাৰুৰূপে চালিত কৰি ৰখা। এই কাৰ্য সম্পাদনাত আমাৰ Production আৰু Maintenance বিভাগৰ সমূহ বিষয়া আৰু কৰ্মচাৰীৰ পৰা মই অকুণ্ঠ সহযোগ লাভ কৰিবলৈ সক্ষম হৈছো বুলি ভাবো। তেওঁলোকৰ অভিজ্ঞতা আৰু কাৰিকৰী জ্ঞানক কামত লগাই Production downtime উল্লেখযোগ্যভাবে কমাব পৰা গৈছে।

*সূত্ৰধাৰ ঃ যোৱা ১৬টা বছৰে এই উদ্যোগটি উৎপাদনক্ষম হৈ আছে। এই সময়ছোৱাৰ ভিতৰত বিষয়া আৰু কৰ্মচাৰীসকলৰ মাজত এক বিশেষ কৰ্ম সংস্কৃতি (work culture) গঢ়ি উঠিছে বুলি আপুনি ভাবেনে ?*


ড° বৰগোহাঁইঃ এই ক্ষেত্ৰত মোৰ ক'বলগীয়া কথা হ'ল এয়ে যে অসম এখন কৃষি প্ৰধান ৰাজ্য সেয়েহে অসমবাসীৰ কাৰণে আধুনিক গুৰু উদ্যোগত (Modern Heavy Industry-ত) কাম কৰা অভিজ্ঞতা এতিয়াও First generation-তে আছে। অৱশ্যে এইটোও সঁত্য যে অসমৰ মানুহৰ জলবায়ু সেমেকাৰ কাৰণেই হওক বা অন্য কাৰণতেই হওক কৰ্মবিমুখ বুলি এটা বদনাম আছে। এই সকলোবিলাক পশ্চাদ পট বিবেচনা কৰিলে মই ক'ম যে আমাৰ উদ্যোগটোৰ কৰ্মীসকলৰ মাজত ঔদ্যোগিক কৰ্ম সংস্কৃতিৰ (Industrial work culture) এটা ভেটি তৈয়াৰ হৈছে। অৱশ্যে মহাৰাষ্ট্ৰ বা গুজৰাট আদি ৰাজ্যৰ তুলনাত স্বাভাৱিকতেই ই চালুকীয়া হৈ আছে। কৰ্মীসকলৰ মাজত ঔদ্যোগিক সংস্কৃতি গঢ়ি উঠাৰ বাবেই আমাৰ উদ্যোগটোৱে উৎপাদনৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য লাভ কৰিছে বুলি মোৰ বিশ্বাস। সংস্কৃতি বিকাশমান-সেয়েহে আমি সকলোৱে ঔদ্যোগিক সংস্কৃতি বিকাশত অৰিহণা যোগাবলৈ প্ৰচেষ্টা চলাই যোৱাটো অতি প্ৰয়োজন।

*সূত্ৰধাৰ ঃ উদ্যোগত উৎপাদনশীলতাই (productivity) ব্যৱসায়িক সাফল্যত এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এই উদ্যোগত উৎপাদনশীলতা বৃদ্ধিৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ বিষয়ে চমুকৈ ক'ব নেকি ?*

ড° বৰগোহাঁইঃ উৎপাদন বৃদ্ধি হ'লেই এটা উদোগৰ স্বাস্থ্য সবল হ'ব বুলি আশা কৰিব নোৱাৰি। উৎপাদন বৃদ্ধিৰ লগতে উৎপাদনশীলতা বৃদ্ধিও অন্যতম লক্ষ্য হ'লে এটা উদ্যোগৰ প্ৰগতি অব্যাহত থাকিব পাৰে। এই ক্ষেত্ৰত অনৰ্থক ব্যয় কমোৱা আৰু অপচয় ৰোধ কৰাই হ'ব উৎপাদনশীলতা বৃদ্ধিৰ প্ৰধান আহিলা। আমি সেয়ে ভাঁৰততে তৈয়াৰী উপযুক্ত মানসম্পন্ন আহিলা পাতিৰ ব্যৱহাৰ, পৰিকল্পিতভাবে কমসময়ৰ ভিতৰতে যন্ত্ৰপাতি মেৰামতি কৰা, উৎপাদিত সামগ্ৰীৰ অপচয় ৰোধ কৰা আদি ব্যৱস্থা বিলাক গ্ৰহণ কৰিছো।

*সূত্ৰধাৰ ঃ পৰিবেশ সংৰক্ষণ আৰু সুৰক্ষাৰ প্ৰশ্নই আজি ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈছে। অসম পেট্ৰ' কেমিকেলচ্ লিঃত এই দুয়োটা গুৰুত্বপূৰ্ণ দিশ কেনেদৰে নিয়ন্ত্ৰণ কৰা হৈছে ? উদ্যোগটিৰ বিষয়া কৰ্মচাৰীসকল এই দিশত কেনেধৰণৰ সচেতন ?*

ড° বৰগোহাঁই ঃ পৰিবেশ বিনাশ কৰি মানৱ জাতি জীয়াই থাকিব নোৱাৰে। সেয়ে উদ্যোগ প্ৰতিষ্ঠানৰ লগে লগে পৰিবেশ সংৰক্ষণৰ ব্যৱস্থা ল'বই লাগিব। আমি আমাৰ কাৰখানাৰ ভিতৰত আৰু বাসস্থান এলেকাত গছ-গছনি ৰোপণ কৰিছো। দৈনিক নৰ্দমা বিলাক চাফ-চিকুণ কৰাৰ



*'আধুনিক প্ৰযুক্তি কৌশলযুক্ত মিথাল সম্প্ৰসাৰণ গোটৰ একাংশ*

ব্যৱস্থা লৈছো। তদুপৰি কাৰখানাৰ পৰা নিৰ্গত হোৱা effluent- বিলাকৰ treatment- ৰ ব্যৱস্থা আছে। আমি আপোনাক জনাবলৈ পাই সুখী হৈছো যে অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে আমাক পৰিবেশ ভালকৈ সংৰক্ষণ কৰাৰ কাৰণে কেইবাবাৰো পুৰস্কৃত কৰিছে। কৰ্মীসকলৰ মাজত পৰিবেশৰ প্ৰতি সচেতনতা জগাই ৰাখিবৰ কাৰণে বছৰি নিৰ্দ্ধাৰিত দিনত World Environment Day - উদ্‌যাপন কৰা হয়।

সেইদৰে ৰাসায়নিক উদ্যোগত সুৰক্ষাক সদায়েই প্ৰথমে গুৰুত্ব দিব লাগিব। আমাৰ কেঁচা সামগ্ৰী গেছ আৰু উৎপাদিত সামগ্ৰী মিথানল দুয়োটাই দাহ্য পদাৰ্থ। অলপ অসাৱধান হ'লেই এই পদাৰ্থ দুয়োটা জ্বলি ভয়ঙ্কৰ দুৰ্যোগ আৰু ব্যাপক ক্ষয়-ক্ষতি সাধিব পাৰে। এজন সুৰক্ষা বিষয়াৰ প্ৰত্যক্ষ তত্বাৱধানত কাৰখানাৰ সুৰক্ষা বিধিসমূহ মানি চলা ক্ষেত্ৰত চকু ৰখা হয়। আমাৰ কৰ্মীসকলে যাতে গধুৰ যন্ত্ৰপাতি বিলাক মেৰা-মতি কৰোতে, বিদ্যুৎ চালিত যন্ত্ৰপাতি বিলাক চলাওঁতে সুৰক্ষা বিধিসমূহ উপযুক্তভাৱে মানি চলে তাৰ বাবে সুৰক্ষা বিষয়াই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে। বছৰি নিৰ্দ্ধাৰিত দিনত ৰাষ্ট্ৰীয় সুৰক্ষা দিৱস উদ্‌যাপনৰ মাজেদি কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক বিভিন্ন কাৰ্যসূচীত অংশ গ্ৰহণৰ মাধ্যমেৰে জড়িত কৰি সুৰক্ষাৰ প্ৰতি সচেতনতা বঢ়োৱা হয়। এইটো এটা সুখৰ বিষয় যে এতিয়ালৈকে সৌভাগ্যবশতঃ আমাৰ উদ্যোগত কোনোধৰণৰ ডাঙৰ দুৰ্ঘটনা হোৱা নাই।

*সূত্ৰধাৰ ঃ সম্পূৰ্ণ থলুৱা লোককলৈ এটি আধুনিক উচ্চ প্ৰযুক্তিজ্ঞান সম্পন্ন উদ্যোগ পৰিচালনাৰ ক্ষেত্ৰত আপুনি কিবা অসুবিধাৰ সমুখীন হৈছে নেকি ?*

ড° বৰগোহাঁই ঃ এইক্ষেত্ৰত মোৰ ক'বলগীয়া এয়েই যে-মোৰ সাধাৰণ মানুহৰ কৰ্মশক্তিৰ ওপৰত অটল বিশ্বাস আছে। মাথো উপযুক্ত নেতৃত্ব আৰু পৰিচালনা দিব পাৰিলে কৰ্মশক্তিক সুদিশত লৈ যাব পাৰি। আগতে কোৱাৰ দৰে সুশিক্ষাৰে কৰ্মশক্তিক নতুন ৰূপত ব্যৱহাৰ কৰিব পাৰি। মই ভাবো থলুৱা লোকক থলুৱা লোকে নেতৃত্ব আৰু পৰিচালনা দিয়াত সহায়হে হয়। কাৰণ একে চিন্তা-চৰ্চা, ৰুচিবোধ আৰু মানসিক প্ৰস্তুতি আদিয়ে পাৰস্পৰিক বুজা-পৰা সৃষ্টি কৰি নতুন কৰ্মপ্ৰেৰণা যোগাবহে পাৰে। আমি আপোনাক জনাবলৈ পাই সুখী হৈছো যে আমাৰ উদ্যোগৰ কৰ্মৰত শতকৰা ৯৯ জনেই থলুৱা লোক। এইসকল লোকৰ কৰ্মদক্ষতাৰ গুণতেই আমাৰ উদ্যোগে সাফল্য আৰু বিকাশ লাভ কৰিছে। ১৯৮১ চনত পণ্ডিত প্ৰবৰ স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈদেৱে মই তেখেতৰ বাসভৱনত লগ ধৰোতে এই প্ৰশ্নটোকে কৰিছিল। আপোনাক দিয়াৰ দৰেই তেখেতকো উত্তৰ দিয়াত তেখেতে অতি সন্তোষ প্ৰকাশ কৰিছিল। তেখেতে মত প্ৰকাশ কৰিছিল যে অসমীয়া মানুহক সঠিক দিশত পৰিচালিত কৰিব পাৰিলে তেওঁলোকেও অন্যান্য উন্নতশীল জাতিৰ লগত সমানে ফেৰ মাৰিব পাৰিব।

## ঔদ্যোগিক যন্ত্ৰপাতি ৰক্ষণাবেক্ষণৰ দৈনিক কাৰ্যতালিকা প্ৰস্তুত কৰাৰ সময়ত মন কৰিব লগীয়া কথা হ'ল কম ব্যয় সাপেক্ষে কাৰ্যকৰী আধুনিক ব্যৱস্থাৰ প্ৰবৰ্তন।

*এই প্ৰতিষ্ঠানৰ চিফ্ জেনেৰেল মেনেজাৰ শ্ৰীৰবীন্দ্ৰ নাথ হাজৰিকা বৃত্তিগত ভাবে এজন মেকানিকেল ইঞ্জিনিয়াৰ। অসম চিমেন্টচ্, অসম অইল কোম্পানীত কাম কৰাৰ অভিজ্ঞতাৰ উপৰিও দীৰ্ঘ দিন ধৰি এই প্ৰতিষ্ঠানৰ প্ৰকল্প ৰূপায়ণ, মেইন্টেনেনচ্‌ৰ লগত তেখেত জড়িত হৈ আছে। উদ্যোগিকৰণ আদিৰ দৰে গুৰুত্বপূৰ্ণ কেইটিমান বিষয়ত তেখেতে আমাৰ প্ৰশ্নসমূহৰ সঁহাৰি জনাইছিল, এনেদৰে----*



ৰবীন্দ্ৰ নাথ হাজৰিকা

*সূত্ৰধাৰ ঃ আজিৰ আধুনিক ঔদ্যোগিক খণ্ডত যন্ত্ৰপাতিৰ ৰক্ষণাবেক্ষণ (MAINTENANCE) এটি গুৰুত্ব পূৰ্ণ বিভাগ। উপযুক্ত ৰক্ষণা বেক্ষণ কৌশল প্ৰয়োগৰ ফলত এটি উদ্যোগৰ ব্যৱসায়িক দিশত সাফল্যৰ উপৰিও উদ্যোগৰ আয়ুস বৃদ্ধি কৰিব পাৰি। দীৰ্ঘ দিনৰ অভিজ্ঞতাৰে আপুনি এই উদ্যোগটিৰ প্ৰধান মুখ্য ব্যৱস্থাপক পদত অধিষ্ঠিত হৈছে। উদ্যোগত যন্ত্ৰপাতিৰ ৰক্ষণাবেক্ষণ সম্পৰ্কে আপোনাৰ অভিমত কিছু জনাবনে ?*

ৰঃ নাঃ হাঃ ঃ- যি কোনো এটা উদ্যোগৰ ব্যৱসায়িক আৰু আৰ্থিক সাফল্যৰ মূলতেই হ'ল উদ্যোগটিৰ সমূহ যন্ত্ৰপাতিৰ কাৰ্যকৰী ৰক্ষণাবেক্ষণ। যন্ত্ৰপাতি ৰক্ষণাবেক্ষণৰ মুখ্য উদ্দেশ্য হ'ল যন্ত্ৰপাতি সমূহ কাৰ্যক্ষম কৰি ৰখাৰ লগতে নিৰাপদে উদ্যোগটি চলাই ৰখা। ৰক্ষণাবেক্ষণ যদি উন্নতমানৰ নহয় তেন্তে উৎপাদন সংকট আৰু উৎপাদিত সামগ্ৰীৰ মূল্য বৃদ্ধিৰ পৰা হাতসৰাৰ কোনো উপায় নাই।

ঔদ্যোগিক যন্ত্ৰপাতি ৰক্ষণাবেক্ষণৰ দৈনিক কাৰ্য তালিকা প্ৰস্তুত কৰাৰ সময়ত মন কৰিব লগীয়া কথা হ'ল কম ব্যয় সাপেক্ষ কাৰ্যকৰী আধুনিক ব্যৱস্থাৰ প্ৰৱৰ্তন। নিম্নোল্লিখিত কাৰ্য ব্যৱস্থা অপৰিহাৰ্য।

–আধুনিক কৰ্ম পদ্ধতিৰ প্ৰয়োগেৰে ৰক্ষণাবেক্ষণৰ খৰচ কমোৱা।

–কম সময়ত বেছি কাম কৰিব পৰাকৈ যান্ত্ৰিক ব্যৱস্থাৰ প্ৰয়োগ আৰু প্ৰয়োজন অনুসৰি আধুনিক CHEMICAL CLEANING ৰ ব্যৱস্থা।

–যন্ত্ৰপাতিৰ প্ৰয়োগ অনুসাৰে ভাঙন হোৱা আগতেই প্ৰয়োজনীয় ৰক্ষণাবেক্ষণৰ ব্যৱস্থা (Preventive Maintenance)।

–উদ্যোগটিত ব্যৱহাৰ কৰা সমূহ যন্ত্ৰপাতিৰ এখন তালিকা প্ৰস্তুত কৰি Maintenance & Inspection Priority list তৈয়াৰ কৰা অতি প্ৰয়োজন।

ইয়াৰ পাছতেই আন এটি দিশ হ'ল প্ৰয়োজনীয় Spare Parts- ৰ ব্যৱস্থা কৰা। নামৰূপ আদিৰ দৰে দেশৰ ভিতৰুৱা অঞ্চলত স্থাপিত পেট্ৰ'কেমিকেলচ্ উদ্যোগ এটি উৎপাদনক্ষম কৰি ৰাখিবলৈ যথেষ্ট সতৰ্কতা আৰু দূৰদৰ্শিতাৰ প্ৰয়োজন হয়। আমাৰ উদ্যোগৰ এই গুৰুত্বপূৰ্ণ বিভাগটিৰ সকলো কৰ্মী এই অতি প্ৰয়োজনীয় ব্যৱস্থাৰ বিষয়ে অতি অভিজ্ঞ।

*সূত্ৰধাৰ ঃ বৃত্তিগত দিশত আপুনি এজন সফল অভিযন্তা আৰু বুজন আকাৰৰ ৰাসায়নিক প্ৰকল্প ৰূপায়ণৰ অভিজ্ঞতা আপোনাৰ আছে। আমি জানিব পৰা মতে অসম পেট্ৰ'কেমিকেলচ্ লিঃ ৰ উদ্যোগত ভৱিষ্যতে ৰূপায়ণ কৰিব লগা কিছু প্ৰকল্প হাতত আছে, সেই সমূহ ঔদ্যোগিক প্ৰকল্পৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে কিছু কবনে ?*

ৰঃ নাঃ হাঃ ঃ অসম পেট্ৰ'কেমিকেলচ্ লিঃ ৰ ভৱিষ্যতে ৰূপায়ণ কৰিব লগীয়া প্ৰকল্পৰ ভিতৰত আছে, -----

(ক) বৰ্তমান চলি থকা ফৰমেলিন প্লেন্টৰ উৎপাদন ক্ষমতা দৈনিক ৩৬ টনৰ ঠাইত ৫০ টনলৈ বৃদ্ধি কৰা।

(খ) দৈনিক ১০০ মেট্ৰিক টন উৎপাদন ক্ষমতা সম্পন্ন আন এটি ফৰমেলিন প্ৰকল্প স্থাপন কৰা। এই প্ৰকল্পটিৰ বাবে ভাৰত চৰকাৰৰ অনুজ্ঞা পত্ৰ আমাৰ হাততে আছে। প্ৰকল্পটিৰ বাবে প্ৰয়োজনীয় আৰ্থিক ব্যৱস্থাৰ বিষয়ে কাৰ্যকৰী ব্যৱস্থাপনাৰ কথালৈ সিদ্ধান্তত উপনীত হোৱাত অলপ পলম হোৱাৰ অৱকাশ আহি পৰিছিল যদিও অৱশেষত পৰিচালক মণ্ডলীৰ শেষ সিদ্ধান্ত অনুসৰি অসম চৰকাৰৰ পৰা কোনো আৰ্থিক সাহায্য নোলোৱাকৈ কোম্পানীৰ নিজস্ব আৰ্থিক বিনিয়োগ আৰু বিত্তীয় প্ৰতিষ্ঠানৰ পৰা লব লগা দীৰ্ঘম্যাদি ঋণৰ সহায়ত এই প্ৰকল্প ৰূপায়ণ কৰা হ'ব। প্ৰকল্পৰ স্থান কোম্পানীৰ নামৰূপৰ কাৰখানাৰ চৌহদৰ ভিতৰতে হ'ব।

(গ) আন এটি দৈনিক ৫০০ টন ক্ষমতাযুক্ত মিথানল প্ৰকল্প হাতত লোৱাৰ কথা বিবেচনাধীন হৈ আছে। এই প্ৰকল্প ৰূপায়ণৰ বাবে প্ৰায় ২৩০ কোটি টকাৰ প্ৰয়োজন হ'ব। বিনিয়োগ কৰিব লগা মূলধনৰ ব্যৱস্থা কৰিব পৰা হলেই এই প্ৰকল্পৰ ৰূপায়ণৰ বাবে কাৰ্যকৰী ব্যৱস্থা লোৱা হ'ব।

*সূত্ৰধাৰ ঃ এই উদ্যোগে ৰূপায়ণ কৰা উল্লেখযোগ্য কল্যাণ মূলক (Welfare) আঁচনি সমূহ কেনে ধৰণৰ ?*

ৰঃ নাঃ হাঃ ঃ অসম পেট্ৰ'কেমিকেলচ্ লিঃ ৰ কল্যাণমূলক আঁচনি সমূহৰ ভিতৰত আছে স্কুলঘৰ আৰু আলিবাট নিৰ্মাণৰ বাবে সাহায্য দান কৰাৰ উপৰিও দাঁতি কাষৰীয়া অঞ্চলত খোৱা পানীৰ যোগান ধৰা আঁচনি ইতিমধ্যে সম্পূৰ্ণ কৰি তোলা হৈছে। নামৰূপ মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণ আঁচনিত অসম পেট্ৰ'কেমিকেলচ্ লিঃ ৰ বৰঙণি উল্লেখযোগ্য। ইয়াৰ উপৰিও অসমৰ নিবনুৱা সমস্যাৰ সমাধানত এই উদ্যোগৰ ভূমিকা অগ্ৰগণীয়। প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে এই উদ্যোগটিৰ জৰিয়তে বহুতো নিবনুৱা যুৱক-যুৱতীৰ অন্নসংস্থাপনৰ পথ মুকলি হৈছে।

*সূত্ৰধাৰ ঃ অসমৰ উদ্যোগীকৰণৰ গতি মন্থৰ। ঔদ্যোগিক প্ৰকল্প ৰূপায়ণৰ বহুমূলীয়া অভিজ্ঞতা আপোনাৰ আছে। এই প্ৰকল্প সমূহ ৰূপায়ণ কৰিবলৈ যাওঁতে নিশ্চয় কিছুমান অসুবিধাৰ সমুখীন হ'ব লগা হয়। অসমৰ বাস্তৱ পৰিস্থিতিত তেনে স্বাভাৱিক অসুবিধা সমূহ কেনে ধৰণৰ ? সেই সমূহ অসুবিধা দূৰ কৰাৰ বাবে আপোনাৰ পৰামৰ্শ কিবা আছে নেকি ?*

ৰঃ নাঃ হাঃ ঃ চাওক, অসমৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থতেই কিছু কথা বহলাই কোৱাৰ প্ৰয়োজন আছে।

প্ৰথমতে আমি মানি লব লাগিব অসমৰ ভৌগোলিক অৱস্থান জনিত অসুবিধাসমূহ। যাৰ কাৰণে অসমৰ যোগাযোগ ব্যৱস্থা উন্নত নহয় লগতে বছৰি বানপানীৰ সমস্যা আছেই। এই অসুবিধাই যন্ত্ৰপাতি আৰু কেঁচামাল পৰিবহণত অন্তৰায় সৃষ্টি কৰে। ফলত খৰচ পাতি বাঢ়ি যায়।

প্ৰাকৃতিক সম্পদ বা কেঁচামালৰ সমৃদ্ধি থাকিলেই যে ঔদ্যোগিক বিকাশ হ'ব তাৰ কোনো যুক্তিসঙ্গত কাৰণ নাই যদিহে উৎপাদিত সামগ্ৰীৰ সুচল বজাৰ বা চাহিদা নেথাকে। অসমৰ কেঁচামালৰ উৎপাদিত সামগ্ৰী সমূহৰ বজাৰ অসমৰ বাহিৰত হোৱাৰ বাবে বজাৰৰ অৱস্থান অনুসৰি সামগ্ৰী কঢ়িয়াই নিয়াৰ খৰচ বেছি হোৱাৰ বাবে উৎপাদিত সামগ্ৰীৰ মূল্যমান বৃদ্ধি হবলৈ বাধ্য ফলত একে সামগ্ৰীৰ লগত প্ৰতিযোগিতামূলক বজাৰত বেচাদামৰ FLEXIBILITY সংকুচিত হয়।

অসম চৰকাৰৰ ঔদ্যোগিক নীতি অনুসৰি উদ্যোগীকৰণ খৰতকীয়া কৰিবৰ বাবে কিছুমান incentive আগবঢ়াইছিল। এই incentive ৰ সহায়ত কিমান নতুন উদ্যোগ গঢ় লৈ উঠিল কোৱা টান। অৱশ্যে এটা কথা সত্য যে যোৱা দশকৰ আৰম্ভণিৰ পৰাই অসমৰ অৱস্থা ইমান অশান্ত আৰু নিৰাপত্তাহীন আছিল যে বাহিৰৰ উদ্যোগপতিৰ কথা বাদেই অসমৰ নিগাজী বাসিন্দাইও অসমত উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি অহাত কুণ্ঠা বোধ কৰিছিল।

জনসাধাৰণৰ বিশেষকৈ যুৱক-যুৱতী সকলৰ মনত আঞ্চলিকতাতকৈ কৰ্ম সংস্কৃতিৰ (Work Culture) মনোভাব গঢ় লৈ উঠিব লাগিব। ১৯৭৩ চনৰ পৰা ১৯৮৮ চনলৈকে দুটা ঔদ্যোগিক প্ৰকল্প সম্পূৰ্ণ কৰাৰ অভিজ্ঞতা এয়েই যে কাম বিচাৰি আমাৰ মানুহ আহে, কাম কৰিবলৈ সুযোগ দিয়া হয়। কিন্তু পাছত দেখা যায় কাম কৰা মনোভাবতকৈ কাম পলম কৰি বেছি দিন চাকৰি চলাই ৰখাৰ প্ৰৱণতা। এই মানসিকতাই অকল উদ্যোগটি গঢ়ি তোলাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি নকৰে অপচয় ঘটায়।

দুটাকৈ উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে সমুখীন হোৱা আন ডাঙৰ অন্তৰায় আছিল ভাৰত চৰকাৰৰ পৰা আদায় কৰিব লগা বিভিন্ন অনুজ্ঞা প্ৰাপ্তিৰ বাবে দিল্লীত পোৱা অসুবিধা সমূহ। একোজন বিষয়াক লগ পাবলৈ দিনৰ পাছত দিন-ঘন্টাৰ পাছত ঘন্টা অপেক্ষা কৰিব লগা হয়। এনে উদ্যোগ নিৰ্মাণ সম্পৰ্কীয় চৰকাৰী অনুজ্ঞা পত্ৰ প্ৰাপ্তিত সহায় কৰিবলৈ অসম চৰকাৰে এজন পূৰ্ণকালীন বিষয়া নিযুক্তি দিয়াত কি অসুবিধা আছে অৱশ্যে জনা নেযায়।

এই প্ৰসঙ্গতে আন এটি দিশ উল্লেখ কৰিব লগা আছে সেইটো হ'ল বিত্তীয় প্ৰতিষ্ঠান সমূহৰ পৰা দীৰ্ঘম্যাদি ঋণ সংগ্ৰহৰ বাবে কৰা আবেদনৰ পৰা আৰম্ভ কৰি Project apprisal, Loan Sanction, Government Gurantee, Loan agreement আদিলৈকে ইমানবোৰ বিধি ব্যৱস্থাৰ অলপ সহজ নীতি নিয়ম কৰিব পৰা হ'লে বহুতো মূল্যবান সময় আৰু Pre operative cost কমাব পৰা গ'লহেতেন। প্ৰশ্নটিৰ উত্তৰত মোৰ মতামত এই খিনিয়েই।

# অসমীয়া আধুনিক গীত

সত্যেন শৰ্মা

মনৰ মাজত সাঁচিথোৱা সোঁৱৰণীৰ কিবা স্মৃতিচিহ্ন থাকে নেকি ? এজন অনুভূতিশীল বন্ধুৱে কৈছিল "মোৰ বাবে তেনে স্মৃতিচিহ্ন আছে যদি গানৰ কথা কম" সঁচাকৈয়ে সময়ৰ সোঁতে উটাই নিব নোৱাৰে গীতৰ সুৰীয়া সোঁৱৰণী। কেতিয়াবা জানো মচ খায় তাৰ সজীৱ সেউজীয়া ৰহণ ! শৈশব কৈশোৰ যৌৱনৰ ৰঙীন দিনৰ সুগন্ধ যেন লাগি থাকে গীতবোৰতেই ...............

........... "লাই হালে জালে আবেলি বতাহে" আইৰ মুখত শুনা সুৰদি নিচুকণি। প্ৰচাৰ মাধ্যমে কঢ়িয়াই অনা গীতবোৰ "কহুৱা বন মোৰ অশান্ত মন", "কণমান বৰশীৰে চিপ", "সোণৰ খাৰু নেলাগে মোক", "বগলি বগাফোট দি যা", ধুন ধুন ধুনীয়া", "চম্পাবতী তোমাৰ ঘাটত চপালোহি নাও" ...............

ষাঠি আৰু সত্তৰৰ দশক দুটা প্ৰকৃতাৰ্থত অসমীয়া গীতৰ চহকী সময়। ৰসজ্ঞ জনৰ বাহিৰেও সাধাৰণ শ্ৰোতাইও কৈ দিব পাৰে কেইটামান নাম জ্যোতিষ ভট্টাচাৰ্য, বীৰেণ দত্ত, দীপালি বৰঠাকুৰ, খগেন মহন্ত, জয়ন্ত হাজৰিকা আদি শিল্পীৰ কথা। ভূপেন হাজৰিকাৰ নাম নললোৱেই বা। মনযোগী শ্ৰোতাক সুধিলে কৈ দিব পাৰে গীতিকাৰ জনৰ কথা গীতটো নৱকান্ত বৰুৱা, হীৰেণ ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ, কেশৱ মহন্ত নে তফজ্জুল আলিয়ে লেখা। নৱকান্ত বৰুৱা বীৰেণ দত্ত, নিৰ্মলপ্ৰভা বৰদলৈ আৰু জয়ন্ত হাজৰিকাৰ সফল জুটি। এঠেঙীয়া বগলি হৈ নচা তামোল জোপা, চোতালত ওমলা ঘনচিৰিকা কেইটা নৱকান্ত বৰুৱাৰ গীতত জীৱন্ত হৈছিল। জীৱনৰ লগত জড়িত টুকুৰা টুকুৰ সঁচা ছবিৰে গীতবোৰ ৰচনা কৰা হৈছিল। কাব্যিকতাৰ পৰা ফালৰি কাটি অহাৰ লক্ষণ কাৰো গীতত নাছিল। সুৰাৰোপৰ বাবেও গীতবোৰ সহজ কৰি লিখা হৈছিল।

গীতবোৰ জনপ্ৰিয় কৰাৰ মুখ্য ভূমিকা আকাশবাণীয়ে লৈছিল। শ্ৰোতাই আলোচনা কৰিছিল প্ৰিয় শিল্পীজনৰ নতুন গীতটোৰ কথা। ৰেডিঅটোৰ কাষত আগ্ৰহেৰে বাট চাইছিলে। বিহু আৰু পূজাৰ HMV ৰ ৰেকৰ্ড কেইখন। যাৰ সুবিধা আছে ৰেকৰ্ড কেইখন ঘৰলৈ নি শুনে। আকাশবাণীৰ জৰিয়তে গীতবোৰ প্ৰচাৰিত হয়। প্ৰতিখন কথাছবিৰ গীত ৰেকৰ্ডত পোৱা গৈছিল।

নৈৱে দশকত অসমৰ সংগীতৰ জগত খনত কেইটামান উল্লেখযোগ্য ঘটনা ঘটে ইয়াৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। গুৱাহাটীৰ পৰা HMV ৰ প্ৰত্যাবৰ্তন আৰু অসমীয়া গীতৰ ৰেকৰ্ড সম্পূৰ্ণ কৈ বন্ধ হোৱা। গুৱাহাটীৰ পৰা বিদায় লোৱাৰ পিছত HMV এ অসমীয়া গানলৈ পিঠি দিলে। কলিকতাৰ ষ্টুডিঅৰ পৰা নগণ্য সংখ্যক ৰেকৰ্ড আৰু কেছেট ওলাল। কিন্তু বজাৰখনৰ ক্ষেত্ৰত HMV সচেতন হৈ ৰল। পুৰণি গীতেৰে অসমৰ বজাৰ ভৰাই থলে। সুষম গতিত বিক্ৰী চলি থাকিল। এইটো স্বীকাৰ্য যে কেছেটৰ জনপ্ৰিয়তাই ৰেকৰ্ডৰ বজাৰখন সীমিত কৰি পেলালে। আৰু কেছেটৰ বজাৰখন দিনে দিনে বৃদ্ধি পাই গ'ল। HMV এ অসমীয়া গীতৰ ৰেকৰ্ডিং বন্ধ কৰাৰ কাৰণ বুজা নগল। আনহাতে ১৯৯১ ৰ পূজাত HMV এ প্ৰায় ন-পুৰণি চল্লিছটা বঙালী গীতৰ কেছেট বজাৰত উলিয়াই দিয়ে। অৱশ্যে ভূপেন হাজৰিকাৰ দুই এটা কেছেটৰ বাদে। অকল HMV য়েই নে চি বি এচ, মিউজিক ইণ্ডিয়াৰ দৰে বহুজাতিক প্ৰতিষ্ঠানবোৰেও একেই পন্থাকে অনুসৰণ কৰিছে। উত্তৰ পূব ভাৰতৰ বজাৰ খনৰ বাবেহে যে তেওঁলোক আগ্ৰহী সেইকথা দেখ দেখ কৈ প্ৰমাণিত হৈছে। এই অঞ্চলৰ গীত মাতৰ প্ৰতি তেওঁলোকৰ কোনো কৰণীয় নাই।

ৰেকৰ্ড প্ৰস্তুত বন্ধ হোৱাৰ বাবে আকাশবাণীৰ পৰা গীতৰ প্ৰচাৰ বন্ধ হ'ল। যিহেতু আকাশবাণীয়ে কেছেটৰ গীত প্ৰচাৰ নকৰে। তাৰ এটা পৰোক্ষ প্ৰভাব কথাছবি শিল্পীৰ ওপৰতো নপৰা নহয়। কাৰণ গীত জনপ্ৰিয় হ'লে ছবি চলাত সহায় হয়। ৰেডিঅৰ এই ক্ষেত্ৰত এটা মুখ্য ভূমিকা আছে।

এই সময়ছোৱাত অসমত কেইটামান ৰেকৰ্ডিং ষ্টুডিঅ হ'ল। আৰু ইয়াৰ জৰিয়তে অসমীয়া গীতৰ বাণীবন্ধন আৰম্ভ হ'ল। HMV ৰ ষ্টুডিঅ আৰু স্থানীয় ৰেকৰ্ডিং ষ্টুডিঅৰ মাজত কিছু পাৰ্থক্য আছে। HMV এ সদায় গুণগত মানদণ্ডৰ ওপৰত ভিত্তি কৰি শিল্পী নিৰ্বাচন কৰিছিল আৰু তেওঁলোকৰ ৰেকৰ্ড কেছেটৰ বজাৰ আৰু ৰয়েলিটিৰ সম্পূৰ্ণ দায়িত্বও বহণ কৰিছিল। স্থানীয় ৰেকৰ্ডিং ষ্টুডিঅ কেইটাই অৰ্থৰ বিনিময়ত কেৱল মাত্ৰ গীত বাণীবন্ধন কৰে। শিল্পীৰ গুণগত মানদণ্ডই ইয়াত প্ৰবেশাধিকাৰত কোনো বাধাৰ সৃষ্টি নকৰে। সেই গীতৰ বজাৰৰ দায় দায়িত্বৰ লগত তেওঁলোক জড়িত নহয়। গতিকে বজাৰখন দুই এটা প্ৰতিষ্ঠানৰ হাতৰ পৰা বহুজনৰ হাতলৈ বিস্তাৰিত হৈ পৰিল। একেষাৰে কব পাৰি HMV এ সংগীত বিক্ৰী কৰিছিল কিন্তু নতুন কেছেট প্ৰস্তুতকাৰক সকলৰ গৰিষ্ঠ সংখ্যকে কেছেট বিক্ৰী কৰে।

নতুন শিল্পীৰ জোৱাৰ আহিল। বহুতো নতুন গায়ক গায়িকা গীতিকাৰ আৰু সুৰকাৰে আত্মপ্ৰকাশ কৰিলে। প্ৰতিষ্ঠিত সকল তো আছেই। বজাৰ ৰমক জমক। নতুন শিল্পী নতুন মুখ নতুন কণ্ঠ। তাৰে কিছু কেছেট বজাৰত ভাল চলিল কিছু পৰি থাকিল। অৱশ্যে সোঁত আহিলে লগত জেং জাবৰ অহাতো এটা স্বাভাৱিক প্ৰক্ৰিয়া। তাৰ ভিতৰত সম্ভাৱনা পূৰ্ণ প্ৰতিভা নোহোৱা নহয়। কিন্তু গীত নিৰ্বাচনৰ ক্ষেত্ৰত বেছিভাগেই অলপো সাৱধানতা অবলম্বন নকৰিলে। সকলো স্তৰৰ গীতেই নিৰ্বিচাৰে গালে।

চীৎকাৰকো গীতৰ লেবেল মৰা হ'ল। সহজতম শিল্পনিৰ্মাণ হ'ল গীত ৰচনা কৰা। কি মাৰাত্মক নতুন গীতৰ ভাষা "চিঠি লিখোতে লিখোতে আঙুলি বিষালে", তোমাৰ খোপাত পদুম ফুলে" ইত্যাদি ইত্যাদি। সুৰ সংযোজনৰ ক্ষেত্ৰতো অনুকৰণ ধৰ্মিতাহে দেখা গ'ল। সস্তীয়া বম্বে মাৰ্কা গানৰ নকল আৰু বাদ্যযন্ত্ৰৰ প্ৰাধান্যহে গানত বেছি হ'ল কণ্ঠ তাত গৌণ।

আমাৰ সাধাৰণ ৰুচিবোধৰ পতন ঘটিছে নেকি ? কিন্তু বিহুসন্মিলনত পিলিঙা ল'ৰাই কৰা গীতৰ অনুৰোধৰ ৰুচিৰ ওপৰত নিৰ্ভৰ কৰি জানো সাধাৰণ ৰুচিবোধ জুখিব পাৰে ? নীৰৱ গৰিষ্ঠ সংখ্যকৰ ৰুচিৰ উমান নোপোৱাকৈ আমাৰ ৰুচিবোধৰ পতন ঘটিছে বুলি মন্তব্য দিয়াটো ভুল হব। কিন্তু সস্তীয়া গীতৰ কেছেট বজাৰত বিক্ৰী হয়। গতিকে অনুমান কৰিব পাৰি সাধাৰণ উপভোক্তা সকল কোন আৰু কোনচামৰ ওপৰত এই সংস্কৃতিৰ চাপ বেছি।

এইবোৰ দেখি শুনিও কোনো দিশৰ পৰা প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হোৱা নাই। নতুন শিল্পীৰ গীতত ভাল কথা বা ভাল সুৰ নাই এনে নহয়। কিন্তু কেছেটৰ সংখ্যাটো বেছি হোৱা বাবে সকলোবোৰ শুনাটো সহজসাধ্য নহয়। কেছেটবোৰৰ আয়ুসো ক্ষণস্থায়ী। আমাৰ প্ৰান্তীয় প্ৰদেশ পশ্চিমবংগও এই ব্যাধিৰ পৰা হাত সাৰিব পৰা নাই।

এই সকলোবোৰ থকা সত্বেও কালজয়ী গীত এই সময়ছোৱাত সৃষ্টি নহ'ল কিয় ! আমাৰ দুৰ্বলতা খিনি ক'ত ৰ'ল। বীৰেণ দত্তৰ গীতৰ কেছেট "মনৰ খবৰ" তাত এটাও নতুন গান নাই। পুৰণা গীতৰ নতুন ৰেকৰ্ডিং। পুলক বেনাৰ্জীৰ গীতৰ কেছেটৰ ক্ষেত্ৰতো একেটা কথাই খাটে। হিন্দী গীতৰ ক্ষেত্ৰতো মানদণ্ডৰ যি পতন দেখা গৈছিল কিছু নতুন প্ৰতিভাৰ আগমনৰ পিছত মানদণ্ড পুনৰ উভতি অহাটো পৰিলক্ষিত হৈছে। আমাৰ আধুনিক গীতেও উত্তৰণৰ দিশত গতি কৰিবনে ?